● গুৱাহাটী, যোৱহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৱহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দৈনিক অগ্রদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

৭ খাদ্যৰ চৰম অভাৱত ভুগিছে বিশ্বৰ ২.৩ বিলিয়ন নাগৰিক
১৫ ইতিহাস গঢ়ি উইম্বলডনৰ ফাইনেলত জাবেউৰ
৪ ৰাষ্ট্ৰীয় সন্ত্ৰাসৰ স্বৰূপ

দিগ্‌দৰ্শন

যদি যাত্ৰাপথ সুন্দৰ হয়,
তেন্তে ই আমাক ক'লৈ
লৈ যাব সেয়া
নোসোধাই ভাল।

এনাট'ল ফ্ৰান্স
ফৰাচী কবি

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৬৮তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ২৩ আহাৰ ১৪২৯ ভাস্কৰাব্দ ৮ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 8 July 2022 মূল্য ঃ ৯.০০ টকা

জলবিদ্যুৎ আৰু নদীবান্ধৰ ক্ষমতাৰ যুদ্ধ

দেশ-কাল-সমাজ

ড° দীনেশ বৈশ্য

১৯৮০ৰ পৰা ১৯৯০ৰ ভিতৰত সমগ্ৰ বিশ্বতেই বৃহৎ নদীবান্ধৰ বাবে ভালেমান জনজাগৰণ হয়। বৃহৎ নদীবান্ধৰ বিৰুদ্ধে হোৱা আন্দোলনসমূহৰ নেতৃবৰ্গ মিলিত হৈ সমগ্ৰ বিশ্বতে এক নদীবান্ধ বিৰোধী আন্দোলনৰ সমন্বিত শক্তি গঠন কৰে। নদীবান্ধ বিৰোধী আন্দোলনৰ নেতৃত্বই সমগ্ৰ বিশ্বতে এক সহযোগিতাৰ পৰিৱেশ গঠন কৰে। স্বাভাৱিকতে এই আন্দোলন বিশ্ব বেংকৰ *১০ পৃষ্ঠাত চাওক*

কেৰালাত বিস্ফোৰণত মৃত্যু সৰভোগৰ পিতা-পুত্ৰৰ

ভঙা-ছিঙা সামগ্ৰী ক্ৰয় কৰা প্ৰতিষ্ঠানত কৰ্মৰত

অগ্ৰদূত বাৰ্তা

শালবাৰী, ৭ জুলাই ঃ দৰিদ্ৰতাৰ কৰাল গ্ৰাসত পৰি কামৰ সন্ধানত অসমৰ পৰা সুদূৰ কেৰালালৈ গৈ কালি অকাল মৃত্যুক সাৱটি লয় বাগ্‌সাৰ সীমান্তৱৰ্তী ৰবপেটা জিলাৰ সৰভোগ আৰক্ষী থানাৰ অন্তৰ্গত পোৱাগাঁৱৰ পিতা-পুত্ৰই। দুৰ্ভগীয়া লোক দুজন হ'ল ফজল হক আৰু তেওঁৰ *১০ পৃষ্ঠাত চাওক*

হায়দৰাবাদৰ খাদ্য সামগ্ৰীৰ যোগান ধৰা বুলি লুটিলে ভুৱা প্ৰতিষ্ঠানে

ষ্টাফ ৰিপৰ্টাৰ

গুৱাহাটী, ৭ জুলাই ঃ খাদ্য সামগ্ৰী যোগানৰ নামত কে'বা লাখ টকা আত্মসাৎ কৰা এটা ভুৱা প্ৰতিষ্ঠানৰ তথ্য উদ্ধাৰ কৰিছে অসম আৰক্ষীৰ অৰ্থনৈতিক অপৰাধ অনুসন্ধান বিভাগ (বি আই ই অ')-এ। এই সন্দৰ্ভত এজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। আজি *১০ পৃষ্ঠাত চাওক*

তাপমাত্ৰা	সৰ্বোচ্চ	সৰ্বনিম্ন
গুৱাহাটী	৩৪°	২৭°
ডিব্ৰুগড়	৩৪°	২৬°
দিল্লী	৩৬°	৩১°
কলকাতা	৩৩°	২৭°
মুম্বাই	২৮°	২৬°
চেন্নাই	৩৩°	২৭°
বাংগালুৰু	২৪°	১৯°
শ্বিলং	২৬°	২০°

৭ জুলাই, ২০২২

চেঙা তেল

চৰকাৰ যাৱেই নহওক, আমাৰ কিন্তু সদায়েই জয়জয়কাৰ! আমি মুঠতে শীৰ্ষত থাকিমেই!

নিচ্ছিন্ন শ শ গ্ৰামীণ পথ, যোগাযোগ স্তব্ধ

■ এছ ডি আৰ এফৰ কেন্দ্ৰৰ অংশৰ ৩৪২.৪ কোটি টকা মুকলি কৰি দিলে অসমলৈ

ষ্টাফ ৰিপৰ্টাৰ

গুৱাহাটী, ৭ জুলাই ঃ বছৰৰ দ্বিতীয়টো বিধ্বংসী বানে ৰাজ্যৰ আন্তঃগাঁথনিত প্ৰচণ্ড মাধমাৰ শোধাইছে। এই বানৰ ফলত প্ৰথম পৰ্যায়ত পাঁচ হেজাৰ কোটি টকাৰ ক্ষয়-ক্ষতি হোৱা বুলি ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে হিচাপ প্ৰকাশ কৰিছিল। দ্বিতীয়টো অভাৱনীয় বানপানীত ইয়াতকৈ বহু বেছি পৰিমাণৰ ক্ষতিসাধন হোৱা বুলি দিছপুৰৰ সূত্ৰত প্ৰকাশ। পানী শুকাইছে যদিও এতিয়াও ৰাজ্যৰ ২০খন জিলাত দ্বিতীয়টো বানৰ ক্ষতিকাৰক প্ৰভাৱ অব্যাহত আছে। এই ক্ষয়-ক্ষতিৰ পৰিমাণ ন্যূনতম ন হেজাৰ কোটি টকা হ'ব বুলি বিভাগীয় হিচাপত কোৱা হৈছে। প্ৰাধিকৰণে সংগ্ৰহ কৰা তথ্য অনুসৰি আন্তঃগাঁথনিৰ ক্ষেত্ৰত দ্বিতীয়টো বানত ৰাজ্যৰ দুশখন সৰু-বৰ দলং সম্পূৰ্ণৰূপে অথবা আংশিকভাৱে ক্ষতিগ্ৰস্ত হয়। আংশিকভাৱে ক্ষতিগ্ৰস্তবোৰৰো বেছিভাগৰে অৱস্থা সামগ্ৰিকভাৱে দুৰ্বল হৈ পৰিছে। গতিকে ন্যূনতম কিছুসংখ্যকৰ বাদে সকলো দলঙেই পুনৰ মেৰামতি কৰিব লাগিব বুলি তথ্য প্ৰকাশিত হৈছে। ইয়াৰ অধিকাংশই পকী দলং। ক্ষতিগ্ৰস্ত জিলাসমূহৰ ভিতৰত সৰ্বাধিক ৩৬ খন দলং বিনষ্ট হয় বজালী জিলাত। ইয়াৰ পাছতে কোকৰাঝাৰ জিলাত ৩১ খন দলং ক্ষতিগ্ৰস্ত হয়। ৰৱপেটা জিলাত *১০ পৃষ্ঠাত চাওক*

■ কাগজ কলৰ কৰ্মচাৰীৰ কল্যাণৰ অৰ্থে ২৫ কোটি টকাৰ পুঁজিৰে গঠন হ'ব ন্যাস ■ ৬৬জনলৈ চৰকাৰী পদত নিয়োগ পত্ৰ প্ৰদান

দুই বন্ধ কাগজ কলৰ কৰ্মচাৰীলৈ আৰ্থিক সাহায্য বিতৰণ মুখ্যমন্ত্ৰীৰ

ষ্টাফ ৰিপৰ্টাৰ

গুৱাহাটী, ৭ জুলাই ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত এক অনুষ্ঠানত হিন্দুস্তান পেপাৰ কৰ্পোৰেছন লিমিটেড (লিকুইডেটেড)ৰ প্ৰাক্তন কৰ্মচাৰী আৰু কৰ্মীসকলৰ বাবে অসম চৰকাৰৰ আৰ্থিক সাহায্য বিতৰণ কৰে। উল্লেখ্য যে হিন্দুস্তান পেপাৰ কৰ্পোৰেছন লিমিটেডৰ নগাঁও আৰু কাছাৰস্থিত কাগজ কল দুটা বন্ধ হৈ যোৱাৰ ফলত আৰ্থিক দুৰ্দশাৰ সম্মুখীন হোৱা এই কল দুটাত কাম কৰা কৰ্মচাৰীসকলৰ মানৱীয়তাৰ আধাৰত আৰ্থিক সাহায্য প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। এই দুয়োটা কাগজ কলৰ স'তে জড়িত সমস্যাবাজি সমাধানৰ বাবদ ৰাজ্য চৰকাৰৰ ব্যয় হ'ব ৮১০.০২ কোটি টকা। ৰাজ্য চৰকাৰৰ এই সাহায্য পুঁজিয়ে কাগজ কল দুটাৰ *১০ পৃষ্ঠাত চাওক*

একে ভূমিত পুনৰ এটা কাগজ কল আ�ৰম্ভ কৰাৰ প্ৰচেষ্টা ল'ব চৰকাৰে

৩২ বছৰীয়া চিকিৎসক কইনাৰে দ্বিতীয় বিবাহ পাশত আৱদ্ধ হ'ল পঞ্জাৰৰ মুখ্যমন্ত্ৰী ভগৱন্ত মান, বৃহস্পতিবাৰে।

বহিঃৰাজ্যত কাম কৰিবলৈ গৈ ৰেলতে আক্ৰমণৰ বলি

এজনৰ মৃত্যু, আহত এক

বিশেষ সংবাদদাতা

ডিব্ৰুগড়, ৭ জুলাই ঃ জীৱিকাৰ তাড়নাত বহিঃৰাজ্যত কাম কৰিবলৈ গৈ ৰেলতে আক্ৰমণৰ বলি হৈ এজনৰ মৃত্যু হয়। আনহাতে, আন এজনৰ কথমপি প্ৰাণৰক্ষা পৰে। *১০ পৃষ্ঠাত চাওক*

ভাড়া ঘৰ বিচাৰি ঘূৰিছে কংগ্ৰেছ-ইউডিএফৰ বিধায়কে

ৰাজহুৱা ধনৰ অপচয় নকৰাৰ বিৰোধীৰ আহ্বান গুৰুত্বহীন কৰিলে অধ্যক্ষই

ষ্টাফ ৰিপৰ্টাৰ

গুৱাহাটী, ৭ জুলাই ঃ বৃহৎ ৰাজহুৱা ধনৰ অপচয় কৰি লাখ লাখ টকাৰে মাত্ৰ কেইমাহমান আগতে মেৰামতি কৰা অসম বিধানসভাৰ অসম আৰ্হিৰ বিধায়ক আৱাসসমূহ ভঙাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। বিধায়ক নথকাত উদং হৈ থকা আৱাসবোৰ *১০ পৃষ্ঠাত চাওক*

ভাৰতীয় মূলৰ ছুনাকো শীৰ্ষ পদৰ দৌৰত ■ অনাস্থা প্ৰকাশ কৰি ৫০ মন্ত্ৰী-সাংসদৰ পদত্যাগ

ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী জনছনৰ পদত্যাগ

■ নিউজ ব্যুৰ'

লণ্ডন, ৭ জুলাই ঃ ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছনক ওফৰাই প্ৰধানমন্ত্ৰী পদৰ তীব্ৰ দাবীদাৰ হৈ উঠিছে ভাৰতীয় মূলৰ ঋষি ছুনাক। বিত্তমন্ত্ৰীৰ দায়িত্বৰ পৰা শেহতীয়াভাৱে পদত্যাগ কৰা ছুনাক আৰু অন্যান্যসকলৰ হেঁচাতে আজি অৱশেষত ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰে জনছনে। ১০ নম্বৰ ডাউনিং ষ্ট্ৰীটৰ পৰা প্ৰধানমন্ত্ৰী হিচাপে অন্তিম বক্তৃতা প্ৰদান কৰি জনছনে ঘোষণা কৰে যে

তেওঁ ব্ৰিটেইনৰ কনজাৱভেটিভ পাৰ্টিৰ মুৰব্বীৰ পদৰ পৰা পদত্যাগ কৰিলে। ইয়াৰ ফলত নতুন প্ৰধানমন্ত্ৰী নিৰ্বাচিত কৰাৰ বাট প্ৰশস্ত হ'ল। ১০ ডাউনিং ষ্ট্ৰীটৰ বাহিৰত জনছনে কয়, 'সংসদীয় কনজাৱভেটিভ পাৰ্টিৰ স্পষ্ট ইচ্ছা প্ৰকাশিত হৈছে যে দলৰ নতুন নেতা আৰু সেই হেতুকে নতুন প্ৰধানমন্ত্ৰী নিৰ্বাচিত হ'ব লাগে।' ৫৮ বছৰীয়া জনছনে অৱশ্যে কয় যে তেওঁৰ কনজাৱভেটিভ পাৰ্টিয়ে *১০ পৃষ্ঠাত চাওক*

■ বহিঃৰাজ্যলৈ ঢাপলি মেলিবলগীয়া হৈছে ■ বহু শ্ৰমিকৰ জবকাৰ্ড দালালে ৰাখি থৈছে ■ এশ দিনৰ কাম দিবলৈ অপাৰগ পঞ্চায়ত

জবকাৰ্ডৰ কেলেংকাৰিৰ ফলশ্ৰুতিতে মৰিগাঁৱৰ শ্ৰমিকৰ কৰুণ পৰিণতি

অগ্ৰদূত বাৰ্তা

ভু�ৰাগাঁও, ৭ জুলাই ঃ মণিপুৰৰ টুপুলত সংঘটিত ভয়াৱহ ভূমিস্খলনৰ ঘটনাত মৰিগাঁৱৰ কুশতলি, খোৱাগোসাঁইবড়ি আদিকে ধৰি কে'বাখনো গাঁৱৰ ১৬ জন লোকে প্ৰাণ হেৰুৱায়। তেওঁলোকৰ এনে পৰিণতিৰ পাছত মৰিগাঁও জিলাত জবকাৰ্ডৰ নামত বৃহৎ কেলেংকাৰি সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। কেলেংকাৰিৰ বাবে পঞ্চায়তত কাম কৰাৰ পৰা বঞ্চিত হৈ আহিছে বহু লোক। ফলত উক্ত গাঁওসমূহৰ বহু যুবকে কামৰ সন্ধানত মণিপুৰলৈ ঢাপলি মেলিবলৈ বাধ্য হয়। পত্নী, কণমানি সন্তান আদিক ঘৰত থৈ মণিপুৰলৈ কামৰ সন্ধানত ঢাপলি মেলা লোকসকলৰ বেছিভাগৰ বয়স ১৯ৰ পৰা ৩২ বছৰৰ ভিতৰত। কুশতলিৰ নিহত আৰু আহত শ্ৰমিকৰ পৰিয়ালৰ একাংশই অভিযোগ কৰা মতে, জবকাৰ্ড থকাৰ পাছতো শ্ৰমিকসকলক এশ দিনৰ কাম দিব *১০ পৃষ্ঠাত চাওক*

■ সাময়িক সকাহৰ বাবে ভুক্তভোগী পৰিয়ালক আৰ্থিক সাহায্য প্ৰদানৰ দাবী দল-সংগঠনৰ ■ আৰু এজনৰ মৃতদেহৰ অন্তিম সৎকাৰ

এতিয়াও মৃত ঘোষণা কৰা হোৱা নাই ভূমিস্খলনত মৰিগাঁৱৰ সন্ধানহীন ছজনক

অগ্ৰদূত বাৰ্তা

ভুৰাগাঁও ৭ জুলাই ঃ মৰিগাঁও জিলাৰ কুশতলিত আজি সৎকাৰ কৰা ৰামু ফুকনৰ স'তে মণিপুৰৰ ভূমিস্খলনত মৃতকৰ সংখ্যা ১০জনলৈ বৃদ্ধি পালে। ইফালে চিকিৎসাধীন অৱস্থাত আছে আহত আন পাঁচজন শ্ৰমিক। তদুপৰি এই পৰ্যন্ত সন্ধানহীন হৈ আছে কুশতলি অঞ্চলৰ আন ছজন লোক। দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছতে ভূমিস্খলনত নিহতসকলৰ নিকটাত্মীয়লৈ মণিপুৰ চৰকাৰে পাঁচ লাখকৈ টকাৰ ক্ষতিপূৰণ দিয়াৰ প্ৰতিশ্ৰুতিৰ বিপৰীতে চিকিৎসাধীন হৈ থকাসকলক ৫০ হেজাৰকৈ টকাৰ সাহায্য দিছে; কিন্তু সন্ধানহীন হৈ থকা লোকসকলৰ সন্দৰ্ভত মণিপুৰ চৰকাৰে অথবা অসম চৰকাৰে এতিয়ালৈকে কোনো ধৰণৰ ঘোষণা কৰা নাই। আজি ৰৱবড়ী গাঁৱৰ নিৰুদ্দিষ্ট যুৱক টুপেন পাতৰ আৰু কল্পজ্যোতি ৰৱদলৈৰ পৰিয়ালৰ লোকে কয়, 'আমাক *১০ পৃষ্ঠাত চাওক*

ডিমাপু�ৰৰ পৰা স্কুটীৰে সৰৱৰাহ কৰা ৭০ লাখ টকাৰ ড্ৰাগছ জব্দ

অগ্ৰদূত বাৰ্তা

কলিয়াবৰ, ৭ জুলাই ঃ কলিয়াবৰৰ ৰাজপথত জব্দ হৈছে ৭০ লাখ টকাৰ ড্ৰাগছ। নগালেণ্ডৰ ডিমাপুৰৰ পৰা স্কুটীৰে কলিয়াবৰৰ ৰৱঘুলীলৈ সৰৱৰাহ কৰা *১০ পৃষ্ঠাত চাওক*

ৰন্ধন গেছৰ চিলিণ্ডাৰৰ পুনৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদ মহিলা কংগ্ৰেছৰ।

ৰবপেটাত কূটাঘাত সংঘটিত কৰাৰ পৰিকল্পনাৰ সন্দেহ আৰক্ষীৰ

জেএমবিৰ সহযোগীৰ জিম্মাৰ পৰা তিনিটা বোমা উদ্ধাৰ, ধৃত দুই

বিশেষ সংবাদদাতা

ৰবপেটা, ৭ জুলাই ঃ ৰবপেটা আৰক্ষীয়ে আজি জিলাখনৰ হাউলী আৰু জনীয়াৰ পৰা কেতবোৰ বিস্ফোৰক সামগ্ৰী উদ্ধাৰ কৰে। আৰক্ষী সূত্ৰই সদৰী কৰা মতে, জিলাখনৰ হাউলী কালঝাৰৰ মুকাদ্দেজ আলী আৰু জনীয়াৰ হাফিজ ছফিকুল ইছলামৰ বাসগৃহত কিছু বিস্ফোৰক সামগ্ৰী লুকুৱাই ৰখা বুলি আৰক্ষীয়ে গোপন সূত্ৰৰ পৰা খবৰ লাভ কৰে। ৰবপেটা আৰক্ষীৰ দল এটাই আজি পুৱতি নিশা প্ৰায় ২-৩০ বজাত হাউলী কালঝাৰৰ মুকাদ্দেজ আৰু জনীয়াৰ হাফিজৰ বাসগৃহত অভিযান চলায়। এই অভিযানতে আৰক্ষীয়ে *১০ পৃষ্ঠাত চাওক*

ঐতিহাসিক জয় হ'ব ঃ দাবী মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

এনডিএৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুৰ গুৱাহাটীত প্ৰচাৰ

ষ্টাফ ৰিপৰ্টাৰ

গুৱাহাটী, ৭ জুলাই ঃ অহা ১৮ জুলাইত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে এনডিএৰ প্ৰক্ষেপিত প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুৰে আজি অসমত প্ৰচাৰ চলায়। উত্তৰ-পূৰ্বাঞ্চলত তিনিদিনীয়া প্ৰচাৰ কাৰ্যসূচীলৈ যোৱা পাঁচ জুলাইত অসমত উপস্থিত হোৱা মুৰ্মুৰে আজি মহানগৰীৰ *১০ পৃষ্ঠাত চাওক*

■ আত্মনিৰ্ভৰ অসমৰ আঁচনিৰ স'তে যুক্ত হ'বলৈ তৎপৰ ■ নিৰ্দিষ্ট সংগঠনৰ নামত আঁচনি পোনপটীয়াকৈ প্ৰকাশ কৰা নাই যদিও স্বায়ত্তশাসিত পৰিষদ-উন্নয়ন পৰিষদৰ জৰিয়তে সংস্থাপন প্ৰদানৰ পৰিকল্পনা প্ৰস্তুত

আন্দোলন এৰি হিতাধিকাৰী হোৱাৰ পথত ছাত্ৰ নেতা

ষ্টাফ ৰিপৰ্টাৰ

গুৱাহাটী, ৭ জুলাই ঃ ৰাজপথৰ প্ৰতিবাদৰ বিপৰীতে এইবাৰ আত্মনিৰ্ভৰ অসমৰ অংশীদাৰ হ'বলৈ ওলাইছে ৰাজ্যৰ একাংশ জনগোষ্ঠীয় সংগঠন! আন্দোলনৰ পথ এৰি চৰকাৰৰ হিতাধিকাৰী হৈ গাহৰি-ব্ৰহিলাৰ পুহিব ছাত্ৰ নেতাই। আত্মনিৰ্ভৰ অসম গঢ় দিয়াৰ লক্ষ্যৰে চৰকাৰী হিতাধিকাৰী হৈ একাংশ জনগোষ্ঠীয় সংগঠনৰ সদস্যই কণী-গাখীৰৰ সমান্তৰালভাৱে মাছ-মাংস উৎপাদনত নিজকে জড়িত কৰোৱাৰ ইতিমধ্যে প্ৰস্তুতি আৰম্ভ কৰিছে। ইয়াৰ বাবে চৰকাৰে পৰ্যাপ্ত পুঁজি মোকলাই দিয়াৰো তথ্য পোহৰলৈ আহিছে। উল্লেখ্য যে এটা সময় আছিল, বিভিন্ন দাবীৰে জাতীয়-জনগোষ্ঠীৰ সংগঠনসমূহে ৰাজপথ নাইবা নিৰ্দিষ্ট স্থানত সাব্যস্ত কৰি অহা প্ৰতিবাদৰ খবৰে দৈনিক বাতৰিৰ শিৰোনাম দখল কৰিছিল। পৰিৱৰ্তিত পৰিস্থিতি তথা সাম্প্ৰতিক পৰিৱেশত ৰাজ্যৰ দল-সংগঠনসমূহৰ আন্দোলন কিছু হ্ৰাস পোৱাৰ পাছতে এইবাৰ সংগঠনসমূহৰ নেতা-সদস্যৰ স্বনিয়োজনৰ পথ প্ৰশস্ত কৰাৰ লক্ষ্যৰে চৰকাৰে কেতবোৰ আঁচনি গ্ৰহণ কৰিছে। অৱশ্যে চৰকাৰে নিৰ্দিষ্ট সংগঠনৰ নামত পোনপটীয়াকৈ কোনো আঁচনি গ্ৰহণ কৰা নাই যদিও সংশ্লিষ্ট জনগোষ্ঠীসমূহৰ স্বায়ত্তশাসিত পৰিষদ নাইবা উন্নয়ন পৰিষদসমূহৰ জৰিয়তে ছাত্ৰ নেতা-সদস্যক আঁচনি প্ৰদান কৰি আন্দোলনৰ পৰিৱৰ্তে ৰাজ্যখনত এক কৰ্ম সংস্কৃতিৰ পৰিৱেশ গঢ়ি তোলাৰ লক্ষ্যৰে অগ্ৰসৰ হৈছে বুলি দিছপুৰৰ সূত্ৰই সদৰী কৰিছে। *১০ পৃষ্ঠাত চাওক*

■ কামপুৰত কৃষকৰ হাহাকাৰ

খেতিপথাৰ ৰূপান্তৰিত হৈছে মৰুভূমিলৈ, পথাৰত একঁকাল পৰ্যন্ত বালি

বিশেষ সংবাদদাতা

নগাঁও, ৭ জুলাই ঃ চলিত বৰ্ষতে কপিলী, নিশাৰী, ৰৱপানী নদীৰ বাঢ়নী পানীয়ে দুবাৰকৈ মহটিয়াই নিয়া নগাঁও জিলাৰ বৃহত্তৰ কামপুৰ অঞ্চলটোৰ কৃষকসকলৰ মাজত এতিয়া হাহাকাৰ লাগিছে। প্ৰলয়ংকৰী বানত কামপুৰ ৰাজহ চক্ৰৰ প্ৰায় ন হেজাৰ হেক্টৰ কৃষিভূমি আক্ৰান্ত হৈছিল। কৃষকৰ খেতি পথাৰত সাগৰ সদৃশ পানী হৈছিল। সম্প্ৰতি পানী *১০ পৃষ্ঠাত চাওক*

১০ জুলাইৰ পৰা ডিমৌত শিশু নাট কৰ্মশালা

অগ্ৰদূত বাৰ্তা

ডিমৌ, ৭ জুলাই ঃ ৰাষ্ট্ৰীয় পৰ্যায়ৰ নাট্য প্ৰতিষ্ঠান একটিং একাডেমী ডিমৌৰ উদ্যোগত তথা অসম নাট্য সন্মিলন শিৱসাগৰ জিলা সমিতিৰ সহযোগিতাৰে অহা ১০ ৰ পৰা ২৫ জুলাইলৈকে ডিমৌ বহুমুখী ভৱনত আয়োজন কৰিবলৈ লোৱা হৈছে এটি শিশু নাট কৰ্মশালাৰ। সীমিত আসনেৰে আয়োজন কৰিবলৈ লোৱা নাট্য কৰ্মশালাত অসমৰ বহুকেইজন খ্যাতনামা নাট্য শিল্পীয়ে প্ৰশিক্ষণ আগবঢ়াব বুলি একটিং একাডেমী ডিমৌৰ সঞ্চালক প্ৰশান্তজিৎ চেতিয়াই জানিবলৈ দিছে। তদুপৰি কৰ্মশালাৰ অন্তত আয়োজন কৰিবলৈ লোৱা নাট সমাৰোহত শিশুসকলৰ দ্বাৰা মঞ্চস্থ কৰা হ'ব প্ৰশান্ত জিৎ চেতিয়াৰ ৰচনা আৰু পৰিচালনাত পূৰ্ণাংগ শিশু নাট 'সপোন কোঁৱৰৰ যাদু'।

[illegible]

ORDER NO. 163
Dated : 6/7/22

As per resolution dated 22/06/2022 of the selection board, the earlier advertisement dated 15-06-2021 for the post of peons is hereby cancelled due to non following of 100 point roster arrangement against the total sanctioned of Grade IV posts in the establishment of the District & Sessions Judge, Nalbari. The application form for the vacant post of peons submitted vide earlier advertisement dtd. 15-06-2021 stands rejected.

A new advertisement for the post of peons will be published by following 100 point roster and notified in due course of time

Inform accordingly.

Sd/
District & Sessions Judge
Nalbari

Janasanyog/D/7022/22

Tender No. CRD/OL/02 of 2022-23

PRESS NOTICE INVITING TENDER

The Divisional Forest Officer, Chirang Division, Kajalgaon invites bids for 2(two) Nos. of schemes under Revolving Fund for the year 2022-23 for total contract of Rs. 31,01,500/- (Rupees thirty one lakhs one thousand five hundred) only under Chirang Forest Division, Kajalgaon from the eligible contractors of class-II & above category of PWD(Roads) & PWD (Buildings) Assam and BTC, Kokrajhar. The details may be seen at the office of the undersigned during office hours. The bill of the contractor will be paid only after received the fund from BTC.

Sd/- Divisional Forest Officer,
Chirang Division, Kajalgaon

Janasanyog/C/6086/22

আজিৰ দিনটো



কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

২৩ আহাৰ শুকুৰবাৰ, ৮ জুলাই

সূৰ্যোদয় ঃ ঘঃ ৪।৩১।৩৮ **সূৰ্যাস্ত ঃ** ঘঃ ৬।১৪।৪৬। **তিথি ঃ** শুক্লা নৱমী, দং ২০।৪০।৩৩ ঘঃ ১২।৪৭।৫১। **নক্ষত্ৰ ঃ** চিত্ৰা, দং ৭।৫০।১২ ঘ ঃ ৭।৩৯।৪৩ **যোগ ঃ** শিৱ, দং ২।৮।৫৩ প্ৰাতঃ ঘ ৫।২৩।১১ **সিদ্ধঃ** দং ৫৬।৫৭।৪৫ ৰাঘ ৩।১৮।৪৪। কৰণ কৌলৱ। **জন্মত ঃ** তুলাৰাশি, বৈশ্যবৰ্ণ, মতান্তৰে শূদ্ৰবৰ্ণ, দেৱাৰিগণ, বাঘৰ অস্থি, বৰুণযোগ, অষ্টোত্তৰী বুধ, বিংশোত্তৰী মঙল দশা। ঘঃ ৭।৩৯।৪৩ যোৱাত দেৱগণ, মহিষৰ অস্থি, বিংশোত্তৰী ৰাহুৰ দশা। **আদ্যঋতু হ'লে ঃ** ১৫ দিনীয়া বেশ্যা যোগ, মতান্তৰে তিনি মহীয়া পতিহীা যোগ। **মৰণত দোষ ঃ** নাই। **যোগিনী ঃ** পূবত, ঘঃ ১২।৪৭।৫১ যোৱাত উত্তৰত। **যাত্ৰা ঃ** শুভ অমৃতযোগ, পশ্চিমত নাই, ঘঃ ১২।৪৭।৫২ যোৱাত উত্তৰত। **শুভকৰ্ম ঃ** বিবাহ (ৰাঘ ৬।৫০ৰ পৰা ১১।৪৮ সময়ৰ ভিতৰত মকৰ, কুম্ভ আৰু মীন লগ্নত, পুন ঃ ৰাঘ ১।১৬ৰপৰা ৩।১০ৰ ভিতৰত বৃষ লগ্নত সুতহিবুক যোগত), গৰ্ভাধান, আৰোগ্যস্নান, দীক্ষা, **ভক্ষ্যাভক্ষ্য ঃ** লাও, ঘ ঃ ১২।৪৭।৫১ যোৱাত কলমৌ শাক খোৱা নিশেষ।

দিনটোৰ ৰাশিফল

মেষ ঃ কৰ্মক্ষেত্ৰত আৰ্থিক উন্নতিৰ কাৰণে নতুন যোগাযোগ। অংশীদাৰী ব্যৱসায়ত ব্যস্ততা বৃদ্ধি পাব। বিদ্যাত জটিলতা। প্ৰেমত শুভ, শুভ ৰং সেউজীয়া, শুভ সংখ্যা ১।

বৃষ ঃ কৰ্মত স্থায়ী সিদ্ধান্ত ল'ব লাগিব। নিবনুৱাৰ কৰ্ম লাভৰ যোগ। ব্যৱসায়ত পৰিকল্পিত অগ্ৰসৰত কিছু বাধা। বিদ্যাত শুভ। শুভ ৰং ৰঙা, শুভ সংখ্যা ৮।

মিথুন ঃ গৱেষণামূলক কাম-কাজত প্ৰতিভাৰ বিকাশ ঘটিব। সন্তানৰ কৰ্মতৎপৰতাই আপোনাক আনন্দিত কৰিব। নতুন প্ৰতিষ্ঠিত ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত দিনটো শুভ। প্ৰেমত আনন্দ। শুভ ৰং হালধীয়া, শুভ সংখ্যা ৬।

কৰ্কট ঃ ভাই-ভনীৰ পৰাা সমাদৰ পাব। দিনটোত ধন কষ্ট পাব পাৰে। প্ৰেমত সতৰ্ক হওক। পুৰণি ব্যধিয়ে কিছু কষ্ট দিব। বিদ্যাত বাধা। শুভ ৰং গোলপীয়া, শুভ সংখ্যা ৮।

সিংহ ঃ উচ্চপদস্থ কৰ্মচাৰীসকলৰ বাবে অনুকূল সময়। আৰ্থিক দিশত বৃদ্ধিৰ লগতে সঞ্চয় বৃদ্ধি পাব। প্ৰতিযোগিতামূলক পৰীক্ষাত সুনাম বৃদ্ধিৰ যোগ। শুভ ৰং বগা, শুভ সংখ্যা ৫।

কন্যা ঃ আয়বৃদ্ধিৰ যোগ। বিদ্যাৰ ক্ষেত্ৰত যশ বৃদ্ধিৰ কাৰক। মুৰ্গী ৰোগত স্নেহ কষ্ট পাব। প্ৰেমত মধ্যম। শুভ ৰং সেউজীয়া, শুভ সংখ্যা ৭।

তুলা ঃ চাকৰিত পদোন্নতিৰ সম্ভাৱনা। নতুন কোনো উদ্যোগ বা ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত বিনিয়োগ কৰিব পাৰে। প্ৰেমত প্ৰতাৰিত হ'ব।। শুভ ৰং ৰঙা, শুভ সংখ্যা ৩।

বৃশ্চিক ঃ কৰ্মস্থানত অধিক উন্নতিৰ আশা কৰিব পাৰে। আৰ্থিক উন্নতিত গুৰুস্থানীয় ব্যক্তিৰ সহায় পাব। চাকৰিয়ালৰ শুভ। প্ৰেমত বিবাহৰ যোগাযোগ। শুভ ৰং ৰঙা, শুভ সংখ্যা ৯।

ধনু ঃ আৰ্থিকত বিশেষ অসুবিধা দেখা নাযায়। প্ৰাপ্য ধন আদায় কৰিব পাৰিব। কৰ্মত্ত সাফল্য আৰু মৰ্যাদা বৃদ্ধি পাব। প্ৰেমিত উৎসাহ। শুভ ৰং সেউজীয়া, শুভ সংখ্যা ৪।

মকৰ ঃ স্বাস্থ্যৰ ক্ষেত্ৰত সামান্য দুঃশ্চিন্তা কৰ্মক্ষেত্ৰত অধিক ব্যস্ততা বাঢ়িব। পাৰিবাৰিক দিশত অশান্তি। বিদ্যাত শুভ। শুভ ৰং হালধীয়া, শুভ সংখ্যা ৬।

কুম্ভ ঃ কৰ্মক্ষেত্ৰত কিছু অগ্ৰগতি তথা পদোন্নতি। ব্যৱসায়ত হঠাৎ লাভ বৃদ্ধিৰ কাৰকতা। আকস্মিক দুৰ্যোগ দুৰ্ঘটনাৰ দ্বাৰা অমংগল সুচিত হ'ব পাৰে। শুভ ৰং সোণালী, শুভ সংখ্যা ৭।

মীন ঃ নতুন কৰ্মপ্ৰেৰণা পাব। যৌথ ব্যৱসায়ত আৰ্থিখ লেনদেনৰ ক্ষেত্ৰত শুভ প্ৰভাৱ পৰিব। স্বামী-স্ত্ৰীৰ মাজত ভুল বুজাবুজি হ'ব পাৰে। শুভ ৰং গেৰুৱা, শুভ সংখ্যা ৯।

GOVT. OF ASSAM
OFFICE OF THE CHIEF ENGINEER, PWD (ROADS), ASSAM, CHANDMARI, GUWAHATI

[illegible]

Janasanyog/CF/1296/22

ASSAM ELECTRICITY GRID CORPORATION LIMITED

NOTICE INVITING TENDER

1. **Bid Identification No: AEGCL/DGM/LAC/TT/TLS-69/2022/620; Dtd: 07-07-2022**
2. **Name of work:** Emergency repairing of tower legs and bracing of 30 nos. of towers of Transmission lines under ILMSD, Kahilipara.
3. **Cost of Bid Document:** ₹500.00
4. **Tender Start Date & Time:** 07-07-2022 from 14 Hrs : 00 Mins

Interested bidders who were earlier empanelled contractors for O&M related works under Lower Assam T&T Circle, AEGCL may visit the O/o the undersigned for relevant information and purchase of tender documents during office hours on working days.

Sd/-, Deputy General Manager,
Lower Assam T&T Circle, AEGCL, Narengi, Guwahati-26

GOVT. OF ASSAM
OFFICE OF THENGAL KACHARI AUTONOMOUS COUNCIL
ASSAM, TITABAR

No TKAC/11/21-22/30 dtd 06/07/2022

NOTICE INVITING TENDER

Sealed tenders affixing non-refundable court fee stamp of Rs. 8.25 (Rupees eight and twenty five paise) only are invited from the contractors/firms/suppliers registered with Thengal Kachari Autonomous Council, Assam Titabar for Supply of the following items for the year 2022-23. The detailed particulars of the items and Terms and Conditions thereof may be obtained from the office of the undersigned from 08/07/2022 to 18/07/2022 during office hours by payment of Rs. 1000.00 (Rupees one thousand) only in the form of Bank Draft drawn in favour of Principal Secretary, Thengal Kachari Autonomous Council from any Nationalized Bank payable at Jorhat. The tender paper duly filled in will be received in the office of the undersigned upto 1.00 pm of 18/07/2022 and will be opened in presence of intending contractors/suppliers or their authorized agents on the same day at 2.00 pm. If the opening date falls on any holiday, the tenders will be received and opened on the next working day at the same place and hours.

Name of Item:-

1. Water Pump — 2. Sprayer Machine
3. Mason Kit — 4. Carpenter Kit
5. Sewing Machine (Zig Zag)
6. Sewing Machine — 7. Football with net
8. Volleyball with net — 9. e-Rickshaw

Thengal Kachari Autonomous Council authority is not bound to accept the lowest rates and decision of the TKAC authority is final and binding.

Principal Secretary
Thengal Kachari Autonomous Council
Assam, Titabar

শব্দ-ব্ৰহ্ম ঃ ০৮ জুলাই ২০২২



[illegible]

AFFIDAVIT

I, Md. Rowab Ali, S/o Lt. Kader Ali, Vill: Badani Akhiya, P.O: Lowtola, Dist: Nalbari, Assam do hereby declared by an affidavit before Judicial Megistrate 1st class, Kamrup (M) on 05/07/2022 that Md. Rowab Ali and Mr. Rowab Ali is the same person having single identity i.e. myself.

জ্যোতিষী

আপুনি কেনেকুৱা সমস্যাত ভুগিছে? সমস্যা যিমান কঠিন নহওক কিয় ১০০ শতাংশ **Guarantee** সহ সমাধান পাবই। মায়ং প্ৰশিক্ষণ জ্যোতিষী।
আচাৰ্য ডি শৰ্মা
(M) 6003992423, 8099336044.

ASTROLOGY/ জ্যোতিষী

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ **ৰত্নসাগৰ** জ্যোতিষ, বাস্তু, তন্ত্ৰৰ দ্বাৰা আপুনি নিজে নোকোৱাকৈ জানক আপোনাৰ ভূত, ভৱিষ্যৎ, বৰ্তমান ও সকলো সমস্যাৰ ১০০% গেৰাণ্টীযুক্ত সমাধান, বিধান, প্ৰতিকাৰ কৰা হয়।
জ্যোতিষ, বাস্তু, তন্ত্ৰ সম্ৰাট
ড° ত্ৰিকাল ৰাজগুৰু
কুঁৱৰীটোল ঃ কলিয়াবৰ, নগাঁও
(M) 9954021556, 9957066469.

হেৰাইছে

মোৰ (শ্ৰী গৌতম বৰুৱা) নামত টিহু ৪ নং ৱাৰ্ডত থকা ১৬০ নং পট্টাৰ ৩৪০ নং দাগৰ দলিলখন হেৰাইছে।
শ্ৰীগৌতম বৰুৱা
টিহু

LOST

I have lost my HSLC Original Admit card Roll B07-088 No 3108 year 2007.
Anjali Talukdar
C/O- Let Nabin Talukdar
Vill- Dolongpar
P.S- Tamulpur
Pin-781367.

AFFIDAVIT

I Stiphen Daimari,S/O Lt. Ananda Daimari, Vill-Daifankhuti, P.O-Mazkhuti, P.S. Rowta, Dist- Udalguri (Assam) do hereby declared by an affidavit before Notary Kamrup (M) on 04/07/2022 that my name has appeared as STIFAN DAIMARY instead of STIPHEN DAIMARI in some document. So, I shall be known as STIPHEN DAIMARI instead of STIFAN DAIMARY for all perposes.

AFFIDAVIT

I, BHUBAN WARY, residing at Vill-Basangaon, P.O-Karigaon, P.S & Dist-Kokrajhar, BTR (Assam) declare that my actual and correct name is BHUBAN WARY which is recorded in my PAN Card vide no.ACMPW3937E but in my Elector Photo Identity Card vide no.HJL0346999 and Land documents/records covered by Dag No.111/165,Patta No.6 (Old), 36 (New) my name is wrongly recorded as MONDAL WARY instead of BHUBAN WARY. Therefore BHUBAN WARY and MONDAL WARY is the same and one person by an affidavit before Notary, Kokrajhar on 23/05/2022.

GOVERNMENT OF INDIA
MINISTRY OF DEFENCE
EX-SERVICEMEN CONTRIBUTORY HEALTH SCHEME
STATION CELL ECHS GUWAHATI
PHONE : 8134033685
e-mail: echsghystncell@yahoo.in

EMPLOYMENT NOTICE

1. ECHS invites application to engage following Medical Staff on contractual basis for ECHS Polyclinic, Goalpara wef 01 Aug 2022 till 31 Mar 2023.

Appointment	Minimum Qualification	No of Vac	Fixed Remuneration
Medical Officer	MBBS	PC Sec para 1	75000

2. **For Terms & Conditions, Application Form & Remuneration.** Kindly see our website [illegible] For additional details, please contact Stn Cell ECHS Guwahati at Telephone No [illegible] & email ID [illegible]. Also approach concerned ECHS Polyclinic for details. [illegible]
3. **Last date of receipt of applications as per format given at our website.** Application as per requisite format along with self attested photocopies of documents in support of Educational Qualifications and Work Experience will be submitted to OIC ECHS Cell Guwahati by **15 Jul 2022** in duplicate. Applications received after **15 Jul 2022** will not be accepted.
4. **Interview Date, Timing & Venue.** Candidates must reach Stn HQ 51 Sub Area at **09:00 am on 18 Jul 2022** for the interview to be held between 10:00 am to 13:00 pm. Candidate must bring all original certificates/mark sheets/degree of 10th / Matric/10+2 & Graduation/ diploma course, work experience, discharge book, PPO, service records and 04 PP size photographs at the time of interview. No TA/DA is admissible. Only candidates meeting the QR/above Requirements may apply.

No. DRDA/UDL/ATS/2021-22/94 Dated Udalguri the 1st July 2022

PRESS NOTICE
Tender No. DRDA/Udl/02/2022

The Project Director, DRDA, Udalguri invites bids from registered contractors with PWD (Road/Building) or Registered contractor with BTC in the category of class I and above for 3 (three) nos. of works amounting to Rs.537.44,032/- (Rupees five crores thirty seven lakhs forty four thousand and thirty two) only under Aspirational District Programme for the year 2022-23.

The details may be seen at the website https://assamtenders.gov.in and also in the office of the undersigned during office hours.

Sd/- Secretary, BTC, Kokrajhar
Nodal Officer, Aspirational District Programme,
Udalguri

IPR/BTC/-1723/2022

No. DRDA/UDL/ATS/2021-22/92 Dated Udalguri the 1st July 2022

PRESS NOTICE
Tender No. DRDA/Udl/01/2022

The Project Director, DRDA, Udalguri invites bids from registered Suppliers / Manufacturers / Registered Firms etc for 7 (seven) nos. of works amounting to Rs.302.72,085/- (Rupees three crores two lakhs seventy two thousand and eighty five) only under Aspirational District Programme for the year 2022-23.

The details may be seen at the website http://assamtenders.gov.in and also in the office of the undersigned during office hours.

Sd/
Secretary, BTC, Kokrajhar
Nodal Officer, Aspirational District Programme,
Udalguri

IPR/BTC/-1722/2022

No. TMB/15th FC/ASTC/2021-22/4694

RE-QUOTATION NOTICE

Sealed Quotation affixing court fee stamp of Rs. 8.25 (Rupees Eight and twenty five paisa) only are hereby invited from the intending registered contractors/Suppliers/reputed firms & Dealers for the supplying of the item as shown as below to Tihu Municipal Board Under 15th Finance Commission for the year 2020-21 during the year 2021-22 (1st installment of Tied Grant & 2nd installment of Untied Grant) and will be received by the undersigned up-to 2:00 P.M. on 18-07-2022 and will be opened on the same day and place at 3:00 PM in presence of intending Quotationer or their authorized agents.

The Previous Quotation notice vide No.TMB/15th ASTC (1st & 2nd installment, Tied & Untied Fund)/2021-22/4328 dated.13/01/2022 is hereby cancelled due to some unavoidable circumstances.

Sl. No.	Name of Items	Unit	Rate (inclusive of all taxes & GST) In figure	In words
1	Construction, Design, Supply, Installation & commissioning of All in one Solar Street Light Mounted on 6Mtr. Octagonal Pole. With minimum specification as per below: Extruded Aluminum Housing with weather proof Gasket IP65 Grade in built charge controller, Solar Panel, Lithium Ferro Phosphate (life PO4) and Microwave Sensor Luminaire 60W with dimming facility upto 35%. Total Lumen 8500 Lm. Solar Panel minimum 50WP mono crystalline type. Battery minimum 12.8V/42 AH with charging time 6 hrs. or 1 Solar day. Dusk on Dawn off facility Battery back up time 2 nights on full brightness of Luminaire with standard warranty 3 years and five years free maintenance service at various places from Holdibari to Tihu Chowk NH-31, Tihu.			
	A) Philips make	No.		
	B) Bajaj make	No.		
	C) Crompton make	No.		
2	Supply of 20 Ltr. Capacity Dustbin with Printing for Tihu Municipal Board Under 15th Finance Commission for the year 2020-21 during the year 2021-22 (1st installment of Tied Grant)	1 PC		

Terms and Conditions

[illegible]

Executive Officer
Tihu Municipal Board
Tihy

Janasanyog/CF/1286/22

দৈনিক
অগ্রদূত

গুৱাহাটী, ৮ জুলাই, ২০২২ শুকুৰবাৰ পৃষ্ঠা তিনি

নগাঁৰত জাপানী এনকেফেলাইটিছৰ ভয়াৱহ ৰূপ ঃ আক্রান্তৰ সংখ্যা ১০ জনলৈ বৃদ্ধি

বিশেষ সংবাদদাতা

নগাঁও, ৭ জুলাই ঃ নগাঁও জিলাত শেহতীয়াকৈ জাপানী এনকেফেলাইটিছ ৰোগৰ প্রাদুর্ভাৱে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। আজি পর্যন্ত জিলাখনত এই ৰোগত আক্রান্ত লোকৰ সংখ্যা ১০ গৰাকীলৈ বৃদ্ধি পাইছে। জুনৰ পৰা বর্তমানলৈকে জিলাখনৰ ভিন্ন ঠাইত ১০ গৰাকীকৈ লোক জাপানী এনকেফেলাইটিছ ৰোগত আক্রান্ত হৈছে। ইয়াৰ ভিতৰত দুগৰাকী আক্রান্তৰ কালি মৃত্যু হৈছে। কালিলৈকে জিলাখনত সাতজন লোক এই ৰোগত আক্রান্ত হোৱাৰ পাছত নতুনকৈ আন তিনিজন লোক আক্রান্ত হৈছে। নতুনকৈ আক্রান্ত হোৱাসকল হ'ল--নগাঁও চহৰৰ লাওখোৱা *ছয় পৃষ্ঠাত চাওক*

প্রবঞ্চনা আৰু দুর্নীতিৰ অভিযোগত লাট মণ্ডলক নিলম্বন

ডুমডুমা, ৭ জুলাই ঃ ডুমডুমা ৰাজহ চক্রৰ ডুমডুমা মৌজাৰ লাট মণ্ডল মুকুট দাসক চাকৰিৰ পৰা নিলম্বন কৰিছে। এক নির্দেশনা অনুসৰি, তিনিচুকীয়া জিলা উপায়ুক্তই তেওঁক নিলম্বন কৰে। লাট মণ্ডল দাসৰ বিৰুদ্ধে বিভিন্নজনৰ পৰা প্রবঞ্চনাৰে লাখ লাখ টকা সংগ্রহ কৰাৰ অভিযোগ উত্থাপন হোৱাৰ লগতে দুর্নীতি কৰাৰ অভিযোগ উত্থাপন হৈছে। নিজেই মানসিক ৰোগী বুলি উল্লেখ কৰি দাস বিগত *ছয় পৃষ্ঠাত চাওক*

মৰিয়নিত ৰেলত উদ্ধাৰ সোণৰ বিস্কুট ঃ দুজনক আটক

অগ্রদূত বার্তা

মৰিয়নিঃ ৭ জুলাই ঃ মৰিয়নি ৰেল ষ্টেছনত যোৱা নিশা আৰক্ষীয়ে অভিযান চলাই অবৈধভাৰে কঢ়িয়াই অনা সোণৰ বিস্কুট উদ্ধাৰ কৰাৰ লগতে দুজনকৈ লোকক আটক কৰিবলৈ সক্ষম হয়। ঘটনাৰ সন্দর্ভত জানিব পৰা মতে, গুৱাহাটীৰ পৰা যোৰহাট হৈ মৰিয়নিলৈ অহা ১৫৬৬৫ নম্বৰৰ উজনিমুৱা বিজি এক্সপ্রেছত সোণ কঢ়িয়াই অনাৰ বিশেষ সূত্রৰ জৰিয়তে লাভ কৰি যোৰহাট সদৰ আৰক্ষী থানাৰ আৰক্ষীয়ে এক অভিযান চলায়। যোৰহাট সদৰ থানাৰ ভাৰপ্রাপ্ত আৰক্ষী বিষয়া ৰাজু বাহাদুৰ ছেত্রীৰ নেতৃত্বত অহা যোৰহাট আৰক্ষীয়ে মৰিয়নি ৰেল ষ্টেছনত ৰেলৰে আৰক্ষী আৰু ৰেলৰে নিৰাপত্তা বাহিনীৰ সহযোগত এই অভিযান চলায়। পাছত ৰেলখনৰ পৰা দুজন লোকক আটক কৰে। আটক কৰা লোক দুজনৰ এজন যোৰহাট গড়মুৰ ইটাখুলি কুমাৰ গাঁৱৰ কানাই দেৱনাথৰ পুত্র প্রতাপ দেৱনাথ (৪৬) আৰু আনজন যোৰহাট আতিলা গাঁৱৰ প্রয়াত সুনীল ঘোষৰ পুত্র প্রসেনজিৎ ঘোষ (বাপী) (৪৮) বুলি জানিব পৰা গৈছে। প্রতাপ দেৱনাথৰ পৰা সোণখিনি উদ্ধাৰ কৰা হয়। উদ্ধাৰ কৰা সোণখিনিৰ ওজন প্রায় ৭০০ গ্রাম হ'ব আৰু ইয়াৰ বজাৰ মূল্য প্রায় ১০ লাখ টকা হ'ব বুলি আৰক্ষীৰ সূত্রই জানিবলৈ দিছে। *ছয় পৃষ্ঠাত চাওক*

বঙাইগাঁৱত নামনি অসম মাওলিক পর্যায়ৰ শিক্ষা বিষয়াৰ সন্মিলনত শিক্ষামন্ত্রী ডাঃ পেগু

অসমত নাথাকিব শিক্ষকবিহীন বিদ্যালয়

অগ্রদূত ব্যুৰ'

বঙাইগাঁও, ৭ জুলাই ঃ বঙাইগাঁও জিলা উপায়ুক্তৰ সভাকক্ষত আজি অনুষ্ঠিত নামনি অসম মণ্ডলৰ বঙাইগাঁও, বৰপেটা, গোৱালপাৰা আৰু ধুবুৰী জিলাৰ লগতে নবগঠিত দক্ষিণ শালমাৰা আৰু বজালী জিলাৰ অন্তর্গত মাধ্যমিক শিক্ষা আৰু প্রাথমিক শিক্ষা বিষয়াৰ সন্মিলনত অসম চৰকাৰৰ শিক্ষামন্ত্রী ডাঃ ৰণোজ পেগু উপস্থিত থাকে। সন্মিলনখন আৰম্ভ কৰি দিয়া ভাষণত শিক্ষামন্ত্রী ডাঃ পেগুৰে কয় যে অসমত অতি শীঘ্রে শিক্ষকবিহীন বিদ্যালয় নাইকিয়া কৰা হ'ব। যিবিলাক বিদ্যালয়ত ছাত্র-ছাত্রী আছে, অথচ তাত থকা শিক্ষকসকলৰ অৱসৰ হোৱাৰ পাছত আৰু শিক্ষক নিযুক্ত কৰা হোৱা নাই সেইবিলাক বিদ্যালয় নিকটৱর্তী বিদ্যালয়ৰ লগত একত্রীকৰণ কৰা হ'ব। স্কুল যিমানে ডাঙৰ হ'ব অর্থাৎ ছাত্র-ছাত্রীৰ সংখ্যা যিমানে বাঢ়িব সিমানে বিদ্যালয়বিলাক শৈক্ষিক দিশত সুবিধাজনক হ'ব, পৰিচালনা কৰাতো সুবিধা হ'ব বুলি মন্ত্রীজনে উল্লেখ কৰে। আনহাতে, যুক্তিপূর্ণ বদলিকৰণৰ ক্ষেত্রতো চৰকাৰে গুৰুত্ব দিব বুলিও তেওঁ ভাষণ প্রসংগত উল্লেখ কৰে। কিয়নো যদিহে এগৰাকী মহিলাই নিজৰ ঘৰৰ ওচৰৰ স্কুলত শিক্ষকতা কৰাৰ সুবিধা পায় তেতিয়া তেওঁ শৈক্ষিক দিশত বেছি মনোযোগ দিব পাৰিব বা কোনো শিক্ষকে যদি বুজাবুজি কৰি নিজৰ নিজৰ ঠাইলৈ বদলি হ'ব বিচাৰে তেনেহ'লে চৰকাৰে একো বাধা নিদিয়ে আৰু সেই ক্ষেত্রত শিক্ষা বিষয়াসকলেও আপত্তি কৰিব নালাগে। আনহাতে, যিবিলাক স্কুলত কোনো বিষয়ৰ শিক্ষকৰ পদ খালী হৈ আছে সেইবিলাক সম্পূর্ণকৈ চৰকাৰক জনাবলৈ শিক্ষামন্ত্রী ডাঃ পেগুৱে শিক্ষা বিষয়াসকলক নির্দেশ দিয়ে যাতে খালী থকা শিক্ষকৰ পদত শিক্ষক নিযুক্ত কৰি বিদ্যালয়সমূহৰ শৈক্ষিক অগ্রগতি সাধন কৰিব পাৰে।

তেতিয়া শিক্ষাৰ গুণগত মান উন্নত হ'ব। তদুপৰি কোন কোন শিক্ষকে কেতিয়া অৱসৰ ল'ব তাৰ হিচাপ বিস্তৃতভাৱে দিয়াটোও নিশ্চিত কৰিবলৈ বিষয়াসকলক শিক্ষামন্ত্রীজনে নির্দেশ দিয়ে। ইয়াৰ উপৰি যিবিলাক বিদ্যালয়ৰ কেচাঘৰ আছিল আৰু *ছয় পৃষ্ঠাত চাওক*

গোসাঁইগাঁৱত যুদ্ধ বিৰত সশস্ত্র সংগঠন 'আকমা'ৰ প্রতিষ্ঠা দিৱস পালন, বৃহস্পতিবাৰে।

কলিয়াবৰৰ হাতীবন্ধাত বাছ-টেম্প'ৰ মুখামুখি সংঘর্ষত আহত ছয়

অগ্রদূত বার্তা

কলিয়াবৰ, ৭ জুলাই ঃ কলিয়াবৰৰ হাতীবন্ধাত যাত্রীবাহী বাছ আৰু টেম্প'ৰ মুখামুখি সংঘর্ষত আজি গুৰুতৰভাৱে আহত হয় ছজনকৈ লোক। টেম্প'খনত আহি থকা ছজনকৈ আৰোহী আহত হয় দুর্ঘটনাটোত। ইয়াৰে দুজনক অতি সংকটজনক অৱস্থাত *ছয় পৃষ্ঠাত চাওক*

দুধনৈ আৰক্ষীৰ বিৰুদ্ধে গাৰো ছাত্র সন্থাৰ তীব্র প্রতিবাদ ঃ নিলম্বিত দুই আৰক্ষী

থানালৈ মাতি আনি দুই আৰক্ষী-অভিযোগকাৰীৰ দ্বাৰা নির্মম প্রহাৰ মহিলাক

অগ্রদূত বার্তা

দুধনৈ/কৃষ্ণাই, ৭ জুলাই ঃ গোৱালপাৰা জিলাৰ দুধনৈ আৰক্ষীয়ে এখন এজাহাৰৰ বিষয়ক লৈ মেঘালয়ৰ ডাইনাড়ুৰিৰ এহাল দম্পতীক আলোচনাৰ বাবে মাতি আনি স্বামীৰ অনুপস্থিতিত পত্নীগৰাকীক নির্মমভাৱে প্রহাৰ কৰা ঘটনাই আজি উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। স্বামীৰ অবর্তমানত মৌচুমী ম'মিন নামৰ মহিলাগৰাকীক যোৱা চাৰি জুলাইত অতি নির্মমভাৱে প্রহাৰ কৰি আঘাতপ্রাপ্ত কৰাত তেওঁ *ছয় পৃষ্ঠাত চাওক*

ড্রাগছ ব্যৱসায়ীক জেললৈ প্রেৰণ

অগ্রদূত বার্তা

হোজাই, ৭ জুলাই ঃ হোজইত ড্রাগছৰ বিৰুদ্ধে অব্যাহত আছে আৰক্ষীৰ অভিযান। কালি ড্রাগছসহ আটক কৰা এজনক আজি এনডিপিএছ আইনৰ অধীনত জেললৈ প্রেৰণ কৰে। আৰক্ষীৰ অভিযানত হেৰ'ইনভর্তি এটা চাবোনৰ বাকচত ১২ গ্রাম হেৰ'ইন জব্দ কৰাৰ লগতে চেহনাজ উদ্দিন নামৰ এজন ড্রাগছ সৰবৰাহকাৰীক আটক কৰিছিল। হোজইৰ ইছলাম নগৰৰ নিবাসী ড্রাগছ ব্যৱসায়ীজনৰ পৰা আৰক্ষীয়ে প্রায় এক লাখ ৫০ হেজাৰ টকাৰ ড্রাগছ জব্দ কৰিছিল। এক বিশেষ সূত্রৰ তথ্যৰ ভিত্তিত হোজাইলৈ আহি ডিমৰুপাৰ অঞ্চলত বিক্রীৰ যো-জা কৰি থাকোতেই আৰক্ষীয়ে আটক কৰে।

মাদালটানাত পুখুৰীৰ পৰা মৃতদেহ উদ্ধাৰ

অগ্রদূত বার্তা

বাগানপাৰা, ৭ জুলাই ঃ বাগ্‌সা জিলাৰ বাগানপাৰা আৰক্ষী চকীৰ অন্তর্গত মাদালটানা বালাকুৰ চুবুৰিত আজি এটি পুখুৰীৰ পৰা ৰণজিৎ দাস (৩৫) নামৰ লোকজনৰ মৃতদেহ উদ্ধাৰ হয়। তথ্য মতে, কালিৰে পৰা ৰণজিৎ দাস ঘৰৰ পৰা নিখোঁজ হৈ আছিল, কিন্তু আজি পুৱা ঘৰৰ ওচৰৰ এটি পুখুৰীত ওপঙি থকা অৱস্থাত গাঁৱৰ ৰাইজে প্রত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। পাছত বাগানপাৰা আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পুখুৰীৰ পৰা মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে মুছলপুৰ অসামৰিক চিকিৎসালয়লৈ প্রেৰণ কৰে। ইপিনে, ৰণজিৎ দাসক হত্যা নে আত্মহত্যা নে দুর্ঘটনা বাতৰি যুগুত কৰা মুহূর্তলৈ জানিব পৰা নাই, আৰক্ষীৰ তদন্তৰ পাছতহে জানিব পৰা যাব মৃত্যুৰ প্রকৃত ৰহস্য।

অভয়াপুৰীৰ কলবাৰীত ডিঙি কটা অৱস্থাত মৃতদেহ উদ্ধাৰ

অগ্রদূত বার্তা

অভয়াপুৰী, ৭ জুলাই ঃ বঙাইগাঁও জিলাৰ অভয়াপুৰী থানাৰ অন্তর্গত কলবাৰীত যোৱা নিশা তেজেৰে তুমৰলি হৈ ডিঙি কটা অৱস্থাত এজন লোকৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত প্রতিক্রিয়াৰ সৃষ্টি কৰিছে। তথ্য মতে, অভয়াপুৰী চহৰৰ নিকটৱর্তী কলবাৰীত নিশা ন মান বজাত নিজা ৰান্ধনী ঘৰৰ পিছপিনে নগেন দাস (৪৬) নামৰ অবিবাহিত লোকজনৰ মৃতদেহ তেজেৰে তুমৰলি অৱস্থাত পৰিয়ালৰ লোকে প্রত্যক্ষ কৰে। পাছত অভয়াপুৰী আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। উল্লেখ্য যে মৃতদেহৰ ওচৰত তেজ লাগি থকা কাচি এখনো উদ্ধাৰ হোৱাত ঘটনাটো আত্মহনন বুলি ধাৰণা কৰা হৈছে যদিও কি কাৰণত এনে চৰম পথ বাছি ল'লে সেয়া জানিব পৰা হোৱা নাই। তথ্য মতে, পূর্বে গৃহৰক্ষী বাহিনীত কর্মৰত দাসে পাছত কাম বাদ দি লালমাটি-দুবামাৰীৰ গণেশ মন্দিৰত সাধু হিচাপে থকাৰ লগতে ভাগৰত পাঠো কৰিছিল।

শ্রীৰামপুৰত বৃহৎ পৰিমাণৰ গাঞ্জা ভর্তি ট্রাক জব্দ ঃ ট্রাকৰ চালকক গ্রেপ্তাৰ

অগ্রদূত বার্তা

শ্রীৰামপুৰ, ৭ জুলাই ঃ কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শ্রীৰামপুৰত আৰক্ষীয়ে অভিযান চলাই আজি গাঞ্জা ভর্তি এখন ট্রাক জব্দ কৰাৰ লগতে ট্রাকৰ চালক এজনক আটক কৰে। আৰক্ষীয়ে গোপন সূত্রে লাভ কৰা তথ্যৰ ভিত্তিত শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্রাপ্ত বিষয়া সঞ্জয় কুমাৰ ৰায়ৰ নেতৃত্বত আৰক্ষীৰ এটা দলে শ্রীৰামপুৰত ৩১ নম্বৰ (গ) ৰাষ্ট্রীয় ঘাইপথত নাকা তালাচী চলাই ইউ পি-১২-টি- ৪৪৪৭ নম্বৰৰ এখন ছকীয়া খালী ট্রাক আটক কৰে। আটকাধীন ট্রাকখন শিমুলটাপু আৰক্ষী চকীত আনি তালাচী চলাই ট্রাকখনত বিশেষ পদ্ধতিৰে লুকুৱাই অনা বৃহৎ পৰিমাণৰ গাঞ্জা থকা বুলি প্রত্যক্ষ কৰে। ট্রাকখনৰ পৰা মুঠ ৭৪ পেকেট (৭৬৮ কিলোগ্রাম) গাঞ্জা উদ্ধাৰ কৰি গাঞ্জাখিনি জব্দ কৰা হয় আৰু ট্রাকচালক পঞ্জাবৰ গুৰুদাসপুৰ জিলাৰ বাসিন্দা ৰাজা সিং (৩৭)ক আটক কৰি আৰক্ষীৰ শীর্ষ বিষয়াসকলে সোধপোছ অব্যাহত ৰাখিছে। শ্রীৰামপুৰত গাঞ্জা জব্দ কৰাৰ পাছত কোকৰাঝাৰ জিলাৰ আৰক্ষী অধীক্ষক, গোসাঁইগাঁও মহকুমা আৰক্ষী বিষয়া আৰু গোসাঁইগাঁও সদৰ থানাৰ ভাৰপ্রাপ্ত বিষয়া শিমুলটাপু আৰক্ষী চকীত উপস্থিত হৈ ধৃতচালকজনক জেৰা কৰি অধিক তথ্য উদ্ধাৰ কৰাৰ চেষ্টা চলাই আছে। জব্দকৃত গাঞ্জাৰ মূল্য এক কোটি টকাৰ অধিক হ'ব বুলি আৰক্ষী সূত্রত প্রকাশ।

নগাঁৰত অবৈধ সু�ৰাৰ বিৰুদ্ধে অভিযান ঃ তিনিজনক আটক

বিশেষ সংবাদদাতা

নগাঁও, ৭ জুলাই ঃ নগাঁও আবকাৰী বিভাগে আজি অবৈধ সু�ৰাৰ বিৰুদ্ধে অভিযান চলাই বুজন পৰিমাণৰ দেশীয় সুৰা জব্দ কৰিবলৈ সক্ষম হয়। নগাঁও জিলা আবকাৰী বিভাগৰ এক সূত্রই জনোৱা মতে, আজি দুপৰীয়া বঢ়মপুৰ বামুণী অঞ্চলৰ পৰা এখন টমটমত নগাঁও চহৰলৈ অবৈধ দেশীয় সুৰা আনি থকা খবৰ লাভ কৰি নগাঁও আৱকাৰী বিভাগৰ পৰিদর্শক সুভাষ বৈশ্যৰ নেতৃত্বত আৱকাৰী বিভাগে অভিযান চলায়। ডিমৰুগুৰিত চলোৱা এই অভিযানৰ সময়ত আৱকাৰী বিভাগে চাৰি বস্তা অবৈধ দেশীয় সুৰা জব্দ কৰাৰ লগতে তিনিজন সুৰা ব্যৱসায়ীক আটক কৰিবলৈ সক্ষম হয়। আটক কৰা ব্যৱসায়ী কেইজন হ'ল নৃপেন দাস, পংকজ দাস আৰু আজগৰ আলী।

দুদিন ধৰি জংঘলত পৰি আছে বৃহৎ যন্ত্র-পাতি

চোৰৰ ৰম্যভূমিত পৰিণত কামপুৰৰ চেনিকল

বিশেষ সংবাদদাতা

নগাঁও, ৭ জুলাই ঃ ইতিমধ্যে বন্ধ হৈ পৰি গৰাকীবিহীন সম্পত্তিৰ দৰে হৈ পৰা নগাঁও জিলাৰ কামপুৰস্থ নগাঁও চেনিকলৰ বহু মূল্যৱান যন্ত্রাংশ প্রায় তিনি বছৰ ধৰি চুৰি হৈ থকা কার্যই সচেতন ৰাইজক চিন্তিত কৰি তুলিছে। শেহতীয়াকৈ বানপানীৰ সুযোগ লৈ চেনিকলৰ মূল গেটৰ কাষৰ জংঘলত দুদিন ধৰি প্রায় দুই লাখ টকা মূল্যৰ কলটোৰ লোহা পৰি থকা পৰিলক্ষিত হৈছে। তথ্য মতে, নিশাৰ অন্ধকাৰত লোহাসমূহ কোনো দুষ্টচক্রই *ছয় পৃষ্ঠাত চাওক*

কোচ ৰাজবংশীৰ সমস্যা সমাধানৰ দাবীত কেন্দ্রীয় মন্ত্রী নিশিত পাৰামাণিকক সাক্ষাৎ কেপিপিৰ

অগ্রদূত বার্তা

চিথিলা, ৭ জুলাই ঃ আজি এক প্রেছ বিবৃতিত কামতাপুৰ প্রগ্রেছিভ পার্টি (কে পি পি) কেন্দ্রীয় সাধাৰণ সম্পাদক উত্তম কুমাৰ ৰায়ে জনায় যে কোচবিহাৰৰ সাংসদ তথা ভাৰত চৰকাৰৰ ক্রীড়া, যুৱ কল্যাণ আৰু গৃহ ৰাজ্যিক মন্ত্রী নিশিত প্রামাণিকৰ লগত কে পি পিৰ এটি ১০ জনীয় প্রতিনিধি দলৰ এক এক গুৰুত্বপূর্ণ বৈঠক অনুষ্ঠিত হয়। কে পি পিৰ প্রতিনিধি দলক নেতৃত্ব দিয়ে কে পি পিৰ কেন্দ্রীয় সাধাৰণ সম্পাদক উত্তম কুমাৰ ৰায় আৰু কেন্দ্রীয় অন্যতম কার্যকৰী সদস্য সন্তোষ কুমাৰ বর্মন। কেন্দ্রীয় মন্ত্রী নিশিত প্রামাণিকৰ লগত হোৱা আলোচনা কালত কে পি পিৰ নেতৃত্বই পৃথক কামতাপুৰ ৰাজ্য পুনৰ গঠন, কামতাপুৰী ভাষাৰ ৰাষ্ট্রীয় স্বীকৃতি, সর্বভাৰতীয় পর্যায়ত কোচ বা ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণকে ধৰি কে'বাটাও গুৰুত্বপূর্ণ দাবী উত্থাপিত কৰে। পৃথক কামতাপুৰ ৰাজ্য পুনৰ গঠন আৰু কামতাপুৰী ভাষাৰ ৰাষ্ট্রীয় স্বীকৃতিৰ বিষয়টোৰ কেন্দ্রীয় মন্ত্রীজনৰ লগত কে পি পিৰ নেতৃত্ব দীঘলীয়া সময় আলোচনাত মিলিত হয় বুলি জানিবলৈ দিছে ৰাজনৈতিক দল কে পি পি কেন্দ্রীয় সাধাৰণ সম্পাদক উত্তম কুমাৰ ৰায়ে। কে পি পি কেন্দ্রীয় সাধাৰণ সম্পাদকজনে আৰু কয় পৃথক *ছয় পৃষ্ঠাত চাওক*

বাগ্‌সাৰ ওদালগুৰিত বজ্রপাতত কৃষকৰ মৃত্যু

অগ্রদূত বার্তা

শালবাৰী, ৭ জুলাই ঃ বাগ্‌সাৰ শালবাৰীৰ শিমলাৰ ওদালগুৰিত আজি বজ্রপাতত এজন লোকৰ মৃত্যু হয়। লোকজনৰ নাম জগদীশ বসুমতাৰী (৬০)। পথাৰত হাল বাই থকা জ্যেষ্ঠ পুত্র চান বসুমতাৰীক বতৰ বেয়া হেতুকে মাতিবলৈ গৈ উভতি অহাৰ পথত মৃত্যু হয় বসুমতাৰীৰ। বসুমতাৰীৰ প্রায় ১৫ ফুট দূৰত্বত থকা এটি গোধনো মৃত্যুমুখত পৰে বজ্রপাতত। শিমলা আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে মুছলপুৰলৈ প্রেৰণ কৰে।

মৰিগাঁও জিলাৰ উপায়ুক্তৰ নামত ভুৱা হোৱাটছ এপ দুষ্ট চক্রৰ ঃ ব্যাপক প্রতিক্রিয়া

অগ্রদূত বার্তা

মৰিগাঁও, ৭ জুলাই ঃ সামাজিক মাধ্যমৰ অপব্যৱহাৰ ক্রমে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ৰাজ্যখনত প্রৰঞ্চকে নিতৌ নতুন কৌশলেৰে ভুৱা ফেচবুক একাউন্ট খুলি তাৰ জৰিয়তে বিভিন্নজন লোকক প্রৰঞ্চনা কৰি আহিছে। সাধাৰণ লোকৰ কথা বাদেই, এনে প্রৰঞ্চকৰ জালৰ পৰা এইবেলি সাৰি নগ'ল খোদ জিলা উপায়ুক্তও। এইবাৰ মৰিগাঁও জিলাৰ উপায়ুক্তৰ নামত ভুৱা হোৱাটছএপ একাউন্ট খোলা ঘটনাই চকু কপালত তুলিছে সাধাৰণ লোকৰ। মৰিগাঁৱৰ উপায়ুক্ত প্রকাশ ৰঞ্জন ঘৰফলিয়াৰ নামত কোনো দুষ্টচক্রই হোৱাটছএপ খোলাৰ লগতে নিজকে জিলা উপায়ুক্ত ঘৰফলীয়া বুলি চিনাকি দি বিভিন্নজনলৈ মেছেজ কৰাৰ তথ্য পোৱাৰে আহিছে। ৮০৭২৯২৬৫৪৪ নম্বৰত উপায়ুক্তৰ নাম *ছয় পৃষ্ঠাত চাওক*

'মেঘদূত'ৰ সৌজন্যত শুৰালকুছিত 'অগ্রদূত'ৰ সোণালী জয়ন্তী উদ্‌যাপন

শুৰালকুছি, ৭ জুলাই ঃ সাহিত্য, সমাজ আৰু সাংস্কৃতিক অনুষ্ঠান 'মেঘদূত'ৰ সৌজন্যত জনপ্রিয় সংবাদপত্র 'অগ্রদূত'ৰ ঐতিহ্যমণ্ডিত সোণালী জয়ন্তী মহোৎসৱৰ শুভাৰম্ভণি কালি শুৰালকুছিত অনুষ্ঠিত হয়। মহাপুৰুষ, শ্রীশ্রীশংকৰদেৱ ধামৰ মহাপুৰুষ শ্রীশ্রীমাধৱদেৱ পুথিভঁৰালত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে বিশিষ্ট কবি কুমাৰী কামদা বৈশ্যই। ৫২ বছৰীয়া 'অগ্রদূত'ৰ সোণালী জয়ন্তী মহোৎসৱৰ শুভাৰম্ভণি ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে ভাৰতৰ প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে নতুন দিল্লীৰ পৰা কালি আবেলি মুকলি কৰাৰ কিছু সময়ৰ পাছতে শুৰালকুছিত অনুষ্ঠানটো আৰম্ভ হয়। মেঘদূতৰ সভাপতি, বিশিষ্ট সাহিত্যিক তথা 'অগ্রদূত'ৰ নিয়মীয়া লেখক বিপুল চন্দ্র কলিতাই আঁত ধৰা সভাখনৰ আৰম্ভণিতে শংকৰদেৱ ধামৰ একনিষ্ঠ সেৱক যজ্ঞৰাম কলিতাই এফাকি ঘোষাৰে অনুষ্ঠানটোৰ সফলতা কামনা কৰে। *ছয় পৃষ্ঠাত চাওক*

বিজ্ঞান প্রযুক্তিবিদ্যাৰ উন্নয়নৰ সময়ত টুলুঙা নাৱেই একমাত্র ভৰসা গঞ্জাৰ

অগ্রদূত বার্তা

দলগাঁও, ৭ জুলাই ঃ বর্তমান বিজ্ঞান প্রযুক্তিবিদ্যাৰ উন্নয়নৰ হেতু যি সময়ত মানুহে চন্দ্র, মঙল গ্রহলৈও যাবলৈ সক্ষম হৈছে তেনে সময়ত দৰঙৰ দলগাঁও সমষ্টিত দুখন গাঁৱৰ মাজত আজিৰ দিনটোতো যাতায়াতৰ বাবে বঠা

ৰোগী, ছাত্র-ছাত্রী হাহাকাৰ

নাওখনেই একমাত্র ভৰসাৰ থলি হৈ পৰাত ৰাইজৰ মাজত ব্যাপক প্রতিক্রিয়াৰ সৃষ্টি হৈছে। সমষ্টিটোৰ অন্তর্গত শ্যামপুৰ গাঁও পঞ্চায়তৰ অন্তর্গত দুই নম্বৰ আৰু চাৰি নম্বৰ শ্যামপুৰ গাঁৱৰ ৰাইজে ভুগিছে এই যমৰ যাতনা। বাৰিষা অহাৰ লগে লগেই বানপানী আহি যোৱাত পানীৰে পূর্ণ হৈ থাকে এই পথছোৱা। *ছয় পৃষ্ঠাত চাওক*

দৈনিক অগ্রদূত

গুৱাহাটী শুকুৰবাৰ ২৩ আহাৰ ১৪২৯ ভাস্কৰাব্দ ৮ জুলাই ২০২২

প্রকৃতি আৰু বিকাশ

অসমৰ শ শ প্রজাতিৰ পক্ষীয়ে ৰাজ্যখনৰ জৈৱ-বৈচিত্র্যত গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। ৰাজ্যখনত ১০খন মান পক্ষী অভয়াৰণ্য আছে, যিসমূহ ইতিমধ্যে চিহ্নিত আৰু স্বীকৃত হৈছে। পবিতৰা বন্যপ্রাণী অভয়াৰণ্য, বৰদৈবাম বিলমুখ পক্ষী অভয়াৰণ্য, পানীদিহিং পক্ষী অভয়াৰণ্য, সাতজান পক্ষী অভয়াৰণ্য, নামেৰি ৰাষ্ট্রীয় উদ্যান, ডিব্রু চৈখোৱা ৰাষ্ট্রীয় উদ্যান, চক্রশিলা বন্যপ্রাণী অভয়াৰণ্য, বুঢ়াচাপৰি বন্যপ্রাণী অভয়াৰণ্য, বৰনদী বন্যপ্রাণী অভয়াৰণ্য, আমচাং বন্যপ্রাণী অভয়াৰণ্য, গিবন অভয়াৰণ্য আদি অভয়াৰণ্য তথা ৰাষ্ট্রীয় উদ্যানসমূহত অসংখ্য প্রজাতিৰ প্রাণী আৰু জৈৱ-বৈচিত্র্যৰে পৰিপূর্ণ হৈ থকা দেখা যায়। উল্লিখিত অভয়াৰণ্য তথা ৰাষ্ট্রীয় উদ্যানসমূহ শ শ প্রজাতিৰ স্থানীয় আৰু পৰিভ্রমী পক্ষীৰ বাসস্থান হিচাপেও বিখ্যাত হৈ পৰিছে। বিশেষকৈ এই অভয়াৰণ্য তথা ৰাষ্ট্রীয় উদ্যানসমূহত থকা বিল, জলাশয় আৰু নৈসমূহত জলচৰ পক্ষীয়ে সকলো সময়তে ভিৰ কৰে। বিশেষকৈ খৰালি কালত স্থানীয় জলচৰ পক্ষীৰ উপৰি শ শ হেজাৰ হেজাৰ কিলোমিটাৰ দূৰৰ পৰা অহা পৰিভ্রমী পক্ষী, নানান প্রজাতিৰ হাঁহ পর্যটকৰ আকর্ষণৰ কেন্দ্রবিন্দু হৈ পৰে। কাজিৰঙা ৰাষ্ট্রীয় উদ্যানলৈ বহু প্রজাতিৰ অসংখ্য পৰিভ্রমী পক্ষীৰ আগমন ঘটাৰ ফলত ৰাষ্ট্রীয় উদ্যানখনত পক্ষীৰ সংখ্যা সর্বাধিক হৈছে। উল্লেখ্য যে কাজিৰঙা ৰাষ্ট্রীয় উদ্যানখন ইতিমধ্যে এটা খৰ্গৰ গঁড়ৰ বাবে বিশ্ববিখ্যাত। শেহতীয়াভাৱে কাজিৰঙাৰ ব্যঘ্র প্রকল্পৰ বাবে এই ৰাষ্ট্রীয় উদ্যানত বাঘৰ সংখ্যা বৃদ্ধি ঘটিছে; কিন্তু যি হাৰত কাজিৰঙাত পক্ষীৰ সংখ্যা বাঢ়িছে, বিশেষকৈ স্থানীয় পৰিভ্রমী জলচৰ পক্ষীৰ সংখ্যা বৃদ্ধি হৈছে, তাৰ প্রতি লক্ষ্য ৰাখি কাজিৰঙা ৰাষ্ট্রীয় উদ্যানে পক্ষী অভয়াৰণ্য হিচাপেও স্বীকৃতি পোৱা উচিত। বিশেষকৈ পৰিভ্রমী পক্ষীৰ আগমন বৃদ্ধি পোৱাত পক্ষীপ্রেমী, বন্যপ্রাণীপ্রেমী তথা পর্যটকৰ বাবে আকর্ষণৰ কেন্দ্র হৈ পৰিছে। গঁড়, বাঘ আদি বন্য জন্তুৰ সংৰক্ষণৰ উপৰি পক্ষী সংৰক্ষণৰ বাবেও এই ৰাষ্ট্রীয় উদ্যান গুৰুত্বপূর্ণ হৈ পৰিছে।

অসমত কে'বা হেজাৰ বিল আছে, যিবিলাকলৈ প্রধানকৈ স্থানীয় আৰু পৰিভ্রমী জলচৰ পক্ষীৰ আগমন ঘটে। এই বিল, তথা জলাশয়সমূহক প্রকৃততে অসমৰ জৈৱ-বৈচিত্র্যৰ একো একোটা কেন্দ্র বুলি ক'ব পাৰি। গুৱাহাটীৰ দীপৰ বিল, ডিব্রু-চৈখোৱাৰ মাগুৰি মতাপুং বিল প্রমুখ্যে অসমত ১,৩৯২ খন বিলৰ অস্তিত্ব আজিও আছে। এই বিলসমূহে ৰাজ্যৰ জৈৱ-বৈচিত্র্য ৰক্ষাত গুৰুত্বপূর্ণ অৰিহণা যোগাই আহিছে; কিন্তু পৰিৱেশ ধ্বংস তথা অৰণ্য ধ্বংসৰ লগতে বিলসমূহৰ অস্তিত্ব বিপদাপন্ন হৈ পৰিছে। অৰণ্যাঞ্চলৰ অন্তর্গত হোৱাত এই বিখ্যাত বিললৈ দেশ-বিদেশৰ বহু প্রজাতিৰ পৰিভ্রমী চৰাইৰ আগমন ঘটে। মাগুৰি বিলত বিৰল প্রজাতিৰ মেণ্ডাৰিন হাঁহৰ আগমন ঘটে। সুদূৰ ইউৰোপ তথা দক্ষিণ কোৰিয়া আদি দেশৰ পৰা অহা এইবিধ আটাইতকৈ ধুনীয়া প্রজাতিৰ হাঁহ অসমৰ মতাপুং মাগুৰি বিললৈ নিয়মীয়াভাৱে আগমন ঘটিব, যদিহে বিলৰ পৰিৱেশ সুসংৰক্ষিত হৈ থাকে। বিশেষকৈ বেদখল আৰু বনধ্বংস, খনন আদি কার্যসমূহ বন্ধ নহ'লে পৰিভ্রমী পক্ষীকে ধৰি পক্ষীকুলৰ অস্তিত্ব ৰক্ষা কৰাও সম্ভৱ নহ'ব।

অবাধ বেদখল, ঔদ্যোগিক কার্যকলাপ, বন ধ্বংস আদিৰ ফলত পক্ষীকুলৰ লগতে জৈৱ-বৈচিত্র্য ধ্বংসৰ মুখত পৰিছে। পৰিৱেশ ৰক্ষাৰ ক্ষেত্রত জৈৱ-বৈচিত্র্যৰ ভূমিকা অতি গুৰুত্বপূর্ণ হিচাপে পৰিগণিত হৈ আহিছে। জৈৱ-বৈচিত্র্যই পৰিৱেশ সন্তুলিত কৰি ৰখাত সহায় কৰি আহিছে। সেয়ে কিছুমান প্রজাতিৰ প্রাণীৰ বিলুপ্তিয়ে জীয়াই থকা আন আন প্রজাতিৰ প্রাণীৰ ওপৰত বিৰূপ প্রভাৱ পেলায় নাইবা সিহঁতৰ অস্তিত্বৰ প্রতি ভাবুকি আনে। তদুপৰি বিভিন্ন প্রজাতিৰ গছ-লতা বা বিভিন্ন প্রজাতিৰ উদ্ভিদ হ্রাস পোৱা নাইবা বিলোপ হোৱাৰ ক্ষেত্রত জৈৱ-বৈচিত্র্যৰ ক্ষতিয়ে বিৰূপ প্রভাৱ পেলায়। জৈৱ-বৈচিত্র্য ৰক্ষা বা সংৰক্ষণে সেয়ে পৰিৱেশ নাইবা জৈৱ পৰিৱেশ (ইক'ল'জি) ৰক্ষা কৰাত সহায় কৰি আহিছে। বর্তমান অসম আৰু ভাৰতৰ বিভিন্ন অঞ্চলত প্রধানকৈ ঔদ্যোগিক কার্যকলাপৰ বাবে, অবৈধ খনন তথা বেদখলৰ বাবে প্রকৃতি আৰু পৰিৱেশ ধ্বংস হৈছে, প্রদূষণ বৃদ্ধি পাইছে। বিভিন্ন পক্ষই বিকাশ বা উন্নয়নৰ স্বাৰ্থতে অৰণ্য ধ্বংস, খনন আদিৰ সপক্ষে মত প্রকাশ কৰি আহিছে; কিন্তু বিকাশ আৰু প্রকৃতি বা পৰিৱেশক দুটা বিপৰীত মূৰত, এটা আনটোৰ বিপৰীত বুলি দেখুওৱা চিন্তাধাৰা বিভ্রান্তিকৰ। প্রকৃতি ধ্বংস কৰি নহয়, প্রকৃতিক সুৰক্ষিত ৰাখিহে বিকাশ সাধন বাঞ্ছনীয়। পৰিৱেশ বা জৈৱ পৰিৱেশ ৰক্ষাত ব্যর্থ হ'লে মংগলকামী বিকাশ সম্ভৱ নহ'ব।

ৰাষ্ট্রীয় সন্ত্রাসৰ স্বৰূপ

গণ উন্মাদনাত এচাম দুষ্কৃতিকাৰীয়ে যেনেকৈ সুবিধা লয়, চৰকাৰেও দমনৰ সুবিধা হোৱাকৈ উন্মাদনাক প্রয়োগ কৰে

দৃষ্টিপাত

ড° খৰ্গেশ্বৰ ভূঞা

'সন্ত্রাসবাদ' বিষয়টোৰ এশটামান সংজ্ঞা আছে বুলি পূৰ্বতে কোৱা হৈছিল। ইয়াৰে ৰাষ্ট্রসংঘই দিয়া সংজ্ঞাটো ইয়াৰ অন্তৰ্ভুক্ত সকলো দেশে মানিব বুলি আশা কৰা যায় যদিও বেছিভাগ দেশেই নিজাকৈহে সন্ত্রাসৰ সংজ্ঞা নির্ধাৰণ কৰি লয়। নক'লেও হ'ব যে একোখন দেশে নিজে ভাবি লোৱা সন্ত্রাসবাদবোৰৰ আধাৰত নিজে সন্ত্রাসবাদী দেশ নহয়, অন্য দেশহে তেনে বুলি ভাবি লয়। ৰাষ্ট্রসংঘৰ সংজ্ঞা আছিল— 'শান্তিৰ বাবে ভয়াৱহ, শান্তিভংগ আৰু আগ্রাসনৰ বিৰুদ্ধে গৃহীত প্রক্রিয়া, অন্য দেশক ভয় দেখুওৱা, অন্য দেশৰ বিষয়ত হস্তক্ষেপ কৰি শান্তি ভংগ কৰা, অন্য দেশ বা দেশৰ কোনো অংশক অন্য দেশে দখল কৰা, এনে ধৰণৰ যিকোনো ব্যক্তি বা গোট বা দেশক সন্ত্রাসবাদী বুলি গণ্য কৰা হ'ব।' ১৯৮৭ত ৰাষ্ট্রসংঘই সন্ত্রাসবাদৰ সংজ্ঞা সংশোধন কৰি ক'লে যে যিসকলে ঔপনিৱেশিক ৰাজত্বৰ বিৰুদ্ধে, বিদেশী আধিপত্য বা জাতি-বিদ্বেষৰ বিৰুদ্ধে যুদ্ধ চলাইছে তেওঁলোকক 'সন্ত্রাসবাদী'ৰ বুলি গণ্য কৰা নহ'ব।

ৰাষ্ট্রসংঘৰ 'সন্ত্রাসবাদ'ৰ সংজ্ঞা আমেৰিকা যুক্তৰাষ্ট্র, ইজৰাইল আদি দেশে মানি লোৱা নাছিল। এই সংজ্ঞামতে আমেৰিকা হৈছে, সন্ত্রাসবাদী দেশ। ভাৰতৰো এই ক্ষেত্রত সুনাম বৰকৈ নাই। 'এমনেষ্টি ইণ্টাৰনেছনেল' হৈছে পৃথিৱীৰ সকলোতকৈ নামী, বৃহৎ আৰু স্বাধীন মানৱাধিকাৰ ৰক্ষাকাৰী সংগঠন। এই সংগঠনে বিভিন্ন দেশৰ মানৱাধিকাৰ সংক্রান্ত নানা বিষয়ৰ ওপৰত অনুসন্ধান চলাই থাকে। ভাৰতকে ধৰি বিভিন্ন দেশত ইয়াৰ শাখা আছে। মানৱাধিকাৰ সংক্রান্তীয় বিষয়ত আগ্রহী যিকোনো ব্যক্তিকেই তেওঁলোকে আহ্বান কৰে সংগঠনত যোগদান কৰিবলৈ। এওঁলোকে ১৯৯৬ত ১৫০খন দেশৰ ওপৰত অনুসন্ধান চলাই এটি খতিয়ান দাঙি ধৰে, য'ত কোৱা হয় যে ৮২ খন দেশত চৰকাৰৰ ফালৰ পৰা সন্ত্রাসবাদী কার্য চলোৱা হয়; ইয়াৰ ভিতৰত ভাৰতো আছে।

সম্প্রতি ২০২২ৰ ১৪ জুনতো সংস্থাটোৱে প্রেছ বিজ্ঞপ্তি দি জনাইছে যে প্রতিবাদকাৰীৰ বিপক্ষে অত্যধিক শক্তিপ্রয়োগ, বিনা বিচাৰে আটক আৰু শাস্তিমূলক ব্যৱস্থা লোৱা কামৰে অবিলম্বে অন্ত হ'ব লাগে। শুকুৰবাৰলৈকে (১০ জুন) কমেও দুজন লোকৰ মৃত্যু হৈছে আৰু বহুতো আঘাতপ্রাপ্ত হোৱাৰ উপৰি অসংখ্য লোকক আটক কৰা হৈছে, অথচ বাক্-স্বাধীনতা আৰু শান্তিপূর্ণ সমাবেশৰ নিয়ম মানিয়েই প্রতিবাদকাৰীসকলে বিক্ষোভ প্রদর্শন কৰিছিল। নুপূৰ শর্মা আৰু নবীন জিন্দালে হজৰত মহম্মদৰ বিষয়ে অশালীন মন্তব্য কৰা বাবে তেওঁলোকৰ গ্রেপ্তাৰৰ দাবীত হোৱা ধর্ণাবোৰত উত্তৰ প্রদেশ, ঝাৰখণ্ড, জম্মু-কাশ্মীৰ, মহাৰাষ্ট্র, গুজৰাট, তেলেংগানা আদিত বাছি বাছি মুছলমানৰ ওপৰত অত্যাচাৰ চলোৱা হৈছে। বিজ্ঞপ্তিৰ মতে, চৰকাৰে চলোৱা অত্যাচাৰবোৰ আন্তৰ্জাতিক মানৱাধিকাৰ আইন আৰু মানৱৰ আধাৰত ভাৰতে দিয়া প্রতিশ্রুতিৰ পৰিপন্থী হৈছে। ১০ জুনত ৰাঁচীত পুলিচে প্রতিবাদকাৰীক লাঠিৰে মৰা, শিলগুটি দলিওৱা, দূৰত থিয় হৈ থকা নিৰীহ জনতাৰ ওপৰত জঁপিয়াই পৰা ধৰণৰ কার্য কৰা দেখা গৈছিল। ধর্ণাকাৰীক পুলিচে অপ্রৰোচিতভাৱে গুলীওৱা আৰু আন ধৰণে অত্যাচাৰ কৰাৰ বহু উদাহৰণ দি এমনেষ্টি ইণ্টাৰনেছনেলৰ ভাৰতীয় শাখাৰ অধ্যক্ষই কৈছে যে ৰাষ্ট্রসংঘৰ মূল নীতিৰ বিৰুদ্ধাচৰণ কৰি ভাৰতীয় আৰক্ষীয়ে জনতাক অত্যাচাৰ কৰিছে। গুলিচালনা কৰাটো শেষ উপায় বুলি জনাৰ লগতো আৰক্ষীয়ে এজন ১৫ বছৰীয়া ল'ৰা আৰু আন এজনক মূৰত গুলি কৰিছিল। চাহাৰাণপুৰত আৰক্ষীয়ে নির্দয়ভাৱে বিক্ষোভকাৰীক মৰিওৱাৰ দৃশ্য ভাইৰেল হৈ পৰিছিল যদিও বিজেপিৰ মুধাফুটা নেতাসকলে এইবোৰক গৰিহণা নিদি উল্লাসহে প্রদর্শন কৰিছে। পুলিচৰ কোবত চিঞৰ-বাখৰ কৰাৰ দৃশ্য দেখি আনন্দ কৰাসকলক সংস্থাটোৱে গৰিহণা দিছে। প্রতিবাদকাৰীৰ ধর্মৰ বিচাৰত কৰা পুলিচী অত্যাচাৰবোৰে ৰাইজৰ শান্তি ভংগ কৰিছে আৰু সেয়েহে এইবোৰ উদ্বেগজনক।

প্রয়াগৰাজৰ প্রতিবাদ কালত হিংসাত্মক ঘটনা ঘটিছিল। ঘটনাৰ নায়ক বুলি সন্দেহ কৰা জাভেদ মহম্মদ, তেওঁৰ পত্নী-কন্যাৰ লগতে আন বহুতকে পুলিচে আটক কৰে ১০ জুনত। পিছদিনা জাভেদৰ নামত প্রশাসনে এখন জাননী উলিয়াই নিশা ১১ বজাত তেওঁৰ ঘৰৰ বেৰত মাৰি দিয়ে, যিখনৰ তাৰিখ দিয়া আছিল কে'বাদিনৰ আগৰ। ১২ জুনত দুই মহলীয়া ঘৰটো প্রশাসনে ভাঙি পেলায় অথচ ঘৰটো জাভেদ মহম্মদৰ নামত নাছিল। উত্তৰ প্রদেশৰ যোগী চৰকাৰে আন্দোলনকাৰী বুলি ভবা বহুতৰ ঘৰ ভাঙে। ইয়াৰ বাবে অৱশ্যে উচ্চতম ন্যায়ালয়ে চৰকাৰক জবাবদিহি কৰে গোচৰীয়াৰ আবেদন মর্মে। অসম চৰকাৰে বৰদোৱাত চলোৱা উচ্ছেদ অভিযানৰ কাৰণ বেলেগ দেখুৱালেও অন্তর্নিহিত উদ্দেশ্য একে— মুছলমানক সন্ত্রাসিত কৰা।

এমনেষ্টি ইণ্টাৰনেছনেলৰ ভাৰতীয় শাখাৰ মুৰব্বী অস্কাৰ পেটেলে স্পষ্টভাৱেই অভিযোগ কৰিছে যে আইন ৰক্ষাকাৰীসকলে সমাজত সন্ত্রাসৰ সৃষ্টি কৰি মানৱ অধিকাৰ লজ্জানত কৰিছে, যিবোৰৰ নিৰপেক্ষ তদন্ত কৰি দোষীক উপযুক্ত শাস্তি দিব লাগে। এইবোৰৰ ভুক্তভোগীসকলেও ক্ষতিপূৰণ লাভ কৰিব লাগে।

আধুনিক ভাৰতত ঘটি থকা এনেবোৰ উদাহৰণে ভাৰতক সন্ত্রাসবাদী ৰাষ্ট্র হিচাপে বহির্দেশৰ চকুত প্রতিভাত কৰিবই পাৰে। ৰাষ্ট্রসংঘৰ সংজ্ঞামতেই হওক বা অন্য বহু দেশৰ চকুতেই হওক, আমেৰিকা হৈছে সন্ত্রাসবাদী ৰাষ্ট্র। পিছে মহাদেশ আমেৰিকা যুক্তৰাষ্ট্র আৰু 'মহান' দেশ ভাৰতৰ ৰাষ্ট্রীয় সন্ত্রাসৰ ক্ষেত্রত এটা ডাঙৰ পার্থক্য আছে। পার্থক্যটো হ'ল আমেৰিকাই নিজৰ দেশৰ নাগৰিকৰ ওপৰত সন্ত্রাস নচলায়, আনহাতে, ভাৰতে নিজৰ নাগৰিকৰ ওপৰতো তেনে কৰে। আঞ্চলিক বৈষম্য, জাত-পাত, ধর্ম, ৰাজনৈতিক স্বাৰ্থ ইত্যাদি বিভিন্ন ধৰণে ভাৰতীয় জনতাৰ ওপৰত চৰকাৰে ৰাষ্ট্রীয় সন্ত্রাস জাপি দিয়ে। বর্তমানৰ বিজেপি চৰকাৰে ধর্মীয় মেৰুকৰণ কৰি ৰাজনৈতিক ক্ষমতা গজগজীয়া কৰিবলৈ যেনেকৈ ৰাষ্ট্রীয় সন্ত্রাস চলাইছে, তেনেকৈ পূর্বৰ চৰকাৰবোৰো এনেবোৰ কাৰ্যত পিছপৰি থকা নাছিল। সাধাৰণতে দেখা গৈছে যে চৰকাৰসমূহে সংবাদ মাধ্যমবোৰক বিভিন্ন উপায়েৰে এনে ধৰণে বশ কৰি ৰাখে যে মিডিয়া মালিকসকলৰ লম্ফ-জম্ফবোৰ এটা নির্দিষ্ট সীমাত বান্ধ খাই থাকে। ইয়াৰ ফলত ৰাষ্ট্রীয় সন্ত্রাসৰ প্রকৃত চিত্রখন ৰাইজৰ ওচৰ নাপায়গৈ। উল্লেখ কৰি থ'ব পাৰি যে বর্তমান অসমৰ নাম থকা চেনেলসমূহৰ অৱস্থাও তথৈবচ। চৰকাৰৰ বিভিন্ন ধৰণৰ কেলেংকাৰিবোৰ সৰু-সুৰা ডিজিটেল চেনেলবোৰেহে সদৰী কৰি আছে। সেই প্রসংগ অৱশ্যে বেলেগ।

ভাৰতৰ ৰাষ্ট্রীয় সন্ত্রাসৰ চিকাৰ বিভিন্ন সময়ত দেশখনৰ বিভিন্ন অংশ হৈছে। কাশ্মীৰৰ পৰা দক্ষিণলৈ অন্ধ্রপ্রদেশ, চত্তিছগড়ৰ পৰা পশ্চিমবংগকে ধৰি উত্তৰ-পূর্বাঞ্চলৰ তথাকথিত সাতভনীৰ ৰাজ্যবোৰে বিভিন্ন সময়ত ৰাষ্ট্রীয় সন্ত্রাসৰ সোৱাদ পাইছে। নক্সালবাদী, মাওবাদী, আলফাকে ধৰি উত্তৰ-পূর্বাঞ্চলৰ উগ্রবাদী সংগঠনবোৰে যেনেকৈ নিৰীহ ৰাইজৰ ওপৰত সন্ত্রাস চলায়, তেনেকৈ সন্ত্রাসবাদী নির্মূলৰ নামত চৰকাৰৰ পৰাও ৰাইজে এসেকা পায়।

> **ভাৰতৰ ৰাষ্ট্রীয় সন্ত্রাসৰ চিকাৰ বিভিন্ন সময়ত দেশখনৰ বিভিন্ন অংশ হৈছে। কাশ্মীৰৰ পৰা দক্ষিণলৈ অন্ধ্রপ্রদেশ, চত্তিছগড়ৰ পৰা পশ্চিমবংগকে ধৰি উত্তৰ-পূর্বাঞ্চলৰ তথাকথিত সাতভনীৰ ৰাজ্যবোৰে বিভিন্ন সময়ত ৰাষ্ট্রীয় সন্ত্রাসৰ সোৱাদ পাইছে।**

উত্তৰ-পূর্বাঞ্চলৰ ৰাইজক জীয়াতু ভোগোৱা এখন আইন হ'ল Armed Forces (Special Powers), Act, 1958 বা আফস্পা। অশান্ত অঞ্চলত শান্তি আনিবলৈ সংসদে ১৯৫৮ ত আইনখন প্রণয়ন কৰিছিল ভাৰতীয় সেনা বাহিনীক বিশেষ ক্ষমতা দি। প্রথমে নগা পাহাৰত আইনখন প্রযোজ্য হৈছিল ১১-৯-৫৮ৰ পৰা, তাৰ পাছত অসমৰ অন্য জিলাত আৰু শেষত সাতভনীৰ ৰাজ্যলৈ আইনখনৰ পৰিসৰ বৃদ্ধি কৰা হ'ল। একে ধৰণৰ এখন আইন ১৯৮৩ত পঞ্জাৱ আৰু চণ্ডীগড়ৰ বাবে প্রণয়ন কৰা হৈছিল যদিও ১৪ বছৰৰ পাছত সেইখন তুলি লোৱা হয়। ১৯৯০ত কাশ্মীৰতো তেনে এখন আইনৰ প্রয়োগ হৈছিল যিখন এতিয়াও চলি আছে। ব্রিটিছে ১৯৪২ৰ ভাৰত ত্যাগ আন্দোলন প্রতিহত কৰিবলৈ যিখন আইন আনিছিল, স্বাধীন ভাৰতৰ আফস্পাও তদ্রুপ।

আফস্পাৰ ৪এ, বি আৰু ডি ধাৰাত কোৱা হৈছে যে ভাৰতীয় সেনাই কেৱল সন্দেহৰ আধাৰতেই কাৰোবাক গুলি কৰি হত্যা কৰিব পাৰিব, সৈন্যসকল জনগণৰ সম্পত্তি ধ্বংসৰ অধিকাৰী, ৱাৰেণ্ট নোহোৱাকৈয়ে সৈন্যই যিকোনো মানুহৰ ঘৰতে তালাচী চলাব পাৰে। এই আইনৰ ছয় নম্বৰ ধাৰাত কোৱা হৈছে যে সেনা জোৱানে যিমান মাৰাত্মক অপৰাধেই নকৰক, তেওঁলোকৰ বিৰুদ্ধে কোনো অভিযোগ দাখিল বা কেচ কৰিব নোৱাৰিব।

গোটেইখন আইনৰ ধাৰাবোৰ বিশ্লেষণ কৰিলে দেখা যাব যে ভাৰতীয় সৈন্যই নিজৰ ইচ্ছামতে হত্যা, ধর্ষণ, আটক, নিদাৰুণ অত্যাচাৰ আদি কৰিব পাৰিব, কিন্তু সেনা তাৰ বাবে জগৰীয়া নহয়। নগালেণ্ড চৰকাৰে ইতিমধ্যে এই আইনৰ সময়ত অন্যায়ভাৱে হত্যা কৰা সেনাৰ বিৰুদ্ধে গোচৰ তৰিছে। অৱশ্যে আইনৰ ধাৰামতে সেইবোৰ সৈন্যই হয়তো শাস্তি নাপাব। অসমৰ চৰকাৰে তেনে ব্যৱস্থা নলয় স্বাভাৱিক কাৰণতেই।

ৰাষ্ট্রসংঘক মানৱাধিকাৰ উপ-সমিতিয়ে ১৯৯১, ১৯৯৭কে ধৰি কে'বাবাৰো আফস্পা আইনক আন্তৰ্জাতিক মানৱাধিকাৰ সংক্রান্ত চনদৰ সম্পূর্ণ বিৰোধী বুলি ঘোষণা কৰিছিল। সমিতিয়ে আৰু কৈছিল যে ৰাজনৈতিক আৰু নাগৰিক অধিকাৰ সংক্রান্ত ১৯৯৬ক আন্তৰ্জাতিক চনদ আৰু ১৯৮৪ৰ অত্যাচাৰ বিৰোধী চনদৰ অন্যতম স্বাক্ষৰকাৰী ভাৰতে এই আইন বলৱৎ ৰাখি চূড়ান্ত অনৈতিক কাম কৰিছে। গণতান্ত্রিক ভাৰতত অগণতান্ত্রিক সন্ত্রাসৰ অস্ত্র একেবাৰেই খাপ নাখায়।

প্রায় ৬০ বছৰ ধৰি উত্তৰ-পূর্বাঞ্চলত আফস্পা চলি থকাৰ পাছত সম্প্রতি অসম নগালেণ্ড আৰু মণিপুৰৰ কিছুমান জিলাৰ পৰা আইনখন উঠাই লোৱা হৈছে, অৱশ্যে এই ক'লা আইনখন বিলুপ্ত হোৱা নাই আৰু যিকোনো সময়তে ই ঘূৰি আহিব পাৰে। আইনখন আংশিকভাৱে আঁতৰোৱাৰ আঁৰত বহু কাৰণ আছে। আইন ৰদ কৰিবৰ বাবে অবিৰাম প্রতিবাদ জনাই থকা হৈছিল। বিশেষকৈ পাহাৰীয়া ৰাজ্য মণিপুৰ আৰু নগালেণ্ডত। দীঘলীয়া কালৰ বাবে চলা আইনখনৰ বাবে অঞ্চলটোৰ ৰাইজে দেশৰ বাকী অঞ্চলৰ পৰা নিজকে বিচ্ছিন্ন অনুভৱ কৰিছিল। চৰকাৰীভাৱে কোৱামতে উত্তৰ-পূর্বাঞ্চলৰ উগ্র আৰু বিচ্ছিন্নতাবাদী সংগঠনবোৰৰ শক্তি কমি আহিছে বাবে অঞ্চলটোলৈ শান্তি ঘূৰি আহিছে।

ৰাষ্ট্রীয় সন্ত্রাসবাদৰ হাতোৰা কেৱল উত্তৰ-পূর্বাঞ্চলতে সীমিত হৈ থকা নাই, দেশৰ অন্যান্য অংশতো ইয়াৰ অনেক উদাহৰণ আছে। পূর্বতে উল্লেখ কৰা গণ উন্মাদনাক পৰোক্ষভাৱে ৰাষ্ট্রীয় সন্ত্রাসত ব্যৱহাৰ কৰাৰ কাৰ্য ভাৰততো কৰা হয়। বৰদোৱাৰ গণ উন্মাদনাৰ ফলত নানা জুলোৱা কার্যক চৰকাৰে উচ্ছেদৰ বাবে ব্যৱহাৰ কৰাৰ কুঅভিসন্ধি সকলোৱেই বুজি পায় যদিও প্রতিবাদৰ ভয় সকলোৰে আছে। মানুহক উদ্দেশ্য প্রণোদিতভাৱে অসন্তুষ্ট কৰি নি থাকিলে ধৈর্যৰ চেফ্‌টি ভাল্‌ভ এসময়ত খুলি গৈ নকৰিবলগীয়া কাম কৰে বুলি চৰকাৰ চলোৱা সকলে জানে। গণ উন্মাদনাত এচাম দুষ্কৃতিকাৰীয়ে যেনেকৈ সুবিধা লয়, চৰকাৰেও দমনৰ সুবিধা হোৱাকৈ উন্মাদনাক প্রয়োগ কৰে। এইটোৱেই ৰাষ্ট্রীয় সন্ত্রাসৰ জন্ম দিয়ে।

ফোন ঃ ৮১৩৫৮৩৫২১৯

এইবেলি বিহুৰ ঐতিহ্য ৰক্ষা কৰা হৈছেনে ?

'দৈনিক অগ্রদূত'ৰ খোলামঞ্চৰ পর্যালোচনা

ফণীধৰ পাঠক

বিহু অসমৰ কৃষি ভিত্তিক উৎসৱ। অসমীয়াসকলৰ প্রাণস্পন্দন। বিহু বুলিলে ডেকা-বুঢ়া বুলি কোনো কথা নাই, সকলোৱে কিবা এক আনন্দত মতলীয়া হৈ পৰে। বিহু বুলিলে অকল ব'হাগ বিহুটোৰ কথা মনলৈ বেছিকৈ আহে যদিও অসমীয়া সমাজ জীৱনত মাঘ বিহু আৰু কাতি বিহুৰো গুৰুত্ব অপৰিসীম। ইয়াৰ কাৰণ হৈছে তিনিওটা বিহু কৃষিৰ স'তে সংপৃক্ত। সেই বাবে বিহুৰ ঐতিহ্যত কোনোবাই আঘাত হানিব খুজিলে অসমীয়াসকল জাঙুৰ খাই উঠে।

কৃষি ভিত্তিক উৎসৱ ব'হাগ বিহুটো ৭৫ বছৰমানৰ আগলৈকে অসমীয়া ডেকা-ডেকেৰীসকলে গছৰ তলত, মুকলি পথাৰ নাইবা কাৰোবাৰ চোতালত পালন কৰিছিল যদিও ১৯৫২ত যেতিয়া মঞ্চলৈ আদৰি অনা হ'ল, তেতিয়াৰ পৰা বিহুৰ স্বকীয়তা ৰক্ষা কৰাত মনোযোগ দিব লগা হ'ল। অৱশ্যে বিহু মঞ্চলৈ আদৰি অনা কার্যক স্বাগতম জনাবই লাগিব। কিয়নো গছৰ তলৰ বিহু যেতিয়া মঞ্চ পালে, তাৰ এটা পৰিশীলিত ৰূপ সকলোৱে দেখা পালে। লগতে মঞ্চবিহুত অসমৰ সকলো জাতি-জনগোষ্ঠীৰ কলা-সংস্কৃতি পৰিৱেশন কৰাত সুবিধা হ'ল। ইয়াৰ দ্বাৰা লাভৱান্বিত হ'ল সমাজৰ উঠি অহা চাম, কাৰণ তেওঁলোকে মঞ্চবিহুতে অসমৰ সকলো জাতি-জনগোষ্ঠীৰ কলা-সংস্কৃতিৰ বিষয়ে জানিবলৈ সক্ষম হ'ল, যিটো সুবিধা হয়তো গছ তলৰ বিহুত উপলব্ধ নাছিল।

সংস্কৃতি যিহেতু বোঁৱতী নৈৰ দৰে, সেয়ে ইয়াক বন্ধ কৰি ৰখাটো উচিত নহয় বুলি সমাজৰ বিজ্ঞ চামে কয় যদিও অসমীয়াসকলে বাপতি সাহোন বিহুটোক কিন্তু কৃষিৰ লগত জড়িত হৈ থকাটোৱে মনে-প্রাণে কামনা কৰে। সেয়ে হ'লেও কিন্তু বিহুটিয়ে মঞ্চত উপবিষ্ট হোৱাৰ সময়ৰে পৰাই ক্রমশঃ বিহুৰ স্বকীয়তাৰ ৰূপ হেৰাই যাবলৈ ধৰা বুলি এচাম সচেতন অসমীয়াই সমালোচনা কৰি অহা দেখা গৈছে। এইবেলি আকৌ বিহুৰ নামত এচাম উদণ্ড যুৱক-যুৱতীয়ে বোকা ডেন্স, ফায়াৰ ডেন্স কৰি বিহুৰ স্বকীয়তাত বাৰুকৈয়ে আঘাত হনা বুলি প্রায়ভাগ অসমপ্রেমীয়ে জাঙুৰ খাই উঠা দেখা গৈছে। সেয়েহে অসমৰ বিহুৰ উদ্যোক্তাসকলে বিষয়টোৰ প্রতি গুৰুত্ব দিয়াটো উচিত। কিয়নো আগতেই উল্লেখ কৰা হৈছে বিহু আমাৰ কৃষিৰ স'তে জড়িত জাতীয় উৎসৱ। আমি ইয়াৰ স্বকীয়তা বজাই ৰাখিবলৈ সক্ষম হ'লেহে ই জাতীয় উৎসৱ হৈ থাকিব। যদি বিহুৰ নামত আমি বোকা নৃত্য কৰো, ফায়াৰ নৃত্য কৰো তেতিয়াহ'লে কৃষি ভিত্তিক জাতীয় উৎসৱ বিহুটোৰ স্বকীয়তা বর্তাই ৰখাটো কঠিন হ'ব। কিয়নো যিটো উদ্দেশ্যৰে আজিৰ পৰা হেজাৰ বছৰ আগতে বিহুৰ আৰম্ভণি ঘটিছিল, তেতিয়া তাৰ উদ্দেশ্য আছিল মহান। আমি যদি এতিয়া সেই উদ্দেশ্যক ভৰিৰে মোহাৰি পেলাও তেতিয়া আজি আৰু বিহু অনুষ্ঠিত কৰাৰ কোনো যুক্তি নাথাকিব।

আজি আমি বিহুৰ নামত বোকা নৃত্য কৰিছো, ফায়াৰ নৃত্য কৰিছো, গীত পৰিৱেশন কৰাৰ নামত মঞ্চৰ খুঁটাত উঠিছো, এচাম মদাহী দর্শকক অধিক আকর্ষণ কৰাৰ উদ্দেশ্যে মঞ্চত বাগৰি গীত পৰিৱেশন কৰিছো— এইবোৰ আমাৰ প্রাণৰ বিহুটোৰ স'তে খাপ নোখোৱা কথা। সেয়ে বিহুৰ নামত এনে ধৰণৰ ঘটনাবোৰৰ যদি আৰু প্রসাৰ ঘটে, তেতিয়াহ'লে আমাৰ বিহুটোৰ ঐতিহ্য বর্তি নাথাকিব। কিয়নো প্রতিটো সংস্কৃতিৰে একোটা ঐতিহ্য আছে। আমি সেই ঐতিহ্য ৰক্ষাৰ হকে শ্ল'গানো দিও; কিন্তু কার্যত তাৰ সম্পূর্ণ ওলোটা কাম কৰো। অসমত ওজাপালি সংস্কৃতি বিহুৰ দৰে ইতিহাসে চুকি নোপোৱা এটি সংস্কৃতি। এতিয়া আমি যদি ওজাপালিৰ সাজ-পোছাক যুগৰ স'তে খাপ খোৱাকৈ ধুতি-পাঞ্জাবীৰ সলনি লংপেন্ট আৰু টি চার্ট পিন্ধি পৰিৱেশন কৰাৰ অনুমতি দিওঁ সেয়া ওজাপালি হৈ থাকিবনে? একেদৰে অসমীয়া সামজৰ দৰা-কইনাক আধুনিক কৰাৰ নামত ধুতি-চোলা আৰু পাট কাপোৰৰ সলনি ছুইজাৰ বা লংপেন্ট-টি চার্ট পিন্ধাই হোমৰ গুৰিলৈ আনো তেতিয়া আমাৰ মনত কিহে ক্রিয়া কৰিব? এয়া জানো আমি হ'বলৈ দিম? তেনেদৰে অসমীয়াৰ বাপতি সাহোন বিহুটোও আমাৰ বাবে হিয়াৰ আমঠু। ইয়াৰ সলনি হোৱাটো আমি নিবিচাৰো আৰু সকলোৱে এই ক্ষেত্রত একমত হোৱা উচিত।

আমি মঞ্চত কোনে কি পিন্ধি উঠিছে আৰু ডিঙিলৈকে পান কৰিছে সেয়া বিহুৰ বাহিৰৰ মঞ্চত গুৰুত্ব নিদিওঁ। বোকা নৃত্যলৈও আমি কাণসাৰ নিদিও; কিন্তু বিহুৰ মঞ্চত আমি ইয়াক মানি লোৱা উচিত নহয়। যি শিল্পীয়ে বিহুৰ পৰম্পৰা বুজি নাপায়, তেওঁলোকক আচলতে বিহু মঞ্চলৈ নিমন্ত্রণ কৰিব নালাগে। কাৰণ তেনে শিল্পীয়ে বিহুক ক'লৈ লৈ যাব বা নি আছে অসমৰ সচেতন লোকসকলে দেখি আহিছে।

প্রতিটো কথাতে গা-এৰা দিয়া মনোভাৱৰ অসমীয়াসকলে আজি সজাগ নহ'লে বিহুৰ ঐতিহ্য হেৰুৱাই পেলাবলৈ হয়তো আৰু বেছি বছৰৰ প্রয়োজন নহ'ব। আমাৰ মনৰ দৃঢ়তাইহে বিহুৰ ঐতিহ্য বর্তাই ৰখাত সহায় কৰিব।

সেয়ে এইবেলি বিহুৰ ঐতিহ্য ৰক্ষা সন্দর্ভত লেখক **প্রমোদ কাকতিয়ে** কয় যে দোভাগ ৰাতিলৈ গাত বোকা সানি উদ্ভট আচৰণ কৰাটো অশোভনীয় বা অসামাজিকেই নহয়, ই অসহনীয় দুষ্কার্যও।

অধিবক্তা **হিৰণ্যময়ী বৰুৱাই** কয় যে বিহু অকল ডেকা-ডেকেৰীৰে নহয়, বয়োজ্যেষ্ঠজনেও বিহু চাবলৈ যায়। সেয়ে গাত বোকা সানি নৃত্য কৰা উদণ্ড ডেকা-ডেকেৰীসকলে এবাৰ তেওঁলোকৰ কথাও ভাবিবলৈ শিকক।

লেখক **আব্দুল হালিম আহমেদ**-এ কয় যে আমি যদি বিহুৰ নামত বোকাত নৃত্য কৰা বন্ধ কৰিব নোৱাৰো, তেন্তে অদূৰ ভৱিষ্যতে বিহুৱে কি পর্যায় পায়, তাৰ কোনো ঠিক নাই।

লেখিকা **মণীষা শর্মাই** কয় যে বিহুৰ বিভিন্ন মঞ্চত উদ্দাম নৃত্য-গীতৰ অনুষ্ঠান পুৰতি নিশালৈ চলাই থাকি বিহুৰ ঐতিহ্য ৰক্ষা কৰিব নোৱাৰি।

লেখক **ৰমেন দাস**-এ কয় যে এচাম গায়ক-গায়িকাই নিজকে জনপ্রিয় কৰি তুলিবলৈ গীতৰ তালে তালে এচাম দর্শকক নাচিবলৈ আমন্ত্রণ জনায়। যাৰ ফলত এচাম উদণ্ড ডেকা-ডেকেৰীয়ে সুৰাৰ ৰাগিত মতলীয়া হৈ পৰিৱেশটো বিনষ্ট কৰে।

লেখক **প্রদীপ পৰাশৰে** কয় যে বিহুৰ মঞ্চত অনুষ্ঠিত হোৱা সংগীতানুষ্ঠানসমূহে বিহুৰ ঐতিহ্য ৰক্ষা কৰাত ভাবুকিৰ সৃষ্টি কৰিছে।

লেখক **হৰেশ্বৰ গোস্বামীয়ে** কয় যে বিহুৰ নামত উদ্দাম নৃত্য কৰা এচাম যুৱক-যুৱতীৰ সমানে কিছু সংখ্যক গায়ক-গায়িকাও দায়ী।

লেখক **প্রদীপ কুমাৰ শর্মাই** কয় যে এইবাৰৰ বিহুক বোকা ডেন্স, ফায়াৰ ডেন্স জাতীয় বিকৃতিয়ে বিহু মঞ্চ কলংকিত কৰিলে।

লেখিকা **মীনা তালুকদাৰে** কয় যে বিহুৰ নামত বোকা ডেন্স, ফায়াৰ ডেন্স কোনো অসমপ্রেমীৰ বাবে কাম্য নহয়।

লেখক **খনীন্দ্র নাথ দাসে** কয় যে ৰং-বিৰঙৰ বিজুলী চাকিৰ পোহৰৰ সমাহাৰ, দর্শকৰ নাচোন, অবাইচ মাত-কথা, শব্দৰ প্রাবল্য, বোকা ডেন্স আদিয়ে বিহুৰ ঐতিহ্য নষ্ট কৰিছে।

লেখক **পংকজ পল্লৱ শর্মাই** কয় যে সাংস্কৃতিক অনুষ্ঠানত কিছুমান শিল্পীৰ বহুৱালি, অদ্ভুত আচৰণ আদিয়ে বিহুৰ অনুষ্ঠানক বহু তললৈ লৈ গৈছে।

লেখিকা **পংকজা দাসে** কয় যে সুৰাৰ ৰাগিত মত্ত হৈ আচহুৱা দৃষ্টিকটু অংগী-ভংগীৰে মঞ্চ উত্তাল কৰা কোনো কোনো শিল্পীয়ে দর্শককো উত্তাল কৰি সামাজিক পৰিৱেশত আঘাত হানিছে।

লেখক **আৰ্চি নাথে** কয় যে এচাম উচ্ছৃংখল যুৱক-যুৱতীৰ গুৰু-গোসাঁই নমনা কার্যক নিশ্চয়কৈ কোনো বিহুপ্রেমী ব্যক্তিয়ে সমর্থন নকৰিব।

লেখক **কুলেন বর্মনে** কয় যে এচাম উদণ্ড মাতাল যুৱকে বিহুতলীৰ চকী-মেজ ভাঙি চূৰমাৰ কৰা কার্য অতিকৈ নিন্দনীয় আৰু গৰিহণাৰ যোগ্য।

> **বিহু মঞ্চত পৰম্পৰাগত সাজপাৰৰ লগতে ঐতিহ্যও কঠোৰভাৱে পালনীয় বুলি সৰহ সংখ্যক সচেতন ব্যক্তিয়ে মত প্রকাশ কৰে**

লেখিকা **শিখা হাজৰিকাই** কয় যে এচাম শিল্পী নামধাৰী শিল্পীয়ে বিহু মঞ্চত অদ্ভুত বেশ-ভূষা, কর্মকাণ্ডৰে আত্মপ্রকাশ কৰিবলৈ লোৱাৰ সময়ৰ পৰাই বহু মঞ্চ বিজতীয়া হৈ পৰিছে।

লেখক **গিৰীন্দ্র মেধিয়ে** কয় যে একাংশ ৰাইজৰ শৃংখলাহীন মানসিকতাৰ বাবে বিহু মঞ্চসমূহৰ ঐতিহ্য বিনষ্ট হ'বলৈ ধৰিছে।

লেখিকা **আশা আহমেদে** কয় যে জাক-জমকতা পূর্ণ মঞ্চ হ'লেই বিহুৰ ঐতিহ্য ৰক্ষা নপৰে, যদিহে বোকা নৃত্যৰ দৰে কাৰবাৰবোৰ বন্ধ কৰিব পৰা নাযায়।

লেখক **ফনীন্দ্র নাথ বর্মনে** কয় যে বিহু পালনৰ নামত ব'হাগৰ পৰা আহাৰলৈ সাংস্কৃতিক অনুষ্ঠান চলি থকা পৰম্পৰা নহয় বুলি ভাবিবৰ সময় হ'ল।

লেখিকা **অঞ্জলি হাজৰিকাই** কয় যে এচাম উদণ্ড যুৱকে সুৰাৰ ৰাগিত মতলীয়া হৈ বোকা নৃত্য কৰি বিহুক অপমান কৰিছে।

লেখক **দিলীপ বর্মনে** কয় যে বহু বিহু উৎসৱৰ আয়োজকে বিহুৰ তাৎপর্যৰ বিষয়ে একো নাজানে।

লেখক **বনজিৎ বর্মনে** কয় যে সুৰাৰ ৰাগিত জন্তুৰ দৰে বোকাত লুতুৰি-পুতুৰি হৈ বিহু নৃত্যৰ নামত যি চৰম ঔদ্ধত্য প্রদর্শন কৰিলে সেয়া ধিক্কাৰজনক।

লেখিকা **অনু বৰা হাজৰিকাই** কয় যে কেৱল নাম-দামী বুলি ভবা শিল্পীক নিমন্ত্রণ কৰি বিহু পাতিলেই জাতিটোৰ প্রকৃত মর্যাদা অটুট নাথাকে।

লেখক **পৰাণ চন্দ্র দাসে** কয় যে সময় সলনি হৈছে বুলি বিহু মঞ্চৰ ঐতিহ্যত কালিমা সানি জগতৰ সন্মুখত জাতিটোৰ দুর্নাম আনিবলৈ কোনোৱে চেষ্টা কৰিব নালাগে।

লেখিকা **জুৰি শইকীয়াই** কয় যে গায়ক-গায়িকাসকলে অনুৰাগীক, আয়োজকসকলে উচ্ছৃংখল যুৱকক বুজাই দিব লাগে যে বিহু মানে নাইট ফাংচন নহয়।

লেখিকা **ৰমিছা বেগমে** কয় যে গাঁৱৰ আঁহত তলৰ বিহুৰ সৰলতা, চহা জীৱনৰ মাদকতাৰ ঠাইত নগৰীয়া কৃত্রিমতাৰ গ্রাসত পৰি বিহুৱে তাৰ ঐতিহ্য হেৰুৱাই পেলাইছে।

লেখিকা **স্বর্ণলতা পাঠকে** কয় যে আমি যদি ব'হাগ বিহুটোক আধুনিক চিন্তাৰে সলনি কৰিবলৈ যাওঁ তেন্তে বিহুক বাপতি সাহোন বুলি দাবী কৰিব নোৱাৰো।

লেখিকা **দিপালী ভৰালীয়ে** কয় যে যিসকল সংগীতৰ সঁচা পূজাৰী, সাধক তেওঁলোকে যাতে গীত-মাত পৰিৱেশন কৰোতে নিজৰ প্রকাশভংগী আৰু স্বকীয়তা বজাই ৰাখে সেয়া সকলোৰে কাম্য।

লেখক **শিৱপ্রসাদ শর্মা ঠাকুৰে** কয় যে বিহুৰ পৰম্পৰা ৰক্ষা কৰিবলৈ হ'লে স্থানীয় ৰাইজ, অভিভাৱকৰ দায়িত্ব আছে— যেনেকৈ সন্তান কুপথলৈ গ'লে, নিজৰ কর্মত বীতৰাগ হ'লে, মদ-ভাং-ড্রাগছ সেৱন কৰিলে, অসামাজিক কামত ব্রতী হ'লে অভিভাৱকে দায়িত্ব পালন কৰে।

লেখিকা **দীপ্তি ঠাকুৰ গোস্বামীয়ে** কয় যে সময়ৰ লগে লগে নিয়মবোৰ সলনি হয়; কিন্তু নিয়ম সলনি হ'লেও নিজৰ সাংস্কৃতিক ঐতিহ্য কেতিয়াও হেৰাই যাবলৈ দিব নালাগে। বিহু মঞ্চত গায়ক-গায়িকাসকলে বিহুগীত পৰিৱেশন কৰোতে দর্শক হৈ উপভোগ কৰাবহে প্রয়োজন।

লেখিকা **দীপ্তি ভট্টাচার্যই** কয় যে যিসকল শিল্পীয়ে কেৱল বিহুটোকে নিজৰ জীৱিকাৰ সোণসেৰীয়া বাট হিচাপে বুকুত সাৱটি বহি থাকে, একেই কেইটা গান বছৰে বছৰে বাদ্যযন্ত্র আৰু নাচোন-বাগোনৰ মাজেৰে এক অভিনৱ সাজ-সজ্জাৰে, তেওঁ প্রতিবছৰে কেৱল কি পোছাক পিন্ধিব, কোন ডিজাইনাৰে কৰিব তাতহে ব্যস্ত থকা দেখা যায়। গীতৰ সলনি নহয়; কিন্তু পোছাক সলনি হৈ থাকে।

লেখক **জ্যোতিষ চন্দ্র দত্তই** কয় যে এইবাৰৰ বিহু মঞ্চত দুই-এজন লোকে অসাধু আচৰণ কৰিলেও বিহুৰ ঐতিহ্যত ম্লান নপৰে; কিন্তু এনে কার্য কৰা লোকসকলক সকীয়াই দিয়াৰ সময় সমাগত। নহ'লে এনে ধৰণৰ লোকে অসমীয়া সমাজখনত প্রৱেশ কৰি ঘুণে কাঠ খাই শেষ কৰাৰ দৰে অসমীয়া কলা-কৃষ্টিকো খাই শেষ কৰিব।

লেখক **বলোৰাম ডেকাই** কয় যে গাত বিভিন্ন ধৰণৰ ৰঙেৰে আঁক-বাঁক আঁকি চার্কাছৰ ভাৱৰীয়াটো হৈ মঞ্চত বাগৰি, ৰভা ঘৰৰ খুঁটাত উঠি গীতৰ মাজতে ৰাইজ আৰু যুৱক-যুৱতীক নৃত্য কৰিবলৈ আহ্বান জনোৱা, বিহুৰ স'তে সামঞ্জস্য নথকা পোছাক-পৰিচ্ছদ পৰিধান কৰি মঞ্চৰ পৰাই যুৱক-যুৱতীক উদ্দেশ্য কৰি বোকা খেলিব পাৰিব, পানী ছটিয়াব পাৰিব; কিন্তু মদ নোৱাৰিব বুলি জনায়, অথচ নিজে মদ খাই মদৰ ৰাগিত মঞ্চত বাগৰা নিশ্চয় দৃষ্টিকটু।

লেখক **দিলীপ কুমাৰ শর্মাই** কয় যে বিহু মঞ্চ হৈছে জাকজমকতাৰে সম্পাদন কৰা মনোৰঞ্জনৰ মাধ্যম। গাঁৱৰ বিহুক চহৰলৈ আনি মঞ্চত স্থান দিছে আৰু নানা প্রকাৰৰ আমোদ-প্রমোদ, প্রতিযোগিতা, গান-বাজনাৰ সৃষ্টি কৰি দর্শকক আকর্ষিত কৰে, আনন্দিত কৰে। ইয়াৰ ঐতিহ্যৰ সঠিক মাপকাঠি এতিয়াও নির্ধাৰিত কৰা হোৱা নাই।

লেখক **কিৰণ চন্দ্র দাসে** কয় যে বর্তমান নৱ প্রজন্মৰ কিছুমান বিকৃত মানসিকতাৰ ব্যক্তিয়ে নিচা জাতীয় দ্রব্য সেৱন কৰি আহি এই উৎসৱটোলৈ বিভ্রান্তিৰ জোৱাৰ কঢ়িয়াইছে। কাৰণ এই ঐতিহ্যমণ্ডিত বিহুৰ গীত-মাত, নৃত্যৰ স'তে বোকা নৃত্যৰ কোনো ধৰণে সংপৃক্ত নাছিল।

লেখিকা **মইনা পৰাশৰে** কয় যে কিছুমান গায়ক-গায়িকাই দর্শকক নিজেই মাতি মঞ্চলৈ লৈ অহা দেখা যায়। এইসকল শিল্পীয়ে উঠি অহা চামক কি শিক্ষা দিব, সেয়া ভাবি চোৱাৰ সময় উপস্থিত হৈছে।

লেখিকা **অঞ্জনা দাস হাজৰিকাই** কয় যে আমাৰ বাপতি সাহোন ৰঙালী বিহু সুন্দৰভাৱে পাতিবলৈ চেষ্টা কৰাৰ লগতে সাত বিহুৰ দিনা শেষ কৰিব লাগে।

৬২ লাখৰ পুৰণি নোটৰ বাণ্ডিলৰে দিল্লীত গ্ৰেপ্তাৰ হ’ল ডাঃ এজাজ

নিউজ ব্যুৰ’, নতুন দিল্লী, ৭ জুলাই ঃ দিল্লীৰ লক্ষ্মীনগৰ অঞ্চলৰ ৰমেশ পাৰ্কৰ পৰা দিল্লী আৰক্ষীয়ে ডাঃ এজাজ আহমেদ নামৰ এজন লোকক ৫০০ আৰু ১০০০ টকীয়া পুৰণি নোটসহ আজি গ্ৰেপ্তাৰ কৰিলে। দিল্লী আৰক্ষীয়ে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, ব্যক্তিজনৰ পৰা ৬২ লাখ টকাৰ পুৰণি নোট জব্দ কৰা হৈছে। সবাতোকৈ চাঞ্চল্যকৰ কথাটো হৈছে, ধৃত ডাঃ এজাজে ৬২ লাখ টকাৰ পুৰণি নোটখিনি ১৪ লাখ টকাৰ নতুন নোটৰ বিনিময়ত ক্ৰয় কৰিছিল। আৰক্ষীৰ জেৰাত ধৃত ডাঃ এজাজে প্ৰকাশ কৰা অনুসৰি বিভিন্ন অঞ্চলৰ পৰা তেওঁ পুৰণি নোট এইদৰে ক্ৰয় কৰি জমা কৰিছিল আৰু প্ৰায় ২০ লাখ টকাত এই নোটখিনি বিক্ৰী কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছিল। ঘটনাৰ সন্দৰ্ভত দিল্লী আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

দুবছৰ ধৰি কলেজ আছিল বন্ধ, বিহাৰৰ অধ্যাপকে উভতাই দিলে ৩৩ মাহৰ বেতন

নিউজ ব্যুৰ’, পাটনা, ৭ জুলাই ঃ সুদীৰ্ঘ দুবছৰ ধৰি শ্ৰেণীকোঠালৈ অহা নাই কোনো শিক্ষাৰ্থী। বিবেকৰ দংশনত ৩৩ মাহৰ বেতন উভতাই দি এক বিৰল নিদৰ্শন দাঙি ধৰিলে বিহাৰৰ মুজাফৰপুৰৰ নীতিশেশ্বৰ কলেজৰ এজন সহকাৰী অধ্যাপকে। প্ৰকাশিত বাতৰি অনুসৰি, লালন কুমাৰ নামৰ চৰকাৰী অধ্যাপকজনে ৩৩ মাহৰ বেতনৰ বাবদ লাভ কৰা মুঠ ২৪ লাখ টকা চৰকাৰক উভতাই দিলে। ২০১৯ বৰ্ষত লালনে মহাবিদ্যালয়খনত যোগদান কৰিছিল। ইয়াৰ পাছৰে পৰা কৰ’না মহামাৰীৰ পৰিপ্ৰেক্ষিতত শিক্ষানুষ্ঠানসমূহ বন্ধ হৈছিল আৰু দীৰ্ঘদিন ধৰি অনলাইন পদ্ধতিৰে পাঠদান অব্যাহত আছিল। কিন্তু সুদীৰ্ঘ ৩৩ মাহ শ্ৰেণীকোঠাত উপস্থিত নথকাকৈ চৰকাৰৰ পৰা বেতন ল’বলৈ সংকোচবোধ কৰিলে এইজন অধ্যাপকে। যোৱা মঙলবাৰে কুমাৰে বি আৰ আম্বেদকাৰ বিহাৰ ইউনিভাৰ্ছিটি পঞ্জীয়কৰ হাতত বেতনৰ বাবদ লাভ কৰা মুঠ ২৩ লাখ ৮২ হেজাৰ ২২৮ টকাৰ এখন চেক অৰ্পণ কৰিলে। সাংবাদিকৰ আগত কুমাৰে তেওঁৰ সিদ্ধান্তৰ প্ৰসংগত এইদৰে কয়, ‘শিক্ষাৰ্থীক পাঠদান নকৰাকৈ বেতনৰ ধন লোৱাৰ ক্ষেত্ৰত মোক বিবেকে বাধা দিলে। অনলাইনত কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে পাঠ গ্ৰহণ কৰিছিল। শিক্ষা নিদিয়াকৈ বেতন ল’লে সেয়া হ’ব আমাৰ শিক্ষাৰ মৃত্যু। সেয়েহে মই বেতনৰ বাবদ লাভ কৰা ৩৩ মাহৰ ধন আজি উভতাই দিলো।’ দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ পৰা হিন্দীত স্নাতকোত্তৰ আৰু দিল্লী বিশ্ববিদ্যালয়ৰ পৰা পি এইচ ডি আৰু এমফিল ডিগ্ৰী গ্ৰহণ কৰিছিল কুমাৰে।

উষা-ইলায়াৰাজাসহ চাৰি বিশিষ্ট ব্যক্তিক ৰাজ্যসভালৈ কৰিলে মনোনীত

নিউজ ব্যুৰ’, নতুন দিল্লী, ৭ জুলাই ঃ ৰাষ্ট্ৰপতি ৰামনাথ ক’বিন্দে প্ৰাক্তন এথলীট খেলুৱৈ পি টি উষা, বিশিষ্ট সংগীত পৰিচালক ইলায়াৰাজা, কৰ্ণাটকৰ সমাজসেৱী বীৰেন্দ্ৰ হেগড়ে আৰু চিত্ৰনাট্যকাৰ-চলচ্চিত্ৰ নিৰ্দেশক বি বিজয়েন্দ্ৰ প্ৰসাদক ৰাজ্যসভালৈ মনোনীত কৰিলে। আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে টুইটাৰত এই কথা প্ৰকাশ কৰি আটাইকেইগৰাকী ব্যক্তিক দেশ আৰু সমাজলৈ আগবঢ়োৱা বৰঙণিৰ বাবে প্ৰশংসা কৰে। মোদীয়ে চাৰি গৰাকী ৰাজ্যসভাৰ নৱ মনোনীত সদস্যক পৃথকভাৱে টুইট কৰি শুভেচ্ছা জ্ঞাপন কৰে।

দেশত এদিনতে সংক্ৰমিত হ’ল ১৮,৯০৩ জন, বাঢ়িল মৃত্যু

নিউজ ব্যুৰ’, নতুন দিল্লী, ৭ জুলাই ঃ দেশত পুনৰ ক’ভিডৰ সংক্ৰমণ বৃদ্ধি পালে। বুধবাৰৰ তুলনাত বৃহস্পতিবাৰে দৈনিক সংক্ৰমণ আৰু ক’ভিডত মৃতুকৰ সংখ্যা উৰ্ধ্বমুখী হ’ল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ ক’ভিড সংক্ৰমিত হ’ল ১৮,৯৩০ জন লোক। বুধবাৰে আক্ৰান্তৰ সংখ্যা আছিল ১৬,১৫৯ জন। যোৱা ২৪ ঘণ্টাত দেশত পুনৰ ৩৫ জন ক’ভিড ৰোগীৰ মৃত্যু হ’ল। বুধবাৰে দৈনিক মৃত্যুৰ সংখ্যা আছিল ২৮ জন। এই মুহূৰ্তত দেশত সক্ৰিয় ক’ভিড ৰোগীৰ সংখ্যা হৈছে এক লাখ ১৯ হেজাৰ ৪৫৭ জন।

চীনত পুনৰ ক’ভিড-১৯ প্ৰতিৰোধৰ বাবে তলাবন্ধ ঘোষণা

নিউজ ব্যুৰ’ বেইজিং, ৭ জুলাই ঃ ক’ভিড সংক্ৰমণৰ উৰ্ধ্বমুখী গতিৰ পৰিপ্ৰেক্ষিতৰ ফলত যোৱা বুধবাৰৰ পৰা চীনৰ একাধিক চহৰত পুনৰ আৰম্ভ হ’ল তলাবন্ধ। যোৱা বুধবাৰে দেশখনত কমেও ৩০০ জন লোক ক’ভিড সংক্ৰমিত হৈছিল। উত্তৰ জিয়ান চহৰত ক’ভিডৰ নতুন সংক্ৰমণ ধৰা পৰাৰ পাছত প্ৰশাসনে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ছাংঘাইতো ক’ভিডৰ সংক্ৰমণ বৃদ্ধি পাইছে। সংক্ৰমণ প্ৰতিৰোধৰ বাবে প্ৰশাসনে ছাংঘাই আৰু জিয়ানত তলাবন্ধ ঘোষণা কৰিছে। তদুপৰি দেশজুৰি ব্যাপক হাৰত ক’ভিডৰ পৰীক্ষণ অব্যাহত ৰখা হৈছে। স্বাস্থ্য বিশেষজ্ঞই প্ৰকাশ কৰা অনুসৰি অ’মিক্ৰনৰ বিএ.৫.২ উপপ্ৰজাতিৰ ব্যাপক সংক্ৰমণৰ ফলত চীনৰ ক’ভিড পৰিস্থিতি পুনৰ উদ্বেগজনক হৈছে।

নিজৰ স্বাস্থ্যৰক্ষাৰ ব্যয় বহন কৰিব নোৱৰা লোকৰ সংখ্যা বিশ্বত ৩.১ বিলিয়নলৈ বৃদ্ধি পালে

খাদ্যৰ চৰম অভাৱত ভুগিছে বিশ্বৰ ২.৩ বিলিয়ন নাগৰিক

নিউজ ব্যুৰ’ ৰাষ্ট্ৰসংঘ, ৭ জুলাই ঃ ২০২১ বৰ্ষত বিশ্বত ক্ষুধাৰ সমস্যাটোৱে অধিক ভয়াৱহ ৰূপ ধাৰণ কৰিছিল। এই বিশ্বত সম্প্ৰতি ২.৩ বিলিয়ন নাগৰিকে খাদ্যৰ চৰম অভাৱত ভুগিছে। ৰাছিয়াই ইউক্ৰেইনত চলোৱা আক্ৰমণৰ পাছৰে পৰা বিশ্বত খাদ্যৰ অভাৱৰ সমস্যাটোৱে অধিক ভয়াৱহ ৰূপ লৈছে। এইসমূহ তথ্য প্ৰকাশ পালে ৰাষ্ট্ৰসংঘৰ শেহতীয়া এক প্ৰতিবেদনত। প্ৰতিবেদনত ৰাষ্ট্ৰসংঘৰ পাঁচটা সংস্থাৰ মুৰব্বীয়ে উল্লেখ কৰা অনুসৰি বিশ্বত খাদ্য সুৰক্ষাৰ বিষয়টো সাম্প্ৰতিক সময়ত অধিক উদ্বেগজনক হৈছে। অতিমাৰীৰ লগতে যুদ্ধৰ ফলত বিশ্বত খাদ্যৰ অভাৱ বৃদ্ধি পাইছে আৰু একে সময়তে বিশ্ববাসীৰ মাজত পুষ্টিহীনতাৰ দৰে সমস্যাই ভয়াৱহ ৰূপ ল’বলৈ ধৰিছে।

একেখন প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি নিজৰ স্বাস্থ্যৰক্ষাৰ ব্যয় বহন কৰিব নোৱৰা লোকৰ সংখ্যা বিশ্বত ১১.২ কোটি বৃদ্ধি পোৱাৰ ফলত এই সংখ্যা

বৰ্তমানে ৩.১ বিলিয়নলৈ বৃদ্ধি পালে। ইউক্ৰেইন আৰু ৰাছিয়াই বিশ্বৰ মুঠ ঘেঁহু আৰু সূৰযমুখী তেলৰ অৰ্দ্ধেকাংশ উৎপাদন কৰিছিল। কিন্তু উভয় দেশৰ মাজত হোৱা যুদ্ধৰ ফলত কৃষিকাৰ্য বাধাগ্ৰস্ত হোৱাত সমগ্ৰ বিশ্বত ঘেঁহু আৰু তেলৰ সংকটে দেখা দিছে। ৰাষ্ট্ৰসংঘৰ এই প্ৰতিবেদনত পৰামৰ্শ দি কোৱা হৈছে যে খাদ্য দ্ৰব্য উৎপাদনৰ ক্ষেত্ৰত বিশ্বৰ প্ৰতিখন দেশে অধিক গুৰুত্ব আৰোপ নকৰিলে আগন্তুক সময়ত ক্ষুধাৰ সমস্যাটোৱে অধিক ভয়াৱহ ৰূপ ধাৰণ কৰাৰ সম্ভাৱনা আছে। এই ধাৰা অব্যাহত থাকিলে চলিত দশকৰ শেষলৈ বিশ্বত পুনৰ ৬৭ কোটি লোক খাদ্য সামগ্ৰীৰ অভাৱত ভুগিব পাৰে।

পবিত্ৰ হজযাত্ৰাত অংশ ল’বলৈ মক্কাত উপস্থিত ১০ লাখ লোক



নিউজ ব্যুৰ’, ডুবাই, ৭ জুলাই ঃ বিশ্বৰ প্ৰায় ১০ লাখৰো অধিক তীৰ্থযাত্ৰীয়ে সম্প্ৰতি ছৌদি আৰবৰ পবিত্ৰ চহৰ মক্কাত সমবেত হৈছে। এইসকল লোকে পবিত্ৰ হজযাত্ৰাত অংশ লৈ মক্কাৰ বিখ্যাত কাবা দৰ্শন কৰিব। উল্লেখ্য যে কৰ’না ভাইৰাছৰ সংক্ৰমণৰ পাছত এয়ে প্ৰথমবাৰ সৰ্বাধিক সংখ্যক লোকে হজযাত্ৰাত অংশ লৈছে। ইছলামৰ পাঁচটা মূল স্তম্ভৰ অন্যতম এক হিচাপে স্বীকৃত হজযাত্ৰাৰ আজি প্ৰথম দিন আছিল। হজযাত্ৰাৰ প্ৰথম দিনতে মুছলমান তীৰ্থযাত্ৰীৰ যথেষ্ট ভিৰ মক্কাত প্ৰত্যক্ষ হ’ল। ছৌদি আৰবে এইবাৰ বিশ্বৰ বিভিন্ন দেশৰ পৰা এক নিযুতৰো অধিক হজযাত্ৰীক মক্কা দৰ্শনৰ অনুমতি দিছিল। ২০১৯ বৰ্ষৰ পাছত প্ৰথমবাৰৰ বাবে ইমান বৃহৎ সংখ্যক হজযাত্ৰী মক্কাত উপস্থিত হৈছে। উল্লেখ্য যে ছৌদিস্থিত মক্কা হৈছে ইছলাম ধৰ্মৰ প্ৰৱৰ্তক পয়গম্বৰ হজৰত মহম্মদৰ জন্মস্থান।

ভাৰতত ধৰা পৰিল কৰ’নাৰ বিএ.২.৭৫ৰ সংক্ৰমণ, ঘোষণা ‘হু’ৰ

নিউজ ব্যুৰ’, নতুন দিল্লী, ৭ জুলাই ঃ ভাৰতত ইতিমধ্যে অ’মিক্ৰনৰ উপপ্ৰজাতি বিএ.২.৭৫ৰ উপস্থিতি চিনাক্ত কৰা হৈছে। বিশ্ব স্বাস্থ্য সংস্থা (হু)ই আজি এই কথা জানিবলৈ দিয়ে। অলপতে ইজৰাইলৰ এজন বিজ্ঞানীয়ে দাবী কৰি কৈছিল যে ভাৰতৰ ১০ খন ৰাজ্যত কৰ’নাৰ অ’মিক্ৰন প্ৰজাতিৰ বিএ.২.৭৫ উপপ্ৰজাতিৰ ব্যাপক সংক্ৰমণ হৈছে। এইবাৰ হুৱে ভাৰতক সতৰ্ক কৰি কয় যে অ’মিক্ৰনৰ নতুন উপপ্ৰজাতিৰ সংক্ৰমণ ইতিমধ্যে ভাৰতত চিনাক্ত কৰা হৈছে। বিশ্ব স্বাস্থ্য সংস্থাই এই তথ্য প্ৰকাশ কৰাৰ পাছত দেশত ক’ভিডকেন্দ্ৰিক উদ্বেগ পুনৰ বৃদ্ধি পালে। কৰ’নাৰ নতুন সংক্ৰমণ বৃদ্ধিৰ সন্দৰ্ভত হুৱে এইদৰে কয়, ‘যোৱা দুসপ্তাহত বিশ্বত ক’ভিড সংক্ৰমণ প্ৰায় ৩০ শতাংশ বৃদ্ধি পালে। ইউৰোপ আৰু আমেৰিকাত বিএ.৪ আৰু বিএ.৫ৰ সংক্ৰমণ ঘটিছে। ভাৰতত বিএ.২.৭৫ উপপ্ৰজাতিৰ সন্ধান লাভ কৰা হৈছে।’

এইবাৰ ছলমানৰ অধিবক্তাক হত্যাৰ ভাবুকি

নিউজ ব্যুৰ’, মুম্বাই, ৭ জুলাই ঃ প্ৰকাশ্যে দিন দুপৰতে ৩৫ ৰাউণ্ড গুলিবৰ্ষণ কৰি কুখ্যাত অপৰাধ গোট লৰেন্স বিষ্ণোই গোষ্ঠীয়ে হত্যা কৰিছিল পঞ্জাৱৰ জনপ্ৰিয় গায়ক সিদ্ধু মুছেৱালাক। এইবাৰ এই অপৰাধ গোষ্ঠীটোৱে হত্যাৰ ভাবুকি দিলে বলিউডৰ মহাতাৰকা অভিনেতা ছলমান খানৰ অধিবক্তাক। প্ৰকাশিত বাতৰি অনুসৰি বিষ্ণোই গোষ্ঠীয়ে ইতিমধ্যে ভাবুকিপত্ৰ প্ৰেৰণৰে ছলমানৰ অধিবক্তাক হত্যাৰ ভাবুকি দিছে। উল্লেখ্য যে কিছুদিন পূৰ্বে বিষ্ণোই গোষ্ঠীয়ে ছলমানকো পত্ৰযোগে হত্যাৰ ভাবুকি দিছিল। সংবাদ মাধ্যমত প্ৰকাশিত বাতৰিত উল্লেখ কৰা মতে, যোৱা তিনি জুলাইত আদালতৰ চেম্বাৰৰ দুৱাৰত কোনো ব্যক্তিয়ে অধিবক্তাজনক হত্যাৰ ভাবুকি দিয়া এখন পত্ৰ ৰাখি থৈ গৈছিল। ঘটনাৰ সন্দৰ্ভত মুম্বাই আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

পৰ্যটকক সকাহ দি গাড়ী ব্যৱহাৰত নতুন নিয়ম প্ৰৱৰ্তন ছিকিমত

নিউজ ব্যুৰ’, শিলিগুড়ি, ৭ জুলাই ঃ ভ্ৰমণাৰ্থে ছিকিমলৈ যাব বিচৰা পৰ্যটকৰ বাবে সুখবৰ। এতিয়াৰে পৰা ছিকিম ফুৰিবলৈ গ’লে পৰ্যটকে পশ্চিমবংগৰ পৰা লৈ যোৱা গাড়ীৰে প্ৰত্যক্ষভাৱে হোটেলত উপস্থিত হ’ব পাৰিব। পূৰ্বে এই সুবিধা ছিকিমত উপলব্ধ নাছিল। গেংটকত উপস্থিত হোৱাৰ পাছতে পৰ্যটকে গাড়ী সলনি কৰি ছিকিমৰ গাড়ীহে ব্যৱহাৰ কৰিব লাগিছিল। কিন্তু পশ্চিমবংগ চৰকাৰ আৰু ছিকিম চৰকাৰৰ মাজত হোৱা বুজাবুজি চুক্তিৰ পাছত এতিয়াৰে পৰা পৰ্যটকে বুক কৰা হোটেললৈকে একেখন গাড়ীত যাব পাৰিব। অৱশ্যে পৰ্যটন কেন্দ্ৰলৈ যোৱাৰ ক্ষেত্ৰত পৰ্যটকে স্থানীয় গাড়ী ভাড়ালৈ ল’ব লাগিব। পশ্চিমবংগৰ পৰিবহণ মন্ত্ৰী ফিৰহাদ হাকিমে এই কথা প্ৰকাশ কৰি কয়, ‘এই চুক্তিৰ ফলত পৰ্যটন অধিক শক্তিশালী হ’ব। পূৰ্বে পৰ্যটকে গাড়ীসহ হোটেললৈ যোৱাৰ সুবিধা ছিকিমত লাভ কৰা নাছিল। ছিকিমে পশ্চিমবংগৰ পঞ্জীয়নভুক্ত গাড়ীক ৰাজ্যখনত প্ৰৱেশ কৰিব দিয়া নাছিল। ফলত পৰ্যটকসকলে ছিকিম সীমান্তত নামি ছিকিমৰ গাড়ীত উঠি হোটেললৈ যাত্ৰা কৰিব লগা হৈছিল। ইয়াৰ ফলত পৰ্যটকসকলে হাৰাশাস্তিৰ সন্মুখীন হৈছিল। বুজাবুজিৰ চুক্তিৰ পাছত এতিয়াৰে পৰা পৰ্যটকে হোটেললৈকে পশ্চিমবংগৰ গাড়ীত যাব পাৰিব। তদুপৰি শিলিগুড়ি-গেংটক পথত চৰকাৰী বাছৰ সংখ্যা ৩০ খনলৈ আৰু গেংটকৰ পৰা শিলিগুড়িলৈ ৫০ খনলৈ বৃদ্ধি কৰা হৈছে।’

নকভী-সিঙৰ পদত্যাগৰ পাছত দায়িত্ব বৃদ্ধি পালে জ্যোতিৰাদিত্য-স্মৃতিৰ, নতুন মন্ত্ৰণালয়ৰ দায়িত্ব লাভ

নিউজ ব্যুৰ’, নতুন দিল্লী, ৭ জুলাই ঃ দুই কেন্দ্ৰীয় মন্ত্ৰী মুখতাৰ আব্বাছ নকভী আৰু আৰ চি পি সিঙৰ পদত্যাগৰ পাছত স্মৃতি ইৰানী আৰু জ্যোতিৰাদিত্য সিন্ধিয়াৰ দায়িত্ব বৃদ্ধি পালে। নকভী আৰু সিঙে আজি মন্ত্ৰীসভাৰ পৰা ইস্তফা দিয়ে। দুই মন্ত্ৰীৰ ইস্তফাৰ পাছতে তেওঁলোকে কাৰ্যনিৰ্বাহ কৰা মন্ত্ৰণালয়ৰ দায়িত্ব লাভ কৰিলে স্মৃতি আৰু জ্যোতিৰাদিত্যই। জ্যোতিৰাদিত্যই ইস্পাত মন্ত্ৰণালয় আৰু স্মৃতিয়ে সংখ্যালঘু বিষয়ক মন্ত্ৰণালয়ৰ অতিৰিক্ত দায়িত্ব লাভ কৰে। উল্লেখ্য যে আজি নকভী আৰু সিঙৰ ৰাজ্যসভাৰ সদস্য হিচাপে কাৰ্যকালৰ অন্তিম দিন আছিল।

খেলনা ব্যৱসায়ত অগ্ৰগতি ভাৰতৰ, আমদানি হ্ৰাস ঃ ৬১ শতাংশ বৃদ্ধি পালে ৰপ্তানি

নিউজ ব্যুৰ’, নতুন দিল্লী, ৭ জুলাই ঃ কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা ‘মেক ইন ইণ্ডিয়া’ অভিযানৰ জৰিয়তে ভাৰতত খেলনা উদ্যোগৰ বিশেষ বিকাশ সাধন সম্ভৱ হৈছে। পূৰ্বৰ তুলনাত ভাৰতত তৈয়াৰী খেলনা সামগ্ৰীৰ বিদেশলৈ ৰপ্তানিৰ পৰিমাণো যথেষ্ট বৃদ্ধি পাইছে। পূৰ্বে ভাৰতে চীনসহ অন্যান্য দেশৰ পৰা পৰ্যাপ্ত পৰিমাণত দেশলৈ খেলনা সামগ্ৰী আমদানি কৰিছিল। কিন্তু বৰ্তমানে খেলনা সামগ্ৰীৰ ৰপ্তানিৰ বজাৰত ভাৰতৰ স্থিতি অধিক সবল হৈছে। বিদেশত ভাৰতত তৈয়াৰী খেলনা সামগ্ৰীয়ে বৃহৎ বজাৰ

দখল কৰিছে। ভাৰতত তৈয়াৰী খেলনা সামগ্ৰীয়ে দেশৰ বজাৰৰ লগতে বিদেশৰো বজাৰত সমাদৰ লাভ কৰিবলৈ সফল হৈছে। পৰিসংখ্যা অনুসৰি বিগত তিনি বছৰত ভাৰতত খেলনা সামগ্ৰীৰ আমদানি ৭০ শতাংশ হ্ৰাস পালে। ২০১৮-১৯ বিত্তীয় বৰ্ষত ভাৰতে ৩৭১ নিযুত ডলাৰৰ খেলনা সামগ্ৰী আমদানি কৰিছিল, ২০২১-২২ বিত্তীয় বৰ্ষত দেশৰ খেলনা আমদানিৰ পৰিমাণ ১১০ নিযুত ডলাৰলৈ হ্ৰাস পায়। ইফালে, একেটা সময়তে ভাৰতে খেলনাৰ ৰপ্তানিৰ পৰিমাণ ৬১.৩৮ শতাংশ বৃদ্ধি কৰিবলৈ সফল হ’ল। ২০১৮-১৯ত ভাৰতে ২০২ নিযুত ডলাৰৰ খেলনা সামগ্ৰী বিদেশলৈ ৰপ্তানি কৰাৰ বিপৰীতে ২০২১-২২ বৰ্ষত ৩২৬ নিযুত ডলাৰৰ খেলনা বিদেশলৈ ৰপ্তানি কৰিছিল।

দুদিনত ৪৪ তালাচী অভিযান ঃ ভাৰতৰ পৰা পলায়ন ভিভ’ৰ দুজন চীনা সঞ্চালকৰ

নিউজ ব্যুৰ’ নতুন দিল্লী, ৭ জুলাই ঃ অবৈধ ধন সৰবৰাহৰ গোচৰত তদন্ত অব্যাহত থকাৰ সময়তে চীনা ম’বাইল প্ৰস্তুতকাৰক প্ৰতিষ্ঠান ভিভ’ৰ দুজন সঞ্চালকে ভাৰত ত্যাগ কৰি পলায়ন কৰিলে। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ চীনা ম’বাইল প্ৰস্তুতকাৰক প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে অবৈধ ধন সৰবৰাহৰ গোচৰত তদন্ত ব্যাপক কৰি

তোলাৰ পাছতে ভিভ’ৰ সঞ্চালক জেংগচেন আও আৰু জাংগ জিয়ে ভাৰতৰ পৰা পলায়ন কৰিলে। সূত্ৰটোৱে প্ৰকাশ কৰা মতে, ই ডিয়ে যোৱা পাঁচ জুলাইৰ পৰা দুদিন ধৰি ভিভ’ আৰু ইয়াৰ স’তে জড়িত প্ৰতিষ্ঠানৰ বিৰুদ্ধে অবৈধ বিত্তীয় লেনদেন আৰু ধন সৰবৰাহৰ অভিযোগত দেশজুৰি ৪৪ স্থানত তালাচী অভিযান চলাইছিল। ই ডিয়ে যোৱা মঙলবাৰে চীনা ম’বাইল প্ৰতিষ্ঠানটোৰ স’তে জড়িত উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ আৰু দক্ষিণৰ কেইখনমান ৰাজ্যৰ মুঠ ৪৪ স্থানত তালাচী চলাইছিল।

হঠাৎ ‘কাফেৰ’ আমেৰিকাৰে বন্ধুত্বৰ বাবে আগ্ৰহ প্ৰকাশ তালিবানৰ, বাৰ্তা প্ৰেৰণ আখুন্দজাদাৰ

নিউজ ব্যুৰ’, ৱাশ্বিংটন, ৭ জুলাই ঃ পূৰ্বে একাধিকবাৰ ‘কাফেৰ’ অৰ্থাৎ ঈশ্বৰ অবিশ্বাসী অভিহিত কৰা আমেৰিকাৰ স’তে এইবাৰ বন্ধুত্ব স্থাপনৰ বাবে আগ্ৰহ প্ৰকাশ কৰিলে ইছলামৰ ধ্বজাবাহী তালিবানে। কেৱল এয়াই নহয়, প্ৰতিবেশী দেশৰ বিৰুদ্ধে আফগানিস্তানৰ ভূমি কোনো সন্ত্ৰাসবাদী সংগঠনক ব্যৱহাৰ কৰিবলৈ দিয়া নহ’ব বুলিও তালিবানৰ মুৰব্বী হায়বাতুল্লা আখুন্দজাদাই। ঈদ-উল-আজহা উপলক্ষে দেশবাসীলৈ বাৰ্তা দি তালিবানৰ মুৰব্বীয়ে আমেৰিকাৰ সন্দৰ্ভত তেওঁলোকৰ অৱস্থান স্পষ্ট কৰি এইদৰে কয়, ‘পাৰস্পৰিক আলাপ আলোচনা আৰু প্ৰতিশ্ৰুতিৰ মাজৰে আমি আমেৰিকাসহ সমগ্ৰ বিশ্বৰ স’তে কূটনৈতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক সম্পৰ্ক শক্তিশালী কৰিব বিচাৰো। আমি ভাবো ইয়াৰ ফলত সকলোৰে মংগল হ’ব।’ স্মৰ্তব্য যে ২০২১ৰ ১৫ আগষ্টত তালিবানে কাবুল দখল কৰিছিল। প্ৰায় দুই দশকৰ পাছত আফগানিস্তানৰ পৰা আমেৰিকাই সেনা প্ৰত্যাহাৰ কৰাৰ পাছৰে পৰা আফগানিস্তানত তালিবান পুনৰ শক্তিশালী হৈ উঠিছে। আমেৰিকাক পূৰ্বে শত্ৰু আখ্যা দিয়া তালিবানে এতিয়া সেইখন দেশৰে মিত্ৰতা কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰাটো তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে।

অঞ্চলৰ সমস্যাৰ কথা ব্যক্ত কৰা ব্যক্তিক ইটাৰে আক্ৰমণ আপৰ বিধায়কৰ



নিউজ ব্যুৰ’, নতুন দিল্লী, ৭ জুলাই ঃ ৰাজধানী দিল্লীত আম আদমী পাৰ্টি (আপ)ৰ আন এজন বিধায়কৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপিত হ’ল। দিল্লীৰ মডেল টাউন অঞ্চলত আপৰ বিধায়ক অখিলেশ পতি ত্ৰিপাঠীৰ বিৰুদ্ধে মাৰপিটৰ অভিযোগত গোচৰ ৰুজু হ’ল। পীড়িত ব্যক্তিয়ে উত্থাপন কৰা অভিযোগ অনুসৰি আপৰ বিধায়কজনে তেওঁক ইটাৰে আক্ৰমণ কৰিছিল। অশোক বিহাৰ থানাত পীড়িত ব্যক্তিয়ে বিধায়ক ত্ৰিপাঠীৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিছে। মডেল টাউন অঞ্চলৰ বাসিন্দা গুড্ডু হলৱাই নামৰ ব্যক্তিজনে উত্থাপন কৰা অভিযোগ অনুসৰি বিধায়ক ত্ৰিপাঠীয়ে তেওঁক মূৰত ইটাৰে আঘাত হানি হত্যাৰ অপচেষ্টা চলাইছিল। ব্যক্তিজনে লগতে কয় যে এক অনুষ্ঠানত তেওঁ কেটাৰিঙৰ কামত ব্যস্ত থকাৰ সময়তে স্থানীয় বিধায়ক ত্ৰিপাঠীক প্ৰত্যক্ষ কৰাত বিধায়কক অঞ্চলটোৰ নলা-নৰ্দমাৰ সমস্যাৰ কথা অৱগত কৰিছিল। কিন্তু হঠাতে বিধায়ক ত্ৰিপাঠীয়ে উগ্ৰ ৰূপ ধাৰণ কৰি তেওঁক ইটাৰ টুকুৰাৰে আক্ৰমণ কৰিছিল। দিল্লী আৰক্ষীয়ে ইতিমধ্যে ভাৰতীয় দণ্ডবিধিৰ ৩২৩ আৰু ৩৪১ ধাৰাত বিধায়ক ত্ৰিপাঠীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিলে।

সন্তানৰ সংখ্যা নজনলৈ বৃদ্ধি হ’ল এলন মাস্কৰ



নিউজ ব্যুৰ’, টেক্সাছ, ৭ জুলাই ঃ নিজৰ প্ৰতিষ্ঠানত কৰ্মৰত মহিলা কৰ্মচাৰীৰ যমজ সন্তানৰ পিতৃত্ব অৰ্জন কৰিলে বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি এলন মাস্কে। টেছলা আৰু স্পেচ এক্সৰ মুৰব্বী মাস্কৰ পূৰ্বে সাত সন্তান আছিল। যোৱা বছৰৰ নৱেম্বৰত মাস্কৰ সংস্থাত কৰ্মৰত ছিভন জিলিছ নামৰ শীৰ্ষ মহিলা কৰ্মীগৰাকীয়ে যমজ সন্তান প্ৰসৱ কৰিছিল। ‘বিজনেছ ইনছাইডাৰ’ৰ বাতৰি অনুসৰি এই দুই যমজ সন্তানৰ পিতৃ হৈছে মাস্ক। যোৱা এপ্ৰিলত এলন আৰু ছিভনে আদালতত শপতনামা দাখিল কৰি দুই সন্তানৰ উপাধি মাস্ক ৰখাৰ বাবে আবেদন জনাইছিল। যোৱা মে’ত টেক্সাছৰ আদালতৰ বিচাৰকে এই আবেদন মঞ্জুৰ কৰিছিল। আমেৰিকাৰ সংবাদ মাধ্যমত প্ৰকাশ পোৱা অনুসৰি টুইটাৰৰ স’তে ৪৪০০ কোটি ডলাৰৰ চুক্তি সম্পূৰ্ণ হ’লে মাইক্ৰ’ব্লগিং প্ৰতিষ্ঠানটোৰ শীৰ্ষ পদত নিয়োজিত হ’ব ছিভন। ২০১৭ বৰ্ষৰ মে’ৰ পৰা ছিভনে মাস্ক মালিকনাধীন প্ৰতিষ্ঠানত কৰ্মৰত হৈ আছে। পূৰ্বে মাস্কৰ কানাডাৰ সংগীত শিল্পী গ্ৰাইমছৰ ফালৰ পৰা দুটি সন্তান আৰু প্ৰাক্তন মন্ত্ৰী জাষ্টিন উইলছনৰ ফালৰ পৰা পাঁচটা সন্তান আছিল।

সংঘ পৰিয়ালে ভাৰতক ধ্বংস কৰিব বিচাৰিছে, ‘কালী’ৰ নিৰ্দেশিকা লীনাৰ অভিযোগ

নিউজ ব্যুৰ’, নতুন দিল্লী, ৭ জুলাই ঃ ‘কালী’ নামৰে এখন তথ্যচিত্ৰ নিৰ্মাণ কৰি বিবাদৰ স’তে সাঙুৰ খাই পৰা চলচ্চিত্ৰ নিৰ্দেশিকা লীনা মণিমেকলায়ে নীৰৱতা ভংগ কৰিলে। সংঘ পৰিয়ালক আক্ৰমণ কৰি লীনাই কয় যে সংঘ পৰিয়ালে ধৰ্মীয় সাম্প্ৰদায়িকতাৰে ভাৰতক ধ্বংস কৰিব বিচাৰিছে। ভাৰত কেতিয়াও হিন্দু ৰাষ্ট্ৰ হ’ব নোৱাৰে বুলিও চলচ্চিত্ৰ নিৰ্দেশিকাগৰাকীয়ে মন্তব্য কৰি এক টুইটত কয়, ‘লোক থিয়েটাৰৰ শিল্পীসকলে নিজৰ প্ৰদৰ্শনৰ পাছত কেনেকৈ আৰাম কৰে সেয়া বিজেপিৰ সমৰ্থকসকলে নাজানে। সংঘ পৰিয়ালৰ কঠোৰ ধৰ্মীয় মানসিকতাই ভাৰতক নষ্ট কৰিব বিচাৰিছে। ভাৰত কেতিয়াও হিন্দু ৰাষ্ট্ৰ হ’ব নোৱাৰে।’ উল্লেখ্য যে ‘কালী’ নামৰ তথ্যচিত্ৰখনত লীনাই হিন্দু দেৱী কালীক ধূমপানৰত অৱস্থাত উপস্থাপন কৰাক লৈ এক বিতৰ্কৰ সৃষ্টি হৈছে। একাংশ লোকে এনে উপস্থাপনৰ জৰিয়তে তথ্যচিত্ৰৰ নিৰ্মাতা-নিৰ্দেশকে হিন্দুৰ ধৰ্মীয় অনুভূতিক আঘাত হনাৰ অভিযোগ উত্থাপন কৰাৰ লগতে আন একাংশই নিৰ্মাতা-নিৰ্দেশকৰ মুণ্ডচ্ছেদ কৰাৰ হুংকাৰ দিছে। এই সন্দৰ্ভত প্ৰথমবাৰলৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তথ্যচিত্ৰখনৰ পৰিচালিকা লীনাই সামাজিক মাধ্যমৰ জৰিয়তে কয় যে সংঘ পৰিয়ালে দেশত ঘৃণা ভাৱ সৃষ্টি আৰু ধৰ্মীয় সম্প্ৰীতি নষ্ট কৰিব বিচাৰিছে।

মৰিয়নিত ৰেলত উদ্ধাৰ সোণৰ বিস্কুট

তিনি পৃষ্ঠাৰ পৰা যোৰহাট আৰক্ষীয়ে দুয়োকে যোৰহাট সদৰ থানালৈ লৈ যায়। পাছত দুয়োকে মৰিয়নিৰ ৰেলৰে আৰক্ষীক গতাই দিয়ে। ইতিমধ্যে মৰিয়নি ৰেলৰে আৰক্ষী থানাত ১০ /২২ নম্বৰত আৰু ভাৰতীয় দণ্ডবিধি আইনৰ ৩৭৯/৩৪ ধাৰাৰ অধীনত এক গোচৰ ৰুজু কৰি দুয়োকে গ্ৰেপ্তাৰ কৰিছে। অৱশ্যে কি উদ্দেশ্যৰে সোণখিনি আনিছিল সেয়া জানিব পৰা হোৱা নাই।

নগাঁৱত জাপানী এনকেফেলাইটিছৰ

তিনি পৃষ্ঠাৰ পৰা পথৰ নীলাক্ষী ফুকন (৫১), ফুলগুৰিৰ মণিমা দাস। (৬৭) আৰু দীঘলদৰিৰ চন্দ্ৰকান্ত নাথ (৬২)। ইয়াৰে নীলাক্ষী ফুকন গুৱাহাটীৰ জিএনআৰচিত, মণিমা দাস নেমকেয়াৰত আৰু চন্দ্ৰকান্ত নাথ জিএমচি এইছত চিকিৎসাধীন হৈ আছে। জিলাখনত এই ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি হোৱাত ৰাইজক চিন্তিত কৰি তুলিছে। ইপিনে, জিলাখনত জাপানী এনকেফেলাইটিছ ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটাৰ পৰিপ্ৰেক্ষিতত জিলা মেলেৰিয়া বিভাগেও কেতবোৰ পদক্ষেপ গ্ৰহণ কৰিছে। এই ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা ক্ষীৰকান্ত শইকীয়া নামৰ লোক জন ক্ৰমশঃ সুস্থ হৈছে বুলি জানিব পৰা গৈছে।

মৰিগাঁও জিলাৰ উপায়ুক্তৰ নামত ভুৱা

তিনি পৃষ্ঠাৰ পৰা ব্যৱহাৰ কৰি খোলা এই হোৱাটছএপৰ পৰা উপায়ুক্ত কাৰ্যালয়ৰ অন্যান্য বিষয়া, কৰ্মচাৰীলৈও প্ৰেৰণ কৰিছে বিভিন্ন মেছেজ। এই সন্দৰ্ভত অৱশ্যে মৰিগাঁও আৰক্ষীৰ ওচৰত এক গোচৰ ৰুজু কৰা হৈছে। উল্লেখ্য যে ইয়াৰ পূৰ্বে ৰাজ্যৰ ভাস্কৰজ্যোতি মহন্তৰ নামত দুষ্ট চক্ৰই ভুৱা একাউন্ট খোলাৰ তথ্য প্ৰকাশ পাইছিল। শেহতীয়াকৈ ৰাজ্যৰ কে'বাজনো প্ৰতিষ্ঠিত ব্যক্তিৰ ফটো আৰু নাম ব্যৱহাৰ কৰি একাংশ দুষ্ট চক্ৰই ফেচবুক হোৱাটছএপত একাউন্ট খুলি বিভিন্নজনলৈ ধন বিচাৰি মেছেজ প্ৰেৰণ কৰাৰ তথ্য পোহৰলৈ আহিছে। দিনক দিনে বৃদ্ধি পাই অহা এই দুষ্ট চক্ৰৰ দৌৰাত্মক বহু লোকক যে প্ৰৱঞ্চিত কৰিব সেই কথা স্পষ্ট হৈ পৰিছে। ইপিনে, মৰিগাঁও জিলা উপায়ুক্তৰ নামতেই প্ৰৱঞ্চকে ভুৱা হোৱাটছএপ একাউন্ট খুলি সেই, একাউন্টেৰে বেয়া কামত ব্যৱহাৰ কৰা ঘটনাই আজি সমগ্ৰ জিলাখনতে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

চোৰৰ ৰম্যভূমিত পৰিণত কামপুৰৰ

তিনি পৃষ্ঠাৰ পৰা ভিতৰৰ পৰা কাটি আনি এইদৰে লুকুৱাই থৈছিল। অৱশ্যে কামপুৰ আৰক্ষীক স্থানীয় সচেতন লোকে এই সম্পৰ্কত খবৰ দিয়াৰ পাছতো পদক্ষেপ নোলোৱাৰ অভিযোগ উঠিছে। পৰিতাপৰ বিষয় যে এইদৰে আৰক্ষী প্ৰশাসনৰ সন্মুখতে শেষ হ'ল কামপুৰস্থ নগাঁও সমবায় চেনিকল। চোৰৰ গ্ৰাসত পৰি চেনিকলটোৰ বৃহৎ পৰিমাণৰ যন্ত্ৰাংশ এতিয়া শেষ হ'ব ধৰিছে। হাবি-জংঘলৰ মাজত ধ্বংসস্তূপত পৰিণত হৈ এতিয়া মৰিশালিত পৰিণত সমগ্ৰ অঞ্চলটো। হাবি-জংঘলৰে ভৰা অঞ্চলটো লোহাৰ কটা মেচিন আৰু হাতুৰীৰ শব্দহে শুনিব পোৱা যায়। ২০০২ত অসম চৰকাৰে মৃত ঘোষণা কৰা চেনিকলটোত বৰ্তমানে এজনো ৰখীয়া নাই। আনহাতে, বহুবাৰ কে'বাজনো চোৰক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছিল যদিও আৰক্ষীৰ হাতৰ পৰা মুক্ত হৈ আহি পুনৰ চুৰি কাৰ্যৰ লগত জড়িত হৈ পৰাৰ অভিযোগ উঠিছে। কামপুৰৰ বহু পথৰে গাড়ী, ঠেলা আদিত মুক্ত মনেৰে দুষ্কৃতিকাৰীসকলে চেনিকলটোৰ মূল্যৱান যন্ত্ৰাংশ লৈ যোৱা অৱস্থাত স্থানীয় লোকে বহুবাৰ ধৰি আৰক্ষীক গতাই দিছিল যদিও একেদৰেই চলি গৈছে চুৰিকাৰ্য। স্থানীয় বিভিন্ন দল-সংগঠনে চেনিকল অঞ্চলত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰাৰ দাবী জনাইছে।

অসমত নাথাকিব শিক্ষকবিহীন বিদ্যালয়

তিনি পৃষ্ঠাৰ পৰা বানত নষ্ট হৈছে, সেই বিদ্যালয় পুনৰাই নিৰ্মাণ কৰোতে পকীঘৰ হিচাপে বনাবলৈ ব্যৱস্থা গ্ৰহণ কৰিবলৈ শিক্ষা বিষয়াসকলক মন্ত্ৰীজজনে নিৰ্দেশ দিয়ে। শিক্ষামন্ত্ৰী ডাঃ পেগুৰে ভাষণ প্ৰসংগত উল্লেখ কৰে যে বিদ্যালয়ৰ আন্তঃগাঁথনিৰ সমস্যা অহা দুবছৰৰ ভিতৰত অন্ত পেলোৱাৰ বাবে চৰকাৰে মিছন হিচাপে কাম কৰিব আৰু শিক্ষা বিষয়াসকলে তাৰ বাবে গুৰুত্ব সহকাৰে কাম কৰিব লাগিব। নৱম আৰু দশম শ্ৰেণীৰ ডিজিটেল ক্লাছ কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে শিক্ষামন্ত্ৰীজনে।

আজিৰ সভাত আদৰণি ভাষণ দিয়ে বঙাইগাঁও জিলাৰ উপায়ুক্ত নবদ্বীপ পাঠকে। সভাত মাধ্যমিক শিক্ষা বিভাগৰ সচিব ভাৰত ভূষণ দেৱ চৌধুৰীয়ে উপস্থিত থাকি জিলা পৰ্যায়ৰ শিক্ষা বিষয়াসকলক বিভিন্ন পৰামৰ্শ আগবঢ়ায়। সভাত প্ৰাথমিক শিক্ষা বিভাগৰ সচিব ড° বিজয়া চৌধুৰী, মাধ্যমিক শিক্ষা সঞ্চালক মমতা চৌধুৰী, প্ৰাথমিক শিক্ষা সঞ্চালক সুৰঞ্জনা সেনাপতি, বঙাইগাঁও জিলাৰ অতিৰিক্ত উপায়ুক্ত (শিক্ষা) শ্যামল ক্ষেত্ৰ গগৈ, বঙাইগাঁও, বৰপেটা, গোৱালপাৰা, ধুবুৰী, দক্ষিণ শালমাৰা আৰু বজালী জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকসকল, জিলা প্ৰাথমিক শিক্ষা বিষয়াসকল, উপ-পৰিদৰ্শকসকল আৰু খণ্ড প্ৰাথমিক শিক্ষা বিষয়াসকল উপস্থিত থাকে।

বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ উন্নয়নৰ সময়ত

তিনি পৃষ্ঠাৰ পৰা ফলত ৰাইজৰ যোগাযোগ ব্যৱস্থা দীৰ্ঘদিনৰ পৰা ব্যাহত হৈ আছে। একেটা পথৰেই দুটাকৈ স্থানত পানীয়ে খহাই নিয়ে। গাঁও দুখনৰ ৰাইজৰ মাজত কেৱল অহা-যোৱাত সমস্যা হোৱাই নহয় ছাত্ৰ-ছাত্ৰী, শিক্ষকসকলে বিদ্যালয়লৈ যাবলৈ সমস্যা হৈ পৰিছে। অঞ্চলটোৰ ৰাইজৰ মাজত বেমাৰ-আজাৰ হ'লে এই একমাত্ৰ বঠা নাওখনেই এম্বুলেন্সৰ দৰে হৈ পৰে। নিশাৰ ভাগত বেমাৰ-আজাৰ হোৱা ৰোগীসকলে জৰুৰী সময়ত এই বঠা নাওখনো বিচাৰি নোপোৱাত ক'তো যাব নোৱাৰি ঘৰতেই তাঁত বাটি কাঢ়িব লগা হৈছে। এই পথটোৰ ভাঙি যোৱা স্থান দুটাত দলং অথবা কালভাৰ্টৰ ব্যৱস্থা কৰিবলৈ স্থানীয় ৰাইজে দীৰ্ঘদিনৰ পৰা গাঁও পঞ্চায়তৰ সভাপতি, কাউন্সিলাৰে, জিলা পৰিষদ সদস্যসকলক দাবী জনাই আহিছে যদিও কোনো ধৰণৰ গুৰুত্ব নিদিয়াত কালি প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। দলং অথবা কালভাৰ্ট নিৰ্মাণ কৰিবলৈ ধনৰ অভাৱ হ'লে বাঁহৰ ফুট ব্ৰিজ অথবা বাঁহৰ সাঁকো এখনকৈ হ'লেও নিৰ্মাণ কৰি দিবলৈ ৰাইজে দাবী জনাইছে। এই ক্ষেত্ৰত স্থানীয় বিধায়ক মজিবুৰ ৰহমানক বিশেষ ব্যৱস্থা ল'বলৈ ৰাইজে আহ্বান জনাইছে।

কোচ ৰাজবংশীৰ সমস্যা সমাধানৰ

তিনি পৃষ্ঠাৰ পৰা কামতাপুৰ ৰাজ্য পুনৰ গঠন বিষয়টোৰ ৰাজনৈতিকভাৱে সমাধান কৰিবলৈ ভাৰত চৰকাৰক দ্বিপাক্ষিক আলোচনা অনুষ্ঠিত কৰিবলৈ অনুৰোধ জনায়। এই দিশত কেন্দ্ৰীয় মন্ত্ৰী নিশিত প্ৰামানিকক বিশেষ উদ্যোগ ল'বলৈ কে পি পিৰ সাধাৰণ সম্পাদক উত্তম কুমাৰ ৰায়ে আবেদন জনায়। পৃথক কামতাপুৰ ৰাজ্য পুনৰ গঠন বিষয়টো গুৰুত্ব সহকাৰে বিবেচনা কৰাৰ আশ্বাস দিয়ে কেন্দ্ৰীয় মন্ত্ৰী নিশিত প্ৰামাণিকে। যোৱা পহিলা জুলাইত হোৱা বৈঠকত কে পি পিৰ ফালৰ পৰা অংশগ্ৰহণ কৰা প্ৰতিনিধিসকল হ'ল -উত্তম কুমাৰ ৰায়, সাধাৰণ সম্পাদক, মনবেন্দ্ৰ ৰায়, সহকাৰী সাধাৰণ সম্পাদক, কেন্দ্ৰীয় কমিটীৰ সদস্য ক্ৰমে সন্তোষ কুমাৰ বৰ্মন, দিলীপ কুমাৰ বৰ্মন, পুলিন ৰায়, মনোৰঞ্জন ৰায়, বীৰেন্দ্ৰ নাথ ৰায় আদি । বিবৃতিটোত কে পি পিৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদকজনে কয় যে দেশে স্বাধীনতা লাভ কৰাৰ পাছতো বিগত ৭৫ ধৰি ঐতিহাসিক কামতাপুৰ তথা উত্তৰবংগৰ দেশীয় কামতাপুৰী ভূমিপুত্ৰসকল সীমা শোষণ, বঞ্চনা, প্ৰতাৰণা আৰু অৱহেলাৰ স্বীকাৰ হ'বলগীয় হৈছে। যি সময়ত ৰাষ্ট্ৰ ব্যৱস্থাই স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে (স্বাধীনতাৰ অমৃত মহোৎসৱ) পালন কৰিবলৈ যো-জা চলাই আছে, তেনে সময়তো সাধাৰণ কামতাপুৰী জনতা ৰাজনৈতিক হিংসাৰ স্বীকাৰ হ'বলগীয়া হৈছে। গতিকে আমি ভাৰত চৰকাৰক অচিৰেই পৃথক কামতাপুৰ ৰাজ্য পুনৰ গঠনৰ জৰিয়তে কামতাপুৰী সমাজৰ সকলো সমস্যাৰ এক ৰাজনৈতিক সমাধান কৰিবলৈ বিনম্ৰ আহ্বান জনালো ।

ইফালে, একেটা বিবৃতি কে পি পিৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক উত্তম কুমাৰ ৰায়ে কয় যে পৃথক কামতাপুৰ ৰাজ্য পুনৰ গঠনৰে অধিক শক্তিশালী কৰি তুলিবলৈ সমভাৱাপন্ন বিভিন্ন দল-সংগঠনৰ লগত যোগাযোগ আৰু আলোচনা প্ৰক্ৰিয়া অব্যাহত আছে। সকলো আলাপ-আলোচনা সুকলমে পৰিচালিত হ'লেই অচিৰেই অসম-বংগ আৰু বিহাৰ বিভিন্ন দল-সংগঠনক একত্ৰিত কৰি সৰ্বভাৰতীয় পৰ্যায়ত এক বৃহৎ গণ আন্দোলন গঢ়ি তোলা হ'ব। সেয়েহে পৃথক কামতাপুৰ ৰাজ্য পুনৰ গঠন, কামতাপুৰী ভাষাৰ ৰাষ্ট্ৰীয় স্বীকৃতি আৰু সৰ্বভাৰতীয় পৰ্যায়ত কোচ বা ৰাজবংশীসকলৰ জনজাতিকৰণৰ ক্ষেত্ৰত বিক্ষিপ্তভাৱে আন্দোলন কৰি থকা প্ৰতিটো দল-সংগঠনৰ এক উমৈহতীয়া মঞ্চত উপনীত হ'বলৈ আহ্বান জনাইছে কে পি পিৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক উত্তম কুমাৰ ৰায়ে ।

'মেঘদূত'ৰ সৌজন্যত শুৱালকুছিত

তিনি পৃষ্ঠাৰ পৰা বিশিষ্ট লেখক তথা প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যাপক ড° পৰশমণি দাসে 'অগ্ৰদূত'ত এসময়ত তেওঁ কবিতা লিখাৰ অভিজ্ঞতাৰ কথা কৈ ২১ শতিকাৰ প্ৰথমটো দশকত 'অগ্ৰদূত'ত প্ৰকাশিত তিনিটা কবিতা পাঠ কৰে। ১৯৭১ত প্ৰকাশ পোৱা 'অগ্ৰদূত'-এ বৰ্তমানে ৫২ বছৰত প্ৰৱেশ কৰা বিষয়টো অসমীয়া সংবাদপত্ৰৰ ইতিহাসত এক গুৰুত্বপূৰ্ণ অধ্যায় বুলি ভাষণ প্ৰসংগত ড° দাসে কয়। 'অগ্ৰদূত'ৰ সম্পাদক কনকসেন ডেকাৰ অকাট্য যুক্তি আৰু স্পষ্টবাদিতাৰ শলাগ লৈ ড° দাসে 'অগ্ৰদূত' অসমীয়া সংবাদ পত্ৰৰ এক সোণালী পদক্ষেপ বুলি অভিহিত কৰে। 'দৈনিক অগ্ৰদূত'ৰ এসময়ৰ প্ৰাক্তন সংবাদদাতা তথা লেখক ৰঞ্জিত কুমাৰ মহন্তই 'অগ্ৰদূত'ৰ স'তে কটোৱা কে'বা বছৰৰ অতীত স্মৃতি ৰোমন্থন কৰে আৰু 'অগ্ৰদূত'-এ অসমৰ সাংবাদিকতাক নতুন মাত্ৰা প্ৰদান কৰা বুলি কয়। 'অগ্ৰদূত'ৰ সাহসী কণ্ঠ আৰু নিৰপেক্ষতাক সকলোৱে শ্ৰদ্ধাৰ চকুৰে চোৱা উচিত বুলিও কয়। জনপ্ৰিয় নাট্যকাৰ, অভিনেতা, কবি বিকাশ কলিতাই 'অগ্ৰদূত'ত বাতৰি পৰিবেশনৰ অতীত অভিজ্ঞতাৰ বিষয়ে প্ৰকাশ কৰাৰ লগতে 'অগ্ৰদূত'-ৰ ৫২ বছৰীয়া যাত্ৰাক অসমীয়া জাতিৰ এক গৌৰৱৰ অধ্যায় বুলি অভিহিত কৰে। 'মেঘদূত'ৰ সম্পাদক বিকাশ কলিতাই ভাষণত 'অগ্ৰদূত'ৰ পাততে কলম লোৱা বহুতেই আজি স্বনামধন্য লেখকৰূপে পৰিগণিত হোৱা বুলিও উল্লেখ কৰে। শুৱালকুছি পূৰ্বাঞ্চল শাখা সাহিত্য সভাৰ সভাপতি নৰেশ শৰ্মাই সভাত এক দীঘলীয়া সময় ধৰি 'অগ্ৰদূত' পঢ়ি থকা বুলি দোহাৰি সম্পাদক কনকসেন ডেকাৰ স্পষ্টবাদিতা আৰু নিৰ্ভীকতাৰ ভূয়সী প্ৰশংসা কৰে। ডেকাৰ 'নতুন পুৰুষে যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক' শীৰ্ষক গ্ৰন্থখনৰ ওপৰত তত্ত্বগধুৰ ভাষণ প্ৰদান কৰি শৰ্মাই তেনেকুৱা যুক্তিবাদী লেখাই সমাজক আগবঢ়াই নিব পাৰে বুলি মত প্ৰকাশ কৰে। অসম সাহিত্য সভাৰ শুৱালকুছি অধিবেশনৰ আদৰণি সমিতিৰ সম্পাদক অনিল কুমাৰ বৈশ্যই সভাত অংশগ্ৰহণ কৰি জনপ্ৰিয় কাকত 'অগ্ৰদূত'ৰ ৫২ বছৰীয়া দীৰ্ঘজীৱনক স্বাগতম জনাই কাকতখনৰ সম্পাদক কনকসেন ডেকাৰ নিৰ্ভীক কণ্ঠক সকলোৱে সন্মান জনোৱা উচিত বুলি কয়। 'অগ্ৰদূত'-এ অসমীয়া সাহিত্য আৰু সংবাদক্ষেত্ৰলৈ আগবঢ়োৱা বিশাল অৱদানক অসমীয়া জাতিয়ে কেতিয়াও পাহৰিব নোৱাৰে বুলিও তেওঁ দোহাৰে। সভাত আটাইকেইগৰাকী বক্তাই 'অগ্ৰদূত'ৰ বিষয়ে উচ্চস্তৰৰ চিন্তা প্ৰকাশ কৰাৰ লগতে কাকতখনত সুদীৰ্ঘ ৪০ বছৰ ধৰি লিখা জীৱন পূৰ্ণ কৰা বাবে লেখক, সাহিত্যিক পেন্সনাৰ বিপুল চন্দ্ৰ কলিতাৰ বহুমুখী সাহিত্য প্ৰতিভাৰ শলাগ লয়। শেষত 'মেঘদূত'ৰ সভাপতি বিপুল চন্দ্ৰ কলিতাই 'অগ্ৰদূত' আৰু সম্পাদক কনকসেন ডেকাৰ বিষয়ে নাতিদীৰ্ঘ ভাষণ দি সকলোৰে প্ৰতি কৃতজ্ঞতা জনাই সভাৰ সামৰণি মাৰে।

মোৰ আৰক্ষী বিষয়া হোৱাৰ সপোন ভাঙি থানবান কৰি দিলে ঃ কীৰ্তিকমল

বিশেষ সংবাদদাতা



নগাঁও, ৭ জুলাই ঃ নগাঁৱৰ প্ৰাক্তন ছাত্ৰ নেতা কীৰ্তিকমল বৰাক ড্ৰাগছ সৰবৰাহকাৰী সজাই ভুৱা সংঘৰ্ষ কৰি গুলীয়াই চিৰদিনৰ বাবে পংগু কৰা আৰক্ষী বিষয়া প্ৰদীপ বণিয়াক অভিযুক্ত কৰি চিআইডিয়ে ন্যায়ালয়ত তেওঁৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰা আৰু কীৰ্তিকমলৰ বিৰুদ্ধে আৰক্ষীৰ অভিযোগক নস্যাৎ কৰাৰ পাছত আজি আৰক্ষীৰ বিৰুদ্ধে সৰৱ হয় এনএছইউআই। চিআইডিয়ে দোষমুক্ত বুলি প্ৰতিবেদন দাখিল কৰা নগাঁও চহৰৰ কচলুখোৱাৰ যুৱক তথা প্ৰাক্তন ছাত্ৰ নেতা কীৰ্তিকমল বৰাৰ বাসগৃহত আজি উপস্থিত হয় অসম ৰাজ্যিক এনএছইউআইৰ সভাপতি কৃষাণু বৰুৱাৰ নেতৃত্বত সংগঠনটোৰ একাংশ নেতা। কীৰ্তিকমলৰ বাসগৃহত উপস্থিত হৈ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে এখন সংবাদমেল সম্বোধন কৰে অসম ৰাজ্যিক এনএছইউআইৰ সভাপতিজনে। চৰকাৰ তথা প্ৰশাসনক কীৰ্তিকমলক অনাগত দিনত চৰকাৰীভাৱে এটা সংস্থাপন সুনিশ্চিত কৰাৰ উদ্দেশ্যে দাবী জনাই এই সংবাদমেল সম্বোধন কৰে কৃষাণু বৰুৱাই। বৰুৱাই কয়, 'এজন আৰক্ষী বিষয়াই কীৰ্তিকমলৰ সপোন ভাঙি চুৰমাৰ কৰি দিলে। তেওঁক চিৰ জীৱনৰ বাবে ঘুণীয়া কৰিলে। এতিয়া তেওঁৰ দায়িত্ব কোনে ল'ব? আমি চৰকাৰক দাবী জনাইছো তেওঁক এটা চৰকাৰী চাকৰি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰক।' তেওঁ আৰু কয়, 'সেই ঘটনা সংঘটিত হোৱাৰ সময়ত নগাঁও জিলাৰ এছপি আছিল আনন্দ মিশ্ৰ। তেওঁ কীৰ্তিকমল বৰাক বহু অপবাদ জাপি দি দোষী সজাবলৈ চেষ্টা কৰিছিল। প্ৰদীপ বণিয়াই বিনা দোষত কীৰ্তিকমলক গুলীয়াই আহত কৰা ঘটনাৰ বাবে সেই সময়ৰ এছপি আনন্দ মিশ্ৰও জগৰীয়া। আমি বণিয়ায় লগতে মিশ্ৰও তদন্তৰ আওতালৈ অহাটো বিচাৰো।' ইপিনে, ভুক্তভোগী প্ৰাক্তন ছাত্ৰ নেতা কীৰ্তিকমল বৰাই সাংবাদিকৰ আগত কয়, 'মোৰ সপোন আছিল এজন আৰক্ষী বিষয়া হোৱাৰ। কিন্তু মোৰ আৰক্ষী বিষয়া হোৱাৰ সপোন এজন আৰক্ষী বিষয়াই ভাঙি থানবান কৰি দিলে। মোক বিনা দোষত গুলিবিদ্ধ কৰি চিৰ জীৱনৰ কাৰণে পংগু কৰি দিলে।' তেওঁ আৰু কয়, 'মোক কৰা অন্যায়ৰ বাবে নগাঁৱৰ সেই সময়ৰ আৰক্ষী অধীক্ষকজনো জগৰীয়া। লগতে মোক গুলীওৱা সময়ত ঘটনাস্থলীত উপস্থিত থকা সকলো আৰক্ষী জগৰীয়া।'

বনগাঁৱৰ বিশিষ্ট সমাজকৰ্মী ৰণেন ডেকাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

চামতা, ৭ জুলাই ঃ নলবাৰী জিলাৰ বনগাঁও নিবাসী বিশিষ্ট সমাজকৰ্মী, এসময়ৰ সুদক্ষ খেলুৱৈ, সৰবৰহী ব্যক্তি ৰণেন ডেকাৰ আজি পুৱা ১০ বজাত দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ নিজ বাসভৱনতে মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৮ বছৰ। উল্লেখ্য যে বিশিষ্ট মুক্তিযোদ্ধা ৰজত ডেকাৰ জ্যেষ্ঠ পুত্ৰ ৰণেন ডেকাই উচ্চ শিক্ষা লাভ কৰিও কোনো ধৰণৰ চৰকাৰী চাকৰিলৈ মন নেমেলি সমাজসেৱাতেই গোটেই জীৱন অতিবাহিত কৰিছিল। এসময়ৰ প্ৰসিদ্ধ খেলুৱৈ ডেকাই নলবাৰী কলেজৰ ছাত্ৰ হৈ থকা অৱস্থাত নলবাৰী কলেজৰ গুৰু খেল বিভাগৰ সম্পাদক হিচাপেও সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰিছিল। ডেকাই দীৰ্ঘদিন ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। ১০ দিন পূৰ্বে শ্বাস-প্ৰশ্বাসত কষ্ট অনুভৱ কৰাত তেওঁক গুৱাহাটীৰ আৰ্য হাস্পতালত ভৰ্তি কৰোৱা হৈছিল আৰু কিছু সুস্থ হোৱাত চিকিৎসকৰ পৰামৰ্শ মতে, দুদিন পূৰ্বে তেওঁক ঘৰলৈ লৈ অনা হয়। কিন্তু আজি পুৱা হঠাতে হৃদক্ৰিয়া বন্ধ হৈ অকাল মৃত্যুক আঁকোৱালি লয়। বিশিষ্ট সমাজকৰ্মী ৰণেন ডেকা অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত গোটেই জীৱনজুৰি ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল। আজি পুৱা বিশিষ্ট সমাজকৰ্মীজনৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে অজস্ৰ গুণমুগ্ধৰে তেওঁৰ বাসভৱন ভৰি পৰে। মৃত্যুৰ সময়ত তেওঁ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী পত্নী ৰাণু দেৱী, বৰমা কলেজৰ প্ৰৱক্তা তথা পুত্ৰ বিদ্যুৎ বিকাশ ডেকা, নলবাৰী কলেজৰ প্ৰৱক্তা তথা বোৱাৰী নমিতা ডেকাসহ এগৰাকী ভ্ৰাতৃ এগৰাকী ভাই বোৱাৰী, এগৰাকী নাতিনীসহ ভালেমান আত্মীয়ক ইহ সংসাৰত এৰি যায়। বিশিষ্ট সমাজকৰ্মীগৰাকীৰ মৃত্যুত স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে।

তামুলপুৰ আৰক্ষী থানা-তামুলপুৰ মহকুমা গাঁওৰক্ষী বাহিনীৰ উদ্যোগত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

তামুলপুৰ, ৭ জুলাই ঃ তামুলপুৰ আৰক্ষী থানা আৰু তামুলপুৰ মহকুমা গাঁওৰক্ষী বাহিনীৰ উদ্যোগত আজি তামুলপুৰ গাঁওৰক্ষী বাহিনীৰ মুখ্য কাৰ্যালয়ত এক সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। তামুলপুৰ মহকুমা গাঁওৰক্ষী বাহিনীৰ সভাপতি হেৰথ বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা সভাত গাঁওৰক্ষী বাহিনীত কৰ্মৰত লোক সকলৰ পৰিয়ালৰ পৰা সদ্যঘোষিত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৭০ গৰাকী ছাত্ৰ-ছাত্ৰীক গামোচা, মানপত্ৰ, উপহাৰৰ টোপোলা আৰু এটি গছপুলিৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধনা সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি তামুলপুৰ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰাৰ্থ প্ৰতিম শইকীয়াই কয়, 'ছাত্ৰ-ছাত্ৰীসকলে নিজকে জীৱন যুঁজত সকলো ধৰণৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিব পৰাকৈ গঢ়ি তুলিব লাগিব । ছাত্ৰ জীৱনতে নিজকে যোগ্য ব্যক্তি হিচাপে প্ৰতিষ্ঠা কৰাৰ লক্ষ্য স্থিৰ কৰি ল'ব লাগিব।' সম্বৰ্ধিত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি অতিৰিক্ত আৰক্ষী অধীক্ষকজনে পুনৰ কয়, ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যতে নিজকে প্ৰতিষ্ঠা কৰাৰ লগতে এজন সুনাগৰিক হিচাপে সমাজৰ হকেও কাম কৰি যাব লাগিব। সভাত অংশগ্ৰহণ কৰি তামুলপুৰ মহকুমা আৰক্ষী বিষয়া ৰূপজ্যোতি কলিতায়ো ছাত্ৰ-ছাত্ৰীসকলক কেৰিয়াৰ সম্পৰ্কীয় সম্যক ধাৰণা দিয়াৰ নিজৰ লক্ষ্যত ছাত্ৰ-ছাত্ৰীসকলে কেনেকৈ আগবাঢ়িলে সফল হ'ব পাৰিব তাৰ কিছুমান অনুপ্ৰেৰণামূলক বক্তব্য প্ৰদান কৰে। মাজদিয়া গাঁওৰক্ষী বাহিনীৰ সম্পাদক দমন পাটোৱাৰীয়ে আঁত ধৰা ব্যতিক্ৰমী সম্বৰ্ধনা সভাখনত তামুলপুৰ আৰক্ষী থানাৰ উপ- আৰক্ষী বিষয়া ইয়াৰ আলী পাৰমানিক, উপ-পৰিদৰ্শক লক্ষ্মীপ্ৰিয়া সন্দিকৈ, তামুলপুৰ মহকুমা গাঁওৰক্ষী বাহিনীৰ চক্ৰ সংগঠক দিলীপ চন্দ্ৰ দাস, সমাজ কৰ্মী নিৰ্মলা দাস, জ্যেষ্ঠ নাগৰিক কামেশ্বৰ হাজৰিকা, তামুলপুৰ মহকুমা গাঁওৰক্ষী বাহিনীৰ উপ-সভাপতি তাজ মহম্মদ খান, সম্পাদক দণ্ডীৰাম দাসকে ধৰি তামুলপুৰ মহকুমা গাঁওৰক্ষী বাহিনীৰ বিষয়ববীয়া আৰু অভিভাৱকসকল উপস্থিত থাকে।

প্ৰৱঞ্চনা আৰু দুৰ্নীতিৰ

তিনি পৃষ্ঠাৰ পৰা দুমাহে কৰ্তব্যত নাই। অৱশেষত দুৰ্নীতিৰ অভিযোগত অভিযুক্ত আৰু প্ৰৱঞ্চনাৰে লাখ লাখ টকা লুটি পলায়ন কৰা লাট মণ্ডল দাসক নিলম্বন কৰাৰ লগতে তদন্ত ঘোষণা কৰিছে। তদন্তৰ বাবে ডুমডুমা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ৰণনময় ভৰদ্বাজক দায়িত্ব অৰ্পণ কৰাৰ লগতে সংলগ্ন ৰাজহ চক্ৰ বিষয়া সুৰঞ্জিতা শৰ্মাক সহযোগিতা কৰাৰ বাবে নিৰ্দেশ দিছে। লাট মণ্ডলজনৰ ঘৰ নগাঁও জিলাত।

কলিয়াবৰৰ হাতীবন্ধাত বাছ

তিনি পৃষ্ঠাৰ পৰা জখলাবন্ধা চিকিৎসালয়ৰ পৰা তেজপুৰ মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰিছে। এ এছ-০১ চি-৮৯৭৯ নম্বৰৰ যাত্ৰীবাহী বাছখন যোৰহাটৰ পৰা তেজপুৰ অভিমুখে গৈ থকাৰ সময়ত বিপৰীত দিশৰ পৰা অহা এ এছ-১২ এ চি-০২২০ নম্বৰৰ যাত্ৰীবাহী টেম্প'খনৰ স'তে মুখামুখি সংঘৰ্ষ হয়। ঘটনাৰ খবৰ পোৱাৰ পাছতেই ঘটনাস্থলীত চুলুং আৰক্ষী উপস্থিত হৈ আহতসকলক প্ৰথমতে জখলাবন্ধা চিকিৎসালয়ত ভৰ্তি কৰায়।

মূল্যবৃদ্ধি ৰোধ, বানাক্ৰান্তক পৰ্যাপ্ত পৰিমাণে বান সাহায্য প্ৰদানৰ দাবী

অগ্ৰদূত ব্যুৰ'

বঙাইগাঁও, ৭ জুলাই ঃ ৰাজ্যত সাম্প্ৰতিক আকাশলংঘী মূল্যবৃদ্ধি ৰোধ কৰা, বানাক্ৰান্তক পৰ্যাপ্ত সাহায্য প্ৰদান কৰা সহ কে'বাটাও দাবীৰ ভিত্তিত আজি নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতিৰ ৰাজ্যজোৰা কাৰ্যসূচীৰ অংশ হিচাপে বঙাইগাঁও জিলা সমিতিয়েও জিলা উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰদান কৰে। অসমত বিগত জুনৰ দ্বিতীয় সপ্তাহৰ পৰা অহা দ্বিতীয়টো ভয়াৱহ বানে বিস্তৰ ক্ষতি সাধন কৰে। অসমৰ ৩৫ খন জিলাৰ ৩২ খনেই বানৰ কবলত পৰিছে। বাতৰি কাকতত প্ৰকাশ পোৱা মতে, এই বানত ৰাজ্যৰ ১৭৮ গৰাকী মানুহৰ মৃত্যু হৈছে। প্ৰায় ৬০ লাখ মানুহ আৰু পাঁচ হেজাৰৰ ওপৰত গাঁও বানপানীত ক্ষতিগ্ৰস্ত হৈছে। এই প্ৰলয়ংকৰী বান আৰু ভূমিস্খলনত মানুহৰ ঘৰ-বাৰী, সা-সম্পত্তি, খেতি পথাৰ, ৰাস্তা পদূলি, গছ-গছনি,পশুধন আদিৰ বিস্তৰ ক্ষতি হ'ল। বৰাকৰ ভয়াৱহ বানে শিলচৰ চহৰ বৰ্তমানো ডুবাই ৰাখিছে। আবদ্ধ পানীৰ মাজত, মথাউৰিত বান বিধ্বস্ত ৰাইজে জীয়াতু ভুগি আছে। বহুকেইখন জিলাৰ ৰাইজৰ অৱস্থা অতি শোচনীয়। বানে ঘৰৰ ভেটি পৰ্যন্ত উটুৱাই নিশ্চিহ্ন কৰিছে। ভঁৰালৰ শস্য, কাপোৰ কানি, ব্যৱহাৰ্য সামগ্ৰী একো নাই। অতি পৰিতাপৰ কথা যে আশ্ৰয় শিবিৰত চৰকাৰী ত্ৰাণ ব্যৱস্থা পৰ্যাপ্ত নোহোৱাত, ত্ৰাণ সামগ্ৰী সঠিকভাৱে বিতৰণ নোহোৱাত মানুহে দুৰ্বিষহ জীৱন কটাবলগীয়া হৈছে। স্মাৰকপত্ৰত নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতিৰ বঙাইগাঁও জিলা সমিতিৰ সভানেত্ৰী তৃষ্ণা মেধি আৰু সম্পাদিকা কল্যাণী পাঠকে প্ৰকাশ কৰা মতে, অসমৰ ৰাইজ বানত ককবকাই থকা অৱস্থাত অসমৰ চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰ ব্যস্ত মহাৰাষ্ট্ৰৰ ৰাজনীতিৰ পাশা খেলত। প্ৰধানমন্ত্ৰী দূৰৈৰ কথা, কোনো এজন কেন্দ্ৰীয় মন্ত্ৰীয়েও অসমৰ বান ক্ষতিগ্ৰস্ত ৰাইজৰ খবৰ ল'বলৈ, ক্ষয়-ক্ষতিৰ বুজ ল'বলৈ অহা নাই। অসমৰ ৰাইজক কেৱল ভোটৰ সময়তহে প্ৰধানমন্ত্ৰী আৰু শাসক দলটোৰ মনত পৰে। আজিলৈকে অসমৰ বানপীড়িত ৰাইজৰ বাবে এটকা সাহায্যও কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা নাই। বান নিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা অহা ধন মোদী চৰকাৰৰ আমোলত ধাৰাবাহিকভাৱে হ্ৰাসহে পাইছে। বান সমস্যাই প্ৰতি বছৰে অসমৰ অৰ্থনীতিৰ ৰাজহাড় ভাঙি আছে। বান সমস্যাৰ স্থায়ী সমাধান অবিহনে অসমৰ উন্নয়ন অসম্ভৱ।

দলিবাৰী হাইস্কুলত গ্ৰীষ্মকালীন শিবিৰৰ সামৰণি

অগ্ৰদূত বাৰ্তা

শুৱালকুছি, ৭ জুলাই ঃ কামৰূপ জিলাৰ অন্তৰ্গত দলিবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত চলি থকা ১০দিনীয়া গ্ৰীষ্মকালীন শিবিৰৰ সামৰণি অনুষ্ঠানত কামৰূপ জিলাৰ জিলা প্ৰাথমিক শিক্ষা বিষয়া তথা বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই বিদ্যালয়খনৰ এই পদক্ষেপক ভূয়সী প্ৰশংসা কৰে. ভাষণ প্ৰসংগত শিক্ষা বি,য়াজনে সমীপৱৰ্তী মহাবিদ্যালয়ৰ লগত সম্পৰ্ক স্থাপন কৰি বিদ্যালয়খনৰ বিদ্যায়তনিক দিশটো আৰু বেছি উন্নত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত পূব বংশৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক ড° ধ্ৰুৱজ্যোতি মালাকৰে ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগত মত বিনিময় কৰে আৰু বিদ্যালয়খনত মেণ্টৰশ্বিপ ব্যৱস্থাৰে ছাত্ৰ-ছাত্ৰীসকলৰ সামগ্ৰিক উন্নতিৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিবলৈ বিদ্যালয় কৰ্তৃপক্ষক আহ্বান জনায়। ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভুৱনেশ্বৰ বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে জ্যেষ্ঠ সহকাৰী শিক্ষক শৰৎ চন্দ্ৰ বৈশ্যই। ১০দিনীয়া শিবিৰটোত ভাষাৰ চাৰিটা কৌশল শ্ৰৱণ, কথন, পঠন, লিখন আদিৰ বিকাশ কৰিবৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাধু কোৱা, কবিতা আবৃত্তি, চিত্ৰাংকন, কুইজ প্ৰতিযোগিতা আদিৰ আয়োজন কৰা হয় আৰু বঁটাসমূহ এই অনুষ্ঠানতে বিতৰণ কৰা হয়। প্ৰায় তিনি ঘণ্টা ধৰি চলা অনুষ্ঠানক জীপাল কৰি তোলে ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত গীত, নৃত্য, কৌতুক, আবৃত্তি আদিয়ে। ইয়াৰ উপৰি আমন্ত্ৰিত স্থানীয় শিল্পী নগেন বৰ্মনৰ পেৰডী গীত আৰু আধুনিক গীতৰ পৰিৱেশনৰ লগতে বিদ্যালয়খনৰ প্ৰাক্তন প্ৰধান শিক্ষক দিগাম্বৰ াথৰ গীত আৰু ভাষণে উপস্থিত সকলোকে আপ্লুত কৰে।

ঢেকিয়াজুলিৰ 'বিশ্বাস নিউজ এজেন্সী'ৰ স্বত্বাধিকাৰী দিলীপ কুমাৰ বিশ্বাসৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

শিঙৰী, ৭ জুলাহ ঃ ছহিদ নগৰী ঢেকিয়াজুলিৰ অন্যতম প্ৰধান বাতৰি কাকত বিক্ৰী প্ৰতিষ্ঠান বিশ্বাস নিউজ এজেন্সীৰ স্বত্বাধিকাৰী দিলীপ কুমাৰ বিশ্বাস (৭৬)ৰ আজি পুৱা ১০-৩০ বজাত আকস্মিক মৃত্যু হয়। হৃদৰোগত আক্ৰান্ত বিশ্বাসক কিছুদিন পূৰ্বে গুৱাহাটীৰ এখন চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল আৰু সেই সময়ত তেওঁ আৰোগ্য লাভ কৰাত ঘৰলৈ অনা হৈছিল। ইয়াৰ পাছত চিকিৎসকৰ পৰামৰ্শমতে তেওঁ নিজগৃহতে চিকিৎসা গ্ৰহণ কৰিছিল কিন্তু আজি পুৱা ন মান বজাত তেওঁ গুৰুতৰভাৱে অসুস্থ হৈ পৰে। পৰিয়ালৰ লোকে তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ নিয়াৰ ব্যৱস্থা কৰে যদিও তেওঁৰ মৃত্যু হয়। তেওঁৰ বিয়োগত ঢেকিয়াজুলিত শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে ১৯৫১ ত ঢেকিয়াজুলিত বিশ্বাস পৰিয়ালে আৰম্ভ কৰা বিশ্বাস নিউজ এজেন্সী নামেৰে বাতৰি কাকত বিক্ৰী প্ৰতিষ্ঠানত দিলীপ কুমাৰ বিশ্বাস জড়িত হৈ পৰে। প্ৰথমে আনন্দ বজাৰ পত্ৰিকা নামৰ কাকতখনেৰে আৰম্ভ হোৱা বিশ্বাস নিউজ এজেন্সীত বৰ্তমান ২০ খনৰো অধিক দৈনিক কাকত বিক্ৰী কৰা হয়। পুৱাৰে পৰা বাতৰি কাকত বিক্ৰী কাউণ্টাৰত ব্যস্ত থকা লোকজন সকলোৰে পৰিচিত আছিল। কিন্তু আজি পুৱা তেওঁৰ আকস্মিক মৃত্যু হয়। আজি পুৱাৰ ভাগত বিশ্বাসৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে তেওঁৰ শুভাকাংক্ষীসকল তেওঁৰ বাসগৃহত উপস্থিত হৈ পৰিয়ালৰ স'তে শোকৰ সমভাগী হয়। ইপিনে, আজি বিয়লি ঢেকিয়াজুলি ৰাজহুৱা শ্মশানত তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন হয়। তেওঁ মৃত্যুৰ সময়ত এজন পুত্ৰ, এগৰাকী কন্যা-জোঁৱাই, দুগৰাকী ভ্ৰাতৃক ইহ সংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত ঢেকিয়াজুলি শাখা সাহিত্য সভা, ঢেকিয়াজুলি আঞ্চলিক ছাত্ৰ সন্থা, আপকুৰ শোণিতপুৰ জিলা সমিতি, ঢেকিয়াজুলি মহকুমা নাগৰিক মঞ্চ, অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ ভংগামন্দিৰ-বালিজান শাখাই গভীৰ শোক প্ৰকাশ কৰিছে।

শালামাৰাত বিনামূলীয়া চিকিৎসা শিবিৰ সম্পন্ন

অগ্ৰদূত বাৰ্তা

দুমুনিচকী, ৭ জুলাই ঃ অসম স্বাস্থ্যসেৱা সমবায় সমিতিৰ উদ্যোগত সহকাৰ ভাৰতী, অসম প্ৰদেশ আৰু বাপুজী পাঠাগাৰ, শালমাৰাৰ সহযোগত আজি শালমাৰা প্ৰাথমিক বিদ্যালয় চৌহদত এটা বিনামূলীয়া বিশেষ স্বাস্থ্য পৰীক্ষা আৰু চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। প্ৰাক্তন ছাত্ৰনেতা বনজিৎ ডেকাৰ বিশেষ তৎপৰতাত অনুষ্ঠিত শিবিৰটো উদ্বোধন কৰে কামৰূপ জিলাৰ অতিৰিক্ত উপায়ুক্ত সিদ্ধাৰ্থ গোস্বামীয়ে। বিনামূলীয়া বিশেষ স্বাস্থ্য পৰীক্ষা আৰু চিকিৎসা শিবিৰটোত উপস্থিত থাকে বিশিষ্ট চিকিৎসক (ইংলণ্ড) তথা অসম স্বাস্থ্যসেৱা সমবায় সমিতিৰ অধ্যক্ষ ডাঃ জয়ন্ত বিশ্ব শৰ্মা। বিনামূলীয়া বিশেষ স্বাস্থ্য পৰীক্ষা আৰু চিকিৎসা শিবিৰটোত যথেষ্ট সংখ্যক লোকে চিকিৎসাসেৱা লাভ কৰে। প্ৰায় ২০ গৰাকী চিকিৎসকে বিনামূলীয়া চিকিৎসা সেৱা আগবঢ়োৱা শিবিৰটোত মুখ্যমন্ত্ৰীৰ ব্যক্তিগত সহায়ক প্ৰাণজিৎ ডেকা, বেজেৰা মণ্ডল বিজেপিৰ সভাপতি দিলীপ ডেকা, প্ৰাক্তন আছু নেতা মৃণাল ডেকা, স্থানীয় পঞ্চায়ত প্ৰতিনিধি আৰু কে'বাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ধমধমাত কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ অধিবেশন

অগ্ৰদূত বাৰ্তা

ঘগ্ৰাপাৰ, ৭ জুলাই ঃ সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ আগন্তুক পঞ্চদশ দ্বি-বাৰ্ষিক পূৰ্ণকালীন অধিবেশন ২০২৩ৰ জানুৱাৰীৰ শেষৰভাগত নলবাৰী আৰু বাগ্সা জিলাৰ যুটীয়া উদ্যোগত ধমধমা চহৰত অনুষ্ঠিত হ'ব। এই উপলক্ষে যোৱা তিনি জুলাইত নলবাৰী জিলাৰ ধমধমাস্থিত 'গণশিল্পী খগেন মহন্ত কনিষ্ঠ মহাবিদ্যালয়'ত সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ আগন্তুক পঞ্চদশ দ্বি-বাৰ্ষিক অধিবেশনৰ প্ৰস্তুতি সম্পৰ্কে গুৰুত্বপূৰ্ণ প্ৰতিনিধিত্বমূলক সভা এখন অনুষ্ঠিত হয়। সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলন, বাগ্সা জিলাৰ সভাপতি ৰামেশ্বৰ ডেকাই সভাপতিত্ব কৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক নয়ন কলিতাই। উক্ত সভাতে সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ সভাপতি ড° ৰমেন কুমাৰ কাকতি, সাধাৰণ সম্পাদক প্ৰতুল কুমাৰ কলিতা আদিয়ে 'সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ পঞ্চদশ দ্বি-বাৰ্ষিক পূৰ্ণকালীন অধিবেশনখনৰ ব্যাপক প্ৰস্তুতি সন্দৰ্ভত কেতবোৰ বিশদ বক্তব্য আগবঢ়ায়। উল্লেখ্য যে অহা ২০২৩ৰ ২৮ আৰু ২৯ জানুৱৰীত বৰ্ণিল কাৰ্যসূচীৰে নলবাৰী আৰু বাগ্সা জিলাৰ যুটীয়া উদ্যোগত নলবাৰী জিলাৰ ধমধমা চহৰত সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ পঞ্চদশ দ্বি-বাৰ্ষিক অধিবেশন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

থানালৈ মাতি আনি দুই আৰক্ষী

তিনি পৃষ্ঠাৰ পৰা গোৱালপাৰা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত এজাহাৰ দাখিল কৰে। তৎকালীনভাৱে এই দুষ্কাৰ্যৰ স'তে জড়িত দুধনৈ আৰক্ষী থানাৰ উপ-পৰিদৰ্শক বিষ্ণু বাহাদুৰ নেৱাৰ আৰু মমতা যোশীক নিলম্বন কৰে আৰক্ষী অধীক্ষক ভি ভি ৰাকেশ ৰেড্ডিয়ে। এই ঘটনাৰ প্ৰতিবাদত আজি উত্তপ্ত হৈ পৰে ডাইনাডুবি অঞ্চল। অসম-মেঘালয় সীমান্তৰ ডাইনাডুবিৰ বাংচি এ পাল খেলপথাৰত গাৰো ছাত্ৰ সন্থা আৰু স্থানীয় ৰাইজে প্ৰতিবাদী কাৰ্যসূচী উলিয়ায়। প্ৰতিবাদত অংশগ্ৰহণকাৰী নেতৃবৃন্দই অভিযোগ কৰা অনুসৰি কালি মেঘালয়ৰ দুধনৈ আৰক্ষীয়ে মৌচুমী ম'মিন আৰু তেওঁৰ স্বামী চেংখালআৰ মাৰাকক এক গোচৰৰ সংক্ৰান্তত থানালৈ মাতি আনে। তেওঁ থানাত উপস্থিত হোৱাৰ পাছত আৰক্ষীয়ে সোধ-পোছ কৰিবলৈ লোৱাত স্বামী চেংখালে ভয় খাই থানাৰ পৰা পলায়ন কৰে। তেতিয়া আৰক্ষী দুজনে মৌচুমীক থানাৰ ভিতৰতে অকথ্য নিৰ্যাতন চলায়। এই অভিযোগ উত্থাপন কৰি প্ৰতিবাদী ৰাইজে আৰক্ষী দুজনৰ বৰ্খাস্তকৰণৰ দাবী উত্থাপন কৰে। এই ঘটনাই যাতে পৰিস্থিতিৰ অৱনতি নঘটায় তাৰ বাবে মেঘালয় আৰক্ষী, চিআৰপিএফ বাহিনী আদি প্ৰতিবাদ স্থলীত সন্থম হৈ থাকে। মেঘালয় গাৰো ছাত্ৰ সন্থাই দাবী কৰে যে দুই অভিযুক্ত আৰক্ষীক চাকৰিৰ পৰা বৰ্খাস্ত কৰিব লাগে আৰু তেওঁলোকে কোনোদিনে যাতে আৰক্ষীৰ পোছাক পৰিধান কৰিব নোৱাৰে তাৰ ব্যৱস্থা কৰিব লাগে। এই বিষয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু দেশৰ গৃহমন্ত্ৰী অমিত শ্বাহক জনোৱা হৈছে বুলি তেওঁলোক কয়। উল্লেখ্য যে দম্পতীহালে থানালৈ আহি জানিব পাৰে যে চেংখালৰ বিৰুদ্ধে গোৱালপাৰাৰ বীৰ চিলাৰায় পথৰ ধ্ৰুৱনন্দন চৌধুৰী নামৰ এজন লোকে এজাহাৰ দাখিল কৰিছে। এজাহাৰত উল্লেখ কৰে যে চৌধুৰীয়ে ৩০ টন কয়লাৰ বাবদ ২০২১ৰ ফেব্ৰুৱাৰীত ৯৫,০০০.০০ টকা চেংখাল আৰ মাৰাকক দিছিল। কিন্তু আজিলৈকে কয়লা দিয়া নাই আৰু টকাও ঘূৰাই দিয়া নাই বুলি চৌধুৰীয়ে অভিযোগ কৰে। লগতে সেইদিনাখনে ২০ লাখ টকা ওভতাই বিচাৰে। তেতিয়া মাৰাকৰ পত্নী মৌচুমী ম'মিনে তেওঁৰ হাতত ৫০ হেজাৰ টকাহে থকা বুলি কয় আৰু সেই দিনাখন ৫০ হেজাৰ টকাহে দিব পাৰিব বুলি কয়। তেতিয়া চৌধুৰীয়ে ৫০ হেজাৰ টকা মৌচুমী ম'মিনৰ পৰা লয় আৰু বাকী টকা এক ঘণ্টাৰ ভিতৰত আনি দিবলৈ কয়। পাছত মাৰাকে থানাৰ পৰা ওলাই যায়। আবেলি তিনি বজাৰ পাছতো চেংখাল উভতি নহাত আৰম্ভ হয় মৌচুমীৰ ওপৰত নিৰ্মম প্ৰহাৰ। অভিযোগ অনুসৰি উপ-পৰিদৰ্শক নেৱাৰ কনিষ্টবল মমতা আৰু অভিযোগকাৰী চৌধুৰীয়ে মহিলাগৰাকীৰ সৰ্বশৰীৰত লাঠি, হাতেৰে আৰু ভৰিৰে প্ৰহাৰ কৰে। পাছত দুধনৈ চিকিৎসালয়ত প্ৰাথমিক চিকিৎসা কৰি যাবলৈ দিয়ে। মৌচুমীয়ে আত্মীয়ক বিষয়টো জনোৱাত তেওঁলোক আহি ঘৰলৈ লৈ যায়। পাছদিনা অৰ্থাৎ পাঁচ জুলাইত মৌচুমীয়ে গোৱালপাৰাৰ আৰক্ষী অধীক্ষকক এজাহাৰ দাখিল কৰে।

দৈনিক অগ্ৰদূত

সৰুতে আমি ডাঙৰ হোৱা ঘৰখনো আছিল যৌথ পৰিয়ালৰ। একোটা পৰিয়ালত সৰু, ডাঙৰ, বৃদ্ধকে ধৰি ৩৫-৪০ জনৰো অধিক সদস্যই একেটা ঘৰতে থাকি, একেটা ৰন্ধনশালাতে খাই, বিভিন্ন আনন্দ-বিষাদ, খেলা-ধূলা, ঠেহ-পেচৰ মাজেৰে দ্বিধাহীনভাৱে জীৱনৰ অমূল্য কথাবোৰ শিকিব পাৰিছিল। ক'বলৈ গ'লে ডাঙৰতকৈ ল'ৰা-ছোৱালীৰ সংখ্যাহে বেছি আছিল।

যৌথ পৰিয়ালৰ আমেজবোৰ কেনেকৈ হেৰাল ?

ৰুণু তামুলী বৰা

আজিৰ পৰা ৫০-৬০ বছৰ আগলৈকে মানুহবোৰে যান্ত্ৰিকতাবিহীন সহজ-সৰল জীৱন এটা যাপন কৰিছিল। তেতিয়া যৌথ পৰিয়ালৰ সংখ্যাই আছিল অধিক। অৱশ্যে একক পৰিয়ালো নথকা নহয়। সৰুতে আমি ডাঙৰ হোৱা ঘৰখনো আছিল যৌথ পৰিয়ালৰ। একোটা পৰিয়ালত সৰু, ডাঙৰ, বৃদ্ধকে ধৰি ৩৫-৪০ জনৰো অধিক সদস্যই একেটা ঘৰতে থাকি, একেটা ৰন্ধনশালাতে খাই, বিভিন্ন আনন্দ-বিষাদ, খেলা-ধূলা, ঠেহ-পেচৰ মাজেৰে দ্বিধাহীনভাৱে জীৱনৰ অমূল্য কথাবোৰ শিকিব পাৰিছিল। ক'বলৈ গ'লে ডাঙৰতকৈ ল'ৰা-ছোৱালীৰ সংখ্যাহে বেছি আছিল। ডাঙৰ-সৰু কাৰো মাজত নাছিল আঁৰিয়া-আঁৰি। প্ৰতিজন সদস্যৰে মনবোৰ, চিন্তাবোৰ আছিল মুকলি। ককা-আইতা, বৰদেউতা, বৰমা, খুড়া-খুড়ী আদিৰ পৰা নজনাটো জানিব পৰাৰ লগতে হাক-বচনবোৰো মানিছিল। বৰমা, মাহঁতৰ দিনত ছোৱালীয়ে বিদ্যালয়ত গৈ শিক্ষা গ্ৰহণ কৰাৰ ব্যৱস্থা আছিল প্ৰায় সীমিত। অথচ সাংসাৰিক জীৱনৰ প্ৰয়োজনীয় সকলো স্তৰৰ শিক্ষাৰে তেওঁলোক সম্পূৰ্ণ আছিল।

যৌথ পৰিয়ালবোৰত কোনোবা এজনে যদি চাকৰি কৰে অন্যজনে কৰে সৰু-সুৰা বেপাৰ-বাণিজ্য বা কৃষিকাৰ্য। দৰমহা আছিল অতি সামান্য। অৱশ্যে আজিৰ দৰে বস্তুৰ নাছিল চৰাদাম। বেছিভাগ পৰিয়ালেই নিমখ, চেনি, কেৰাচিন তেলকণহে কিনিব লাগিছিল। মাছ-পুঠি, চাউল, দাইল, আলু, কচু, শাক-পাচলি ফলমূল আনকি তেল, গুড়কণো ঘৰতে প্ৰস্তুত কৰি লৈছিল। বাৰীখনত পাক মাৰিলেই ৰান্ধনীগৰাকীয়ে এপাচি শাকে-পাচলিৰে ব্যৱস্থা কৰি সুন্দৰকৈ ৰান্ধি খুৱাব পাৰিছিল। মাছ খবৰ মন গ'লে পথাৰৰ এচুকত থকা পুখুৰীটো বা খালটো সিঁচিলেই হ'ল বা বাৰীৰ পুখুৰীত মাছ দুটামান ধৰিবলৈ জালখন মাৰিলেই হ'ল। নহলেবা মাক-বৰমাক পেহীহঁতৰ দৰে কোনোবা দুজনীমানে ডোবা-খাল আদিত দুচাবমান জাকৈখন মাৰি পুঠি-খলিহনা আদি মাছ এমুঠি ধৰি অনাৰ ব্যৱস্থাও আছিল। খুড়াক বা বৰদেউতাকে বৰ চালনিখন লৈ মেটেঙানীত মেটেকা ভাঙি ভাঙি ধৰা গৰৈ, কাৱৈ, শ'ল, মাগুৰেও ৰান্ধনীয়ে বাৰীৰ শাকেৰে এসাঁজ জুতি লগাকৈ ৰান্ধি খুৱাব পাৰিছিল। কিন্তু আজি সেই যৌথ পৰিয়ালবোৰো হেৰাল আৰু শাক পাচলি বুটলি আনি খোৱাৰ আনন্দবোৰো হেৰাল। আগৰ সেই ডোবা, পিটনি, খাল, পথাৰ আদিত মূৰ দাঙি থিয় হৈ আছে ডাঙৰ ডাঙৰ অট্টালিকা। যান্ত্ৰিকতাৰ কবলত আনন্দ উল্লাহবোৰ হেৰোৱাৰ দৰে যৌথ পৰিয়ালবোৰো ভাগ ভাগ হ'ল।

নগৰৰ কথা বাদ দিলেও গাঁৱৰ শিশুৱে আহাৰ-শাওণত পথাৰত দেউতাক-খুড়াকক চাহ-জলপান দিবলৈ গৈ নাঙলৰ শিৰলুত উঠা বা মৈয়ে মহটিয়াই নিয়া পুঠি, খলিহনা, গৰৈ, কাৱৈ, মাগুৰ, শিঙৰা, বটিয়া আদি মাছ ধৰি পাইছে। বৰ্তমানৰ শিশু-কিশোৰ বা কিমানজন যুৱকে খোকা, চেপা, জুলুকি, পল আদি মাছধৰা সঁজুলি চিনি পায়। অৱশ্যে বজাৰত পোৱা চালানী ৰৌ, বাহু, কুঁড়ি, চেনি, বি-কেট বা থাইলেণ্ড মাগুৰ, জাপানী কাৱৈ, বৰ্ণসংকৰ প্ৰজাতিৰ মাছকে ক'ছ মাছ বুলি টকালি পাৰি খায়। চুবুৰিৰ লোক লগ হৈ পল-জুলুকীৰে মাছ ধৰা, উজান পৰা মাছ ধৰা, হাতত জোৰ বা মেণ্ঠোল লাইট লৈ মাছ কটা দৃশ্য বিৰল। এইবোৰ এতিয়া সংবাদ মাধ্যমৰহে বাতৰি। ছোৱালী-বোৱাৰীয়ে জাকৈ বাব নাজানে, খেপিয়াই মাছ ধৰিব নাজানে। এই মাছ ধৰা মাদকতাবোৰ হেৰাই গ'ল। সেইদৰে মোৱা, দৰিকণা আদি মাছবোৰো নোহোৱা হ'ল। মাছৰ উৎপত্তি স্থলবোৰ পুতি অট্টালিকা সজাৰ উপৰি প্ৰাকৃতিক কাৰণতো মাছবোৰ বিলুপ্ত হ'ব ধৰিছে। পথাৰত প্ৰচুৰ ৰসায়নিক সাৰ প্ৰয়োগ, গোলকীয় উষ্ণতা বৃদ্ধি, কণী পৰাৰ সময়ত চোঁচনি ডালেৰে মাছ ধৰা, বেদখল, বিহু দি মাছ ধৰা আদি অনেক কাৰণো আছে। দৰিকণা, শাওপতা মাছৰ দৰে গংগাটোপো বিলুপ্ত হৈছে। এনেবোৰ কাৰ্য আমি নিজে দেখা একতা আৰু আনন্দৰ পৰিবেশ। যিটো এটা যৌথ পৰিয়ালত প্ৰতিজন সদস্যই উপভোগ কৰিছিল।

যৌথ পৰিয়ালবোৰত কে'বাজনীও যুৱতী বা ডেকাই একেলগে খেলা-ধূলা বা ৰং-তামাচা কৰাৰ সুবিধা পাইছিল। আৰু শিকিছিল শ্ৰদ্ধা-ভক্তি, নীতিকথা আদি। নিজৰ ভাই-ভনীৰ লগতে পৰিয়ালৰ আন সদস্যৰ সন্তান সকলকো নিজৰ বুলি আঁকোৱালি ল'ব জানিছিল। কিবা বস্তু পালে ভগাই খাবলৈ শিকিছিল। সেইদৰে পৰিয়ালৰ আন আন সদস্যসকলেও এনে ব্যৱস্থা অটুট ৰাখিছিল। বাৰাণ্ডাত বহি ইজনীয়ে সিজনীৰ মূৰ ফণীয়াইছিল, ওকণি চাইছিল, ফুচুফুচীয়া মেল মাৰি মনৰ কথাবোৰ ব্যক্তি কৰিছিল। জ্যেষ্ঠ কেইগৰাকীয়ে আকৌ বিয়নীমেল মাৰিছিল। তেওঁলোকৰ শিক্ষা কম আছিল যদিও এখন সংসাৰ চলাবলৈ লগা সকলো শিক্ষা ঘৰখনৰ পৰাই পাইছিল। হাঁহিমুখেৰে তেওঁলোকে সেইবোৰ গ্ৰহণো কৰিছিল। সেই সময়ত শৰীৰ চৰ্চাৰ ব্যায়ামৰ ব্যৱস্থা আজিৰ দৰে নাছিল। মাত্ৰ এচাৰি এচাৰি কাপোৰ ধোঁৱা, পানী কঢ়িওৱা, ধান জৰা, ধান সিজোৱা, মৰণাৰ খেৰ জোকাৰি ধান ভঁৰালত ভৰোৱা, ধান ৰ'দোৱা, ঢেঁকীত ধান, চিৰা, পিঠা, সান্দহ আদি খুন্দা, ভুঁই ৰোৱা, কঠিয়া তোলা, ধান দোৱা, তাঁত বোৱা, চোতাল ঘৰ সৰা, ভাত ৰন্ধা, চাহ কৰা, গৰুৰ দানা সিজোৱা, জেং খৰি কটা, জাগ দিয়া আদিবোৰেই আছিল সেই সময়ৰ শৰীৰ চৰ্চা। ডেকাসকলৰ শৰীৰ চৰ্চা বুলিলে হাল বোৱা, কোৰ মৰা, পথাৰত আলি দিয়া, শাক-পাচলিৰ খেতি কৰা, গৰু-গাইৰ যত্ন লোৱা, পাল ৰখা, খৰি কটা, ডাঙৰী-কঠিয়াকে আদি কৰি বিভিন্ন ভাৰ কঢ়িওৱা আদি। যুৱতীসকলে সবাহ, বিয়া, ভাওনা আদিলৈ যাওঁতে সকলো হাঁহি-তামাচাৰে ওলাই যাব পৰাটোও যৌথ পৰিয়ালৰ অন্য এক বিৰল আনন্দ। আজৰি পৰত ডেকাসকলে পদূলি মুখত বা গছৰ তলত আড্ডা মাৰিবলৈ যোৱাতো আছিল আনন্দ।

পিন্ধন-উৰণতো যৌথ পৰিয়ালৰ মহিলাসকলে কনিষ্ঠজনৰ ওপৰত চোকা নজৰ ৰাখিছিল। তোলনী হোৱাৰ পাছত মেখেলা চাদৰ আবুৰ ৰাখি পিন্ধিব লাগিছিল। অৱশ্যে এনে ব্যৱস্থাৰ ব্যতিক্ৰমী পৰিয়াল নথকাও নহয়। সৌন্দৰ্য চৰ্চাও আছিল সাধাৰণ। চুলি মেলি থাকিবলৈ নিদিছিল। বেণী গাঁঠি, খোপা বান্ধি বা একোচাকৈ বান্ধিহে ৰাখিব পাৰিছিল। ঔটেঙাৰ বীজ, মণিছালৰ বাকলি, কলাখাৰ আদিৰেহে চুলি ধুইছিল। চেম্পুৰ ব্যৱহাৰ নাছিল। কেঁচা হালধি ঘঁহি মুখৰ উজ্জ্বলতা বঢ়াইছিল। আঙুলিত জেতুকা পিচি লগাইছিল। মাটিৰ চাকিত ঘিউ বা মিঠাতেলৰ শলিতা জ্বলাই চকুত লগাবলৈ কাজল প্ৰস্তুত কৰি লৈছিল। নাৰিকল তেলৰ লগত জৰাফুল বা মিঠিগুটি পিচি লগাইছিল। অৱশ্যে সেই সময়ত 'মৰ্ণিংষ্টাৰ' নামৰ এবিধ চুলি ক'লা কৰা ৰং পানীত মিহলাই চুলিত লগাই কিচ্‌কিচিয়া কৰিছিল। দাঁত পৰিষ্কাৰ আৰু চক্‌চকীয়া কৰি ৰাখিবলৈ আকন গছ, নিমগছ বা সৌৰা গছৰ ঠাৰি অথবা নিমখ, এঙাৰ আদিৰে দাঁত মাজিছিল। কিছুমান প্ৰাকৃতিক সম্পদৰে ঘৰতে তেওঁলোকে শৰীৰটো সজাই পৰাই ৰাখিছিল। আজিৰ দৰে 'বিউটি পাৰ্লাৰ'ৰ ব্যৱস্থাও নাছিল। যৌথ পৰিয়ালৰ সকলোৰে শ্ৰম, আনন্দ আদি একেলগে উপভোগ কৰিছিল। দুখ-বেজাৰৰ সময়তো সমভাগী হৈছিল। যৌথ পৰিয়ালবোৰ কালৰ সোঁতত বিলীন হ'ল। তেতিয়াৰ বিৰল মুহূৰ্তবোৰ আজি মাথোঁ স্মৃতি।

ফোন ঃ ৯৪৩৫৩৫০৮৯৮

ভগৱান ৰামকৃষ্ণ পৰমহংসৰ জীৱনৰ এক কাহিনী। ৰামকৃষ্ণ পৰমহংস কালীমাতাৰ ভক্ত আছিল দক্ষিণেশ্বৰত থাকোতে এজন লোক আহি ৰামকৃষ্ণ পৰমহংসক লগ কৰে। তেওঁ ৰামকৃষ্ণ পৰমহংসৰ কালীমাতাৰ প্ৰতি থকা শ্ৰদ্ধা-ভক্তি দেখি আকৃষ্ট হৈছিল তেৰোঁ এজন কালীমাতাৰ ভক্ত হৈ পৰিছিল। তেওঁ এজন বিখ্যাত লোক আছিল কিন্তু তেওঁৰ মদ্যপানৰ বদভ্যাস আছিল।

মনত শ্ৰদ্ধা ৰাখক শ্ৰদ্ধাৰ দ্বাৰাহে বেয়া গুণ দূৰ সম্ভৱ

ৰাজলক্ষ্মী শৰ্মা গোস্বামী

ধৰ্মই আমাক শুদ্ধ পথৰ সন্ধান দিয়ে। ধৰ্ম ৰক্ষা কৰিবলৈ হৃদয়ত ভক্তি লাগে।

ভগৱান ৰামকৃষ্ণ পৰমহংসৰ জীৱনৰ এক কাহিনী। ৰামকৃষ্ণ পৰমহংস কালীমাতাৰ ভক্ত আছিল দক্ষিণেশ্বৰত থাকোতে এজন লোক আহি ৰামকৃষ্ণ পৰমহংসক লগ কৰে। তেওঁ ৰামকৃষ্ণ পৰমহংসৰ কালীমাতাৰ প্ৰতি থকা শ্ৰদ্ধা-ভক্তি দেখি আকৃষ্ট হৈছিল তেৰোঁ এজন কালীমাতাৰ ভক্ত হৈ পৰিছিল। তেওঁ এজন বিখ্যাত লোক আছিল কিন্তু তেওঁৰ মদ্যপানৰ বদভ্যাস আছিল। এদিন ৰামকৃষ্ণ পৰমহংসই তেওঁক কৈছিল, 'আপুনিও মোৰ দৰে জগতজননী কালীমাতাৰ ভক্ত সেয়ে আপুনিও মোৰ দৰে খোৱাৰ আগতে যি খায় সেয়া মাৰ চৰণত ভোগ হিচাপে অৰ্পণ প্ৰথমে কৰি ল'ব তাৰ পাছত গ্ৰহণ কৰিব। আপুনি সুৰাপান কৰাৰ আগতে মাক দি ল'ব।

সেইদিনা ৰাতি মানুহজনে সুৰা বটলৰ পৰা গিলাচত বাকী গিলাচ মুখলৈ নিবলৈ লওঁতেই ৰামকৃষ্ণ পৰমহংসৰ কথা মনত পৰিল, খোৱাৰ আগতে মাক ভোগ অৰ্পণ কৰিহে গ্ৰহণ কৰিবা। তেওঁ ভাবিলে— মদ (সুৰা) মাক ভোগ হিচাপে দিম নে; কিন্তু নিদিয়াকৈ নিজে একো গ্ৰহণ নকৰিবা বুলি যে ভগৱান ৰামকৃষ্ণ পৰমহংসই ক'লে, কি কৰা যায়? তেওঁ বাৰে বাৰে মদৰ গিলাচটো মুখৰ ওচৰলৈ নিয়ে আকৌ থৈ দিয়ে। গোটেই ৰাতি তেনেদৰে পাৰ কৰিলে, নাই তেওঁ মাক মদ ভোগ হিচাপে দিব পাৰিলে, নে নিজে খাব পাৰিলে। শেষত সিদ্ধান্ত হ'ল যে তেওঁ আৰু মদ নাখায়।

পাছদিনাৰ পৰা মদ এৰি দিলে। দেশভক্তিৰ কথাটোও তেনেকুৱাই, যদি মোৰ ৰাষ্ট্ৰভক্তি বা দেশভক্তি হৃদয়ত থাকে তেনে দেশৰ সন্মুখত বেয়া কাম কৰিব নোৱাৰো, দেশমাতৃৰ হৈ বেয়া কথা ক'ব নোৱাৰো, আমাৰ দেশক আমি মাতৃজ্ঞান কৰো, 'ভাৰতমাতা'। ভাৰতমাতা আমাৰ স্বাভিমান, ভাৰতমাতাৰ প্ৰকৃত সন্তানসকলে কেতিয়াও মাৰ বুকুত আঘাত হনা বেয়া কাম কৰিব নোৱাৰে। এই ভাৱনা, অৰ্থাৎ দেশকমাতৃ জ্ঞান কৰি সৎ আচৰণ কৰি সৎ কৰ্ম কৰি, দেশৰ উন্নতি কৰিবলৈ হৃদয়ত শ্ৰদ্ধা থাকিব লাগিব, ভক্তি থাকিব লাগিব। আৰু শ্ৰদ্ধা থাকিলেহে অৱগুণ দুৰ্গুণ বা বেয়া গুণ দূৰ হ'ব। দেশভক্তি পৰিস্থিতি নিৰপেক্ষ, স্বতন্ত্ৰতা লাভৰ আগতে পৰৰাষ্ট্ৰ শক্তিৰ অধীনৰ পৰা ৰাষ্ট্ৰক মুক্ত কৰাৰ ভাৱনাৰে যি দেশভক্তি জাগিছিল, সেই দেশ ভক্তি আজিও ভাৰতীয়ৰ হৃদয়ত বিদ্যমান। তথাপি সময়ে সময়ে শত্ৰু আক্ৰমণকাৰীৰ লগত সৌজন্যৰ বিচাৰ-বিবেচনা কৰিবলৈ ভাৰতৰ ৰাষ্ট্ৰ নেতাই আলোচনা কৰে। চাবলৈ গ'লে আক্ৰমণকাৰীৰ লগত আলোচনা-বিলোচনা কৰাৰ জানো কিবা প্ৰয়োজন আছে, আক্ৰমণকাৰীৰ মন-মগজুত যি আগ্ৰাসনৰ লক্ষ্য, হিংসা দ্বেষ এইবোৰ জানো কথা পাতি দূৰ কৰিব পৰা বিষয়। আক্ৰমণকাৰীক প্ৰতি আক্ৰমণ কৰাটোৰেই শ্ৰেয়।

কাশ্মীৰৰ কথাকেই চোৱা যাওঁক, দেখা যায় কাশ্মীৰ আক্ৰমণকাৰীৰ লগত ভাৰতৰ নেতাই কথা পাতি সমস্যা সমাধানৰ কথা পাতিছে—কথাটো এনে লাগে যেন চোৰ ঘৰত সোমোৱাৰ পাছত সোধা হৈছে, কিয় সোমাইছা, ধন দৌলতৰ ভাগ লাগে নেকি? যিদৰে কাশ্মীৰক লৈ প্ৰধানমন্ত্ৰীয়ে আলোচনা কৰিছে। ভাবিলে এনে লাগে যেন শত্ৰুৰ আক্ৰমণ কৰাৰ অধিকাৰ আছেই, গতিকে কাশ্মীৰৰ কিছু অংশ দিয়াৰ চিন্তা কৰিছে। আমাৰ প্ৰধানমন্ত্ৰীৰ মতে দেশৰ কিছু অংশ মানে কিছু মাটিৰ টুকুৰা, কিন্তু ৰাষ্ট্ৰপ্ৰেম আৰু ৰাষ্ট্ৰ ভাৱনা থকা হৃদয় তাক আনে নি নিজৰ বুলি ব্যৱহাৰ কৰিব নোৱাৰে। ভাৰতৰ আত্মা ভাৰতৰ হৃদয় প্ৰকৃত ভাৰতীয়ৰ। ভাৰতীয়ত্ব আন কোনোৱে কাঢ়ি নি প্ৰয়োগ কৰিব নোৱাৰে। এনে ধৰণৰ চিন্তা ভাৰতীয় চিন্তা। ভাৰত সাধকৰ দেশ, ভাৰত ঋষি মুনিৰ দেশ, যদিও সাধনাৰ পথ বহুত কঠিন।

এবাৰ এজন সাধকৰ ওচৰলৈ এজনে সাধনাৰ শিক্ষা ল'বলৈ আহিল। সাধনাত বহোতেই বৰ জোৰত বতাহ বলিবলৈ ধৰিলে গুৰুৱে শিষ্যক ক'লে যে দৰ্জাখন জপাই দিয়া। শিষ্যজনে প্ৰচণ্ড শব্দ কৰি দৰ্জাখন বন্ধ কৰিলে শব্দ শুনি গুৰুৱে ক'লে, 'এই সাধাৰণ কামটোকে মন দি কৰিব নজনা লোকে ভগৱানক পোৱাৰ বাবে সাধনা কেনেকৈ কৰিবা? সাধনা কৰিবলৈ অহা লোকৰ মনত দয়া, মৰম, শ্ৰদ্ধা থকা উচিত। দৰ্জাখনৰ প্ৰতি তোমাৰ নিৰ্দয় ব্যৱহাৰে তোমাৰ অশ্ৰদ্ধাৰ পৰিচয় দিছে।' শিষ্যজনে ক'লে— গুৰুজী দৰ্জাখন নিৰ্জীৱ পদাৰ্থ, এই জীৱ নথকা দৰ্জাখনৰ লগত নিৰ্দয় বা দয়াৰ সম্পৰ্ক ক'ত? গুৰুৱে ক'লে, ভাৰতীয় সনাতন ধৰ্মই সকলোতে জীৱ থকা বুলি বিশ্বাস কৰে আৰু সকলোকে শ্ৰদ্ধা কৰিবলৈ শিকাইছে। তোমাক মই আৰু এটা কথা কওঁ এই দুৱাৰখনে আমাৰ এখন ঘৰক নিৰাপত্তা প্ৰদান কৰে। ৰ'দ, বতাহৰ প্ৰকোপৰ পৰা বচায়, আমাৰ কৃতজ্ঞতা থকা উচিত। আমাৰ অভ্যাস সলনি কৰিবলৈ হ'লে মনত সদগুণ থকা দৰকাৰ। দুৰ্গুণৰ দ্বাৰা অভ্যাস বেয়া হয়। সদ্গুণৰ দ্বাৰা সৎ অভ্যাস হয়। সেয়ে মানৱী জনম সফল কৰিবলৈ হ'লে মানৱীয় গুণসমূহ জগাই ৰাখক। মানৱীয় গুণৰ বিকাশ হ'লে ঈশ্বৰীয় গুণ বিকাশ কৰিব পাৰিব। যিকোনো প্ৰাপ্তিৰ বাবে ঈশ্বৰক ধন্যবাদ দিয়ক, শ্ৰদ্ধা কৰক, ভক্তি কৰক।

কোৰান অপৰিৱৰ্তনীয় !

ইকবাল হুছেইন

ফজল আলী আহমেদে তেওঁৰ কিতাপৰ ৮৬ পৃষ্ঠাত লিখিছে—'কোৰানৰ এটা শব্দতো দূৰৰ কথা এটা আখৰো আজিলৈকে ইফাল-সিফাল হোৱা নাই।' এয়া কেৱল ফজল আলী আহমেদৰ কথা নহয়, গোটেই মুছলিম বিশ্বই বিশ্বাস কৰে যে কোৰানৰ সামান্যতম পৰিৱৰ্তন হোৱাটো একেবাৰেই অসম্ভৱ, কাৰণ স্বয়ং আল্লাই ইয়াৰ সংৰক্ষণকাৰী (চুৰা হিজৰ-আয়াত নম্বৰ-৯)। ইছলামী ইতিহাস মতে পৃথিৱীলৈ এক লাখ ২৪ হেজাৰ পয়গম্বৰৰ আগমন ঘটিছে আৰু প্ৰায়বিলাকলৈ সৰু বৰ অনেক ঐশীগ্ৰন্থ আল্লাই প্ৰেৰণ কৰিছিল, কিন্তু অতি পৰিতাপৰ বিষয় যে আঙুলিৰ মূৰত গণিব পৰাকৈ মুষ্টিমেয় কেইখনমান গ্ৰন্থৰ বাহিৰে অধিকাংশ গ্ৰন্থ কালৰ বুকুত বিলীন হৈ গৈছে। সময়ৰ সোঁতত পূৰ্বৱৰ্তী গ্ৰন্থসমূহত অশুদ্ধি প্ৰৱেশ কৰাৰ ফলত আল্লাই বৰ্ধিত আৰু সংশোধিত ৰূপত পৰৱৰ্তী গ্ৰন্থসমূহ মানৱ জাতি লৈ প্ৰেৰণ কৰিছিল। দেখা যায় যে পূৰ্বৱৰ্তী গ্ৰন্থসমূহতকৈ পৰৱৰ্তী কালৰ গ্ৰন্থসমূহ বিকশিত সমাজৰ লগত খাপ খোৱা ধৰণে উন্নততৰ ৰূপে প্ৰকাশ পাইছিল। গতিকে শেষ নবী হজৰত মহম্মদ (ছাঃ) ওপৰত নাজিলকৃত গ্ৰন্থখনে শ্ৰেষ্ঠত্বৰ ফালৰ পৰা প্ৰথম স্থান অধিকাৰ কৰা তেনেই স্বাভাৱিক পৰিঘটনা। আল্লাই কোৰানত কয় যে কোৰানখন পূৰ্বৱৰ্তী গ্ৰন্থসমূহৰ সত্যায়নকাৰী (চুৰা মায়িদা আয়াত নম্বৰ-৪৮)। ইয়াৰ পৰা বুজা যায় যে আল্লাই ক্ৰমবিকাশৰ সূত্ৰ অক্ষুণ্ণ ৰাখিছে। আল্লাই চুৰা বনী ইছৰাইলৰ ৮৮ নম্বৰ আয়াতৰ দ্বাৰা প্ৰত্যাহ্বান জনাই কয় মানুহে কেতিয়াও আল্লাহৰ সহায় অবিহনে কোৰানৰ দৰে গ্ৰন্থ ৰচনা কৰিব নোৱাৰিব। বিশ্বৰ প্ৰতিটো সৃষ্টিয়েই মৌলিক, অনন্য আৰু স্ব-মহিমাৰে গৌৰৱান্বিত। মনালিছা, তাজমহল, পিৰামিড, বেদ-উপনিষদ, বাইবেল, পুৰাণ, ৰামায়ণ, মহাভাৰত, গীতা, হেমলেট, মেকবেথ, বৰগীত, লালনগীত, ৰবীন্দ্ৰ সংগীত, ৰাষ্ট্ৰীয় সংগীত আদি প্ৰতিটো প্ৰাকৃতিক বা সাংশ্লেষিক সৃষ্টিয়েই অনন্য আৰু তুলনাবিহীন। স্ৰষ্টাৰ সৃষ্টিসমূহ সৰ্বস্বত্ব সংৰক্ষিত। বিশ্বত ইবিলাকৰ দ্বিতীয় সৃষ্টি পাবলৈ নাই। কোৰানতকৈ পিৰামিডৰ সৃষ্টি অনেক বেছি ৰহস্যময়ীতাৰে পৰিপূৰ্ণ। পিৰামিড সৃষ্টিকাৰীসকলেও দাবী কৰি ক'ব পাৰে যে তেওঁলোকে জ্বিন, পৰী অথবা ফিৰিস্তাবিলাকক নিজৰ নিয়ন্ত্ৰণত ৰাখি তেওঁলোকৰ দ্বাৰা এই অনন্য অলৌকিক শিল্প কৰ্মসমূহ সৃষ্টি কৰি লৈছিল। বিশ্বৰ কোনো মানৱে এই সৃষ্টি কৰ্মক অতিক্ৰম কৰিব নোৱাৰিব। আল্লাৰ দৰে ফেৰাউন সকলেও দাবী কৰি ক'ব পাৰে— 'কোনোবাই পাৰে যদি পিৰামিডৰ এটুকুৰা শিলকে দাঙি দেখুওৱাকচোন।' এয়া একেবাৰেই অসম্ভৱ কাৰণ পিৰামিড গঠনকাৰী প্ৰতি টুকুৰা শিলৰ ওজন তিনিৰ পৰা ১৫টন পৰ্যন্ত হ'ব পাৰে। অস্বাভাৱিক, জটিল আৰু অসম্ভৱ যেন লগা সৃষ্টি কৰ্মৰ বাবে সৃষ্টিকৰ্তাৰ প্ৰয়োজনীয়তা, অতি জৰুৰী বুলি ভবাটো উচিত নহয়। বিশ্ব সৃষ্টিৰ মূল কাৰণেই যিহেতু আল্লাহ সেয়ে চুৰা বাকাৰাৰ ২৩ নম্বৰ আয়াতৰ দ্বাৰা মানুহক কোৰান সৃষ্টিৰ প্ৰত্যাহ্বান জনোৱাটো টুলুঙা মন্তব্যৰ অবিহনে আন একো নহয়। আল্লাই চুৰা বাকাৰাৰ দুই নম্বৰ আয়াতত কয়, 'কোৰান সেইখন গ্ৰন্থ য'ত কোনো সন্দেহ নাই, ইয়াত মুত্তাকীসকলৰ বাবে আছে সৎপথৰ সন্ধান।' আল্লাই সন্দেহ নাই বুলি কোৰাৰ কোনো প্ৰয়োজনেই নাথাকিলেহেঁতেন যদিহে আল্লাই সন্দেহৰ উৰ্ধ্বত থাকি গ্ৰন্থখন ৰচনা কৰিলেহেঁতেন। কোনো এটা বিষয় সন্দেহৰ আৱৰ্তত তেতিয়াই সোমাই পৰে যেতিয়া ই বিশ্বাসযোগ্যতা আৰু প্ৰমাণৰ অভাৱ দেখুৱায়। কেৱল মাত্ৰ আল্লাহৰ প্ৰতি গভীৰ বিশ্বাস থকা মুমিন বান্দাসকলে ধৰ্মীয় বাণীৰ বিৰুদ্ধে সন্দেহৰ আঙুলি টোঁৱাব নিবিচাৰে, কিন্তু যুক্তিবাদীসকলৰ মন-মগজুৰে বিভিন্ন দিশৰ পৰা সত্যাসত্য যুক্তিৰ মাপকাঠিৰে পৰীক্ষা কৰি চাব বিচাৰে। আল্লাহৰ বাণী এনে ধৰণৰ হোৱা উচিত আছিল যাতে যুক্তিবাদীসকলৰ সমান্যতম সুৰুঙা বিচাৰি পাবলৈ সক্ষম নহয়। যি আল্লাই কোৰানৰ পৃথিৱীখনক বিছনা সদৃশ বুলি উল্লেখ কৰিছে, আৰু কামিহাড়ৰ পৰা বীৰ্য্য সৃষ্টি হয় বুলি কয়, সেই কোৰানৰ ওপৰত সন্দেহৰ আঙুলি টোঁওৱা তেনেই স্বাভাৱিক। এনে ধৰণৰ সন্দেহজনক উক্তিৰ অভাৱ নাই কোৰানত। তদুপৰি দৰকাৰী কথাটো হ'ল এই সন্দেহ নামৰ ক্ৰনিক বেমাৰটোৰ ভাল এবিধ দৰৱ ঐতিহাসিক গ্ৰন্থসমূহত পোৱা নাযায়।



আল্লাই কোৰানৰ চুৰা মায়িদাৰ ১০৫ নম্বৰ আয়াতত কয়, 'নিশ্চয় আমি আপোনাৰ প্ৰতি সত্য সহকাৰে এই কিতাপ (কোৰান) নাজিল কৰিছো'। মুছলিম বিশ্বত ইছলামী সমাজ ব্যৱস্থাত ইছলাম ধৰ্মৰ জন্মলগ্নৰ পৰা এশ এবুৰি অমীমাংসিত সমস্যাই জ্বলা-কলা খুৱাই আহিছে যাৰ বাবে যদিও ইছলাম শব্দৰ অৰ্থ 'শান্তি' তথাপি তাত অশান্তিয়ে খোপনি পুতি থকা দেখা যায়। যদিও দাবী কৰা হয় যে আজি ১৪০০ বছৰে কোৰানৰ এটা শব্দ বা আখৰো ইফাল-সিফাল হোৱা নাই, কিন্তু ব্যৱহাৰিক দিশত কোৰানৰ মতে ইছলামী জীৱন ব্যৱস্থা বাস্তৱ ক্ষেত্ৰত কাৰ্যকৰী হৈ থকা দেখা নাযায়। আল্লাহৰ নবীয়ে কৈ যোৱা মতে তেওঁৰ অনুপস্থিতিত তেওঁৰ উম্মতসমূহ ৭৩টা দলত বিভক্ত হৈ পৰিব, কিন্তু এতিয়া এনে অনুভৱ হয় যে ইছলাম ধৰ্মৰ লোকসকল হেজাৰটা দলত বিভক্ত হৈ পৰিছে। এই দলবোৰ এনে ধৰণৰ— ওহাবী, খাৰেজী, হানাফী, শ্বাফী, হাম্বলী, মালেকী, ছালাফী, মাজহাবী, লা-মাজহাবী, ছিয়া, চুন্নী, আহমদী, তাব্‌লিগী, দেওবন্দী, বেৰেলী, মৃওদুদী, ইলিয়াচী, আলিয়া, কওমিয়া, চৰমনাই, নকসাবন্দিয়া, মুজাদ্দাদীয়া, কাদৰিয়া, চিস্তিয়া, মাজভাণ্ডাৰী, পীৰপন্থী, তৰিকপন্থী, শ্বৰীয়ত পন্থী ইত্যাদি। এই অত্যাধুনিক বিজ্ঞানৰ যুগতো দল সৃষ্টিৰ প্ৰক্ৰিয়া অব্যাহত আছে— যেনে, আব্দুৰ ৰেজ্জাক বিন ইউচুফৰ সমৰ্থন গ্ৰুপ, মিজানুৰ ৰহমান আজহাৰীৰ সমৰ্থন গ্ৰুপ, ডাঃ জাকিৰ নায়কৰ সমৰ্থন গ্ৰুপ, এই সমৰ্থন গ্ৰুপবিলাকেই কালক্ৰমত একো একোটা জামাত বা মাজহাব হিচাপে আৱিৰ্ভাৱ ঘটিব তাত সন্দেহ নাই। এই দল বা সমৰ্থন গ্ৰুপৰ আদৰ্শগত ইমানেই বিৰোধ যে যিকোনো ইছলামী সমস্যা সমাধানৰ অৰ্থে একেখন মঞ্চত বহিলে, সমস্যাৰ সমাধান হয়তো দূৰৰ কথা ৰক্তাক্ত কাৰবালাৰ যুদ্ধ হোৱাটো খাটাং। মাজহাব বা জামাত সৃষ্টিৰ কাৰণ হ'ল কিছুমান অমীমাংক্ষিত ইছলামী সমস্যা। এই সমস্যাসমূহ এনে ধৰণৰ (১) নামাজত 'আমিন' উচ্চস্বৰে নে মনে মনে পঢ়িব,(২) ফৰজ নামাজৰ অন্তত সম্মিলিত মুনাজাত কৰিব নে নকৰিব. (৩) জানাজা নামাজৰ পাছত মুনাজাত (দোৱা) কৰা জায়েজ নে নাজায়েজ, (৪) নামাজত দুই হাত ওপৰলৈ তোলা ঠিক নে বেঠিক, (৫) মহিলাই মছজিদত নামাজ পঢ়া উচিত নে অনুচিত, (৬)মহিলাই দুই ঈদৰ নামাজ পঢ়া উচিত নে অনুচিত, (৭) পীৰৰ ওচৰত বায়াত হোৱা জায়েজ নে নাজায়েজ, (৮) ঈদৰ নামাজ ৬ তাকবীৰ নে ১২ তাকবীৰ, (৯) তাৰাবীহৰ নামাজ আঠ ৰাকাত নে ১২ ৰাকাত নে ২০ ৰাকাত , (১০) মৃত ব্যক্তিৰ দাফনৰ সময়ত 'মিন্‌হা খালাকনা কুম... পঢ়া উচিত নে অনুচিত, (১১) মিলাদ পঢ়া জায়েজ নে নাজায়েজ, (১২) ক্বিয়াম কৰা উচিত নে অনুচিত, (১৩) নামাজত তাহৰীয়া বুকুৰ ওপৰত নে নাভিৰ ওপৰত বান্ধা উচিত, (১৪) জিকিৰ উচ্চ স্বৰে নে নীৰৱে পঢ়া উচিত, (১৫) ৰমাজান নে ৰমাদ্বান, (১৬) অলাদ্দাৱাল্লিন নে অলাজ্জৱাল্লিন, (১৭) তাজিয়া কৰা উচিত নে অনুচিত, (১৮) হিল্লা জায়েজ নে নাজায়েজ, (১৯) গান বাদ্য জায়েজ নে নাজায়েজ, (২০) কোৰানত আয়াতৰ সংখ্যা ৬৬৬ নে ৬২৩৬?

এই দলবিলাকৰ প্ৰতিটো দলেই ইছলামৰ নীতি আদৰ্শ আৰু সত্যৰ ওপৰত প্ৰতিষ্ঠিত বুলি দাবী কৰে কিন্তু আল্লাহৰ নবীয়ে কৈছে যে ৭৩ দলৰ এটা দলৰ বাহিৰে বাকী দলবোৰৰ অনুগামীসকল দোজখত পতিত হ'ব। আল্লাহ আৰু আল্লাহৰ নবীয়ে মুছলমানসকলক কি এনে সত্য ধৰ্ম দি থৈ গ'ল যাক অনুসৰণ কৰিও অধিকাংশ মুছলমানে নৰকৰ অপৰিসীম যন্ত্ৰণা ভোগ কৰিব লাগিব। এখন বিদ্যালয়ৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ ৯৮ শতাংশ পৰীক্ষাত অনুত্তীৰ্ণ হয় তেন্তে সেই বিদ্যালয়ৰ শিক্ষকসকল কৃতী বা সফল শিক্ষকৰ দাবীদাৰ হ'ব পাৰেনে? ঠিক সেইদৰে মুছলমানৰ ৯৮ শতাংশ লোক দোজখী হ'লে নবীৰ সেয়া বিফলতা নহয়নে? এনে সত্য ধৰ্মৰ কিবা প্ৰয়োজন আছেনে? যিহেতু আল্লাহ এক, নবী এক, কোৰান এক সেয়ে ডাঃ জাকিৰ নায়কে ভিন্ন ধৰ্মাৱলম্বী লোকক যুক্তিৰে পৰাস্ত কৰি ইছলাম ধৰ্মলৈ দীক্ষিত কৰাৰ পৰিৱৰ্তে বিভাজিত হৈ সৃষ্টি হোৱা দল-উপদলসমূহক দোজখৰ অগ্নিকুণ্ডৰ পৰা পৰিত্ৰাণ পাব পৰাকৈ সঠিক এক শক্তিশালী-ইছলামী আদৰ্শৰে পৱিত্ৰ ৰূপত গঢ়ি তুলিবলৈ গুৰুত্ব প্ৰদান কৰা উচিত।

আল্লাই কোৰানত চুৰা আনআমৰ ৩৪ নম্বৰ আয়াতত কয়- '......আল্লাহৰ বাণী পৰিৱৰ্তন কৰাৰ ক্ষমতা কাৰো নাই....।' কোৰানৰ বৰ্ণবিন্যাস লগতে অৰ্থৰ ফালৰ পৰাও ইয়াৰ সামান্যতম সংযোজন বা বিয়োজন ঘটিব নোৱাৰে বুলি আল্লাই মানুহক অশ্বাসবাণী প্ৰদান কৰিছে। বৰ্ণবিন্যাস অটুট থকাটো এটা গুৰুত্বপূৰ্ণ বিষয় নহয়। বাস্তৱ ক্ষেত্ৰত ইছলামী জীৱন ব্যৱস্থাত কোৰানৰ নিৰ্দেশনাৰ পৰিৱৰ্তে অনেক শেৰেকী বা বিদাতীৰ লেখীয়া অশুদ্ধিৰ অনুপ্ৰৱেশ ঘটিছে যিবোৰক ধ্ৰুৱসত্য বুলি এবাদৎ বন্দেগীৰ অংশ কৰি লৈ বেহেস্ত লাভৰ আশা বুকুত বান্ধি ৰাখিছে। কোৰানত নথকা সত্ত্বেও চুৰা ফাতিহাৰ শেষত 'আমিন' শব্দ সংযোজন কৰা হৈছে আৰু ইয়াৰ উচ্চাৰণক লৈ দল-বিদ্বেষৰ সৃষ্টি হৈছে। হিব্ৰু ভাষাৰ 'আমিন' শব্দটো বাইবেলৰ জৰিয়তে ইছলামী জগতলৈ আমদানি কৰি অনা হৈছে যদিও মুছলমানে ব্যৱহাৰ কৰি অহা বাক্যৰ লগত ই মুঠেও সংগতিপূৰ্ণ নহয় কাৰণ ইমান, আমিন, মুমিন আদি শব্দবোৰ বিশ্বাসৰ লগত জড়িত সমাৰ্থক শব্দ। আমিন শব্দটোৱে এটা কাৰ্যকৰী, অৰ্থবহ অৰ্থ বহন নকৰে কাৰণ হিব্ৰু ভাষাত ইয়াৰ অৰ্থ হ'ল-তথাস্তু। মুছলমানসকলে ইয়াক যি অৰ্থত ব্যৱহাৰ কৰে তাৰ ব্যৱহাৰিক অৰ্থ অতি অস্পষ্ট। তদুপৰি 'আউজুবিল্লাহে মিনাশ্ব-শ্বয়তানেৰ ৰাজিম' বাক্যটি কোৰানৰ অবিচ্ছেদ্য অংশ নোহোৱা সত্ত্বেও চুৰা ফাতিহাৰ আৰম্ভণিতে পাঠ কৰা দেখা যায় যিটো কোৰানৰ নীতিবহিৰ্ভূত সংযোজন। আল্লাই চুৰা বনী ইচ্‌ ৰাইলৰ ১১০ নম্বৰ আয়াতত কয়- '.... নামাজ পঢ়োতে খুব উচ্চস্বৰে নপঢ়িবা আৰু নিচেই মৃদুস্বৰেও নপঢ়িবা। এই দুয়োৰে মধ্যম স্তৰত পঢ়িবা।' কিন্তু দেখা যায় যে মুছলমানসকলে কে'বা ওৱাক্ত নামাজত চুৰাসমূহ নীৰৱে (মনে মনে) পাঠ কৰা দেখা যায়। এয়া আল্লাহৰ আইনৰ প্ৰতি অন্যায় নহয়নে? ইয়াত আল্লাহৰ আদেশতকৈ হাদীছৰ বাণীক অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ল যিয়ে বহুতৰে মনত সন্দিহানৰ ভাব জগাই তোলে। পৃথিৱীৰ সকলো ধৰ্মই এনেদৰে সত্য-অসত্যৰ মাজেৰে যুগ যুগ ধৰি মানুহৰ হৃদয়ৰ মাজেৰে প্ৰবাহিত হৈ আহিছে। ইছলাম ধৰ্ম আৰু ইয়াৰ ব্যতিক্ৰম নহয়।

এই প্ৰবন্ধসমূহ প্ৰকাশ হোৱাৰ পাছত ইছলাম দৰদী তথা আল্লাহ প্ৰেমিকসকল ক্ষুণ্ণ হোৱা তেনেই স্বাভাৱিক কাৰণ তেওঁলোকে ইছলামৰ সমালোচনা মুঠেও পছন্দ নকৰে। এই প্ৰবন্ধ লেখকক হয়তো অশালীন শব্দ প্ৰয়োগ কৰি গালি-শপনি দিব পাৰে, নতুবা বিভিন্ন প্ৰশ্নবাণ নিক্ষেপ কৰি থকা-সৰকা কৰিব পাৰে; কিন্তু উত্তৰ দিয়াৰ পৰা বিৰত থাকিম কাৰণ এটা প্ৰশ্নৰ উত্তৰ দিয়াৰ লগে লগে হেজাৰটা প্ৰশ্নই আগুৰি ধৰিব আৰু এটা দীঘলীয়া বিতৰ্কৰ সূচনা কৰিব যিটো লেখকৰ অপছন্দনীয়। লেখক কোনো জনপ্ৰিয় সাহিত্যিক, সাংবাদিক নতুবা বাতৰি কাকতৰ নিয়মীয়া স্তম্ভ লেখকো নহয়, তেনেই সাধাৰণ এজন বিজ্ঞানকৰ্মী। বিজ্ঞানৰ দৃষ্টিভংগীত যি সত্য, যুক্তিসংগত, নিৰপেক্ষ তাকে যুক্তিবাদীসকলৰ বাবে প্ৰেৰণ কৰা হ'ল, কাকো হেয় প্ৰতিপন্ন কৰাৰ উদ্দেশ্য নহয়।

হজ

মুহাম্মাদ ফাৰুক আব্দুল্লাহ নূৰী

হজ আৰবী শব্দ। ইয়াৰ আভিধানিক অৰ্থ ইচ্ছা বা সংকল্প কৰা। ইছলামী শ্বৰীঅ'তৰ পৰিভাষাত মহান আল্লাহৰ নিৰ্দেশ পালনাৰ্থে নিৰ্দিষ্ট সময়ত, নিৰ্ধাৰিত তাৰিখত, নিৰ্দিষ্ট স্থান তথা কাবা শ্বৰীফ আৰু সংশ্লিষ্ট স্থানবিলাক জিয়াৰত (সাক্ষাৎ) কৰাৰ সঙ্কল্প কৰাকে হজ বোলা হয়। হজ ইছলামৰ পঞ্চ স্তম্ভৰ অন্যতম স্তম্ভ। হজত আছে নানাবিধ ফায়দা আৰু শিক্ষা। তাৰ ভিতৰত অন্যতম শিক্ষা হ'ল মুছলমানসকলৰ ভ্ৰাতৃত্ব আৰু ঐক্যৰ শিক্ষা। আল্লাহপাকে ইৰ্শ্বাদ কৰে, "আল্লাহৰ সন্তুষ্টিৰ উদ্দেশ্যে কাবাগৃহত যাতায়াতৰ বাবে (দৈহিক আৰু আৰ্থিকভাৱে) সক্ষম প্ৰত্যেক ব্যক্তিৰ ওপৰত হজ কৰা ফৰজ।" (ছুৰা আলে ইমৰান- ৯৭) হুজুৰ পাক স্বাল্লাল্লাহু তাআ'লা আ'লাইহি ৱা ছাল্লামে জনাইছে, "অনিবাৰ্য কিম্বা অত্যাচাৰী শাসক অথবা কঠিন ৰোগ যদি (হজৰ সামৰ্থ্যবান) কোনো ব্যক্তিক হজ পালনত বিৰত নাৰাখে, তেতিয়া তেওঁ যদি হজ পালন নকৰি মৃত্যু হয়, তেওঁ যেন ইহুদি আৰু নাচাৰাৰ দৰেই মৃত্যুবৰণ কৰে।" (দাৰেমি)

সেয়ে যি ব্যক্তিয়ে হজব্ৰত পালন কৰিলে তেওঁ স্ৰষ্টাৰ নিৰ্দেশ পালন কৰি নিজকে ধন্য আৰু জান্নাতী মানৱত পৰিণত কৰিলে। পৱিত্ৰ মক্কা আৰু মদীনা শ্বৰীফত আছে অগণিত পৱিত্ৰ স্থান। যেনে- আল্লাহ তাআ'লাৰ ঘৰ, হাজৰে আছওৱাদ, ছাফা-মাৰওৱা, আৰাফাৰ ময়দান, মিনা, মুজদালিফা, মছজিদে হাৰাম, মছজিদে নববী, প্ৰিয়নবী স্বাল্লাল্লাহু তাআ'লা আ'লাইহি ৱা ছাল্লামৰ ৰৌজা মুবাৰক, জান্নাতুল বাকি, জান্নাতুল মুআল্লা, যমযম কুঁৱা ইত্যাদি। এইসকলো স্থান দেখাৰ ফলত ঈমান বৃদ্ধি পায়। পৱিত্ৰ হজৰ মাধ্যমতেই এইবোৰ স্থান দেখাৰ সুবৰ্ণ সুযোগ লাভ হয়।

মুছলিম উম্মাহৰ ঐক্যৰ প্ৰতীক ঃ হজ মুছলিম উম্মাহৰ ঐক্যৰ প্ৰতীক। এই ধৰণৰ সন্মিলন অন্য কোনো ধৰ্ম বা জাতিৰ মাজত অনুষ্ঠিত নহয়। একমাত্ৰ মুছলমানসকলেই পৃথিৱীৰ দূৰ-দিগন্তৰ পৰা আহি মিলিত হয়। ইয়াত বৰ্ণ আৰু ভাষাৰ ভেদাভেদ পাহৰি সকলোৱে এক কাতাৰ (শাৰী)ত দণ্ডায়মান হৈ একেই কণ্ঠে উচ্চাৰণ কৰে, 'লাব্বাইক আল্লাহুম্মা লাব্বাইক, লাব্বাইক লা শ্বাৰিকালাকা লাব্বাইক, ইন্নাল হামদা ওৱান নিঅ'মাতা লাকা ওৱাল মুলক, লা শ্বাৰিকালাক।' অৰ্থাৎ আমি হাজিৰ, হে আল্লাহ! আমি হাজিৰ, আপোনাৰ কোনো শ্বৰীক নাই, আমি হাজিৰ, নিশ্চয় সকলো প্ৰশংসা আৰু নিঅ'মত আপোনাৰেই আৰু সকলো সাম্ৰাজ্যও আপোনাৰ, আপোনাৰ কোনো শ্বৰীক নাই।

সমতাৰ শিক্ষা ঃ হজৰ পৰা সমতাৰ শিক্ষা লাভ কৰা যায়। ৰজা-প্ৰজা, ধনী-গৰিব, শিক্ষিত-অশিক্ষিত, বগা-ক'লা আৰু নানা দেশৰ নানা ভাষী মানুহ ইহৰাম অৱস্থাত ভেদাভেদ পাহৰি বগা কাপোৰ পৰিধান কৰি একেই কাতাৰ (শাৰী)ত কান্ধত কান্ধ মিলাই ইবাদত (উপাসনা) কৰাৰ এই দৃশ্য মমতা আৰু অভিন্নতাৰ শিক্ষা দান কৰে।

ত্যাগৰ প্ৰশিক্ষণ ঃ আল্লাহৰ ৰাস্তাত হজৰত ইব্ৰাহিম, হজৰত ইছমাইল আ'লাইহিমুচ্ছালাম আৰু হাজেৰা ৰাদ্বিয়াল্লাহু তাআ'লা আ'নহাৰ ত্যাগ-তিতিক্ষা, শ্ৰম, কুৰবাণী, আত্মসমৰ্পণ আৰু অগ্নিপৰীক্ষাত উত্তীৰ্ণ হোৱাৰ সুমহান ঐতিহ্য আল্লাহপ্ৰেমিক মানৱৰ হৃদয়ক অনুপ্ৰাণিত কৰে। হজ আৰু কুৰবাণীয়ে ত্যাগৰ শিক্ষা দিয়ে।

ভ্ৰাতৃত্বৰ শিক্ষা ঃ দয়াৰনবী হুজুৰ পাক স্বাল্লাল্লাহু তাআ'লা আ'লাইহি ৱা ছাল্লামে কৈছে, সকলো মুছলমান ভাই ভাই। তাৰ জ্বলন্ত নিদৰ্শন হজব্ৰত পালন। সকলো ধৰণৰ ভেদাভেদ পাহৰি আৰাফাৰ ময়দানত সকলো একত্ৰ হয়। যেন সকলোৱে একে মাতৃৰ সন্তান। সকলোৱে একেলগে সমবেত হৈ স্ৰষ্টাৰ ওচৰত দুআ' কৰে। হজে বিশ্ব মুছলমানসকলৰ ভ্ৰাতৃত্বৰ বন্ধন সুদৃঢ় কৰে। হজ শেষ কৰি নিজ নিজ দেশত গৈ হাজীসকলে বিশ্বভ্ৰাতৃত্বৰ বন্ধনক আৰু সুদৃঢ় কৰে।

আল্লাহৰ নিঅ'মত লাভ ঃ হজব্ৰত পালনকাৰীসকলৰ ওপৰত আল্লাহৰ নিঅ'মত বৰ্ষিত হয়। হুজুৰ পাক স্বাল্লাল্লাহু তাআ'লা আ'লাইহি ৱা ছাল্লামে জনাইছে, যেতিয়া হাজীসকল আৰাফাতত অৱস্থান কৰি দুআ' আৰু কন্দাকটা কৰি থাকে তেতিয়া আল্লাহপাকে ফিৰিস্তাসকলক কয়, "আমাৰ বান্দাহসকলক চোৱা, তেওঁলোকৰ পৰিধেয় বস্ত্ৰ ধূলি-বালিত মলিন। চোৱা, তেওঁলোকে এই অৱস্থাতেই মোৰ ওচৰত আহিছে।" হাজীসকল যেতিয়া আৰাফাতত উপস্থিত হৈ কন্দাকটা কৰে, তেতিয়া আল্লাহৰ তৰফৰ পৰা তেওঁলোকৰ বাবে বিশেষ ৰসমত (দয়া) অৱতীৰ্ণ হয়। যাৰ বাবে আল্লাহৰ ৰসমতত আৰাফাৰ দিনা অধিকসংখ্যক পাপীক ক্ষমা কৰি দিয়াৰ ফলত শ্বয়তান খুবেই ব্যথিত হয়।

সামৰিক প্ৰশিক্ষণ ঃ হজৰ কাৰ্যক্ৰম গভীৰভাৱে লক্ষ্য কৰিলে বুজা যায় যেন এদল সেনাবাহিনীৰ সামৰিক প্ৰশিক্ষণ। মিনাত তম্বুৰ তলত অৱস্থান কৰা, আৰাফাত বিশাল প্ৰান্তৰত অৱস্থান, মুজদালিফাত ৰাতি যাপন, জামাৰাত পাথৰ নিক্ষেপ, মিনাত পশু কুৰবাণী, আল্লাহৰ ঘৰৰ তাৱাফ, ছাফা-মাৰওৱাত ছায়ি ইত্যাদি কাম যেন এদল প্ৰশিক্ষিত সেনাবাহিনীৰ সামৰিক অভিযানহে।

আন্তৰ্জাতিক যোগাযোগৰ মাধ্যম ঃ হজত বিশ্বৰ নানা দেশৰ মানুহ উপস্থিত হয়। এই সুযোগতে তেওঁলোকৰ লগত ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, ধৰ্মীয় ইত্যাদি বিষয়ত যোগাযোগ কৰাৰ সুযোগ সৃষ্টি হয়। এজনে আনজনৰ লগত লগ হৈ ভাৱৰ আদান প্ৰদান কৰা যায় আৰু সুখ-দুঃখৰ আলোচনা কৰা হয়। ফলত হজ আন্তৰ্জাতিক যোগাযোগৰ এটিম উত্তম ক্ষেত্ৰ। হজ বিশ্ব মুছলিমৰ বাৰ্ষিক মিলনক্ষেত্ৰ। আল্লাহতাআ'লাই দৈনিক পাঁচবাৰ জামাআ'তত কিছুসংখ্যক লোকৰ, তাৰপিছত সপ্তাহত এবাৰ জুম্মাৰ দিনা আৰু কিছু বেছি লোকৰ, তাৰপিছত বছৰি দুবাৰ আৰু কিছু বেছি লোকৰ, তাৰপিছত বছৰত এবাৰ হজত আৰাফাৰ ময়দানত বিশ্বৰ সকলো মানুহক একত্ৰ কৰাৰ সুব্যৱস্থা কৰিছে।

ফোন ঃ ৯৯৫৭৩১০৪৩৬

বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত দালালৰ দৌৰাত্ম্য

বিশেষ সংবাদদাতা

বৰপেটা, ৭ জুলাই ঃ পশ্চিম অসমৰ বাইজৰ চিকিৎসা সেৱাৰ আশা ভৰসাৰ থলি বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত সম্প্রতি দালালৰ দৌৰাত্ম্য চলিছে। চিকিৎসা মহাবিদ্যালয় হাস্পতাল কর্তৃপক্ষৰ প্রশাসনিক দুর্বলতাৰ সুযোগ লৈ একাংশ চিকিৎসকে দালালৰ সহযোগত হাস্পতালখনলৈ অহা ৰোগীক ব্যক্তিগত নার্ছিং হোমলৈ নি চিকিৎসাৰ ব্যৱসায় চলাইছে। চিকিৎসা মহাবিদ্যালয় হাস্পিতালখনৰ আশে-পাশে স্থাপন কৰা ফার্মাচী আৰু লেব'ৰটৰীসমূহৰ সহযোগত একাংশ চিকিৎসকে ৰোগীক ব্যক্তিগত নার্ছিং হোমত যাবলৈ প্ররোচিত কৰি আহিছে। বিশেষকৈ ছার্জাৰী আৰু অর্থোপেডিকচ বিভাগৰ একাংশ চিকিৎসকে অস্ত্রোপচাৰ কৰিবলগীয়া ৰোগীসকলক নানা অজুহাত দেখুৱাই হাস্পতালখনত অস্ত্রোপচাৰ কৰিব লাগিলে দুই-তিনি মাহ ৰ'ব লাগিব বুলি কৈ দালালৰ দ্বাৰা প্ররোচিত কৰায় আৰু ব্যক্তিগত নার্ছিং হোমলৈ নি চিকিৎসা-অস্ত্রোপচাৰৰ বিনিময়ত ৰোগীৰ ধন লুট কৰে। শেহতীয়াভাৱে ইএনটি বিভাগৰ এজন চিকিৎসকে হাস্পতালখনলৈ চিকিৎসাৰ বাবে অহা এগৰাকী ৰোগীক দালালৰ সহযোগত নার্ছিং হোমলৈ অস্ত্রোপচাৰৰ বিনিময়ত প্রায় ৫০ হেজাৰ টকা আদায় কৰা বুলি অভিযোগ উত্থাপিত হৈছে। উত্থাপিত অভিযোগ অনুসৰি, বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তর্গত হাছানপুৰ গাঁৱৰ ওমৰ আলী নামৰ এজন ব্যক্তিয়ে প্রায় এমাহ পূর্বে তেওঁৰ পত্নী মনোৱাৰা বেগমক চিকিৎসাৰ বাবে বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ ইএনটি বিভাগলৈ লৈ আহে। ইএনটিৰ বহিঃবিভাগত চিকিৎসকে পৰীক্ষা কৰি ৰোগীগৰাকীক অস্ত্রোপচাৰ কৰিব লাগিব বুলি জানিবলৈ দিয়ে। সেই সময়তে ইএনটিৰ বহিঃবিভাগত থকা নুৰুল নামৰ এজন দালালে ওমৰ আলী আৰু তেওঁৰ পত্নীক ওচৰৰ এখন ফার্মাচীলৈ মাতি লৈ যায় আৰু তাতেই বৰপেটা চিকিৎসা মহাবিদ্যালয়ৰ ইএনটি বিভাগৰ চিকিৎসক তফিকুল ইছলামৰ স'তে লগ লগাই দিয়ে। ইয়াতেই চিকিৎসক তফিকুল ইছলামে হাস্পতালত অস্ত্রোপচাৰ কৰিবলৈ হ'লে তিনি মাহতকৈ বেছি দিন ৰ'ব লাগিব বুলি কয় আৰু ইমান দিন ৰখিলে ৰোগীৰ অসুখ আৰু বাঢ়ি যাব বুলি কয়। উপায়বিহীন হৈ পৰা পৰিয়ালটোক দালাল নুৰুল আৰু চিকিৎসক তফিকুল ইছলামে স্থানীয় এখন ব্যক্তিগত নার্ছিং হোমত অস্ত্রোপচাৰ কৰাৰ বাবে হেঁচা দিয়ে। অৱশেষত উপায় অন্তৰ নাপাই ওমৰ আলীয়ে পত্নীক ব্যক্তিগত নার্ছিং হোমতে অস্ত্রোপচাৰৰ সম্মতি দিয়ে। ইয়াৰ পাছতে চিকিৎসক তফিকুল ইছলামে মনোৱাৰা বেগমক কিছুমান পৰীক্ষা কৰিবলৈ প্রেচকিপচন লিখি দিয়ে আৰু সেইবোৰ নুৰুলৰ লেব'ৰেটৰীত কৰিবলৈ নির্দেশ দিয়ে। পৰীক্ষা-নিৰীক্ষা সম্পন্ন কৰাৰ পাছত চিকিৎসক ইছলামে মনোৱাৰা বেগমক স্থানীয় এখন ব্যক্তিগত নার্ছিং হোমত অস্ত্রোপচাৰ কৰে। ইয়াৰ বিনিময়ত ভুক্তভোগী পৰিয়ালটোৰে প্রায় ৫০ হেজাৰ টকা ভৰিবলগীয়া হয়। পৰিয়ালটোৰে পাছত এই অস্ত্রোপচাৰ বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালতে কৰিব পাৰি বুলি জানিব পাৰে। কিন্তু তৎসত্ত্বেও দুখীয়া পৰিয়ালটোক হাস্পতালৰ পৰিৱর্তে দালালৰ সহযোগত চিকিৎসকে ব্যক্তিগত নার্ছিং হোমত অস্ত্রোপচাৰ কৰাই ধন লুট কৰাত পৰিয়ালটো ক্ষোভিত হৈ পৰে। উল্লেখ্য যে চিকিৎসা মহাবিদ্যালয় হাস্পতাল কর্তৃপক্ষৰ দুর্বলতাৰ বাবেই একাংশ চিকিৎসকে হাস্পতালখনত এনেদৰে দালালৰাজ চলাবলৈ সুবিধা পাইছে বুলি অভিযোগ উত্থাপিত হৈছে। ভুক্তভোগী ওমৰ আলীৰ লগতে দালালৰ কৰলত পৰা বহু লোকে এই সন্দর্ভত ইতিমধ্যে উর্দ্ধতন মহলত অভিযোগ দাখিল কৰা বুলি জানিব পৰা গৈছে।

নগাঁও চহৰৰ যান-জঁটৰ সমস্যা সমাধানৰ পদক্ষেপ

নগাঁও চহৰৰ নটা পথক পার্কিং স্থান হিচাপে চিনাক্ত

বিশেষ সংবাদদাতা

নগাঁও, ৭ জুলাই ঃ বিগত কিছু বছৰ ধৰি নগাঁও চহৰত যান-জঁটৰ সমস্যাই নাগৰিকসকলৰ সন্মুখত সমস্যাৰ সৃষ্টি কৰি আহিছে। এই সমস্যা সমাধান কৰিবলৈ বিভিন্ন সংগঠন, নাগৰিক সমাজে সংশ্লিষ্ট পক্ষক দাবী জনাই আহিছে যদিও বিশেষ সফলতা লাভ কৰিব পৰা নাই। চহৰখনৰ বর্ধিত যান-জঁটৰ প্রতি লক্ষ্য ৰাখি শেহতীয়াভাৱে নগাঁও পৌৰসভাই এই সমস্যা সমাধানৰ বাবে পদক্ষেপ গ্রহণ কৰিছে। সেই অনুসৰি তিনি-চাৰিচকীয়া বাহন, দুচকীয়া বাহন পার্কিং কৰিবৰ বাবে চহৰখনৰ নটা স্থান নির্ধাৰিত কৰি দিছে। এই স্থানসমূহ হ'ল— এন আহমেদ পথ, মিছন স্কুল পথ (সোঁ আৰু বাওঁফালে), ড° হিউজ পথ, মনমুখ দাস পথ (ইউবিআইৰ কাষত), পুৰণি ৩৭ নম্বৰ ৰাষ্ট্রীয় ঘাইপথ (সোঁ আৰু বাওঁফালে), শ্রীমন্ত শংকৰ পথ (ফ্লাই অভাৰৰ তলত) আৰু গোপীনাথ বৰদলৈ পথ (বাওঁফালে)। নগাঁও পৌৰসভাই নিবিদাযোগে নজন মহলদাৰক এই পার্কিং স্থানসমূহ আবণ্টন দিছে। পার্কিঙৰ বাবদ মহলদাৰে প্রতিখন তিনি-চাৰিচকীয়া বাহনৰ পৰা ১০ টকা আৰু দুচকীয়া বাহনৰ পৰা পাঁচ টকা আদায় ল'ব পাৰিব বুলি নগাঁও পৌৰসভাই জানিবলৈ দিয়ে। এই ক্ষেত্রত পৌৰসভা কর্তৃপক্ষই ৰাইজৰ সহযোগিতা কামনা কৰিছে। কিন্তু এই নটা পথত পার্কিং মাচুল আদায় দিব লগাৰ নির্দেশনাটোত অসন্তুষ্ট হৈ পৰিছে।

PUBLIC NOTICE

No.SSA/TT/Early Literacy Programme/599/2013/Pt-I/996 Date :29.06.2022

In response to the advertisement published vide No. SSA/TT/PMU-FLN/203/2021/7231 dated 07.10.2021, this is for general information that the lists of short-listed candidate for the following post for implementation of Foundational Literacy and Numeracy Mission under Samagra Shiksha, Assam are uploaded in the official website of SSA, Assam (https://ssa.assam.gov.in)

The Post are -

(1) Consultant of FLN at State PMU[Language]
(2) Consultant of FLN at State PMU [Numeracy]
(3) Data Analyst of FLN at State PMU
(4) Consultant of FLN at District PMU [Language]
(5) Consultant of FLN at District PMU[Numeracy]
(6) Data Analyst of FLN at District PMU

The date of the test/interview will be published/uploaded later on.

Sd/-Mission Director
Samagra Shiksha, Assam
Kahilipara, Guwahati-19

AFFIDAVIT

I Digambar Ranghang, S/o Sri Rajen Ranghang, vill-Tetelia, P.O- Gandhinagar, P.S.- Khetri, Dist- Kamrup (M), Assam do hereby declared by an affidavit before Notary Kamrup (M) an 07/07/2022 that in the birth certificate of my daughter her name was wrongly written as Sivangi Rahang intead of Shivangi Ronghangpi. Both are same person having single identity i.e. my daughter.

LOST

I have lost my class 12th registration card, Admit card, Marksheet, pass certificate, Roll: 0624 No: 30021, year 2013 and degree 6th sem marksheet, final marksheet, pass certificate, Admit and Registration Card, Roll: C-14022 No: 0028.

Abinash Sinha
S/o Lt. Sukanta Sinha

অৱসৰপ্রাপ্ত ৰাজহ বিভাগৰ কর্মচাৰী-সমাজকর্মী লম্বোদৰ শর্মাৰ পৰলোকপ্রাপ্তি

অগ্রদূত বার্তা

ছিপাঝাৰ ৭ জুলাই ঃ ছিপাঝাৰৰ ব্যাসপাৰা গাঁও নিবাসী, ৰাজহ বিভাগৰ অৱসৰপ্রাপ্ত কর্মচাৰী তথা কে'বাটাও সামাজিক অনুষ্ঠানৰ গুৰিধৰোতা, জ্যেষ্ঠ নাগৰিক লম্বোদৰ শর্মাৰ আজি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত পৰলোকপ্রাপ্তি হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮০ বছৰ। তেওঁ কিছুদিন ধৰি মধুমেহ আৰু উচ্চৰক্তচাপ ৰোগত আক্রান্ত হৈ আছিল। উল্লেখ্য যে যুৱ অৱস্থাতে অঞ্চলটোৰ অধুনালুপ্ত সাংস্কৃতিক অনুষ্ঠান 'যাত্রাপার্টী'ৰ দ্বাৰা মঞ্চস্থ হোৱা বিভিন্ন নাটকত অভিনয় কৰি দর্শক-শ্রোতাৰ পৰা সমাদৰ লাভ কৰা শর্মা আছিল ছিপাঝাৰৰ বর্তমানৰ অগ্রণী নাট্যানুষ্ঠান 'উদাচ'ৰো প্রতিষ্ঠাপক সভাপতি। তদুপৰি ছিপাঝাৰ সাহিত্য সভা, সাধনা সাহিত্য সভা, ব্যাসপাৰা সেৰক সংঘ, ব্যাসপাৰা সেৰক হাইস্কুল, ব্যাসপাৰা প্রাথমিক বিদ্যালয়, ব্যাসপাৰা দুর্গা পূজা, বৃহত্তৰ ব্যাসপাৰা জ্যেষ্ঠ নাগৰিক সস্থা, দৰং-ওদালগুৰি জিলা ব্রাহ্মণ সভা, দেউৰাজ শিৱ মন্দিৰ, ব্যাসপাৰা স্বাস্থ্য সেৰা নিধি, সাধনা আদি ভালেমান অনুষ্ঠানৰ স'তে তেওঁ ওতঃপ্রোতভাৱে জড়িত আছিল। মৃদুভাষী আৰু সুবক্তা হিচাপেও পৰিচিত শর্মাই বিভিন্ন আলোচনীত প্ররন্ধ আদিও লিখিছিল। তেওঁ মৃত্যুৰ সময়ত পত্নীসহ তিনি পুত্রৰ লগতে দুগৰাকী বোৱাৰী আৰু নাতি-নাতিনী ইহসংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত 'উদাচ', ব্যাসপাৰা দুর্গা পূজা, সেৰক সংঘ, সাধনা, ব্যাসপাৰা আমাৰ গাঁও, স্থানীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশী, প্রাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া আদিয়ে শোক প্রকাশ কৰে।

চালকক ঠগি গাড়ী লৈ উধাও হোৱা আশীষক কৰায়ত্ত বিশ্বনাথত

ষ্টাফ ৰিপর্টাৰ

তেজপুৰ, ৭ জুলাই ঃ মেঘালয়ৰ পৰা আহি পাঁচ জুলাইত গুৱাহাটীত এএছ-০১ জিচি-০৩৭৭ নম্বৰৰ ছুইফট ডিজায়াৰ ভাড়াত লৈ নিশা তেজপুৰত উপস্থিত হোৱা মেঘালয়ৰ আশীষ বৰা লিংড' (৩৬) নামৰ এক গাড়ীচোৰক অৱশেষত কালি সন্ধিয়া প্রায় ছয় বজাত বিশ্বনাথ আৰু চতিয়া আৰক্ষীয়ে কৰায়ত্ত কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে কালি পুৱাৰে পৰা গাড়ীখন লৈ তেজপুৰৰ বিভিন্ন অঞ্চলত ঘূৰি দুপৰীয়া তেজপুৰৰ দোলাবাৰীত থকা মছজিদৰ ওচৰত চালকক গাড়ীখন ৰখাবলৈ দি সেই অঞ্চলত এজন মানুহক সন্ধান কৰিবলৈ কয় চালকজনক। গাড়ীৰ ষ্টার্ট বন্ধ নকৰাকৈ চালকক নামিবলৈ কোৱাত চালকজন নমাৰ পাছতেই গাড়ীত বহি থকা আশীষে গাড়ীখন লৈ উধাও হয়। ইপিনে, নিজৰ ম'বাইল ফোনটোও গাড়ীখনতে থাকি যোৱাত বিপদত পৰা চালকজনে তেজপুৰ সদৰ আৰক্ষী থানাত উপস্থিত হৈ এই বিষয়ে জনোৱাত আৰক্ষীয়ে লগে লগে গাড়ীখনৰ গৰাকীৰে যোগাযোগ কৰে আৰু গৰাকীৰ পৰা গাড়ীখনত জিপিএছ সংলগ্ন থকাৰ বিষয়ে জানিব পাৰি তেজপুৰ আৰক্ষীয়ে চুৰি হোৱা গাড়ীখনৰ অৱস্থিতি জামুগুৰিত ধৰা পেলায়। লগে লগে এই বিষয়ে জামুগুৰি আৰু চতিয়া থানাক জনোৱা হয় যদিও ইতিমধ্যেই গাড়ীসহ আশীষে জামুগুৰি থানা অতিক্রম কৰি যায়। আনহাতে, চতিয়া আৰক্ষীৰ বাধা নামানি তীব্র বেগত বিশ্বনাথৰ দিশে আগবঢ়া চুৰি গাড়ীখন অনুসৰণ কৰে চতিয়া আৰক্ষীয়ে আৰু ইতিমধ্যে বিশ্বনাথ আৰক্ষীয়ে খবৰ লাভ কৰি পথ বন্ধ কৰি দিয়াত এইবাৰ আৰক্ষীৰ হাতত গাড়ীসহ বন্দী হয় গাড়ীচোৰ। নিশাই তেজপুৰ সদৰ থানালৈ অনা ধৃত আশীষে তেওঁৰ হেৰোৱা খুড়াকৰ সন্ধানত লখিমপুৰলৈ যাবলৈ বিচৰাত গাড়ীখনৰ চালকজন লখিমপুৰলৈ যাবলৈ অমান্তি হোৱাত আৰু আশীষৰ হাতত বাছত যাব পৰাকৈয়ো ধন নথকাৰ বাবেহে এইদৰে গাড়ীখন লৈ উধাও হোৱা বুলি প্রকাশ কৰে। অৱশ্যে আশীষৰ এনে ভাষ্যৰ বিপৰীতে গাড়ী চুৰিৰ অভিযোগত আশীষক তেজপুৰ আৰক্ষীয়ে গ্রেপ্তাৰ কৰি আজি তেজপুৰস্থিত সত্র ন্যায়াধীশৰ আদালতত হাজিৰ কৰায় আৰু আদালতে অভিযুক্তক ন্যায়িক জিম্মালৈ প্রেৰণৰ নির্দেশ দিয়ে। ইপিনে, তেজপুৰ সদৰ আৰক্ষী থানাৰ ভাৰপ্রাপ্ত বিষয়া মিন্টু বড়োৱে প্রকাশ কৰা অনুসৰি ইতিমধ্যে আশীষ সন্দর্ভত মেঘালয়ৰ নংপো আৰক্ষী থানাৰে যোগাযোগ কৰা হৈছে আৰু তেওঁৰ বিৰুদ্ধে পূর্বেও এনে কোনো গোচৰ আছে নেকি সেয়া পৰীক্ষা কৰা হৈছে। তেজপুৰ আৰক্ষীয়ে জনোৱা অনুসৰি, আশীষে প্রকৃততে গাড়ীখন লৈ অৰুণাচল প্রদেশলৈহে পলায়নৰ চেষ্টা চলাইছিল।

বজাইগাঁৱত বিজেপিত যোগদান কৰা একাংশ অগপ-কংগ্রেছ কর্মী, বৃহস্পতিবাৰে।

উত্তৰ গুৱাহাটী থানাত গোচৰ ৰুজু

স্বামীৰ মানসিক নির্যাতনত এবিলেকৰ কর্মচাৰীৰ আত্মহননৰ অভিযোগ

অগ্রদূত বার্তা

উত্তৰ গুৱাহাটী, ৭ জুলাই ঃ অৱশেষত চাৰিদিনৰ অন্তত উত্তৰ গুৱাহাটী এবিলেক গ্রন্থগাৰিক মনীষা কাকতিৰ আত্মহনন ঘটনাৰ ন্যায় বিচাৰি উত্তৰ গুৱাহাটী আৰক্ষী থানাত উপস্থিত হ'ল মনীষাৰ পিতৃ ড° প্রফুল্ল কাকতি। কন্যা মনীষাক স্বামীয়ে বহুদিনৰ পৰা মানসিক নির্যাতন চলোৱাৰ বাবেই আত্মহত্যাৰ দৰে চৰম পন্থা বাছি লোৱাৰ অভিযোগ তুলি উত্তৰ গুৱাহাটী আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। সন্দেহজনক আত্মহত্যাৰ ঘটনাটোত আৰক্ষীৰ দায়সৰা স্থিতিৰ বাবেই মনীষাৰ স্বামী নৰজিৎ বর্মনৰ বিৰুদ্ধে তদন্তৰ দাবীৰে আজি পিতৃ ড° কাকতীয়ে গোচৰ ৰুজু কৰে। সাতমাহ পূর্বে বন বিভাগৰ ৰাইল্ড লাইফত কর্মৰত নলবাৰীৰ বর্মনে সদায়ে মানসিক নির্যাতন চলাই বুলি এবিলেক চৌহদৰ কর্মচাৰীয়ে সদৰী কৰিছে। অভিযোগ অনুসৰি, স্বামী বর্মনক সুখী কৰিব বাবেই মনীষাই ঘটনাৰ তিনিদিন পূর্বে বিলাসী বাহন ইন'ভা ক্রয় কৰি দিছিল। বিত্তীয় প্রতিষ্ঠানৰ ঋণেৰে ক্রয় কৰা বাহনৰ বাবদ অগ্রিম ধন পাঁচলাখ টকা মনীষাই বর্মনক দিছিল। ইয়াৰ উপৰি ফার্ণিচাৰ ক্রয়ৰ বাবেও ধন মোকলাই দিছিল। তথাপিতো মনোমালিন্য আঁতৰা নাছিল দুয়োৰো মাজত। ঘটনাৰ নিশা কাজিৰঙাৰ পৰা ঘৰমুৰা হোৱা বর্মনৰ স'তে মনীষাৰ বহু বাক-বিতণ্ডা হৈছিল। নিশা আঠ বজাত নগাঁৱৰ পৰা দুয়োৰো ফোন যোগাযোগ ব্যাহত হৈছিল। পৰৱর্তী সময়ত জনৈক কাকতিক গেটৰ দর্জা খুলি ৰাখিবলৈ বর্মনে ফোন কৰিছিল। তাৰ পাছত নিশা দর্জাবন্ধ অৱস্থাত এবিলেক চৌহদত ঘটনাৰ স'তে মুখামুখি হয়। মৃতদেহ আৰক্ষী আৰু দণ্ডাধীশৰ উপস্থিতি অবিহনেই স্বামীয়ে উত্তৰ গুৱাহাটী জিএনআৰচিলৈ নিছিল। ৰহস্যজনকভাৱে উত্তৰ গুৱাহাটী আৰক্ষী তথা দণ্ডাধীশ অবিহনেই মৃতদেহ মৰণোত্তৰ পৰীক্ষালৈ পঠোৱাৰ আঁৰত গভীৰ ৰহস্যৰ সন্দেহ কৰিছে স্থানীয় লোক তথা পৰিয়ালে। আত্মজাহৰ ঘটনাত আৰক্ষীৰ প্রাথমিক তদন্ত নোহোৱা তথা অভিযুক্ত স্বামীক সোধ-পোছৰ বাবে থানালৈ নমতাক লৈয়ো প্রশ্ন উত্থাপন হৈছে। ইফালে, মনীষাই চিপলোৱা ৰছীডাল চুৰিদাৰৰ পেণ্টৰ আৰু গেঞ্জী কাপোৰৰ লেখীয়া তথা বলিৰ পৰা বিধৰ। ঘৰৰ মজিয়াৰ পৰা ছফুট ওপৰৰ ভেণ্টিলেটৰৰ গ্রীলত বন্ধা আছিল। য'ত শৰীৰে মজিয়া সহজে ঢুকি পায়। ইফালে, এক বিশেষ সূত্রৰ খবৰ অনুসৰি, এসপ্তাহ পূর্বেই কুকুৰসহ ঘৰ এৰা মনীষাৰ স্বামীয়ে এবিলেক চৌহদৰ আশে-পাশেই আছিল। যাৰ বাবে মৃত্যুৰ পূর্বে বর্মনক ফোন কৰাৰ মুহূর্ততে উপস্থিত হৈছিল এবিলেক আৱাসগৃহত। চকীদাৰৰ স'তে দর্জা ভাঙি কোঠাত সোমাই মুমূর্ষু অৱস্থাত মনীষাক উদ্ধাৰ কৰিছিল স্বামীয়ে।

দৰঙত বানপীড়িতৰ মাজত বান সাহায্য বিতৰণ অগপৰ

বিশেষ সংবাদদাতা

মঙলদৈ, ৭ জুলাই ঃ অগপ সভাপতি তথা কৃষিমন্ত্রী অতুল বৰাৰ নির্দেশক্রমে কালি অগপৰ এটা শীর্ষ দলে দৰঙত প্রায় ৫৫০টা পৰিয়ালৰ মাজত বান সাহায্য বিতৰণ কৰে। অগপৰ পশ্চিম গুৱাহাটী সমষ্টিৰ ২৪ নম্বৰ ৱার্ড সমিতিৰ সভাপতি ৰাজেন মেধি, গুৱাহাটী পৌৰ নিগমৰ পাৰিষদ বিজু মেধি, অসম মহিলা পৰিষদৰ গীতাঞ্জলি কাকতি আৰু অজয়া ৰাভাৰ নেতৃত্বত তথা দলৰ কেন্দ্রীয় সাংগঠনিক সম্পাদিকা নিবেদিতা ডেকাৰ তৎপৰতাত ছিপাঝাৰৰ সলপামত দুশটা পৰিয়াল, মঙলদৈৰ ৰৰ আঠিয়াবাৰীত ২৫০টা আৰু কলাইগাঁৱৰ বেছিমাৰীত এশটা বানত জুকুলাগ্রস্ত পৰিয়ালৰ মাজত খাদ্য সামগ্রী বিতৰণ কৰে। অগপৰ ছিপাঝাৰ আৰু মঙলদৈ সমষ্টি কমিটীৰ সভাপতি ক্রমে নৰ ডেকা আৰু ডিম্ব বৰুৱা, জিলা মহিলা পৰিষদৰ সদস্যা অৰুণা নাথ আৰু নিৰিবিলি ডেকা উপস্থিত থাকি বান সাহায্য বিতৰণত সহযোগিতা আগবঢ়ায়।

চলিত বর্ষতে আকমাৰ লগতে আদিবাসীৰ সমস্যা সমাধানৰ দাবী

গোসাঁইগাঁৱত আকমাৰ ২৬ সংখ্যক প্রতিষ্ঠা দিৱস পালন

অগ্রদূত বার্তা

শ্রীৰামপুৰ, ৭ জুলাই ঃ অসমৰ বিভিন্ন অঞ্চলত ১৯৯৬ৰ ১৫ মে'ত আৰম্ভ হোৱা আদিবাসী-বড়ো জনগোষ্ঠীৰ মাজত সংঘটিত ভয়াবহ গোষ্ঠী সংঘর্ষৰ সময়ত নিজৰ জাতিৰ জীবন আৰু সম্পত্তিৰ ৰক্ষাৰ বাবে একাংশ আদিবাসী যুৱকে হাতত অস্ত্র তুলি লৈ সাত জুলাইত আদিবাসী কোব্রা মিলিটাৰী অৰ আছাম চমুকৈ আকমা নামৰ সশস্ত্র সংগঠন স্থাপন কৰিছিল। দীর্ঘদিন ধৰি আদিবাসী জনগোষ্ঠীৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত সশস্ত্র সংগ্রাম চলোৱাৰ অন্তত ২০০৫ত যুদ্ধবিৰতি ঘোষণা কৰি চৰকাৰৰ স'তে বর্তমানলৈ শান্তি আলোচনা অব্যাহত আছে যদিও আজিলৈ আদিবাসীৰ জ্বলন্ত সমস্যাসমূহৰ সমাধান কৰিবলৈ চৰকাৰে কোনো কার্যকৰী পদক্ষেপ লোৱা নাই বুলি আজি আকমাৰ ২৬ সংখ্যক প্রতিষ্ঠা দিৱসত অভিযোগ উত্থাপন কৰে আকমাৰ নেতৃবর্গই। প্রতি বছৰৰ দৰে আজি গোসাঁইগাঁও মহকুমাৰ মাটিয়াজুৰিস্থিত আদিবাসী ছহিদ ভৱন আৰু কান্দনাপাৰাস্থিত আকমাৰ ডেজিগনেটেড শিবিৰত সংগঠনটোৰ ২৬ সংখ্যক প্রতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে আজি পুৱা ন বজাত মাটিয়াজুৰিস্থিত আদিবাসী ছহিদ ভৱনত সংগঠনৰ পতাকা উত্তোলন কৰে আকমাৰ অধ্যক্ষ জাৱিয়াছ খাখাই। ছহিদসকলৰ প্রতি শ্রদ্ধাঞ্জলি জ্ঞাপন কৰে আকমাৰ কেডাৰসকলে। আদিবাসী জনগোষ্ঠীৰ জনজাতিকৰণ আৰু একাধিক জ্বলন্ত সমস্যাসমূহৰ এতিয়াও সমাধান হোৱা নাই যদিও বর্তমানৰ চৰকাৰৰ স'তে ইতিবাচক আলোচনা চলি আছে আৰু আমি আশা কৰো যে শীঘ্রে আমাৰ সমস্যাবোৰৰ সমাধান হ'ব বুলি আশা ব্যক্ত কৰে জাৱিয়াছ খাখাই। সংগঠনৰ ২৬ সংখ্যক প্রতিষ্ঠা দিৱসত তেওঁ চৰকাৰৰ ওচৰত কে'বাটাও দাবী উত্থাপন কৰে। আদিবাসীৰ জনজাতিকৰণ, আত্মসমর্পনকাৰী সদস্যসকলৰ পুনৰসংস্থাপন, আদিবাসীৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰাকে ধৰি আদিবাসীৰ একাধিক সমস্যা আগন্তুক লোকসভা নির্বাচনৰ পূর্বে সমাধান কৰাৰ দাবী জনায় আকমাৰ অধ্যক্ষ খাখাই। অস্ত্র পৰিহাৰ কৰি মূলসুতিলে ঘূৰি অহা আকমাৰ সদস্যসকলৰ কর্মসংস্থাপনৰ ব্যবস্থা কৰাৰ বাবে চৰকাৰৰ হস্তক্ষেপ বিচাৰে আকমাৰ নেতৃবৃন্দই। আদিবাসীৰ ছহিদ পৰিয়ালক চৰকাৰৰ আর্থিক অনুদান দিয়াত পলম হৈছে বুলি আকমাৰ একাংশ সদস্যই ক্ষোভ প্রকাশ কৰে যদিও খাখাই কয় চৰকাৰৰ দৃষ্টিত বিষয়টো আছে যদিও কিছু কাম বাকী থকাৰ ফলতে আদিবাসী ছহিদ পৰিয়ালক আর্থিক অনুদান প্রদানৰ ক্ষেত্রত বিলম্ব হৈ আছে। মুখ্যমন্ত্রীয়ে নিশ্চয় এই বিষয়টোৰ প্রতি গুৰুত্ব প্রদান কৰিব বুলি খাখাই আশা প্রকাশ কৰে।

Janasanyog/D/7046/22

থলুৱাক বঞ্চিত কৰি বহিৰাগতক বৰপীৰা নুমলীগড় শোধনাগাৰৰ

■ গৰজি উঠিছে কাৰিকৰী নিৰনুৱা সন্থা, আন্দোলনৰ হুংকাৰ

অগ্ৰদূত বাৰ্তা

নুমলীগড়, ৭ জুলাই: অসমীয়াৰ স্বাভিমানস্বৰূপ নুমলীগড় শোধনাগাৰৰ বহু প্ৰত্যাশিত সম্প্ৰসাৰণ প্ৰকল্পত পদে পদে থলুৱা নিৰনুৱা যুৱক-যুৱতীসকলক বঞ্চনা কৰি বহিৰাগতক বৰপীৰা পাৰি দিয়া কাৰ্যত ক্ষোভিত হৈ পৰিছে গোলাঘাট জিলা কাৰিকৰী নিৰনুৱা সন্থা। স্থানীয়ভাৱে উপলব্ধ কাৰিকৰী শিক্ষাৰে শিক্ষিত যুৱক-যুৱতী, অতি দক্ষ, দক্ষ, পূৰ্বতে শোধনাগাৰত কৰ্মৰত শ্ৰমিকসকলক সংস্থাপন লাভৰ পৰা বঞ্চিত কৰি সম্প্ৰসাৰণ প্ৰকল্পত নিবিদাপ্ৰাপ্ত কোম্পানীসমূহে এশ শতাংশই বহিৰাগত শ্ৰমিক নিয়োগ কৰিছে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰি গোলাঘাট জিলা কাৰিকৰী নিৰনুৱা সন্থাই শোধনাগাৰৰ পৰিচালন সঞ্চালককৈ এখন ছয়দফীয়া দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰেৰণ কৰি স্থানীয় স্বাৰ্থ উলংঘনৰ বিষয়টোক সহজভাৱে গ্ৰহণ কৰা নহ'ব বুলি সকীয়াই দিছে। উল্লেখ্য যে গোলাঘাট জিলাখনৰ ৰাজহুৱা খণ্ডৰ বৃহৎ উদ্যোগ নুমলীগড় শোধনাগাৰত বহু প্ৰত্যাশাৰ অন্তত ২৮ হেজাৰ কোটি ব্যয় সাপেক্ষে আৰম্ভ হোৱা সম্প্ৰসাৰণ প্ৰকল্পত স্থানীয় কাৰিকৰী নিৰনুৱাসকল, দক্ষ-অদক্ষ শ্ৰমিকসকল সংস্থাপিত হোৱাৰ এক স্থল আছিল যদিও শোধনাগাৰৰ একাংশ বিষয়াৰ পৃষ্ঠপোষকতাত কামৰ নিবিদা লাভ কৰা কোম্পানীসমূহে স্থানীয় স্বাৰ্থক তিলমানো গুৰুত্ব প্ৰদান নকৰি স্থানীয়ভাৱে উপলব্ধ যুৱক যুৱতীসকলে দক্ষতাৰে কৰিব পৰা কামসমূহৰ বাবেও শ শ বহিৰাগত শ্ৰমিক আনি কামত খটুৱাইছে। পূৰ্বে কাৰিকৰী নিৰনুৱা সন্থাই কৰা আন্দোলনৰ ফলত গোলাঘাট জিলা উপায়ুক্ত আৰু মৰঙি ৰাজহ চক্ৰ বিষয়াৰ উপস্থিতিত থলুৱা নিৰনুৱাসকলৰ সংস্থাপন নিশ্চিত কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল যদিও শোধনাগাৰ কৰ্তৃপক্ষই এই প্ৰতিশ্ৰুতি পালন কৰা নাই বুলি সংগঠনটোৱে উল্লেখ কৰি থলুৱা স্বাৰ্থ সুৰক্ষিত নহ'লে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণেৰে শোধনাগাৰ কঁপাই তুলিব বুলি হুংকাৰ প্ৰদান কৰিছে। স্থানীয় কাৰিকৰী, অ-কাৰিকৰী, দক্ষ, অদক্ষ, পূৰ্বতে শোধনাগাৰত কৰ্মৰত শ্ৰমিক নিয়োগ, শিক্ষা নবীচৰ প্ৰশিক্ষণ গ্ৰহণ কৰাসকলৰ সংস্থাপন, ঠিকাশ্ৰমিকৰূপে শোধনাগাৰৰ গুৰুত্বপূৰ্ণ কাম কৰি থকা শ্ৰমিকসকলৰ স্থায়ী নিযুক্তি, পৰোক্ষ সংস্থাপনৰ যোগেদি নিৰনুৱা নিয়োজন, এমএছএমইৰ দ্বাৰা স্থানীয় নিৰনুৱাসকলে কম নথি পত্ৰৰে নিবিদাত অংশগ্ৰহণ নিশ্চিত কৰা আদি ছটা দাবী উত্থাপন কৰি গোলাঘাট জিলা কাৰিকৰী নিৰনুৱা সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি প্ৰশান্ত ফুকন আৰু সাধাৰণ সম্পাদক ভাস্কৰ বৰুৱাই বহিৰাগত শ্ৰমিক আমদানি শীঘ্ৰে বন্ধ কৰি থলুৱাৰ সংস্থাপন নিশ্চিত কৰিবলৈ শোধনাগাৰ কৰ্তৃপক্ষক দাবী উত্থাপন কৰিছে। অন্যথা তীব্ৰ প্ৰতিবাদী আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰিছে সংগঠনটোৱে। গোলাঘাট, মলঙিবাসীৰ আশা ভৰসাৰ স্থল নুমলীগড় শোধনাগাৰত বহিৰাগতক বৰপীৰা পাৰি কাৰ্যৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ সৃষ্টি হোৱা বিষয়টোক লৈ কৰ্তৃপক্ষই কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া সময়তহে স্পষ্ট হ'ব।

আন্তঃৰাষ্ট্ৰীয় আলোকচিত্ৰ প্ৰতিযোগিতাত পুনৰ জিলিকিল ফটো সাংবাদিক সৌৰভ দুৱৰা

বিশেষ সংবাদদাতা

ডিব্ৰুগড়, ৭ জুলাই ঃ আন্তঃৰাষ্ট্ৰীয় আলোকচিত্ৰ প্ৰতিযোগিতাত বিশ্বৰ ভিতৰতে পুনৰ চতুৰ্থ স্থান লাভ কৰি অসম তথা ভাৰতলৈ গৌৰৱ কঢ়িয়াই আনিলে ডিব্ৰুগড়ৰ বিশিষ্ট আলোকচিত্ৰ শিল্পী ডিব্ৰুগড়ৰ জ্যেষ্ঠ ফটো সাংবাদিক সৌৰভ দুৱৰাই। ইটালীৰ ফটো আৰ্ট-এ যোৱা মে' আৰু জুনত আয়োজন কৰা ফটো প্ৰতিযোগিতাত অৱতীৰ্ণ হৈ চতুৰ্থ স্থান লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ইয়াৰ আগতে তেওঁৰ দুখন উইন্টাৰ শিতানত উইন্টাৰ মৰ্ম (winteer morm) নামৰ ছবিখন আৰু ক'লা-বগা শিতানত লাষ্ট ত্ৰায় নামৰ ছবিখন পুৰস্কৃত হৈছিল। এইবাৰ বিষয় আছিল প্ৰতি কৃতি। দুৱৰাৰ 'অনু' নামৰ ছবিখনে এয়াই শিতানত চতুৰ্থ স্থান লাভ কৰে। প্ৰত্যেক তিনি মাহৰ অন্তৰে অন্তৰ বেলেগ বেলেগ বিষয় লৈ প্ৰতিযোগিতা পাতি আহিছে। এইবাৰ এই শিতানত প্ৰথম পুৰস্কাৰ লাভ কৰে হংকঙৰ Pidro sisan লং, দ্বিতীয় পুৰস্কাৰ লাভ ৰোমানিয়াৰ Nelu Scripciue আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে ইটালীৰ Michele Isgro -এ । ফটো আৰ্ট-এ ১৯৮৬ৰ পৰাই বিভিন্ন বিষয় বাছনি কৰি ডিজিটেল ফটো প্ৰতিযোগিতা আয়োজন কৰি আহিছে। ইয়াৰ পূৰ্বেও দুৱৰাৰ পাঁচখন ছবি টপ গল্ড ৰে সন্মানিত কৰিছে। উল্লেখ্য যে কে'বাখনো আন্তৰ্জাতিক আলোকচিত্ৰ প্ৰতিযোগিতাৰ বিচাৰকৰ এখন শুৱনি কৰা সৌৰভ দুৱৰাৰ কে'বাখনো আলোক চিত্ৰ আন্তঃৰাষ্ট্ৰীয় পয্যায়ত পুৰস্কৃত হৈছে। একক আৰু দলীয় কে'বাখনো প্ৰদৰ্শনীত অংশ গ্ৰহণ কৰা জ্যেষ্ঠ ফটো সাংবাদিকজনে বহু কেইখন আলোকচিত্ৰ কৰ্মশালাত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰিছে। দুৱৰাৰ প্ৰচেষ্টাতেই ডিব্ৰুগড়ত আজি কে'বাবছৰ ধৰি বিশ্ব আলোকচিত্ৰ দিৱস উদ্‌যাপন কৰি প্ৰদৰ্শনীৰ লগতে কৰ্মশালা আয়োজন কৰি আহিছে। দুৱৰাৰ এই সাফল্যত ডিব্ৰুগড়ৰ লগতে ভিন্ন জনে অভিনন্দন জ্ঞাপন কৰিছে।

হোজাইত শিশু সুৰক্ষা অধিকাৰ সম্পৰ্কীয় সাংবাদিক কৰ্মশালা

অগ্ৰদূত বাৰ্তা

হোজাই, ৭ জুলাই ঃ অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ উদ্যোগত হোজাই প্ৰেছ ক্লাবৰ সহযোগত হোজাইৰ ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়ত শিশু সুৰক্ষা অধিকাৰ সম্পৰ্কীয় এক সাংবাদিক কৰ্মশালা অনুষ্ঠিত হয়। ২০২০ত এএছচিপিচিআৰ আৰু ইউনিচেফৰ সহযোগিতাত সুৰক্ষা ক'ভিড-১৯ৰ প্ৰভাৱ হিচাপে সুৰক্ষা বিষয়ত এক অভিযান আৰম্ভ কৰিছিল। এই অভিযানৰ মূল উদ্দেশ্য হৈছে বিভিন্ন ধৰণৰ হিংসা, প্ৰতিকাৰৰ ব্যৱস্থা কৰ্তব্যবাহীসকলৰ ভূমিকা আৰু দায়িত্ব, অন্যায়ৰোধ কৰিবলৈ জনসাধাৰণে গ্ৰহণ কৰিব পৰা ব্যৱস্থাসমূহৰ বিষয়ে জনসচেতনতা সৃষ্টি কৰাই মূল উদ্দেশ্য আছিল। এই কৰ্মশালাৰ জৰিয়তে যুৱক-যুৱতীসকলৰ সজাগতাৰ মাত্ৰা বৃদ্ধি কৰাত সংবাদ মাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। ইউনিচেফ অসমৰ সহযোগত এএছচিপিচিআৰয়ে চলিত জুলাইত অসমৰ বিভিন্ন অঞ্চলত ১০খন মিডিয়া কৰ্মশালাৰ আয়োজন কৰাৰ সিদ্ধান্ত লয় আৰু সেই সিদ্ধান্ত অনুসৰি কালি হোজাইত দিনৰ ১১ বজাৰ পৰা দুই বজালৈ হোজাইৰ ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ বাণিজ্য শাখাৰ লেবৰ প্ৰেক্ষাগৃহত কৰ্মশালাখন অনুষ্ঠিত হয়। কৰ্মশালাত হোজাই জিলাৰ ২৫ গৰাকী চপা আৰু ইলেক্ট্ৰনিকৰ মাধ্যমৰ সাংবাদিকে অংশগ্ৰহণ কৰে। কৰ্মশালাত সমল ব্যক্তি হিচাপে যোগদান কৰা জ্যেষ্ঠ সাংবাদিক মৃণাল তালুকদাৰে শিশুসকলৰ সংবাদ পৰিবেশনত ল'ব লগা সাৱধানতাৰ ওপৰত বহল ব্যাখ্যা কৰে। কৰ্মশালাত শিশু অধিকাৰ সুৰক্ষা আয়োগৰ অমিত কুমাৰ দত্তই শিশুৰ অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত আয়োগে লোৱা কাৰ্যপন্থা আৰু শিশুৰ বাবে গাঁও পঞ্চায়তৰ পৰা জিলা আৰু ৰাজ্যিক পৰ্যায়ৰ বিভিন্ন সমিতিৰ বিষয়ে বহলাই কোৱাৰ লগতে শিশু অধিকাৰ সুৰক্ষাৰ বাবে কেনেদৰে আগবাঢ়িব লাগিব তাৰ ব্যাখ্যা কৰে। কৰ্মশালাৰ আৰম্ভণিতে প্ৰেছ ক্লাবৰ তৰফৰ পৰা জ্যেষ্ঠ সাংবাদিক মৃণাল তালুকদাৰ আৰু শিশু অধিকাৰ সুৰক্ষাৰ আয়োগৰ বিষয়া বৰ্গক ফুলাম গামোচাৰে আদৰণি জনায়।

গোৱালপাৰা জিলা পথ সুৰক্ষা সমিতিৰ গুৰুত্বপূৰ্ণ বৈঠক

অগ্ৰদূত বাৰ্তা

মাটিয়া, ৭ জুলাই ঃ গোৱালপাৰা জিলা উপায়ুক্ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত পথ সুৰক্ষা সমিতিৰ কালি এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। অতিৰিক্ত উপায়ুক্ত ৰঞ্জিত কোঁৱৰৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত জিলা পৰিবহণ বিষয়া মনোজ কুমাৰ চৌধুৰীয়ে কয় যে উচ্চতম ন্যায়ালয়ৰ নতুন নিৰ্দেশনা অনুযায়ী এতিয়াৰ পৰা জিলা পৰিবহণ বিষয়াৰ সিদ্ধান্ত অনুসৰি আগন্তুক দিনত সমিতিৰ অন্তৰ্ভুক্ত সকলো বিভাগৰ সন্মিলিত প্ৰচেষ্টাত জিলাখনৰ পথ যোগাযোগৰ ক্ষেত্ৰত পৰিদৰ্শন কৰি প্ৰতিবেদন জমা দিব লাগিব। তদুপৰি সংশ্লিষ্ট বিভাগসমূহে পথ সুৰক্ষাৰ ক্ষেত্ৰত ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ বাবে সজাগতা সভা অনুষ্ঠিত কৰিব লাগিব। ইপিনে, দুৰ্ঘটনা প্ৰৱণ অঞ্চলসমূহ চিনাক্তকৰণ কৰি সেই ঠাইসমূহত পথচিহ্ন লগোৱাৰ বাবে ঘাইপথ প্ৰাধিকৰণ বিভাগক আহ্বান জনোৱা হয়। সভাত স্বাস্থ্য বিভাগক দুঘটনা সংঘটিত হোৱাৰ পাছত তাৎক্ষণিকভাৱে চিকিৎসা সেৱা আগবঢ়োৱাৰ আহ্বান জনায়। আগন্তুক ১৫ আগষ্টৰ পাছৰ সভাত গ্ৰহণ কৰা সিদ্ধান্তসমূহৰ ওপৰত পৰ্যালোচনা কৰা হ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত লোক নিৰ্মাণ বিভাগ, স্বাস্থ্য বিভাগ, পৰিবহণ বিভাগ আৰু ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

■ লোক নিৰ্মাণ পথ বিভাগৰ অধীক্ষক অভিযন্তাক সদস্য সচিবৰ দায়িত্ব অৰ্পণ

সদৌ অসম সূৰ্য বৰা একাংক নাট প্ৰতিযোগিতাৰ সমিতিৰ বাৰ্ষিক সাধাৰণ সভা

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ৭ জুলাই ঃ কালি বিশ্বনাথ চাৰিআলি নগৰস্থিত বীণাপাণি নাট্য সমাজৰ সভা গৃহত সদৌ অসম সূৰ্য বৰা একাংক নাট প্ৰতিযোগিতাৰ সমিতিৰ ৬১ সংখ্যক বাৰ্ষিক সাধাৰণ সভাখন অনুষ্ঠিত কৰা হয়। এই সভাত সভাপতিত্ব কৰে অৰুণা বৰাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক গৌতম বৰাই। কালিৰ এই সাধাৰণ সভাৰ দ্বাৰা সদৌ অসম সূৰ্য বৰা একাংশ নাট প্ৰতিযোগিতাৰ ৬১ সংখ্যক বৰ্ষৰ নাট প্ৰতিযোগিতা পৰিচালনাৰ বাবে এখন ২১ জনীয়া নতুন কাৰ্যকৰী সমিতি সৰ্বসন্মতি ক্ৰমে গঠন কৰা হয়। এই সভাতে প্ৰথমে পুৰণি সমিতিখন ভংগ কৰি নতন সমিতি গঠন কৰা হয়। এই নতুন সমিতিখনৰ সৰ্বসন্মতি ক্ৰমে নতুন সভাপতি হিচাপে নিৰ্বাচিত কৰা হয় মোহন মহন্তক আৰু উপ-সভাপতিৰূপে নিৰ্বাচিত কৰা হয় দ্বীপ শইকীয়াক, সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰা হয় গৌতম বৰা, যুটীয়া সহকাৰী সম্পাদক দিপ্লু ভূএগ্ৰা আৰু মনিষ কলিতাক নিৰ্বাচিত কৰা হয়। কাৰ্যালয় সম্পাদক যজ্ঞেশ্বৰ বৰুৱা আৰু পৰীক্ষক হিচাপে ৰাজেন্দ্ৰ প্ৰসাদ দাসক নিৰ্বাচিত কৰাৰ লগতে এক শক্তিশালী ২১ জনীয়া সমিতি গঠন কৰা হয়। কালি এই কথা বিশ্বনাথ চাৰিআলি নগৰত জানিবলৈ দিয়ে সদৌ অসম বৰা একাংক নাট প্ৰতিযোগিতা সমিতিৰ নতুন সমিতিৰ উপ-সভাপতি দ্বীপ শইকীয়াই।

বিজনীত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা আমছুৰ।

স্বৰাংগিনী সংগীত বিদ্যালয়ৰ উদ্যোগত জ্যোতি-বিষ্ণু-ভূপেন্দ্ৰ সংগীতৰ কৰ্মশালা

অগ্ৰদূত বাৰ্তা

গৌৰীসাগৰ, ৭ জুলাই ঃ স্বৰাংগিনী সংগীত বিদ্যালয়ৰ উদ্যোগত অহা ১১ৰ পৰা ১৮ জুলাইলৈ এলানি জ্যোতি-বিষ্ণু-ভূপেন্দ্ৰ সংগীতৰ কৰ্মশালা অনুষ্ঠিত হ'ব। জনপ্ৰিয় কণ্ঠশিল্পী ৰণ কোঁৱৰ আৰু মনোজ বড়াই গৌৰীসাগৰৰ গৌৰী হোটেলৰ প্ৰথম মহলাত আয়োজিত কৰ্মশালাত প্ৰদান কৰিব প্ৰশিক্ষণ। বিয়লি দুই বজাৰ পৰা চাৰি বজালৈ অনুষ্ঠিত হ'ব লগা কৰ্মশালাত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুকসকলে নিৰ্ধাৰিত দিনৰ পূৰ্বে ৯৬৭৮৩৪৭৩৩০ নম্বৰৰ ফোনত যোগাযোগ কৰি যোগাযোগ নিশ্চিত কৰিব পাৰিব বুলি উদ্যোক্তা মণ্ডলীয়ে জনাইছে।

চেলেংহাটৰ ধোদৰ আলিত ভয়ংকৰ পথ দুৰ্ঘটনা ঃ নিহত এক

চেলেংহাট, ৭ জুলাই ঃ যোৰহাট জিলাৰ সীমান্তত জাঁজী নদীৰ কাষত হাতীমূৰীয়া দলংঘাটত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। ধোদৰ আলিত সংঘটিত দুৰ্ঘটনাত এজন লোক নিহত হয়। যোৱা নিশা এএছ-০৪ বিচি-৩৮১৭ নম্বৰৰ এখন পথ নিৰ্মাণত ব্যৱহৃত শিলভৰ্তি ডাম্পাৰ দুৰ্ঘটনাগ্ৰস্ত হয় আৰু গাড়ীখনৰ চালকজন থিতাতে নিহত হয়। নিহত চালকজন টেঙাখাট কোঁৱৰ গাঁৱৰ ফণীকান্ত কোঁৱৰ (২৭) বুলি জানিব পৰা গৈছে। ইতিমধ্যে চালকজনৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। দুৰ্ঘটনাত পতিত হোৱা শিলভৰ্তি ডাম্পাৰৰ উদ্ধাৰ কাৰ্য সম্পন্ন হৈছে। দুৰ্ঘটনাৰ খবৰ পাই তাৎক্ষণিকভাৱে চেলেংহাট আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ কাৰ্য আৰম্ভ কৰে। ৰাতিপুৱালৈ দুৰ্ঘটনাগ্ৰস্থ ডাম্পাৰখন ক্ৰেণৰ সহায়ত চেলেংহাট আৰক্ষী চকীলৈ নিয়া হয়।

নূপুৰ মেধিলৈ সংগীতশ্ৰী প্ৰভাত শৰ্মা উদ্‌গনি বঁটা

বিশেষ সংবাদদাতা

বৰপেটা, ৭ জুলাই ঃ সত্ৰ নগৰী বৰপেটাৰ উদীয়মান সত্ৰীয় শিল্পী নূপুৰজ্যোতি মেধিলৈ 'সংগীতশ্ৰী প্ৰভাত শৰ্মা উদ্‌গনি বঁটা 'আগবঢ়াইছে। লোক সংগীতৰ আজীৱন সাধক প্ৰভাত শৰ্মাৰ কায়িক বৰ্তমানত প্ৰকাশন গোষ্ঠী চিত্ৰাচলে ২০১৮ ৰে পৰা প্ৰদান কৰি আহিছে 'সংগীতশ্ৰী প্ৰভাত শৰ্মা উদ্‌গনি বঁটা। শিল্পীগৰাকীৰ জন্মতিথি সাঁত জুলাইৰ দিনটোতে প্ৰতিবছৰে সংশ্লিষ্ট বঁটা প্ৰাপকৰ নাম ঘোষণা কৰা হয়। সংগীতশ্ৰী প্ৰভাত শৰ্মা উদ্‌গনি বঁটা সমিতিয়ে শিল্পীগৰাকীৰ স্মৃতি ৰক্ষাৰ্থে কায়িকভাৱে অৱৰ্তমানতো এই বঁটা প্ৰদান অব্যাহত ৰাখিব। বিশেষকৈ লোক সংগীতৰ সাধনাত ব্ৰতী নৱ প্ৰজন্মক উদ্‌গনি দিয়াই এই বঁটা প্ৰদানৰ মুখ্য উদ্দেশ্য। ২০২২ৰ এই বঁটাৰ বাবে লেখক-সাংবাদিক উৎপল মেনা, নাট্যকৰ্মী নিৰ্মল দাস আৰু লেখক-শিল্পী মুকুল ৰাভাৰ নেতৃত্বত গঠিত বিশেষ জুৰী মণ্ডলীয়ে লোকবাদ্য তথা নৃত্য শিল্পী নূপুৰজ্যোতি মেধিক বাছনি কৰিছে। ১৯৯২ৰ ১৬ ফেব্ৰুৱাৰীত বৰপেটা চহৰৰ ইচ্ছাপুৰহাটীত জন্মগ্ৰহণ কৰা প্ৰয়াত প্ৰমোদ চন্দ্ৰ মেধিৰ পুত্ৰ নূপুৰজ্যোতি মেধিয়ে বৰপেটা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হয়। খোলবাদ্য আৰু সত্ৰীয়া নৃত্যত বিশাৰদ ডিগ্ৰী লাভ কৰা নূপুৰজ্যোতি মেধিয়ে সংগীত নাটক একাডেমীৰ অধীনত প্ৰশিক্ষক হিচাপে সত্ৰীয়া সংস্কৃতিৰ শিক্ষা দি অহাৰ লগতে অসমৰ বিভিন্ন স্থাপনত প্ৰশিক্ষকৰূপে কাম কৰি আহিছে। অসমৰ বিভিন্ন স্থানৰ লগতে দিল্লী, মধ্যপ্ৰদেশ, ঝাৰখণ্ড, এলাহাবাদ, ৰাজস্থান আদিত ভোৰতাল নৃত্যৰ লগতে খোল বাদ্য প্ৰদৰ্শন কৰি ভূয়সী প্ৰশংসিত হোৱা মেধিক এই বঁটাৰ বাবে বাছনি কৰাত বৰপেটাৰ সাংস্কৃতিক সমাজে আনন্দ প্ৰকাশ কৰিছে। বৰপেটাৰ উদীয়মান শিল্পীগৰাকীয়ে খোলবাদন, ভোৰতাল নৃত্য, সত্ৰীয়া নৃত্যৰে অসমীয়া সংস্কৃতিৰ উত্তৰণ আৰু প্ৰচাৰত সহায় কৰি আহিছে। বৰপেটাত অনুষ্ঠিতব্য এক সাংস্কৃতিক অনুষ্ঠানত এই বঁটা অলপতে মেধিক প্ৰদান কৰা হ'ব। ইপিনে, বিগত ২০২১ত সংশ্লিষ্ট বঁটাৰ বাবে নিৰ্বাচিত হোৱা দুধনৈৰ উদীয়মান কণ্ঠশিল্পী বৰষা ৰাভাকো একেটা অনুষ্ঠানতে বঁটা প্ৰদান কৰা হ'ব বুলি 'চিত্ৰাচল'ৰ সম্পাদক মৃণাল শৰ্মাই এক বিজ্ঞপ্তিযোগে জানিবলৈ দিছে।

পানীৰ পৰা হ'ব পৰা বিভিন্ন বেমাৰ-আজাৰ সন্দৰ্ভত বৰপেটাত সজাগতা সভা

বিশেষ সংবাদদাতা

বৰপেটা, ৭ জুলাই ঃ জনস্বাস্থ্য কাৰিকৰী বিভাগ, বৰপেটা সংমণ্ডল আৰু বৰপেটা চিকিৎসা মহাবিদ্যালয়ৰ যৌথ উদ্যোগত নিৰাপদ খোৱাপানী সেৱন আৰু পানীৰ পৰা হ'ব পৰা বিভিন্ন বেমাৰ-আজাৰৰ পৰা হাত সাৰি থাকিবলৈ এলানি সজাগতা শিবিৰৰ আয়োজন কৰা হয়। কালি পাটবাউসী গাঁৱত অনুষ্ঠিত সজাগতা শিবিৰত উপস্থিত থাকি বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ ৰমেন তালুকদাৰে বানপানীৰ পাছত হ'ব পৰা বিভিন্ন ৰোগৰ বিষয়ে আলোকপাত কৰাৰ লগতে ইয়াক প্ৰতিৰোধ কৰাৰ বাবে ল'বলগীয়া সাৱধানতা সম্পৰ্কে ৰাইজক অৱগত কৰায়। ইয়াৰ উপৰি জনস্বাস্থ্য কাৰিকৰী বিভাগ, বৰপেটা সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা আতিশ দীপাংকৰ চক্ৰৱৰ্তীয়ে খোৱাপানীৰ নিৰাপদ ব্যৱহাৰ আৰু পৰিশোধন প্ৰণালীৰ ওপৰত আলোকপাত কৰে। সজাগতা শিবিৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ তৰফৰ পৰা খোৱাপানী পৰিশোধন কৰিবলৈ ব্লিচিং পাউডাৰ আৰু হেলোজেন বড়ী বিতৰণ কৰাৰ লগতে কৰাৰ লগতে সচেতনতা প্ৰচাৰ পত্ৰিকা আৰু মাইকযোগে বাৰ্তা প্ৰেৰণ কৰাৰ লগতে খোৱাপানীৰ গুণাগুণ পৰীক্ষা কৰাৰ ব্যৱস্থা কৰা হয়। আনহাতে, পাঁচ জুলাইৰ দিনা সুন্দৰীদিয়া বামুনা আৰু গহিয়া গাঁৱতো এনে সজাগতা শিবিৰৰ আয়োজন কৰা হৈছিল। সজাগতা শিবিৰসমূহৰ পৰা বানপীড়িত জনসাধাৰণ যথেষ্ট উপকৃত হ'ব বুলি আশা কৰা হৈছে।

কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন

অগ্ৰদূত বাৰ্তা

বৰুৱাবামুণগাঁও, ৭ জুলাই ঃ দাধৰা সাংস্কৃতিক উন্নয়ন চ'ৰা আৰু দাধৰা শাখা সাহিত্য সভাৰ সৌজন্যত দাধৰা সাংস্কৃতিক উন্নয়ন চ'ৰাৰ প্ৰেক্ষাগৃহত যোৱা তিনি জুলাইত অনুষ্ঠিত এক অনুষ্ঠানত চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক অভিনন্দন জনোৱা হয়। এই উপলক্ষে দাধৰা শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৱসৰপ্ৰাপ্ত শিক্ষক অতুল বৰবৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়াই উন্নয়ন চ'ৰাৰ সভাপতি প্ৰকাশ শৰ্মাই। এটি সমবেত সংগীতেৰে আৰম্ভ হোৱা সভাত নিৰ্দিষ্ট নিৰ্দিষ্ট বক্তাৰ ভাষণ দি গোলাঘাট জিলা সাহিত্য সভাৰ সভাপতি পৱিত্ৰ বৰবৰাই ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশি এক সুন্দৰ বক্তব্য আগবঢ়ায়। সভাত নুমলীগড় তেল শোধনাগাৰৰ জ্যেষ্ঠ প্ৰবন্ধক তথা সংস্কৃতি সেৱক দেৱাঞ্জন বৰা আৰু মিছামৰা সমবায় সমিতিৰ সভাপতি মানস প্ৰতিম বৰুৱাই শিক্ষামূলক ভাষণ দিয়ে। স্থানীয় যথেষ্ট সংখ্যক ৰাইজৰ উপস্থিতিত অনুষ্ঠিত সভাখনত ২০গৰাকী কৃতী শিক্ষাৰ্থীক অভিনন্দন জনোৱা হয়। অনুষ্ঠানত অভিনন্দিত ছাত্ৰী অনন্যা শৰ্মা কাশ্যপৰ গীত আৰু দাধৰা নটৰাজ কলা কেন্দ্ৰৰ ছাত্ৰীসকলৰ দলীয় নৃত্যই সকলোকে আপ্লুত কৰে।

শিক্ষক নগেন চৌধুৰীৰ মৃত্যু

অগ্ৰদূত বাৰ্তা,

টিহু/বৰমা, ৭ জুলাই ঃ বৰমা গাঁও নিৱাসী, নমাটি জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক, বিশিষ্ট সমাজসেৱক নগেন চৌধুৰীৰ (৫০)ৰ কালি সন্ধিয়া নিজবাসগৃহ জুলুকীত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ আকস্মিক পৰলোকপ্ৰাপ্তি ঘটে। তথ্য মতে, চৌধুৰীয়ে বহুদিনৰে পৰা দুৰাৰোগ্য কৰ্কটৰোগত আক্ৰান্ত হৈ শাৰীৰিক অসুস্থতাত ভুগি চিকিৎসাধীন হৈ আছিল। পৰহি হঠাৎ তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটি শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ মৃত্যুত অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ পৰিছে।

■ কুঁহিপাত গোষ্ঠীৰ প্ৰতিষ্ঠা দিৱস

শিশুৰ দ্বাৰা ভাওনা প্ৰদৰ্শন, কৃতী শিক্ষাৰ্থীক অভিনন্দন

অগ্ৰদূত বাৰ্তা

বৰুৱাবামুণগাঁও, ৭ জুলাই ঃ দেৰগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত মিছামৰাৰ খনিকৰ গাঁৱৰ শিশুসকলৰ সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক দিশত উত্তৰণৰ বাবে গঠিত কুঁহিপাত সাংস্কৃতিক গোষ্ঠীৰ চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস যোৱা এক আৰু দুই জুলাইত খনিকৰ গাঁৱৰ নতুন নামঘৰত অনুষ্ঠিত হয়। এক জুলাইৰ পুৱা শিশুসকলৰ দ্বাৰা ৪০টা গছপুলি ৰোপণ, পতাকা উত্তোলন আদি কাৰ্যসূচীৰ পাছতে খনিকৰ প্ৰদীপ প্ৰাথমিক শাখাৰ সৌজন্যত ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠান অনুষ্ঠিত হয়। তিনি জুলাইত পুৱা নাম-প্ৰসংগ, প্ৰসাদ বিতৰণৰ পাছত দুপৰীয়া ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হয়। ৰক্তিম বৰা চিত্ৰাংকন আৰু শিক্ষক প্ৰকাশ দত্ত ৰচনা প্ৰতিযোগিতাৰ বিচাৰকৰ দায়িত্বত আছিল। বিয়লিলৈ বঁটা বিতৰণী আৰু কৃতী ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ প্ৰায় ২০গৰাকী স্থানীয় ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটোৰ আঁত ধৰে কুঁহিপাত সাংস্কৃতিক গোষ্ঠীৰ সম্পাদক তপন বৰুৱাই। সেইদিনাই নিশালৈ স্থানীয় শিশু আৰু চেমনীয়াসকলৰ অংশগ্ৰহণেৰে প্ৰদৰ্শন কৰা 'বৃকোদৰ নন্দনৰ কুৰুক্ষেত্ৰ গমন, দুৰ্যোধনৰ দৰ্প হৰণ' ভাওনাই দৰ্শকসকলক মোহিত কৰিবলৈ সক্ষম হয়। ভাওনা ভাগ উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক অভিবৰ্তন গোস্বামীয়ে।

খৈৰাবাৰীত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

টংলা, ৭ জুলাই ঃ হাইস্কুল শিক্ষান্ত পৰীক্ষাত লেটাৰ, ষ্টাৰ ডিষ্টিংচনসহ প্ৰথম বিভাগত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা খৈৰাবাৰী জাতীয় বিদ্যালয়ৰ কৃতী ছাত্ৰ-ছাত্ৰীসকলক কালি সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বিদ্যালয় সভাকক্ষত বিদ্যালয়খনৰ অধ্যক্ষ ধীৰেন মহলীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত কৃতী শিক্ষাৰ্থীসকলক ফুলাম গামোচা, মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে বিদ্যালয় কৰ্তৃপক্ষই। আটাইকেইটা বিষয়ত লেটাৰসহ ডিষ্টিংচন লৈ বিদ্যালয়খনৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ ৰাজ দেৱনাথে সম্বৰ্ধনা গ্ৰহণ কৰি তেওঁৰ সফলতাৰ ক্ষেত্ৰত নিজৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বহুখিনি অৰিহণা থকা বুলি উল্লেখ কৰে। বিদ্যালয়খনৰ স্বত্বাধিকাৰী পতিৰাম বড়োই সভাত ভাগ লৈ কয় যে বৰ্তমান প্ৰতিযোগিতাৰ যুগত শৈক্ষিক জীৱন সফলতাৰে আগুৱাই নিবলৈ ছাত্ৰ-ছাত্ৰীসকলে কঠোৰ শ্ৰম আৰু কষ্ট কৰিব লাগিব। নিয়মানুৱৰ্তিতা, সময়ৰ সদ্ব্যৱহাৰ আৰু অধ্যৱসায়ৰ মাজেৰে আগবাঢ়ি গ'লেহে শিক্ষাৰ্থীসকলে সফলতা লাভ কৰাটো সম্ভৱ হৈ উঠিব। শিক্ষাৰ্থীসকলে সদায় শিক্ষকসকলৰ স'তে এক মধুৰ সম্পৰ্ক বৰ্তাই ৰাখি চলিব লাগে বুলি সভাপতিৰ আসনৰ পৰা ধীৰেন মহলীয়াই পৰামৰ্শ আগবঢ়ায়। শিক্ষক প্ৰণৱ শৰ্মাই আঁত ধৰা উক্ত সভাত শিক্ষক ৰঞ্জন ৰাভা, মনোজ কলিতা, সুচিত্ৰা সেনে বিদ্যাৰ্থীসকলক উদ্দেশি সুন্দৰ বক্তব্য আগবঢ়ায়। বিদ্যালয়খনৰ অভিভাৱক নীলমণি দেৱনাথে খৈৰাবাৰী জাতীয় বিদ্যালয়ে ধাৰাবাহিকভাৱে হাইস্কুল শিক্ষান্ত পৰীক্ষাত আশাপ্ৰদ ভাল ফলাফল দেখুৱাই অহাত সন্তোষ প্ৰকাশ কৰে। সভাত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকল উপস্থিত থাকে। অসম সংগীতেৰে সভাৰ অন্ত পেলোৱা হয়।

পৰিশ্ৰমী আৰু অধ্যৱসায়ী হ'লে জীৱনত সফলতা আহিবই

■ নিতাইপুখুৰী বাপুতিগড়ত কীৰ্তিমানক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

ডিমৌ, ৭ জুলাই ঃ পৰিশ্ৰমী আৰু অধ্যৱসায়ী হ'লে জীৱনত সফলতা আহিবই। হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ একাংশ মেধাবী ছাত্ৰ-ছাত্ৰীয়ে পৰৱৰ্তী সময়ত সমাজৰ প্ৰতি থকা দায়িত্ব পাহৰি যায়। যিটো অতি দুৰ্ভাগ্যজনক। শিৱসাগৰ জিলাৰ নিতাইপুখুৰীৰ কাষৰীয়া বাপুতিগড় যুৱ সমাজৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত পদুমণি বালিকা প্ৰাথমিক বিদ্যালয়ত আজি অনুষ্ঠিত কীৰ্তি ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি এইদৰে মন্তব্য কৰে নিতাইপুখুৰী হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞানৰ সহকাৰী অধ্যাপক বিতুল শইকীয়াই। অধ্যাপকগৰাকীয়ে লগতে কয় যে পানীদিহিঙৰ সুসন্তান ডাঃ বুদ্ধ ডেকাবৰুৱাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ ডিমৌ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা বিজ্ঞান শাখাত লেটাৰসহ প্ৰথম বিভাগত হৈ কটন বিশ্ববিদ্যালয়ৰ পৰা সুখ্যাতিৰে স্নাতক ডিগ্ৰী লাভ কৰে। পৰৱৰ্তী সময়ত কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত গৱেষণা আৰু শিক্ষকতা কৰ্মৰে জিলিকি উঠে। নিতাইপুখুৰী তথা বিভিন্ন ঠাইৰপৰা প্ৰতিবছৰে সুখ্যাতিৰে পৰীক্ষাত উত্তীৰ্ণ হয় যদিও এওঁলোকৰ একাংশৰ আজি সামাজিকভাৱে অৱদান কম বুলিও অধ্যাপকগৰাকীয়ে আক্ষেপ প্ৰকাশ কৰে। অৱসৰপ্ৰাপ্ত শিক্ষক সৰ্বানন্দ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত নিতাইপুখুৰী হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মূৰব্বী অধ্যাপক শিৱৰঞ্জন শৰ্মাই বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি কয় যে এগৰাকী মাতৃৰ সমান মৰম আন কোনোৱেই দিব নোৱাৰে। বৰ্তমান সময়ত চৌদিশে বৃদ্ধাশ্ৰমৰ সংখ্যা বৃদ্ধি পাইছে। যিটো কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। অধ্যাপকজনে একাধিক উদাহৰণ দি ছাত্ৰ-ছাত্ৰীক ভাল মানহ হ'বলৈ পৰামৰ্শ দিয়ে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত নৱমস্থান অধিকাৰ কৰা জ্যোতিৰ্ময় দত্তৰ মাতৃ স্মিতা দত্তই কয় যে ক্লাছ দশমমানলৈ ছাত্ৰ-ছাত্ৰীক ম'বাইলৰ প্ৰয়োজন নাই। এইক্ষেত্ৰত তেওঁ নিজ সন্তানক দশমলৈ ম'বাইল দিয়া নাছিল। অৱশ্যে প্ৰয়োজন সাপেক্ষেহে ম'বাইলটো দিয়া হৈছিল বুলি কয়। ইফালে, সভাত চেপন মৌজাৰ মৌজাদাৰ পদ্মধৰ দত্ত,পদুমণি জনজাতি হাইস্কুলৰ প্ৰধান শিক্ষক মণ্টু শৰ্মা, মহাৰাণী এম ই স্কুলৰ প্ৰধান শিক্ষক মুকুট গগৈ,সাংবাদিক দীপক বড়া বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি বক্তব্য ৰাখে।সভাত হাইস্কুল শিক্ষান্ত পৰীক্ষাত নৱমস্থানপ্ৰাপ্ত জ্যোতিৰ্ময় দত্ত আৰু উচ্চতৰ মাধ্যমিক সুখ্যাতিৰে উত্তীৰ্ণ ৰিম্পী ফুকনে অনুভৱ ব্যক্ত কৰে। আনহাতে, সভাত পদুমণি বালিকা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী মনোমতী তামুলী, বাপুতিগড় যুৱ সমাজৰ মুখ্য সম্পাদক অবিনাশ বৰা, সদস্য পুলক দত্তকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে। যুৱ সমাজকৰ্মী পংকজ বৰাই আঁত ধৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বাপুতিগড় যুৱ সমাজৰ সভাপতি হেমন্ত দত্তই। গাঁওখনৰ জ্যোতিৰ্ময় দত্তকে ধৰি চৰগৰাকী কীৰ্তিমানক সম্বৰ্ধনা পত্ৰ, একোটা গছপুলি আৰু ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়।

উদমাৰী ইউনিটেৰিয়ান জাতীয় বিদ্যালয়ত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা-নৱাগত আদৰণি সভা

অগ্ৰদূত বাৰ্তা

জুৰীয়া, ৭ জুলাই ঃ জুৰীয়াৰ অগ্ৰণী ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান উদমাৰী ইউনিটেৰিয়ান জাতীয় বিদ্যালয় আৰু ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত কালি দিনজোৰা কাৰ্যসূচীৰে কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা আৰু নৱাগত আদৰণি সভা অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি, পুৱা স্বচ্ছতা অভিযানৰ পাছতে বৃক্ষৰোপণ, পতাকা উত্তোলন আৰু নৱাগত ছাত্ৰ-ছাত্ৰীৰ আদৰণি অনুষ্ঠান অনুষ্ঠিত হয়। দুপৰীয়া সম্বৰ্ধনা অনুষ্ঠানত সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মিণ্টু বৰদলৈয়ে। সভাত বিদ্যালয়খনৰ এই বৰ্ষৰ অংকুৰৰ পৰা দশম শ্ৰেণীলৈকে অধ্যয়নৰত স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱাৰ লগতে ২০২২ৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ-ছাত্ৰীসকলক এখন ফুলাম গামোচা, মেডেল, মানপত্ৰ আৰু কলমেৰে সম্বৰ্ধনা জনোৱা হয়। উক্ত সম্বৰ্ধনা সভাত বিদ্যালয়খনৰ অধ্যক্ষ ছফিকুল ইছলাম, উপাধ্যক্ষ শ্বেখ আব্দুলাহ নগাঁও বিদ্যামন্দিৰ জাতীয় বিদ্যালয়ৰ অধ্যক্ষ সুনীল বৰা জুৰীয়া মহাবিদ্যালয়ৰ প্ৰৱক্তা আনোৱাৰ হুছেইন, আজমল কলেজ অফ আৰ্টছৰ প্ৰৱক্তা মুকুট আনোৱাৰ হুছেইন, যুৱ সমাজকৰ্মী তৈয়াবুৰ ৰহমানৰ লগতে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ উপৰি অঞ্চলটোৰ বহুতো গণ্য-মান্য লোক উপস্থিত থাকে। বিয়লি আমন্ত্ৰিত শিল্পীৰ দ্বাৰা অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানেৰে আজিৰ দিনজোৰা কাৰ্যসূচীৰে সামৰণি পৰে।

অসম দাপোণ

অগ্ৰদূত

গুৱাহাটী, ৮ জুলাই, শুকুৰবাৰ ২০২২ পৃষ্ঠা ১০

এনডিএৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী

এক পৃষ্ঠাৰ পৰা তাজ ভিভাণ্টা হোটেলত বিজেপি আৰু ইয়াৰ মিত্ৰদলৰ বিধায়কসকলক সাক্ষাৎ কৰে। তাৰ বাবে তেওঁক অসম চৰকাৰৰ উদ্যোগত আদিবাসী গীত-নৃত্যৰে আদৰণি জনোৱা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই অনুষ্ঠানত দাবী কৰে যে নিৰ্বাচনত দ্ৰৌপদী মুৰ্মুৰ বিজয় নিশ্চিত আৰু তেওঁ এক ঐতিহাসিক বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হ'ব। মুৰ্মুৰ দৰে এগৰাকী নেত্ৰীক ৰাষ্ট্ৰপতি পদৰ বাবে প্ৰক্ষেপ কৰাটোৱে দেশবাসীৰ মাজত বিশেষ চৰ্চা লাভ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ভাৰতৰ জনতায়ো দ্ৰৌপদী মুৰ্মু ৰাষ্ট্ৰপতিৰ আসনত বহাটো বিচাৰিছে বুলি মুখ্যমন্ত্ৰীয়ে দাবী কৰে। আনহাতে ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই দাবী কৰে যে অসমৰ পৰা দ্ৰৌপদী মুৰ্মুৱে এশতকৈও অধিক ভোট লাভ কৰিব।

খেতিপথাৰ ৰূপান্তৰিত হৈছে মৰুভূমিলৈ

এক পৃষ্ঠাৰ পৰা শুকাবলৈ আৰম্ভ কৰিছে; কিন্তু বানত ডুব যোৱা কৃষকৰ কৃষিভূমিৰ পানী শুকাই যোৱাৰ লগে লগে মৰুভূমি সদৃশ কৃষিভূমি প্ৰত্যক্ষ কৰি কৃষক ৰাইজে চকুৰে ধোঁৱা-কোঁৱা দেখিছে। কিয়নো বানে ধোৱা কৃষিপথাৰত বলিয়া বানে একাঁঠুৰ পৰা এককাল পৰ্যন্ত বালি পেলাই থৈ গ'ল। সপোনৰ পথাৰখন মৰু সদৃশ হৈ পৰা হেতুকে পথাৰৰ বালিৰ দ'ম বিলাকলৈ চাই চাই কৃষকসকলে চকুলো নিগৰাইছে। শালি ধানৰ খেতি কৰিবলৈ অসমৰ্থ হৈ পৰিছে বালিয়ে পোত যোৱা পাথাৰসমূহ। ৰাজহ চক্ৰটোৰ বহু কৃষকৰ জীৱন-জীৱিকাৰ একমাত্ৰ স্থল এই কৃষিভূমি মৰুময় হৈ পৰাত অঞ্চলটোৰ কৃষি অৰ্থনীতি বিধ্বস্ত হৈ পৰাৰ সম্ভাৱনাই অধিক প্ৰকট হৈ পৰিছে। উল্লেখ্য যে কামপুৰ ৰাজহ চক্ৰৰ ভলভলীয়াগাঁও, মনোহৰ গাঁও, মাজৰআটি, পাছনিজাৰ, তেতেলিসৰা, নাৰিকলী, দেউৰী গাঁৱকে আদি কৰি কামপুৰ দক্ষিণ দিশে থকা পথাৰসমূহত তিনি-চাৰি ফুট পৰ্যন্ত খান্দিলে কেৱল বালি উঠা পৰিলক্ষিত হৈছে। ঘৰ-বাৰী সা-সম্পত্তি নিঃশেষ হোৱাৰ পাছত সোণগুটি ৰোৱাৰ ক্ষেত্ৰত শ শ বিঘা খেতিপথাৰ মৰুভূমিলৈ ৰূপান্তৰিত হোৱাত চৰকাৰৰ সহায় বিচাৰিছে।

জবকাৰ্ডৰ কেলেংকাৰিৰ ফলশ্ৰুতিতে

এক পৃষ্ঠাৰ পৰা পৰাকৈ লাহৰীঘাট উন্নয়ন খণ্ডৰ অন্তৰ্গত লাওভুৰুংগা আৰু কুশতলি পঞ্চায়তত পুঁজিৰ অভাৱ চলি আহিছে। দুৰ্নীতিৰ বাবেই পঞ্চায়ত দুখনত এই অৱস্থাৰ সৃষ্টি হৈছে। ইপিনে, বহু লোকৰ জবকাৰ্ডেই নাই। আনহাতে, থকাবোৰৰো বহুতে নিজৰ জবকাৰ্ডখন দেখিয়েই পোৱা নাই। কাৰণ দালালে শ্ৰমিকৰ জবকাৰ্ড নিজৰ হাতত ৰাখে। বেংকত টকা জমা হ'লেও আচল শ্ৰমিকে তাৰ অংশ নাপায়। দালালেই সেই ধন উলিয়াই নিয়ে। লাহৰীঘাট উন্নয়ন খণ্ডৰ অন্তৰ্গত খহনীয়া বিধ্বস্ত অস্তিত্বহীন পঞ্চায়তসমূহৰ বাসিন্দাসকল বিভিন্ন স্থানত সিঁচৰতি হৈ আছে। এই পঞ্চায়তসমূহত ভাড়াত জবকাৰ্ড পোৱাটো অতি সহজ। ভাড়াত লোৱা জবকাৰ্ডৰে ঠিকাদাৰসকলে এনৰেগাৰ বৃহৎ পুঁজিৰ আঁচনি অনায়াসে ৰূপায়ণ কৰাৰ অভিযোগ উঠিছে। খহনীয়াত বিধ্বস্ত পাভকাটি পঞ্চায়তত ভোটাৰ তালিকাত থকা ভোটাৰতকৈও জবকাৰ্ডৰ সংখ্যা অধিক। এনে কেলেংকাৰিৰ বাবে শ্ৰমিকসকল কাম নাপাই আৰু উপাৰ্জনো নোহোৱাত বহিঃৰাজ্যলৈ কামৰ সন্ধানত ঢাপলি মেলিবলৈ বাধ্য হৈছে। ফলস্বৰূপে অনাকাংক্ষিত পৰিণতিৰ সন্মুখীন হৈছে এনে বহু শ্ৰমিক।

নিচ্ছিন্ন শ শ গ্ৰামীণ পথ, যোগাযোগ স্তব্ধ

এক পৃষ্ঠাৰ পৰা ক্ষতিগ্ৰস্ত হোৱা দলঙৰ সংখ্যা হ'ল ২৫ খন।

বানত ৰাজ্যত চৌদিশে পথৰ ব্যাপক ক্ষতিসাধন হয়। কমেও ৩,৬৫০ টা স্থানত পথৰ ক্ষতিসাধন হোৱা বুলি দুৰ্যোগ ব্যৱস্থাপনা বিভাগে তথ্য লাভ কৰিছে। ৰাষ্ট্ৰীয় ঘাইপথ, ৰাজ্যিক ঘাইপথ, জিলা পথ, প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাকে ধৰি সকলো প্ৰকাৰৰ পথ এইবাৰ বানে ক্ষতিগ্ৰস্ত কৰে। পথবোৰৰ ভিতৰত প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা আৰু গ্ৰাম্য পথৰ সংখ্যাই সৰ্বাধিক। ইয়াৰে বহু পথ নতুনকৈ নিৰ্মাণ কৰা হৈছিল; কিন্তু নিৰ্মাণৰ কেইদিনমান পাছতে বানে বহু স্থানত পথৰ চিন-মোকামেই নোহোৱা কৰে। কালিও প্ৰায় ৪০ টা স্থানত গ্ৰাম্যপথৰ ক্ষতিসাধন হয়। এইবাৰৰ বানে গ্ৰাম্যপথৰ এনেদৰে ক্ষতিসাধন কৰে যে শ শ গাঁৱলৈ যোৱা পথৰ কোনো চিন-মোকামেই এতিয়া পাবলৈ নাই। জিলাবোৰৰ ভিতৰত নলবাৰীত সৰ্বাধিক চাৰি শতাধিক স্থানত পথৰ ক্ষতিসাধন হয়। ইয়াৰ পাছতে বৰপেটাত কমেও চাৰিশ স্থানত পথৰ ক্ষতি হয়। ধুবুৰীত তিনিশৰো অধিক স্থানত পথৰ ক্ষতি হয়। প্ৰাধিকৰণৰ মতে, ৰাজ্যৰ যোগাযোগ ব্যৱস্থাত শেহতীয়া বানটোৱে প্ৰচণ্ড মাধমাৰ শোধায়। শ শ গাঁও, অঞ্চলক বানে যোগাযোগ শূন্য কৰে। গতিকে সেইবোৰৰ পুনৰ নিৰ্মাণে ৰাজ্যৰ ৰাজকোষত এক বৃহৎ মাধমাৰ শোধোৱাটো নিশ্চিত হৈছে। পথ আৰু দলঙৰ সমান্তৰালকৈ শিক্ষানুষ্ঠান, অংগনৱাড়ী কেন্দ্ৰ আদিৰো এই বানত বিস্তৰ ক্ষতি হয়। ২,৬২০ টা অংগনৱাড়ী কেন্দ্ৰ এইবাৰৰ বানত ক্ষতিগ্ৰস্ত হয়।

প্ৰসংগক্ৰমে উল্লেখ্য যে এই পৰ্যন্ত চলিত বানত মৃত্যু হোৱা লোকৰ সংখ্যা হ'ল ১৭৬ জন। মানুহৰ উপৰি কমেও দুই লাখ পোহনীয়া বিভিন্ন প্ৰকাৰৰ জীৱ-জন্তু বানৰ কবলত পৰে। ইয়াৰ কিমান জীৱ-জন্তুৰ পানীত মৃত্যু হয়, তাৰ প্ৰকৃত তথ্য সংগ্ৰহ হোৱা নাই। অৱশ্যে সেই সংখ্যা কে'বা হেজাৰো হোৱাটো নিশ্চিত হৈছে। এতিয়াও বানৰ কবলত থকা জিলাকেইখন হ'ল বজালী, বৰপেটা, বিশ্বনাথ, কাছাৰ, চিৰাং, দৰং, ধেমাজি, ডিব্ৰুগড়, ডিমা হাছাও, গোলাঘাট, হাইলাকান্দি, কামৰূপ, কামৰূপ মহানগৰ, কৰিমগঞ্জ, লখিমপুৰ, মৰিগাঁও, নগাঁও, শিৱসাগৰ, শোণিতপুৰ আৰু তামুলপুৰ।

এছ ডি আৰ এফৰ অংশ মুকলি

ৰাজ্যত বানত হোৱা অভাৱনীয় ক্ষয়-ক্ষতিৰ বাবে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে এছ ডি আৰ এফৰ কেন্দ্ৰৰ অংশৰ দ্বিতীয়টো কিস্তি আগতীয়াকৈ মুকলি কৰি দিছে। সেই সূত্ৰে ২০২২-২৩ৰ বাবে অসমে আগতীয়াকৈ ৩৪২.৪ কোটি টকা মুকলি কৰি দিয়ে। এই পুঁজিৰ জৰিয়তে বানাক্ৰান্তসকলক চৰকাৰে সহায় কৰাৰ বাট অধিক প্ৰশস্ত হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ইয়াত প্ৰকাশ কৰে। গৃহ মন্ত্ৰণালয়ে সদৰী কৰা অনুসৰি অসম চৰকাৰে এছ ডি আৰ এফৰ কেন্দ্ৰীয় চৰকাৰৰ অংশৰ ধনখিনি ৰাজ্যৰ জটিল পৰিস্থিতিৰ বাবে আগতীয়াকৈ মুকলি কৰি দিয়াৰ আহ্বান জনাই আহিছিল। তাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰে ধনৰ এটা অংশৰ উক্ত পৰিমাণটো আজি মোকলাই দিয়াৰ অনুমোদন দিয়ে। ইয়াৰ বাবে ড° শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জ্ঞাপন কৰে।

আন্দোলন এৰি হিতাধিকাৰী হোৱাৰ

এক পৃষ্ঠাৰ পৰা উল্লেখ্য যে 'আত্মনিৰ্ভৰ অসম' আৰু 'পথাৰো আমাৰ-বজাৰো আমাৰ' মূলমন্ত্ৰৰে ৰাজ্যখনত কৰ্ম সংস্কৃতিৰ এক পৰিৱেশ গঢ়ি তোলা আৰু হেজাৰ হেজাৰ নিবনুৱাৰ স্বনিয়োজনৰ বাট প্ৰশস্ত কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে কেতবোৰ পদক্ষেপ গ্ৰহণ কৰিছে। বিশেষকৈ গাখীৰ, কণী, মাছ, মাংস আদি উৎপাদনৰ ক্ষেত্ৰত যাতে অসম স্বনিৰ্ভৰশীল হ'ব পাৰে এই ক্ষেত্ৰত অধিক গুৰুত্ব প্ৰদান কৰি সংশ্লিষ্ট বিভাগসমূহে তৎপৰতা অৱলম্বন কৰিছে। কৃষি, পশুপালন, মৎস্য আদি আনুষংগিক ক্ষেত্ৰসমূহৰ জৰিয়তে ৰাজ্যৰ দুই লাখ নিবনুৱাৰ সংস্থাপন পথ প্ৰশস্ত কৰাৰ কথা ইতিমধ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিভাগীয় মন্ত্ৰী অতুল বৰাই প্ৰকাশ কৰিছে। ফলত এইসমূহ ক্ষেত্ৰত ৰাজ্যৰ একাংশ জনগোষ্ঠী সংগঠনৰ নেতা-সদস্যক চৰকাৰে জড়িত কৰোৱাৰ পৰিকল্পনা গ্ৰহণ কৰি সংশ্লিষ্ট জনগোষ্ঠীসমূহৰ স্বায়ত্তশাসিত তথা উন্নয়ন পৰিষদসমূহক দায়িত্ব অৰ্পণ কৰা হৈছে বুলি দিছপুৰৰ এক সূত্ৰই সদৰী কৰিছে। উল্লেখ্য যে এই ক্ষেত্ৰত কোন কোন জনগোষ্ঠীৰ পৰিষদসমূহক ধন মুকলি কৰি দিছে সূত্ৰটোৱে তথ্য প্ৰকাশ নকৰিলে যদিও চুতীয়া উন্নয়ন পৰিষদলৈ ইতিমধ্যে গাহৰি-ব্ৰইলাৰ পালনৰ বাবে ধন আৱণ্টন দিয়া বুলি সদৰী কৰে। সমান্তৰালভাৱে বিভাগীয় সূত্ৰই সদৰী কৰা অনুসৰি, চুতীয়া জনগোষ্ঠীৰ ছাত্ৰ সংগঠন সদৌ অসম চুতীয়া ছাত্ৰ সন্থা আৰু চুতীয়া যুৱ সন্মিলন, অসমৰ নেতা-সদস্যক গাহৰি আৰু ব্ৰইলাৰ পালনৰ বাবে আঁচনি প্ৰদান কৰা হৈছে। অৱশ্যে এই আঁচনি সংগঠন বুলি দিয়া নাই, উন্নয়ন পৰিষদৰ স্ব-নিয়োজনৰ আঁচনিৰ জৰিয়তেহে প্ৰদান কৰা হৈছে আৰু হিতাধিকাৰীসকলক সংশ্লিষ্ট সংগঠনৰ নেতৃত্বই বাছনি কৰিছে বুলি কয়। উল্লেখ্য যে দুয়োটা সংগঠনৰ দুই শতাধিক যুৱক-যুৱতীৰ স্ব-নিয়োজনৰ বাট প্ৰশস্ত কৰাৰ লক্ষ্যৰে চুতীয়া উন্নয়ন পৰিষদে গাহৰি, ব্ৰইলাৰ পালনৰ বাবে এক কোটিৰো অধিক টকাৰ আঁচনি গ্ৰহণ কৰিছে। ইতিমধ্যে সংগঠনকেইটাৰ জিলা সমিতিসমূহৰ তত্বাৱধানত একোখনকৈ পৰিচালনা সমিতি তথা গোট গঠন কৰা হৈছে। এই গোটে নিজৰ জিলাসমূহত সংগঠনৰ নিৰ্বাচিত সদস্যসকলক লৈ কে'বাটা স্থানত গাহৰি আৰু ব্ৰইলাৰ পালন কৰিব বুলি এক নিৰ্ভৰযোগ্য সূত্ৰই সদৰী কৰিছে। ফলত চৰকাৰৰ এনে বলিষ্ঠ পদক্ষেপৰ জৰিয়তে ৰাজ্যখনত এক কৰ্ম-সংস্কৃতিৰ পৰিৱেশ গঢ়ি তুলিবলৈ সক্ষম হ'ব বুলি সচেতন মহলে আশা প্ৰকাশ কৰিছে।

ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী জনছনৰ পদত্যাগ

এক পৃষ্ঠাৰ পৰা নতুন নেতা নিৰ্বাচন নকৰা পৰ্যন্ত তেওঁ তত্বাৱধায়ক প্ৰধানমন্ত্ৰী হিচাপে থাকিব বিচাৰে। ভাষণত জনছনে কয় যে তেওঁৰ সাংসদসকলে তেওঁক দল বা দেশৰ নেতা হিচাপে যে নিবিচাৰে সেই কথা তেওঁৰ মনত স্পষ্ট হৈছে। মনকৰিবলগীয়া যে বিগত দিনকেইটাত দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰি তেওঁৰ চৰকাৰৰ বিভিন্ন পৰ্যায়ৰ মন্ত্ৰী-বিষয়াসকলে ধাৰাবাহিকভাৱে পদত্যাগ কৰিবলৈ ধৰে। পৰিস্থিতি এনে হৈ পৰে যে দেশখনৰ বিত্তমন্ত্ৰী ঋষি ছুনাকৰ পদত্যাগৰ পাছত এই পদত অধিষ্ঠিত হোৱাজনেও জনছনৰ পদত্যাগ দাবী কৰিবলৈ ধৰে। সূত্ৰত প্ৰকাশ যে চৰকাৰৰ বিভিন্ন স্তৰৰ মন্ত্ৰী আৰু সাংসদসহ প্ৰায় ৫০জনৰ পদত্যাগৰ পাছত শেষ পৰ্যন্ত জনছনে পদত্যাগ কৰিবলৈ সন্মত হয়। ইয়াৰ পাছতে ডাউনিং ষ্ট্ৰিটৰ প্ৰধানমন্ত্ৰীৰ বাসভৱনৰ সন্মুখত অস্থায়ী মঞ্চত ভাষণ দি তেওঁ এই কথা ঘোষণা কৰে। তেওঁ কয় যে তেওঁৰ নেতৃত্বৰ বিৰুদ্ধে প্ৰতিবাদ কৰি বিভিন্নজনে পদত্যাগ কৰাৰ পাছত তেওঁ আঁতৰি আহিবলৈ সিদ্ধান্ত লৈছে। অৱশ্যে বিকল্প বিচাৰি নোপোৱা পৰ্যন্ত তেওঁ এই পদত থাকিব।

জনছনে কয় যে নতুন নেতা বাছনিৰ সময়সূচী অহা সপ্তাহত ঘোষণা কৰা হ'ব। তেওঁ কয় যে প্ৰধানমন্ত্ৰী পদত থাকি তেওঁ যি কৰিব পাৰিছে তাৰ বাবে গৰ্বিত। প্ৰধানমন্ত্ৰিত্বৰ তিনি বছৰীয়া কাৰ্যকালত ব্ৰেক্সিট, ক'ভিড অতিমাৰীৰ সময়ত চৰকাৰ পৰিচালনা আৰু ৰাছিয়াৰ ইউক্ৰেইন আক্ৰমণৰ পৰৱৰ্তী পৰিস্থিতিৰে মোকাবিলা তেওঁ সফলতাৰূপে দাঙি ধৰে। চৰকাৰৰ বাঘজৰী এৰি আঁতৰিবলৈ লোৱাৰ সময়তো আজি জনছনে ইতিমধ্যে পদত্যাগ কৰা কে'বাজনো কেবিনেট মন্ত্ৰীৰ খালী ঠাইত নতুন নিযুক্তিৰে ডুৰন্ত নাৱক স্থিৰ কৰি ৰাখিবলৈ যত্নপৰ হোৱা দেখা যায়। অৱশ্যে মাত্ৰ দুদিন দায়িত্বত থাকিয়ে শিক্ষামন্ত্ৰী মিছেইল ডনেলানৰ পদত্যাগ আৰু বিত্তমন্ত্ৰী নাদিম জাহাৱিৰ পদত্যাগৰ আবেদনে আন এক নতুন অনাস্থা ভোটৰ আগজাননীৰ সকীয়নি দিছে। ৫০ৰো অধিক চৰকাৰী পদত্যাগৰ পাছত জনছনে ক্ষমতা খামোচ মাৰি আছিল। সূত্ৰত প্ৰকাশ যে জনছনে তেওঁৰ সতীৰ্থসকলক কৈছিল যে তেওঁক পদৰ পৰা আঁতৰাবলৈ হ'লে তেওঁলোকে হাত ৰক্তাক্ত কৰিব লাগিব।

উল্লেখ্য যে ভাৰতীয় মূলৰ ছুনাকৰ পদত্যাগে বিষয়টো অধিক জটিল কৰি তোলে। যোৱা মঙলবাৰে ছুনাকৰ লগতে স্বাস্থ্যমন্ত্ৰী ছাজিদ জাভেদৰ পদত্যাগৰ পাছত দীঘলীয়া শাৰীৰ সৃষ্টি হয়। বিগত কে'বামাহ ধৰি দুৰ্নীতিৰ অভিযোগে খেদি ফুৰিছিল জনছনক। ক'ভিডৰ তলাবন্ধৰ সময়ত ডাউনিং ষ্ট্ৰিটৰ প্ৰধানমন্ত্ৰীৰ বাসভৱনত জনছনে 'পাৰ্টি' কৰাৰ বিষয়টোক লৈ পৰিস্থিতি সংকটাপন্ন হয়। চলিত বৰ্ষৰ ফেব্ৰুৱাৰীত জনছনে খ্ৰীছ পিনছাৰক কনজাৰভেটিভ পাৰ্টিৰ ডেপুটি ছীফ হুইপ হিচাপে নিযুক্তি দিয়ে। ইয়াক লৈ বিতৰ্কৰ সৃষ্টি হয়। অভিযোগ অনুসৰি, প্ৰিন্সাৰে লণ্ডনৰ এটা ক্লাবত দুই যুৱকক অসৎ আচৰণ কৰিছিল। ইয়াৰ পূৰ্বেও তেওঁৰ বিৰুদ্ধে যৌন অসৎ আচৰণৰ অভিযোগ আছে। সংবাদ মাধ্যমত বাতৰি প্ৰকাশ কৰাৰ পাছত পদত্যাগ কৰে যদিও জনছনৰ দলৰ সাংসদসকলে কয় যে সকলো জানিও প্ৰিন্সাৰক নিযুক্তি দিয়া হৈছিল। ইয়াৰ উপৰি 'পাৰ্টিগেট' কেলেংকাৰিক লৈও সংকটৰ সন্মুখীন হয় জনছন। এই ঘটনাৰ বাবে তেওঁ অনাস্থা প্ৰস্তাৱৰো সন্মুখীন হৈছিল যোৱা ছয় জুনত। সেই সময়ত যিকোনো প্ৰকাৰে আসন চম্ভালি ৰাখিবলৈ সক্ষম হয় যদিও এইবাৰ পৰিস্থিতি জনছনৰ হাতৰ বাহিৰলৈ যায়। ২০২০ৰ ১৯ জুনত তলাবন্ধৰ সময়ত জনছনে তেওঁৰ জন্মদিনত প্ৰধানমন্ত্ৰীৰ বাসভৱনত আয়োজন কৰা পাৰ্টিত ক'ভিড প্ৰট'কল ভংগ কৰি ৩০জনে যোগদান কৰাৰ বাবে জৰিমনা ভৰিবলগা হয়। তলাবন্ধত মাত্ৰ দুজনৰহে অনুমতি আছিল। এই ঘটনাৰ বাবে সংসদত ক্ষমাও বিচাৰিছিল। সূত্ৰত প্ৰকাশ যে আগন্তুক অক্টোবৰলৈ নতুন প্ৰধানমন্ত্ৰী নিযুক্ত নোহোৱা পৰ্যন্ত পদ চম্ভালি থাকিব জনছনে। কালি পৰ্যন্ত পদ খামুচি থাকিবলৈ চেষ্টা কৰি থকা জনছনে অৱশেষত হাৰ মানিলে।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰীৰ দৌৰত নাম উল্লেখিত হৈছে বহুজনৰ। শীৰ্ষ দাবীদাৰৰূপে চিনাক্ত হৈছে ভাৰতীয় মূলৰ ছুনাকৰ নাম। ৪২ বছৰীয়া ছুনাক দেশৰ বিত্তমন্ত্ৰীৰূপে নিযুক্তি হৈছিল ২০২০ৰ ফেব্ৰুৱাৰীত। ছুনাক হৈছে ভাৰতীয় তথ্য প্ৰযুক্তি বহুজাতিক কোম্পানী ইনফছিছৰ সহ প্ৰতিষ্ঠাতা নাৰায়ণ মূৰ্তিৰ জোঁৱায়েক। অৱশ্যে ছুনাকেই নহয় এই দৌৰত আছে প্ৰাক্তন লেভেলিং আপ ছেক্ৰেটাৰী মাইকেল গ'ভ, আন্তৰ্জাতিক বাণিজ্য মন্ত্ৰী পেনী মোৰডণ্ট, প্ৰাক্তন বিদেশ মন্ত্ৰী লীজ ক্ৰছ, বিদেশী পৰিক্ৰমা অধ্যক্ষ ট'ম টুটেনধাক, প্ৰতিৰক্ষা মন্ত্ৰী বেনৱালেছ আৰু নাডিম জাহাৱি। প্ৰধানমন্ত্ৰীৰ সম্ভাব্যৰ তালিকাত ভাৰতীয় মূলৰ ছুনাকৰ নাম ব্ৰিটিছ সংবাদ মাধ্যমে প্ৰকাশ কৰিছে যদিও আন একাংশৰ মতে আজি পৰ্যন্ত ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীৰ আসনত শ্বেতাংগৰ বাহিৰে আন কোনো বহিব পৰা নাই। সেয়েহে কনজাৰভেটিভ পাৰ্টিয়ে ছুনাকক নিৰ্বাচিত যদি কৰে তেন্তে সেয়া হ'ব এক নতুন ইতিহাস। অতিমাৰীৰ সময়ত প্ৰথমে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয় ছুনাকে। তেওঁক জনছনেই বিত্তমন্ত্ৰী পদত বহুৱাইছিল। অতিমাৰীৰ সময়ত বৃহৎ পৰিমাণৰ চৰকাৰী ধন ব্যয় কৰি সাধাৰণ মানুহৰ তেওঁ একাধিক প্ৰকল্প হাতত লৈছিল। ইয়াৰ দ্বাৰা তেওঁ জনপ্ৰিয়তাও আৰ্জিছিল। অৱশ্যে পত্নী অক্ষতা ছুনাকৰ কিছুমান কৰ-অৰ্থনৈতিক বিষয়ক লৈ সমস্যাৰ সন্মুখীন হৈছিল ছুনাক।

বিশ্বনাথত গ্ৰেপ্তাৰ কুখ্যাত গঁড় চিকাৰী ৰচিদুল হক ওৰফে মেৰু

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ৭ জুলাই ঃ বন বিভাগৰ অভিযানত গ্ৰেপ্তাৰ হ'ল কুখ্যাত গড় চিকাৰী ৰচিদুল হক ওৰফে মেৰু ওৰফে বাবু। বন বিভাগৰ মুৰৰ কামোৰণি স্বৰূপ বহুতো গঁড় হত্যাৰ মূল পৰিকল্পনাকাৰী ৰছিদুলক বিচাৰি বহু বছৰ ধৰি জাল পাতি ৰাখিছিল বিশ্বনাথ জিলা বন বিভাগে; কিন্তু গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাছিল বন বিভাগে। ২০১৮ৰ ন জুনত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজনৰ শীলডুবি পানপুৰ শিবিৰত ৰচিদুলৰ নেতৃত্বতে হত্যা কৰা হৈছিল এটা গঁড়। তাৰ পাছৰ পৰাই ৰচিদুলে পলায়ন কৰিছিল কেৰালালৈ। প্ৰায় তিনি বছৰ কেৰালাত থাকি পুনৰ ৰচিদুল উভতি আহিছিল নিজ গৃহ বিশ্বনাথৰ চাৰি নম্বৰ ভোজমাৰিত। যোৱা নিশা বন বিভাগৰ এই জালত পৰে কুখ্যাত গঁড় চিকাৰীজন। বিশ্বনাথ বন্যপ্ৰাণী সংমণ্ডলৰ এটা অভিযানকাৰী দলে বিশ্বনাথৰ ভোজমাৰীৰ বিলত টঙিত শুই থকা অৱস্থাত গ্ৰেপ্তাৰ কৰে ৰচিদুলক।

কেৰালাত বিস্ফোৰণত মৃত্যু

এক পৃষ্ঠাৰ পৰা জ্যেষ্ঠ পুত্ৰ শ্বহিদুল। দুয়ো কান্নুৰ জিলাৰ মাট্টান্নুৰৰ কাচিমুক্কুত এটা ভঙা ছিঙা সামগ্ৰী ক্ৰয় কৰা প্ৰতিষ্ঠানত কৰ্মৰত আছিল। তাতেই ৰহস্যজনকভাৱে সংঘটিত এক বৃহৎ বিস্ফোৰণত ফজল হকৰ ঘটনাস্থলীতে মৃত্যু হয়। আনহাতে, এখন হাত ছিঙি যোৱা শ্বহিদুলক গুৰুতৰভাৱে আহত অৱস্থাত স্থানীয় এখন চিকিৎসালয়ত ভৰ্তি কৰা হয় যদিও তাতে তেওঁৰ মৃত্যু হয়। এই খবৰ লাভ কৰাৰ পাছতে পোৱাগাঁৱত থকা তেওঁলোকৰ পৰিয়ালত হাহাকাৰ লাগে। কেৰালা আৰক্ষীয়ে বিস্ফোৰণৰ তদন্ত অব্যাহত ৰাখিছে।

ডিমাপুৰৰ পৰা স্কুটীৰে সৰবৰাহ

এক পৃষ্ঠাৰ পৰা অৱস্থাতে মাৰাত্মক ড্ৰাগছসহ কলিয়াবৰ আৰক্ষীৰ জালত পৰিছে দুই সৰবৰাহকাৰী পুৰুষ-মহিলা। বিশেষ সূত্ৰৰ পম খেদি কলিয়াবৰৰ জখলাবন্ধাৰ আমগুৰিত ১১টা চাবোনৰ বাকচত জব্দ কৰে ড্ৰাগছখিনি। জব্দকৃত ড্ৰাগছখিনিৰ বজাৰ মূল্য প্ৰায় ৭০ লাখ টকা হ'ব বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ। ড্ৰাগছসহ আৰক্ষীয়ে আটক কৰে দুই সৰবৰাহকাৰীক। দুই সৰবৰাহকাৰী ক্ৰমে আলি আকবৰ আৰু মমতাজ বেগম নামৰ এগৰাকী মহিলা। দুয়োৰে ঘৰ কলিয়াবৰৰ বৰঘুলীত। ডিমাপুৰৰ পৰা কলিয়াবৰৰ বৰঘুলীলৈ স্কুটীৰে আহি আছিল মহিলাসহ দুই সৰবৰাহকাৰী। স্কুটীৰ হেডলাইটৰ তলত কৌশলৰে লুকুৱাই আনিছিল এই বৃহৎ পৰিমাণৰ ড্ৰাগছ। ড্ৰাগছসহ জব্দকৃত স্কুটীখনৰ নম্বৰ এ-এছ- ১২ জেড ৮৩২৭। কলিয়াবৰ মহকুমা আৰক্ষী বিষয়াৰ নেতৃত্বত জখলাবন্ধা আৰক্ষী আৰু চুলুং আৰক্ষীৰ অভিযানত উদ্ধাৰ হৈছিল মাৰাত্মক ড্ৰাগছখিনি। বৰ্তমান জখলাবন্ধা আৰক্ষী থানাত কলিয়াবৰ মহকুমা আৰক্ষী বিষয়া মৃণ্ময় দাসে অধিক তথ্যৰ বাবে জেৰা চলাই আছে দুই সৰবৰাহকাৰীক।

বহিঃৰাজ্যত কাম কৰিবলৈ গৈ

এক পৃষ্ঠাৰ পৰা এই ঘটনাটোৱে ডিব্ৰুগড়ত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। যাত্ৰাপথতে দুৰ্বৃত্তৰ আক্ৰমণৰ বলি হয় লোকজন। গুৰুতৰভাৱে আহত লোকজনক মন্ত্ৰী বিমল বৰাৰ উদ্যোগত বিমানেৰে গৃহ জিলা ডিব্ৰুগড়লৈ অনা হয়। আজি বিমানেৰে আহি ডিব্ৰুগড়ৰ মোহনবাৰী বিমানকোঠত উপস্থিত হোৱাৰ পাছতে অসম চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হয় সুখীধৰ চুতীয়া নামৰ লোকজনক। প্ৰাপ্ত তথ্য অনুসৰি ডিব্ৰুগড় জিলাৰ টিংখাং সমষ্টিৰ দুই নম্বৰ নাচনীৰ বাসিন্দা বাবা ওৰাং আৰু সুখীধৰ চুতীয়াই যোৱা ২৬ মে'ত চেন্নাইলৈ কৰ্মসংস্থাপন বিচাৰি ৰেলেৰে ৰাওনা হৈছিল। ৰেলৰে গৈ থকা অৱস্থাত ৰেলত দুৰ্বৃত্তৰ আক্ৰমণৰ বলি হ'বলগীয়া হয় লোক দুজন। তেতিয়াই ৰেলৰ পৰা পলাবলৈ গৈ ৰহস্যজনকভাৱে মৃত্যুক সাবটি ল'বলগীয়া হয় বাবা ওৰাঙে। ওৰাঙৰ মৃতদেহ পশ্চিমবংগৰ হাওৰা ৰেল ষ্টেছনৰ সমীপত উদ্ধাৰ কৰে ৰেল আৰক্ষীয়ে। আনহাতে, সুখীধৰ চুতীয়াই উক্ত ৰেলখনৰ পৰা পলায়ন কৰি আন এখন ৰেলৰে কোনোমতে হাওৰালৈ আহে যদিও হাওৰাত পুনৰ দুৰ্বৃত্তৰ কবলত পৰে। পলায়ন কৰাৰ চেষ্টা কৰোতে গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ অজ্ঞান হৈ পৰি ৰয়। অৱশেষত তেওঁক আৰক্ষীয়ে উদ্ধাৰ কৰি স্থানীয় হাস্পতালত ভৰ্তি কৰে।

ভাড়া ঘৰ বিচাৰি ঘূৰিছে

এক পৃষ্ঠাৰ পৰা প্ৰথমে ভঙা হৈছে। বিৰোধী বিধায়কসকলে ৰাজহুৱা ধনৰ অপচয় নকৰিবলৈ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি স্মাৰকপত্ৰ দাখিল কৰিছিল; কিন্তু আজিলৈকে সেই পত্ৰৰ কোনো উত্তৰ নাহিল। বৰঞ্চ একাংশ আৱাস ভাঙিবলৈ আৰম্ভ কৰাটোৱে সেই স্মাৰকপত্ৰক চৰকাৰে গুৰুত্ব নিদিয়াটো স্পষ্ট হৈছে।

ঘৰ ভঙাক লৈয়ে আগতীয়া প্ৰস্তুতি হিচাপে একাংশ বিধায়কে ভাড়া ঘৰ বিচাৰিবলৈ আৰম্ভ কৰিছে। ভাড়া ঘৰ বিচৰাত এক হৈছে সাপ-নেউলো। আজি দুপৰীয়া একেখন গাড়ীৰে ভাড়া ঘৰৰ সন্ধানত ওলায় কংগ্ৰেছৰ আব্দুল কালাম ৰছিদ মণ্ডল, এআইইউডিএফৰ কৰিমুদ্দিন বৰভূঞা আদি। একেখন গাড়ীৰে তেওঁলোক ভাড়া ঘৰৰ সন্ধানত নামে। অৱশ্যে আজি তেওঁলোকে বিচৰা ধৰণে এটাও ঘৰ নাপালে। এআইইউডিএফৰ বিধায়কৰ লগত একেখন গাড়ীৰে ভাড়া ঘৰ বিচাৰি ফুৰা সন্দৰ্ভত বিধায়ক মণ্ডলে কয় যে বাহিৰত তেওঁলোক বন্ধু। আদৰ্শগত পাৰ্থক্য বিধানসভা আৰু দলীয় মঞ্চত থাকিলেও ব্যক্তিগত সম্পৰ্ক তেওঁলোকৰ বন্ধুৰ দৰে। গতিকে ভাড়া ঘৰ বিচাৰি তেওঁলোক একেলগে অভিযানত নামিছে। বিধায়ক মণ্ডলে লগতে কয় যে বিধায়ক আৱাসটো তেওঁলোকৰ কাৰ্যালয়। সেই কাৰ্যালয়লৈ সমষ্টিৰ পৰা বহু মানুহ আহে। গতিকে ভাড়া ঘৰটোও তাৰ বাবে সুবিধা থকা হ'ব লাগিব। তদুপৰি তেওঁ কয়, 'ভাড়া ঘৰলৈ সমষ্টিৰ মানুহ আহি থাকিলে চুবুৰীয়াই আপত্তি কৰিব পাৰে। তেতিয়া মানুহবোৰ অসন্তুষ্ট হ'লে সমষ্টিত আমাৰ অস্তিত্বই নোহোৱা হ'ব। আমি মুখ্যমন্ত্ৰী-বিধানসভাৰ অধ্যক্ষক আমাৰ আপত্তি দৰ্শাইছিলো; কিন্তু এতিয়ালৈকে তেওঁলোকে কোনো বিকল্প পথ উলিয়াব নোৱাৰিলে। সেইকাৰণে আমি একেলগে সুবিধাজনক ঠাই বিচাৰি আছো।'

জেএমবিৰ সহযোগীৰ জিম্মাৰ

এক পৃষ্ঠাৰ পৰা মোকাদ্দেজৰ বাসগৃহৰ সন্মুখৰ নাৰ্চাৰীখনৰ পৰা শক্তিশালী হস্তনিৰ্মিত বোমাসহ আন কেতবোৰ বিস্ফোৰক সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হয়। নাৰ্চাৰীত লুকুৱাই ৰখা অৱস্থাত আৰক্ষীয়ে তিনিটা হস্তনিৰ্মিত বোমা, তিনিডাল ডিটনেটৰ আৰু এক্সপ্ল'ছিভ ১৯ নিউজেল চাৰিডাল আৰু পাঁচটা ম'বাইল ফোন জব্দ কৰে। আৰক্ষীয়ে সোধ-পোছৰ অন্তত মুকাদ্দেজ আৰু হাফিজক সন্ধিয়া গ্ৰেপ্তাৰ কৰে। সম্প্ৰতি মোকাদ্দেজ আৰু হাফিজক বৰপেটা সদৰ আৰক্ষী থানাত জেৰা কৰি থকা হৈছে। জব্দকৃত বিস্ফোৰক সামগ্ৰীখিনিৰে বৰপেটাৰ কোনো স্থানত কূটাঘাতৰ পৰিকল্পনা কৰা হৈছিল বুলি সন্দেহ কৰা হৈছে। উল্লেখ্য যে ধৃত হাফিজ ২০১৯তো অন্য এক গোচৰত গ্ৰেপ্তাৰ হৈছিল। বাংলাদেশৰ ইছলামিক সন্ত্ৰাসবাদী সংগঠন জেএমবিৰ স'তে জড়িত থকাৰ অভিযোগত তেওঁক গ্ৰেপ্তাৰ কৰা হৈছিল। সেই দিশৰ পৰাও হাফিজৰ সহযোগী মোকাদ্দেজৰ জিম্মাৰ পৰা হস্তনিৰ্মিত বোমা আৰু বিস্ফোৰক সামগ্ৰী উদ্ধাৰ হোৱা ঘটনাই বিশেষ তাৎপৰ্য বহন কৰিছে বুলি আৰক্ষী সূত্ৰই কয়।

হায়দৰাবাদৰ খাদ্য সামগ্ৰীৰ

এক পৃষ্ঠাৰ পৰা বি আই ই অ'ৰে সদৰী কৰা অনুসৰি, দৰঙৰ খাৰুপেটীয়া আৰক্ষী থানাৰ অধীনৰ বালুগাঁও বজাৰত থকা মেচাৰ্চ ৰেহান ষ্ট'ৰৰ স্বত্বাধিকাৰী ইব্ৰাহীম খলিলে যোৱা ১৪ জুনত এখন এজাহাৰ দাখিল কৰিছিল। তাত খাদিৰ আহমেদ, আছিছ বেহেৰা, দীপাংকৰ সাহা, শুভংকৰ সাহা নামৰ তিনিজন লোকক অভিযুক্ত কৰা হৈছে। অভিযোগ কৰা অনুসৰি, দীপাংকৰ সাহা আৰু শুভংকৰ সাহাই ইব্ৰাহীমৰ লগত চুক্তি কৰিছিল। এই চুক্তি অনুসৰি খাদিৰ আহমেদৰ হায়দৰাবাদস্থিত মেচাৰ্চ বানু কনজিউমাৰ প্ৰডাক্টে বিস্কুট, চানপাপৰি আদি বিভিন্ন সামগ্ৰী ইব্ৰাহীম খলিলক যোগান ধৰিব। তাৰ বিনিময়ত আগতীয়াকৈ কিছু ধন আদায় দিব লাগিব। সেই অনুসৰি, ইব্ৰাহীমে বানু কনজিউমাৰ প্ৰডাক্টক বিভিন্ন সময়ত ১৮ লাখ টকা আদায় দিয়ে; কিন্তু তাৰ বিনিময়ত তেওঁক ম্যাদ উকলা, খোৱাৰ অনুপযোগী খাদ্য সামগ্ৰীহে যোগান ধৰা হয়। সেই বিষয়ে অৱগত কৰা সত্ত্বেও খাদ্য সামগ্ৰীবোৰ সলাই দিয়াটো বাদেই পৰিশোধ কৰা ধনো ওভতাই নিদিলে বুলি অভিযোগ কৰা হৈছে। উক্ত এজাহাৰৰ ভিত্তিত বি আই ই অ'ৰে অনুসন্ধান চলাই শেহতীয়াভাৱে শুভংকৰ সাহাক গ্ৰেপ্তাৰ কৰে। এই অনুসন্ধানত বানু কনজিউমাৰ প্ৰডাক্ট এটা ভুৱা প্ৰতিষ্ঠান বুলিও প্ৰতিপন্ন হয়। এই সন্দৰ্ভত অধিক অনুসন্ধান অব্যাহত আছে। ইয়াৰ লগতে বি আই ই অ'ৰে সদৰী কৰে যে শেহতীয়াকৈ তেওঁলোকে ৰাজধানী এক্সপ্ৰেছযোগে অসমলৈ অবৈধভাৱে প্ৰেৰণ কৰা বৃহৎ পৰিমাণৰ ধপাত, জোতা, ছেণ্ডেল আদি জব্দ কৰে। কৰ ফাঁকিৰে প্ৰেৰণ কৰা সামগ্ৰীখিনিৰ কৰৰ পৰিমাণ চাৰি কোটি ৪২ লাখ তিনি হেজাৰ ১৪৮ টকা বুলি ধাৰ্য কৰা হৈছে। বি আই ই অ'ত ক'অপাৰেটিভ বেংকৰ প্ৰাক্তন পৰিচালন সঞ্চালক শুভ্ৰজ্যোতি ভৰালীৰ জেৰা অব্যাহত আছে বুলিও বিভাগটোৱে সদৰী কৰে। উল্লেখ্য যে ভৰালীৰ বিৰুদ্ধে বেংকটোৰ কে'বা কোটি টকা আত্মসাতৰ অভিযোগ উঠিছে।

এতিয়াও মৃত ঘোষণা কৰা হোৱা নাই

এক পৃষ্ঠাৰ পৰা এতিয়ালৈ ল'ৰা দুজন সন্ধানহীন হৈ থকা বুলিহে জনাইছে। ক্ষতিপূৰণৰ কথা একো কোৱা নাই। বাকী নিৰুদ্দিষ্টসকলৰ আত্মীয়সকলেও এই সন্দৰ্ভত বৰ্তমানলৈ নিশ্চিত নহয়।' এনে ক্ষেত্ৰত বিষয়টোক লৈ শংকিত হৈ পৰিছে সন্ধানহীন হৈ থকা দৰিদ্ৰ পৰিয়ালৰ যুৱকসকলৰ আত্মীয়। মণিপুৰ চৰকাৰে এইসকল লোকক মৃত বুলি ঘোষণা কৰিলেহে তেওঁলোকে ক্ষতিপূৰণ পোৱাটো নিশ্চিত হ'ব। সমান্তৰালকৈ আছু, সদৌ তিৱা ছাত্ৰ সন্থা, তিৱা যুৱ ছাত্ৰ পৰিষদ, আমছুকে ধৰি বিভিন্ন দল-সংগঠনৰ লগতে তৃণমূল কংগ্ৰেছ, অসম জাতীয় পৰিষদ, অগপ আদিয়েও দাবী কৰিছে যে তেওঁলোক যিহেতু অসম সন্তান সেয়ে এই ক্ষেত্ৰত অসম চৰকাৰৰো দায়িত্ব আছে। গতিকে অসম চৰকাৰেও প্ৰতিজন আহত, নিহতক ক্ষতিপূৰণ দিব লাগে। অৱশ্যে বৰ্তমানলৈ বিষয়টো এনেদৰেই ওলমি আছে। আনহাতে, চিকিৎসাধীন পাঁচজনৰ তিনিজন পুনৰ অসুস্থ হৈ পৰাত তেওঁলোকক উন্নত চিকিৎসাৰ বাবে মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। আঘাতপ্ৰাপ্ত পাঁচজন লোকৰ জীৱন ৰক্ষা পৰিছে যদিও কঁকাল, মূৰ আৰু ভৰিত বেয়াকৈ আঘাত হোৱা লোককেইজন সুস্থ হৈ উঠিবলৈ সময়ৰ প্ৰয়োজন হব; কিন্তু মণিপুৰ চৰকাৰে তেওঁলোকলৈ আগবঢ়োৱা ৫০ হেজাৰ টকাৰে চিকিৎসা কৰি তেওঁলোক সম্পূৰ্ণ সুস্থ হ'ব পাৰিব নে নাই তাতো সন্দেহ আছে। সেয়ে অঞ্চলবাসীয়ে সদ্যহতে সাময়িক সকাহৰ বাবে আটাইকেইজন আক্ৰান্ত শ্ৰমিকৰ আত্মীয়কে কিছু পৰিমাণে হ'লেও এককালীন সাহায্য আগবঢ়াবলৈ চৰকাৰক দাবী জনাইছে।

দুই বন্ধ কাগজ কলৰ কৰ্মচাৰীলৈ আৰ্থিক

এক পৃষ্ঠাৰ পৰা ২০০৩ গৰাকী নিয়মীয়া কৰ্মচাৰী আৰু ৭৪৮ গৰাকী ঠিকাভিত্তিক কৰ্মীকে ধৰি ২৭৫১ গৰাকী কৰ্মচাৰীক উপকৃত কৰিব।

এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই আজিৰ দিনটো ৰাজ্যখনৰ বাবে অত্যন্ত ইতিবাচক দিন বুলি অভিহিত কৰে। তেওঁ কয় যে হিন্দুস্তান পেপাৰ কৰ্প'ৰেছন লিমিটেডৰ নগাঁও আৰু কাছাৰস্থিত কাগজ কল দুটা বন্ধ হৈ যোৱাৰ পিছত বিগত ৫-৬ বছৰ ধৰি কল দুটাৰ কৰ্মচাৰী, কৰ্মীকে ধৰি তেওঁলোকৰ পৰিয়ালৰ লোকসকলৰ দুৰ্দশাই ৰাজ্যখনৰ জনসাধাৰণক উদ্বিগ্ন কৰি ৰখাৰ লগতে এই সন্দৰ্ভত সংবাদ মাধ্যমতো বিভিন্ন বাতৰি প্ৰকাশিত হৈছিল। ৰাজ্যত প্ৰথমবাৰৰ বাবে বিজেপি নেতৃত্বাধীন চৰকাৰ শাসনলৈ অহাৰ পিছত কল দুটাৰ কৰ্মচাৰীসকললৈ বিনামুলীয়া বিদ্যুৎ সেৱা, কৰ্মচাৰীসকলৰ সন্তানৰ শিক্ষা গ্ৰহণত সহায়ক হোৱাকৈ বৃত্তি প্ৰদান আদিৰ দৰে ব্যৱস্থা লোৱা হৈছিল বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বিজেপি নেতৃত্বাধীন চৰকাৰখন দ্বিতীয়বাৰৰ বাবে শাসনলৈ অহাৰ পিছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ দিকনিৰ্দেশনা সাৰোগত কৰি কাগজ কল দুটা বন্ধ হৈ পৰাৰ ফলত সৃষ্টি হোৱা সমস্যাৰাজি সমাধানৰ অৰ্থে যাৱতীয় পদক্ষেপ লৈ পৰৱৰ্তী সময়ত কল দুটা ক্ৰয়ৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰে। তেওঁ লগতে মন্তব্য কৰে যে এই সময়ছোৱাত ৰাজ্য চৰকাৰে দুয়োটা কাগজ কলৰ কৰ্মচাৰী সংগঠনৰ স'তে দীঘলীয়া বৈঠকত মিলিত হৈ কল দুটা বন্ধ হোৱা দিনটোলৈকে আদায় দিবলৈ বাকী থকা দৰমহা, কল দুটাৰ নিয়োগযোগ্য কৰ্মচাৰীক তেওঁলোকৰ যোগ্যতা ভিত্তিত অসম চৰকাৰৰ অধীনত পুনৰ সংস্থাপনৰ ব্যৱস্থা আদিৰ দৰে সিদ্ধান্ত লোৱা হৈছিল।

আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে কয় যে এই সাহায্য পেকেজৰ অধীনত ২৫ কোটি টকাৰ বৰ্দ্ধিত পুঁজিৰে কাগজ কল দুটাৰ কৰ্মচাৰীসকলৰ কল্যাণৰ অৰ্থে এটা ন্যাস গঠন কৰাৰ ব্যৱস্থা লোৱা হৈছে। এই ন্যাসৰ পুঁজিৰ পৰা বছৰি লাভ কৰা সুতৰ টকা কৰ্মচাৰীসকলৰ চিকিৎসা, শৈক্ষিক আৰু সামাজিক সুৰক্ষাৰ দিশত ব্যয় কৰা হ'ব। কাছাৰ কাগজ কলটোৰ ভূমিত পুনৰ এটা কাগজ কল আৰম্ভ কৰাৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা ল'ব বুলিও তেওঁ ভাষণ প্ৰসংগত সদৰী কৰে। আনহাতে, জাগীৰোড কাগজ কলৰ ভূমি ৰাজ্যৰ ৰাজধানীক্ষেত্ৰ সম্প্ৰসাৰণৰ বাবে ব্যৱহৃত হ'ব বুলি তেওঁ কয়। ড° শৰ্মাই লগতে সদৰী কৰে যে দ্ৰুত যাতায়াতৰ সুবিধাৰ্থে গুৱাহাটী আৰু জাগীৰোডৰ মাজত আঠশৰীয়া 'ছুপাৰ হাইৱে' নিৰ্মাণৰ বাবেও ৰাজ্য চৰকাৰে পৰিকল্পনা লৈছে। উল্লেখ্য যে ৰাজ্য চৰকাৰে ৮৪ গৰাকী নিয়োগযোগ্য কৰ্মচাৰীক তেওঁলোকৰ যোগ্যতাৰ ভিত্তিত অসম চৰকাৰৰ অধীনত পুনৰ সংস্থাপন প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে। আজিৰ অনুষ্ঠানতে কাগজ কল দুটাৰ নিয়োগযোগ্য ৬৬ গৰাকী কৰ্মচাৰীক ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগত নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰীয়ে কাগজ কল দুটাৰ একাংশ কৰ্মচাৰীলৈ আৰ্থিক সাহায্যৰ চেক প্ৰদান কৰি তেওঁলোকক চৰকাৰৰ পৰা লাভ কৰা এই ধনৰাশিৰ উচিত ব্যৱহাৰৰ বাবে আহ্বান জনায়। তেওঁ লগতে মন্তব্য কৰে যে যিকোনো ৰাজহুৱা প্ৰতিষ্ঠান বা বিভাগত অনিয়ম আৰম্ভ হোৱা বুলি অৱগত হোৱা মাত্ৰকে সংশ্লিষ্ট বিভাগ বা প্ৰতিষ্ঠানৰ বিষয়া-কৰ্মচাৰীসকলে সেই সন্দৰ্ভত চৰকাৰক অৱগত কৰা উচিত। এনে পদক্ষেপৰ দ্বাৰা অধিক অনিয়ম সংঘটিত হোৱাৰ পথ ৰোধ কৰিব পৰা যায়।

উদ্যোগ আৰু বাণিজ্য বিভাগৰ সচিব ড° লক্ষ্মণন এছ-এ আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানটোত পৰিৱেশ আৰু বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী বিমল বড়ায়ো ভাষণ প্ৰদান কৰে। অনুষ্ঠানত মন্ত্ৰী অতুল বৰা, পৰিমল শুক্লবৈদ্য, অজন্তা নেওগ, যোগেন মহন, ৰঞ্জিত কুমাৰ দাস, সঞ্জয় কিষাণ, ইউ জি ব্ৰহ্ম, পীযুষ হাজৰিকা, নন্দিতা গাৰ্লোচা, এ আই ডি চিৰ অধ্যক্ষ তথা বিধায়ক প্ৰশান্ত ফুকনৰ উপৰি ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও শীৰ্ষ বিষয়া, কাগজ কল দুটাৰ কৰ্মচাৰীকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

জলবিদ্যুৎ আৰু নদীবান্ধৰ ক্ষমতাৰ যুদ্ধ

এক পৃষ্ঠাৰ পৰা বিৰুদ্ধে যায়। কাৰণ বিশ্বৰ প্ৰায়বিলাক নদীবান্ধে বিশ্ববেংকৰ পৃষ্ঠপোষকতাত সজা হৈছে। বিশ্বৰ প্ৰায়বিলাক নদীবান্ধলৈ বিশ্ববেংকে অৰ্থ যোগান ধৰিছে। এনে পৰিস্থিতিত প্ৰায় সকলো নদীবান্ধ আন্দোলনে বিশ্ববেংকৰ নদীবান্ধৰ পৃষ্ঠপোষকতা কৰা ব্যৱস্থাটোৰ বিৰোধিতা কৰিছে। এই বিৰোধিতাৰ ফলত বৃহৎ নদীবান্ধৰ ক্ষেত্ৰত বিশ্ববেংকৰ কাৰ্যসূচীত কিছু ভাটা পৰিল। বৃহৎ নদীবান্ধৰ বাবে ধন বিনিয়োজনৰ ক্ষেত্ৰত বিশ্ববেংকৰ ব্যৱসায় কিছু পৰিমাণে কমি আহিল। বিশ্ববেংকৰ এক হিচাপ মতে ১৯৭০ৰ দশকত বিশ্ববেংকে চাৰি শতাংশ বৃহৎ নদীবান্ধৰ বাবে অৰ্থ সাহায্য আগবঢ়াইছিল। ১৯৯০ত বিশ্ববেংকৰ নদীবান্ধ প্ৰকল্পৰ বিনিয়োজন প্ৰায় আধালৈ কমি আহিল। অৱশ্যে ৯০ৰ দশকত সমগ্ৰ বিশ্বতে নদীবান্ধ সজাৰ ক্ষেত্ৰত বিভিন্ন প্ৰকাৰৰ বাধা আহি পৰিল। ১৯৭৫ৰ পৰা ৯০ৰ ভিতৰত বৃহৎ নদীবান্ধ সজা অগ্ৰণী দেশসমূহত বছৰি প্ৰায় ৪০০ কৈ বৃহৎ নদীবান্ধ সজা হৈছিল। কিন্তু ১৯৯০ৰ পাছত গড় হিচাপে বছৰি সজা নদীবান্ধৰ সংখ্যা অগ্ৰণী দেশসমূহত প্ৰায় আধালৈকে নামি আহিল। প্ৰকৃতি সংৰক্ষণৰ আন্তৰ্জাতিক সংস্থা International Union for Conservation of Nature আৰু অন্যান্য সংস্থা লগলাগি বিশ্ব নদীবান্ধ আয়োগ World Commission on Dam গঠন কৰিলে। ১৯৯৮ত গঠিত এই বিশ্ব নদীবান্ধ আয়োগে নদীবান্ধৰ সুফল আৰু কুফল সম্পৰ্কে পৰ্যালোচনা কৰিবলৈ বিভিন্ন ধৰণৰ আলোচনাৰ আয়োজন কৰিলে। ২০০০ৰ অক্টোবৰত বিশ্ব নদীবান্ধ আয়োগে এখনি প্ৰতিবেদন প্ৰকাশ কৰে। এই প্ৰতিবেদনত নদীবান্ধ বিৰোধী আন্দোলনসমূহে উত্থাপন কৰা নদীবান্ধৰ ফলত হোৱা বহু সমস্যাক আয়োগে সমৰ্থন কৰে। এই প্ৰতিবেদন প্ৰকাশৰ পাছত নদীবান্ধ সজাৰ কামত লাগি থকা আন্তৰ্জাতিক বাণিজ্যিক আৰু বিত্তীয় সংস্থাসমূহে তেওঁলোকৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে। বিশ্বৰ যিবিলাক অগ্ৰণী দেশত বৃহৎ নদীবান্ধ বিপুল পৰিমাণে সজা হৈছে সেই দেশসমূহৰ চৰকাৰবিলাকেও বিশ্ব নদীবান্ধ আয়োগৰ প্ৰতিবেদনৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে। বিশ্ববেংকে আৰু এখোপ আগবাঢ়ি গৈ ক'লে— বৃহৎ নদীবান্ধ আয়োগৰ এই প্ৰতিবেদন মুঠেও গ্ৰহণযোগ্য নহয়।

বিশ্ব নদীবান্ধ আয়োগৰ প্ৰতিবেদনক প্ৰত্যাহ্বান জনাবলৈ বিশ্ব বেংকে নিজাববীয়াকৈ নদীবান্ধৰ ওপৰত গৱেষণা আৰু পৰ্যালোচনা আৰম্ভ কৰিলে। বিশ্ববেংকে পৃষ্ঠপোষকতা কৰা আৰু ধনৰ যোগান ধৰা একাংশ নদীবান্ধৰ কাৰ্যকৰিতাৰ বিষয়ে গৱেষণামূলক পৰ্যালোচনা কৰি এক প্ৰতিবেদন প্ৰস্তুত কৰিলে। এই গৱেষণাত বিশ্ববেংকে বৃহৎ নদীবান্ধৰ চকুত পৰা সুফলসমূহ বিশেষভাৱে দেখুৱাবলৈ চেষ্টা কৰিলে। বিশ্ববেংকে কৰা এই গৱেষণা আৰু ইয়াৰ দ্বাৰা প্ৰকাশিত প্ৰতিবেদনসমূহে বিশ্ব নদীবান্ধ আয়োগৰ প্ৰতিবেদনৰ বিপক্ষে প্ৰত্যাহ্বান জনাবলৈ সক্ষম হ'ল। অৰ্থাৎ বিশ্ববেংকে নিজাববীয়াকৈ জ্ঞান সৃষ্টিত সফল হ'ল। যি জ্ঞানে তেওঁলোকৰ কাৰ্যসূচীসমূহক সমৰ্থন জনালে। বিশ্ববেংকৰ এই গৱেষণামূলক সমীক্ষা কাৰ্যসূচীৰ ভিতৰত ভাৰতবৰ্ষৰ ভাক্ৰা নাঙল প্ৰকল্পকো সাঙুৰি লৈছিল। ভাক্ৰা নাঙল নদীবান্ধ প্ৰকল্প ১৯৫০ তে ৰূপায়িত হৈছিল। এই নদীবান্ধ প্ৰকল্পই ভাৰতবৰ্ষৰ হিমাচল প্ৰদেশ, পঞ্জাৱ আৰু হাৰিয়ানা ৰাজ্যক সামৰি লৈছিল। ভাক্ৰা নাঙল প্ৰকল্পৰ নদীবান্ধটো সজা হৈছিল শতদ্ৰু নদীৰ ওপৰত ভাক্ৰাত। এই নদীবান্ধৰ উচ্চতা আছিল ৫৫০ ফুট। এই নদীবান্ধৰ দ্বাৰা জলবিদ্যুৎ উৎপাদন আৰু জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছিল। ৫০-৬০ৰ দশকত ভাৰতবৰ্ষত ভাক্ৰা নাঙল নদীবান্ধ দেশৰ উন্নয়নৰ এক মন্দিৰ হিচাপে পৰিগণিত হৈছিল। এই প্ৰকল্প উদ্বোধন কৰি সেই সময়ৰ ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে এই নদীবান্ধ প্ৰকল্পক ভাৰতবৰ্ষৰ সৰ্বশ্ৰেষ্ঠ ধৰ্মনিৰপেক্ষ মন্দিৰ বুলি অভিহিত কৰিছিল। ভাক্ৰা নাঙল নদীবান্ধ প্ৰকল্পক লৈ ভাৰত চৰকাৰ ইমান অত্যুৎসাহী আছিল যে এই নদীবান্ধ প্ৰকল্পই ভাৰতবৰ্ষৰ উন্নতিৰ ক্ষেত্ৰত এক অভুতপূৰ্ব অৰিহণা যোগাইছিল বুলি বিভিন্ন প্ৰকাৰে প্ৰচাৰ কৰিছিল। আনকি ভাক্ৰা নাঙল বান্ধ সম্পৰ্কীয় লেখা পাঠ্যপুথিতো সন্নিৱিষ্ট কৰা হৈছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে ভাক্ৰা নাঙল বান্ধ প্ৰকল্প ৰূপায়ণৰ সময়ত এই বান্ধ প্ৰকল্পই পাৰিপাৰ্শ্বিক আৰু সামাজিক ক্ষেত্ৰত কেনে ধৰণৰ প্ৰভাৱ পেলাব সেই ধৰণৰ কোনো অধ্যয়ন কৰা হোৱা নাছিল। ভাৰতবৰ্ষৰ মানুহে কোনো ধৰণৰ প্ৰশ্ন উত্থাপন নকৰাকৈ ভাক্ৰা নাঙল বান্ধ প্ৰকল্পক আশীৰ্বাদ বুলি গ্ৰহণ কৰিছিল।

ভাৰতবৰ্ষৰ গণতান্ত্ৰিক ৰাজনীতিত যদি কোনোবা প্ৰখ্যাত লোকক নিৰ্বাচনত জয়ী কৰাটো অতি জৰুৰী হৈ পৰে তেওঁৰ বাবে যদি কোনো কাৰণতে নিৰ্বাচনত হাৰাৰ প্ৰশ্ন উঠিব নোৱাৰে তেনেহ'লে তেওঁৰ বাবে এটা সম্পূৰ্ণ সুৰক্ষিত সমষ্টি বিচাৰি উলিওৱা হয়। এই সমষ্টিক তেওঁৰ বাবে নিশ্চিত জয়ৰ সমষ্টি বুলি নিৰ্ধাৰণ কৰি লোৱা হয়। ঠিক একেদৰেই বিশ্ববেংকেও নদীবান্ধৰ ক্ষেত্ৰত উত্থাপিত হোৱা তৰ্ক-বিতৰ্কৰ ওৰ পেলাবলৈ ভাৰতবৰ্ষৰ ভাক্ৰা নাঙল বান্ধটো বিশ্লেষণৰ বাবে গ্ৰহণ কৰিলে। বিশ্ববেংকৰ বাবে ইয়াতকৈ আৰু ভাল নদীবান্ধ প্ৰকল্প নাছিল। বিশ্ববেংকে সেই বাবেই তেওঁলোকৰ গৱেষণাধৰ্মী বিশ্লেষণৰ প্ৰতিবেদনৰ বাবে ভাক্ৰা নাঙল বান্ধক বিশেষভাৱে নিৰ্বাচন কৰিছিল।

বিশ্ববেংকৰ সমীক্ষাৰ অধীনত ভাক্ৰা নাঙল বান্ধৰ বিষয়ে অধ্যয়ন কৰিবলৈ যি দুজন লোকক দায়িত্ব দিয়া হৈছিল সেই দুয়োজন লোকে সেই প্ৰকল্পৰ পৰা সৰ্বাধিক লাভান্বিত হৈছিল। স্বাভাৱিকতে এই দুই সমীক্ষকে এই বান্ধৰ বিষয়ে ভাল কথাকে প্ৰতিবেদনত লিখিত আৰু লিখিছেও। বিশ্ববেংকে এই দুজন বিশেষ লোকৰ দ্বাৰা বৃহৎ নদীবান্ধৰ বিষয়ে অধ্যয়ন কৰাই আন্তৰ্জাতিক পৰ্যায়ত তেওঁলোকৰ নিজস্ব প্ৰতিবেদন হিচাপে প্ৰচাৰ কৰিলে। স্বাভাৱিকতে ১৯৫০ত ভাৰতবৰ্ষৰ ঠিক স্বাধীনতাৰ পাছতে ভাৰতবৰ্ষৰ সৰ্বকালৰ জনপ্ৰিয় প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ তত্বাৱধানত ৰূপায়িত হোৱা এই প্ৰকল্প সম্পৰ্কে ভাৰতীয় জনসাধাৰণৰ নদীবান্ধৰ প্ৰতি গ্ৰহণযোগ্যতা সৰ্বাধিক। বিশেষকৈ সেই সময়ছোৱাত পৃথিৱীত ক'তো নদীবান্ধ বিৰোধী কথা উচ্চাৰিত হোৱা নাছিল। যিহেতু সেই সময়ত নদীবান্ধৰ কুফলসমূহ বিশেষভাৱে উপলব্ধ হোৱা নাছিল সেই বাবেই নদীবান্ধৰ বিৰুদ্ধে ক'বলৈ কোনো ধৰণৰ বিশেষ পৰিস্থিতিৰ সৃষ্টি হোৱা নাছিল। বিশ্ববেংকে এই সুবিধাটোকে গ্ৰহণ কৰিলে। বিশ্ববেংকে বিশ্ব নদীবান্ধ আয়োগৰ প্ৰতিবেদনৰ বিৰুদ্ধে নিজৰ প্ৰতিবেদনত ভাক্ৰা নাঙল বান্ধক এক উদাহৰণ হিচাপে লৈ এই কথা উল্লেখ কৰিছিল যে—বিশ্ব নদীবান্ধ আয়োগে প্ৰকাশ কৰা প্ৰতিবেদনত নদীবান্ধৰ সুফল সম্পৰ্কে বিশেষ কোনো কথা উল্লেখ কৰা হোৱা নাই। বিশেষকৈ ভাৰতবৰ্ষৰ শতদ্ৰু নদীৰ ওপৰত সজা ভাক্ৰা নাঙল নদীবান্ধৰ সুফলসমূহৰ কথা বিশ্ব নদীবান্ধ আয়োগৰ প্ৰতিবেদনত উল্লেখ কৰা হোৱা নাই। ভাক্ৰা নাঙল বান্ধক উদাহৰণ হিচাপে লৈ বিশ্ববেংকে প্ৰকাশ কৰা নদীবান্ধ সম্পৰ্কীয় প্ৰতিবেদনত এই কথা বিশেষভাৱে উল্লেখ কৰিছে যে ভাক্ৰা নাঙল বান্ধৰ সুফল হিচাপে পৰিলক্ষিত হোৱা অন্যান্য দিশসমূহৰ ভিতৰত এক উল্লেখযোগ্য দিশ হ'ল— হাৰিয়ানা, পঞ্জাৱ আৰু হিমাচল প্ৰদেশত দাৰিদ্ৰ দূৰ হৈছে।

২০০৫ত বিশ্ববেংকে এক আকৰ্ষণীয় শিৰোনামাকে এখন প্ৰতিবেদন প্ৰকাশ কৰে। এই প্ৰতিবেদনৰ শিৰোনামা আছিল 'India's Water Economy: Bracing for a Turulent Future' এই প্ৰতিবেদনত বিভিন্ন তথ্যপাতিৰে কোৱা হৈছে যে বৃহৎ নদীবান্ধে ভাৰতবৰ্ষৰ অৰ্থনৈতিক উন্নয়ন ত্বৰান্বিত কৰিছে। ভাৰতবৰ্ষৰ জলসিঞ্চন ব্যৱস্থা, জলবিদ্যুৎ ব্যৱস্থা আৰু উদ্যোগিক উন্নয়ন বহুত উন্নত হৈছে। কিন্তু বিশ্ব জল আয়োগে ভাৰতবৰ্ষৰ এই উন্নয়নৰ কথা ক'তো উল্লেখ কৰা নাই। ভাক্ৰা নাঙল বান্ধত বিনিয়োগ হোৱা প্ৰতি এশ টকাৰ পৰা এশ টকাই প্ৰত্যক্ষ লাভ হৈছে। ইয়াৰ উপৰি প্ৰতি এশ টকা বিনিয়োজনৰ পৰা ৯০ টকা পৰোক্ষভাৱে লাভ হৈছে। এই অঞ্চলৰ সমাজ আৰু অৰ্থনীতিৰ সৰ্বাংগীণ উন্নতি হৈছে। এই প্ৰতিবেদনৰ সামৰণিত বিশ্ব বেংকে স্পষ্টভাৱে কৈছে যে ভাৰতবৰ্ষৰ জলখণ্ডৰ উন্নয়নৰ বাবে বৃহৎ নদীবান্ধে যি সহায় আগবঢ়াইছে ভাৰতবৰ্ষৰ উন্নয়নৰ ইতিহাসত ই অতি উল্লেখযোগ্য।

উল্লেখ্য যে বিশ্ববেংকৰ এই প্ৰতিবেদন সৰ্বসাধাৰণৰ বাবে প্ৰকাশ কৰি বাহিৰলৈ উলিয়াই দিয়া হোৱা নাই। এই বিশেষ শিৰোনামাৰে বেংকৰ আভ্যন্তৰীণ হিচাপে প্ৰকাশ পোৱা এই প্ৰতিবেদন গোপনে ৰখা হ'ল আজি পৰ্যন্ত। বিশ্ববেংকে প্ৰকাশ কৰা এই প্ৰতিবেদন ৰাজহুৱা নকৰাৰ অন্তৰালত নিশ্চয় বিশ্ববেংকৰ গোপন উদ্দেশ্য নিহিত হৈ আছে। প্ৰতিবেদনখন ৰাজহুৱা হ'লে হয়তো এই প্ৰতিবেদনৰ ওপৰত নানা প্ৰকাৰৰ সমালোচনা আৰু প্ৰশ্ন উত্থাপিত হ'লহেঁতেন। বিশ্ববেংকে কাকো এই সুবিধাটো নিদিলে। নিজে কৰা নিজৰ কামৰ সমীক্ষাত বিশ্ববেংকে নিজে মন্তব্য কৰিলে—'আমি কৈছো বাবে বৃহৎ নদীবান্ধ ভাল।'

কিছু বছৰ আগতে বিশ্ববেংকৰ মুৰব্বী এজনে মন্তব্য কৰিছিল— 'দুখীয়া মানুহৰ পৰা বেংকে শিকিবলগীয়া একো নাই। দুখীয়া দেশৰ থলুৱা মানুহৰ পৰাও শিকিবলগীয়া একো নাই।' সেই বাবে বিশ্ববেংকে তেওঁলোকৰ প্ৰতিটো প্ৰকল্প ৰূপায়ণৰ বাবে উন্নত দেশৰ পাৰদৰ্শী লোকক আমদানি কৰে। আনকি বিশ্ববেংকে প্ৰৱৰ্তন কৰিবলগীয়া নীতি-নিয়ম, প্ৰকল্প ৰচনা আদি সকলো ক্ষেত্ৰতে বিশ্ববেংকৰ নিজৰ মানুহ আৰু উন্নত দেশৰ পাৰদৰ্শী লোকক অতি উচ্চ হাৰত দৰমহা আৰু মাননী দি কামত লগায়। বিশ্ববেংকে নীতি প্ৰণয়নৰ ক্ষেত্ৰত আৰু প্ৰকল্প কৰি পৰিকল্পনা তথা ৰূপায়ণৰ ক্ষেত্ৰতো থলুৱা মানুহৰ স'তে কেতিয়াও আলোচনা নকৰে। এইবিলাক মানুহৰ স'তে বিশ্ববেংকে আলোচনা কৰিব লাগে বুলিও নাভাবে।

ফোন ঃ ৯৮৬৪০-২০১১২

দশম শ্রেণীৰ অসমীয়া ঃ ছাত্র জীৱন আৰু সমাজ সেৱা ঃ ডিম্বেশ্বৰ নেওগ

চমু উত্তৰ ঃ

লিখকৰ মতে ছাত্র জীৱনৰ প্রকৃত উদ্দেশ্য কি কি ?

উত্তৰ ঃ লিখকৰ মতে ছাত্র জীৱনৰ প্রকৃত উদ্দেশ্য হ'ল - ছাত্র-ছাত্রীয়ে কি কি কাম কৰিলে মানুহ জনম ধৰা সার্থক হয়, সাংসাৰিক জীৱনত কি উপায়েৰে কাম কৰিলে কৃতকার্য হ'ব পাৰি, এনেবিলাক বিষয়ৰ জ্ঞান অর্জন কৰাই হৈছে ছাত্র জীৱনৰ মূল উদ্দেশ্য।

ছাত্রসকলে কি কি বিষয়ত জ্ঞান লাভ কৰি দেশ সেৱাত ব্রতী হব লাগে।

উত্তৰ ঃ ছাত্রসকলে দেশৰ ভৱিষ্যত, আশা- ভৰসাৰ কলি। সেয়েহে ছাত্রসকলে যিমান দূৰ সম্ভৱ হয় জ্ঞানকাৰী, অর্থকৰী আৰু কার্যকৰী জ্ঞান লাভ কৰি দেশসেৱা আৰু সমাজসেৱাত ব্রতী হ'ব লাগে।

ছাত্রসকলে কার্যকৰী শিক্ষা কৰ পৰা কিদৰে লাভ কৰিব পাৰে ?



ৰাজত্ব কৰা অজ্ঞানতা, নিৰক্ষৰতা, কু-সংস্কাৰ, অন্ধবিশ্বাস আদি সকলো দিশ অন্ধকাৰাছন্ন কৰি দেশৰ প্রগতি, উন্নতি আদিৰ পথত হেঙাৰৰূপে থিয় দিব লাগিব। ছাত্রসকলে গাঁৱত সোমাই গাঁও কৰিবলৈ চাব লাগিব। এইবোৰ কাম ছাত্রৰ কর্তব্যৰ বাহিৰনহয়, কিয়নো এইখিনি কাম তেওঁলোকৰ কার্যকৰী শিক্ষাৰ একোটি পাঠ মাথোন।

আমাৰ দেশৰ অধিকাংশ লোক আজিও কেনে অৱস্থাত আছে পাঠটোৰ আধাৰত আলোচনা।

উত্তৰ ঃ আজিৰ স্বাধীন আৰু উন্নত দেশবোৰ ইয়াৰ তিনি-চাৰি বছৰ আগেয়ে যি অৱস্থাত আছিল তাৰ তুলনাত আজি আমাৰ দেশসমূহে যথেষ্ট উন্নত পর্যায়ৰ। আমাৰ দেশৰ অধিকাংশ আজিও কিছু ক্ষেত্রত উন্নত হ'ব পৰা নাই বুলিয়ো পাঠটোৰ আধাৰত কোৱা। কিছুমান গাঁৱত আজিও পুৰণি সভ্যতা, শিক্ষা আৰু সাধনাৰ অৱশন সাৱটি বহি ৰৈছে এচাম মানুহে। একেডোখৰ মাটিতে সাৰ-জাবৰ দি কেনেদৰে তাৰ পৰা সৰহ শস্য উলিয়াব পাৰি, কেনেকৈ গৰু আদি পোহনীয়া জন্তু ভালদৰে পুহ-পাল দি নিজৰ অৱস্থা টনকিয়াল কৰিব পাৰি এনেবোৰ কথা তেওঁলোকৰ চিন্তনীয় বিষয় হৈ পৰিছে। মুঠতে কবলৈ গলে শিক্ষাৰ অভাৱে গাওঁসমূহক উন্নত দিশত যোৱাত কিছু বাধা দিছে।

ব্যাখ্যা ঃ পঢ়াই, পঢ়ে, ৰোৱে পাণ। এই তিনিয়ে নিচিন্তে আন ।

উত্তৰ ঃ উক্ত কথাষাৰি পাঠ্যপুথি অসমীয়া সাহিত্য চয়নিকা ত অন্তর্গত ডিম্বেশ্বৰ নেওগ দেৱৰ দ্বাৰা ৰচিত ছাত্র জীৱন আৰু সমাজসেৱা নামৰ পাঠটিৰ পৰা উদ্ধিত কৰা হৈছে।

উক্ত কথাফাঁকিৰ দ্বাৰা লিখকে ইয়াকে ক'ব বিচাৰিছে যে পঢ়াৰ সময়ত শিক্ষার্থী আৰু শিক্ষকে কোনো কথা চিন্তা নকৰি নিষ্ঠা আৰু একাগ্রতাৰে পঢ়িলেহে সুফল লাভ কৰিব পাৰি।

পঢ়োৱা, পঢ়া আৰু পাণৰ খেতি কৰা কাম তিনিটা হ'ল গুৰুত্বপূর্ণ কাম। এই কামত সিদ্ধি লাভ কৰিবলৈ যিবোৰ গুণৰ দৰকাৰ, সেইবোৰৰ ভিতৰত একাগ্রতা গুণটো হ'ল এটা প্রধান গুণ। যিকোনো কাম একাগ্রতাৰে নকৰিল সেই কামটো সুফল লাভ কৰিব নোৱাৰি। ছাত্র-ছাত্রীসকলক জ্ঞান দানৰ দৰে মহৎ কামৰ লগত জড়িত শিক্ষক-শিক্ষয়িত্রীসকলে জ্ঞান দান কৰিবলৈ মনটো সম্পূর্ণ নিয়োজিত কৰিব লাগে। অন্যথা শিক্ষা দান কার্যত কেতিয়াও সিহঁতে সফল হ'ব নোৱাৰে। ছাত্র-ছাত্রীসকলেও প্রধান কাম অধ্যয়নৰত হ'ব লাগে। তেতিয়াহে তেওঁলোকে বিভিন্ন বিষয় অধ্যয়ন কৰি নানা ধৰণৰ জ্ঞান অর্জন কৰি পৰীক্ষাটো সুখ্যাতিৰে উত্তীর্ণ হ'ব পাৰিব। আকৌ যিসকলে পাণৰ খেতি কৰে সিহঁতেও পাণৰ খেতিৰ নিয়মিত যতন কৰি থাকিব লাগিব। নিয়মিত ভাৱে সাৰ-পানী আদি যোগান ধৰিব লাগিব। মানুহে যিকোনো কাম কৰিবলৈ হ'লে একাগ্রতা আৰু নিষ্ঠাৰে কৰিব লাগে। একাগ্রতা আৰু নিষ্ঠাৰে যিকোনো কাম কৰিলে সফলতা পোৱা যায়। মুঠতে মানুহৰ জীৱনৰ উন্নতি লাভৰ ক্ষেত্রত একাগ্রতা গুণে বিশেষভাৱে সহায় কৰে। এই গুণৰ অবিহনে জীৱনত উন্নতি সম্ভৱ নহয়।

সাঁতোৰ শিকিবলৈ হ'লে পানীত নামিব লাগে। ঠিক তেনেদৰে যিকোনো বিষয় এটাৰ প্রকৃত জ্ঞান অকল পাঠ্যপুথি পঢ়ি অর্জন কৰিব নোৱাৰি, তাক হাতে কামে কৰিহে সেই বিষয়টোৰ প্রকৃত জ্ঞান অর্জন কৰিব পাৰি।

মানুহে মংগলৰ অর্থে সর্বশক্তিমান নাৰায়ণক সেৱা-অর্চনা কৰে। মানুহে কেৱল নিজৰ মংগলৰ বাবে পূজা-অর্চনা কৰিলে সমাজ তথা বিশ্বৰ কোনো উপকাৰ নহয়। এনে ধৰণে নিজৰ হিতৰ বাবে পূজা অর্চনা কৰিলে মানুহ দিনে দিনে স্বার্থপৰ হৈ পৰে। এনে স্বার্থপতাৰ বাবে মানুহে ভগৱানৰ কৃপা দৃষ্টিৰ পৰাও বঞ্চিত হ'ব লগা হয়। কিন্তু যি মানুহে আনৰ দুখ কষ্ট দেখি আনক সহায় কৰিবৰ বাবে আগবাঢ়ি যায়, সমাজৰ হিতৰ বাবে সদায় প্রস্তুত হৈ থাকে তেনে মানুহৰ মন প্রাপ্তিৰে আৰু সন্তুষ্টিৰে ভৰি থাকে।

বিপৰীত শব্দ ঃ

নিস্কর্মা ঃ কর্মী

ত্রুটি ঃ শুদ্ধ, সঠিক

সহযোগিতা ঃ প্রতিযোগিতা।

দেশহিতৈষিতা ঃ দেশদ্রোহিতা

প্রৌঢ় - যুৱ।

সমার্থক শব্দ ঃ কার্যকৰী - কর্মমুখী, কার্যোপযোগী ।প্রকৃত - আচল, যথার্থ । সাম্য - সমান । আনমনা - অমনোযোগী, অন্যমনস্ক ।

অর্থকৰী - লাভজনক, ধন অর্জনকাৰী । কাপ - কলম কাকত - কাগজ, তুলাপাত ।

ডিম্বেশ্বৰ নেওগৰ কেতিয়া আৰু কত জন্ম হৈছিল ?

উত্তৰ ঃ ডিম্বেশ্বৰ নেওগৰ 1899 খ্রীষ্টাব্দত শিৰসাগৰৰ কমাৰফদীয়া গাঁৱত জন্ম হৈছিল।

ডিম্বেশ্বৰ নেওগৰ পিতৃ নাম কি আছিল ?

উত্তৰ ঃ ডিম্বেশ্বৰ নেওগৰ পিতৃ নাম মানিক চন্দ্র নেওগ ।

ডিম্বেশ্বৰ নেওগৰ কেতিয়া মৃত্যু হৈছিল ?

উত্তৰঃ ডিম্বেশ্বৰ নেওগৰ 1966 ত মৃত্যু হৈছিল।

ছাত্র জীৱন কি লাভৰ সময় ?

উত্তৰ ঃ ছাত্র জীৱন শিক্ষা লাভৰ সময়।

শক্ষার্থীসকলৰ উন্নতিৰ ঘাই মন্ত্র কি ?

উত্তৰঃ শিক্ষার্থীসকলৰ উন্নতিৰ ঘাই মন্ত্র হ'ল অধ্যয়ন।

ছাত্র-ছাত্রীলৈ প্রশ্ন ঃ সম্পূর্ণ শুদ্ধ উত্তৰ দিওঁতাক লটাৰীযোগে নির্বাচিত কৰি দিয়া হব পুৰস্কাৰ ঃ

51]) 1997 ৰ অক্টোবৰত "হাৱলস্পেচ টেলিস্কপোএ" আৱিস্কাৰ কৰা তাৰকা ৰাজ্যৰ আটাইতকৈ উজ্জ্বল তৰাটোৰ নাম কি ?

52]) আয়াৰলেণ্ডৰ কোন গৰাকী মহিলা ভাৰতীয় স্বাধীনতা সংগ্রামৰ সৈতে জড়িত আছিল ?

53]) ষ্টীলৰেল পথ ক'ত অৱস্থিত ?

54]) পৰীক্ষা বুলিলেই আমাৰ বহুতকে জ্বৰে-কাঁহে আগুৰি ধৰে। এতিয়া প্রশ্ন হ'ল — কোন চনত, কোন ঠাইত পোন প্রথমবাৰৰ বাবে লিখিত পৰীক্ষাৰ প্রচলন হয় ?

55]) এজন প্রসিদ্ধ লেখকৰ ছদ্মনাম "কুইজ"। লখক জনৰ নাম কি ?

56]) 1997 ৰ অক্টোবৰত "হাৱলস্পেচ টেলিস্কপোএ" আৱিস্কাৰ কৰা তাৰকা ৰাজ্যৰ আটাইতকৈ উজ্জ্বল তৰাটোৰ নাম কি ?

57]) আয়াৰলেণ্ডৰ কোন গৰাকী মহিলা ভাৰতীয় স্বাধীনতা সংগ্রামৰ সৈতে জড়িত আছিল ?

58]) 'এমিল য়েলিনেক' নামৰ ছোৱালীজনীৰ উপনামেৰে এটা পৃথিবীৰ বিখ্যাত কোম্পানী স্থাপন কৰা হৈছিল। কোম্পানীটো কি ?

59]) 'হেৱল্ড ফষ্টাৰে' (Harold Fostear) সৃষ্টি কৰা বিখ্যাত কমিক ছিৰিজটো কি ?

60]) কোন গৰাকী মহান ব্যক্তিৰ ছবি পৃথিৰীৰ বিভিন্ন দেশৰ ডাক টিকটত সর্বাধিক ব্যৱহৃত হৈছে ?

সানমিহলি কুইজ

118]) ঃ শুকান বৰফ (Dry ice)ৰ ৰাসায়নিক নাম কি ?

উত্তৰ ঃ কার্বন-ডাই-অক্সাইড (Co2) গোটা।

119]) ঃ মেনিনজাইটিছ ৰোগে মানুহৰ শৰীৰৰ কোন অংশৰ অনিষ্ট সাধন কৰে ?

উত্তৰ ঃ মগজু আৰু স্নায়ুৰজ্জু।

120]) ঃ প্রথম অসমীয়া বিজ্ঞান আলোচনী 'পশুপালন'ৰ সম্পাদক কোন ?

উত্তৰ ঃ ডাঃ কনক চন্দ্র শর্মা।

121]) ঃ 'পাছ' শব্দটো কি প্রতিযোগিতাত ব্যৱহাৰ হয় ?

উত্তৰ ঃ কুইজত ।

122]) ঃ ট্রেক'মা কি ?

উত্তৰ ঃ ক্লেমাইডিয়া ট্রেক'মাটিছ নামৰ এবিধ অনুজীৱই সৃষ্টি কৰা চকুৰ ৰোগ।

123]) ঃ 'গণিতসাৰ' নামৰ গ্রন্থৰ লেখক কোন ?

উত্তৰ ঃ গণিতজ্ঞ শ্রীধৰাচার্য্য।

124]) ঃ ভিটামিন 'চি'ৰ আন এটা নাম কি ?

উত্তৰ ঃ এছর্বিক এছিদ।

125]) ঃ মুম্বাইৰ ষ্টক একচেঞ্জৰ বজাৰখনৰ নাম কি ?

উত্তৰ ঃ দালাল ষ্ট্রীট।

126]) ঃ ৰোমান লিপিত যিদৰে V আখৰটোৰে 5, X আখৰটোৰে 10 বুজায়, তেনেদৰে 'D' আখৰটোৰে কি বুজায় ?

উত্তৰ ঃ 500¼

127]) ঃ টেলিফোন ব্যৱস্থাত ব্যৱহৃত STD আৰু ISD ৰ অর্থ কি ?

উত্তৰ ঃ STD – Subscriber Trunk Dialing.
ISD – International Subscriber Dailing.

128]) ঃ দৃষ্টিশক্তিহীন সকলৰ বাবে পঢ়িব আৰু লিখিব পৰা পদ্ধতিটোক কি বোলে ?

উত্তৰ ঃ ব্রেইলী পদ্ধতি (Braille)।

129]) ঃ অসম চুক্তি কেতিয়া স্বাক্ষৰিত হৈছিল ?

উত্তৰ : ইংৰাজী 1985 ৰ 15 আগষ্ট তাৰিখে।

130]) ঃ কাঠ পেঞ্চিলৰ ওপৰত লিখা আখৰ দুটাৰ অর্থ কি ?

উত্তৰ ঃ হার্ড এণ্ড ব্লেক (Hard and Black)।

131]) ঃ অশোক চক্রটোত মুঠতে কেইডাল কাটা (Spoke) থাকে ?

উত্তৰ ঃ 24 ডাল।132]) ঃ ষ্টীলৰেল পথ ক'ত অৱস্থিত ?

উত্তৰ : অসমৰ লিডুৰ পৰা ম্যানমাৰৰ বেংগুনলৈ।

133]) ঃ পৰীক্ষা বুলিলেই আমাৰ বহুতকে জ্বৰে-কাঁহে আগুৰি ধৰে। এতিয়া প্রশ্ন হ'ল — কোন চনত, কোন ঠাইত পোন প্রথমবাৰৰ বাবে লিখিত পৰীক্ষাৰ প্রচলন হয় ?

উত্তৰ ঃ 1702 চনত ; ইংলেণ্ডৰ কেম্ব্রিজ ট্রিনিটি কলেজত।

134]) ঃ এজন প্রসিদ্ধ লেখকৰ ছদ্মনাম "কুইজ"। লখক জনৰ নাম কি ?

উত্তৰ ঃ "চার্লছ ডিকেন্স"।

যোৱা 1 জুলাই সংখ্যাৰ উত্তৰ 41] উত্তৰ ঃ সংস্কৃত 43] উত্তৰ ঃ ত্রিপুৰা 44] উত্তৰ ঃ ইণ্ডোৰামিজ ইকোজ'ন 45] উত্তৰ ঃ প্রাক মৌচুমী ঋতু 46] উত্তৰ ঃ William Shakespeare 47] উত্তৰ ঃ Mulk Raj Anand 48] উত্তৰ ঃ Vinayak Damodar Savarkar 49] উত্তৰ ঃ Bal Gangadhar Tilak 50] উত্তৰ ঃ Sarojini Naidu

২৪ জুন,২০২২ সংখ্যাৰ বিদ্যার্থী কক্ষৰ কুইজৰ সম্পূর্ণ শুদ্ধ উত্তৰ দিছে ক্রমে-

সৌৰভ ৰাজবংশী, নৰম শ্রেণী, আজাৰা, কামৰূপ **প্রভাত শর্মা,** নৰম শ্রেণী, ঘগ্রাপাৰ নলবাৰী । **বর্তিকা গোস্বামী,** দশম শ্রেণী,খুটকটীয়া, নগাঁও।**মালবিকা ভট্টাচার্য্য,** দশম শ্রেণী,কুৰুৱাবাহী, নগাঁও। **ৰিয়ন বর্মন,** দশম শ্রেণী, বিদ্যানগৰ নলবাৰী । **হৃদয়ানন্দ গগৈ, নীলাক্ষি চাংকাকতি,যোগেশ চাংকাকতি,**নৰম শ্রেণী, যোৰহাট। **ৰাজলক্ষ্মী বৰুৱা,** নৰম শ্রেণী, টিংখাং। **মফিজুদ্দিন আহমেদ,** নৰম শ্রেণী, নলবাৰী । **শ্ৱীনা বেগন,** নৰম শ্রেণী,জাজৰি, নগাঁও ।**ৰ'জলীনা বসুমতাৰী,** দশম শ্রেণী, কোকৰাঝাৰ ।

ক'ত কি পঢ়িব ?

অট'ম'বাইল ইঞ্জিনিয়াৰিং (Automobile Engineering)

বর্তমান যুগত যান-বাহনৰ সংখ্যা দ্রুত গতিত বৃদ্ধি পাইছে । ইয়াৰ ফলত নতুন নতুন যান-বাহনৰ নক্সা আৰু নিমার্ণ, মেৰামতি, বিক্রী বৃদ্ধি হোৱাৰ ফলত অট'ম'বাইল ইঞ্জিনিয়াৰিঙৰ ক্ষেত্রখনত নিয়োগৰ সুবিধাও বাঢ়িছে । অট'ম'বাইল ইঞ্জিনিয়াৰিং পঢ়ি ছাত্র-ছাত্রীসকলে সুন্দৰ কেৰিয়াৰ গঢ়িব পাৰে । অট'ম'বাইল ইঞ্জিনিয়াৰিঙৰ চার্টিফিকেট , ডিপ্লমা , স্নাতক আদি পাঠ্যক্রম অধ্যয়ন কৰিব পাৰে ।

দেশৰ বিভিন্ন স্থানৰ লগতে অসমতো 'অট'ম'বাইল ইঞ্জিনিয়াৰিং' বিষয়ত শিক্ষা গ্রহণ কৰিব পৰা শিক্ষানুষ্ঠান আছে । যোহাটৰ প্রিন্স অৰ ৰেল্চ ইনষ্টিটিউট অৰ ইঞ্জিনিয়াৰিং এণ্ড টেকন'লজী (http ://www.powietjrt.in) ত 'মেকানিকেল অট'ম'বাইল ইঞ্জিনিয়াৰিং বিষয়ৰ ডিপ্লমা পাঠ্যক্রমত আসনৰ সংখ্যা 40 খন আৰু বঙাইগাঁও পলিটেকনিক (http://www.bonpoly.org)'ত 'মেকানিকেল অট'ম'বাইল ইঞ্জিনিয়াৰিংস্ক বিষয়ৰ ডিপ্লমা পাঠ্যক্রমত আসনৰ সংখ্যা 30 খন । পলিটেকনিক এডমিচন টেষ্ট (Polytechnic Admission Test (PAT) প্রবেশ পৰীক্ষাৰ জৰিয়তে মেকানিকেল অট'ম'বাইল ইঞ্জিনিয়াৰিঙৰ তিনি বছৰীয়া ডিপ্লমা পাঠ্যক্রমত নামভর্তিৰ সুবিধা আছে । এই পৰীক্ষাত অৱতীর্ণ হ'বৰ বাবে সাধাৰণ শ্রেণীৰ ছাত্র-ছাত্রীসকলে হাইস্কুল শিক্ষান্ত পৰীক্ষাত গণিত আৰু বিজ্ঞান বিষয়ত ন্যূন্যতম 40 শতাংশ , অনুসূচিত জাতিৰ প্রার্থীয়েb 35 শতাংশ আৰু নিখিল ভাৰত কাৰিকৰী শিক্ষা পৰিষদ (https.//www.aicte-india.org) আদিৰ ৰেবছাইটৰ পৰা শিক্ষার্থীসকলে লাভ কৰিব পাৰে । সবিশেষ তথ্য জানিবৰ বাবে শিক্ষানুষ্ঠানবোৰৰ ৰেবছাইটত চাব পাৰে ।

অট'ম'বাইল ইঞ্জিনিয়াৰিঙৰ শিক্ষাগত অর্হতা আৰু অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি নিযুক্তি দিয়া কেইটামান অট'ম'বাইল কোম্পানী হ'ল — মাৰুতি ছুজুকী, অশোক লেলেণ্ড,টাটা মটর্ছ,হিৰো হোণ্ডা,হোণ্ডাই ,টয়োটা ,য়ামাহা ,বাজাজ , মহিন্দ্রা এণ্ড মহিন্দ্রা , ৰয়েল এনফিল্ড আদি।

মুৰব্বী, যান্ত্রিক অভিযান্ত্রিক বিভাগ, অসম ডনবস্ক' বিশ্ববিদ্যালয়

ফোন ঃ 9435188630

বি.দ্র. কেৰিয়াৰ বিষয়ৰ বিভিন্ন কথা কোনো আগ্রহী শিক্ষার্থীয়ে জানিব বিচাৰে ,তেন্তে প্রত্যেক শনিবাৰে বিয়লি ৬-৯ বজাৰ ভিতৰত যোগাযোগ কৰিব পাৰে ।

কেৰিয়াৰ

ড° বুলজিৎ বুঢ়াগোহাঁই

দুটা চলকযুক্ত ৰৈখিক সমীকৰণ নৱমশ্রেণীৰ গণিত



চাৰি বছৰ নৌহওঁতেই ভাগিল কালভাৰ্ট

■ প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ লছমন বস্তি মহালক্ষীৰ পকীপথত অনিয়ম

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ৭ জুলাই ঃ ২০১৯ বৰ্ষতে নিৰ্মাণ সম্পূৰ্ণ হোৱা প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ পকীপথৰ কালভাৰ্ট এটি ভাঙি বিধ্বস্ত প্ৰায় অৱস্থা । বিশ্বনাথ জিলাৰ অধীনস্থ লছমণবস্তিৰ পৰা মহালক্ষীলৈ যোৱা ১.৬৩৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ পকীপথটো বিভাগীয়ভাবে নিৰ্ধাৰিত সময়সীমাৰ পুৰ্বে ভাঙি পৰিছে। বিঘ্নিত হৈ পৰিছে ৰাইজৰ যাতায়াত। যিকোনো সময়তে সংঘটিত হব পাৰে দুৰ্ঘটনা । পথছোৱাৰ মধ্য অংশত পানী সৰবৰাহৰ বাবে নিৰ্মাণ কৰা হৈছিল এটি কালভাৰ্ট। যদিও নিয়মমতে আৰু প্ৰাককলন মতে উচ্চমানৰ কাম নকৰাৰ বাবেই অনাসায়ে ভাঙি পৰে কালভাৰ্ট। ঠিকাদাৰ পুলক শৰ্মাই অধিক লাভৰ আশাত একেবাৰে নিম্নমানৰ কাম কৰা বুলি অভিযোগ কৰিছে স্থানীয় ৰাইজে। ভঙা অংশছোৱাত শিল, বালি, মাটিৰ পৰিৱৰ্তে সামান্য বালি ছটিয়াই ব্লক বহুৱাই নিৰ্মাণ কৰা হৈছে পথ আৰু পথটিৰ কালভাৰ্ট ।এই দৃশ্য প্ৰত্যক্ষ কৰি ৰাইজে আশ্বৰ্য প্ৰকাশ কৰিছে। নিৰ্ধাৰিত নিয়ম আৰু প্ৰাককলন মতে কাম নকৰাৰ বাবে ৰাইজৰ মাজত এতিয়াও চলিছে সৰব চৰ্চা। উল্লেখ্য যে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত এই পকীপথটো ৰকোটি ১২ লাখ ৬৪ হেজাৰ ৫ শ ৬৫ টকাৰ ব্যয় সাপেক্ষে নিৰ্মাণ হোৱা পথ আৰু পথটিৰ মধ্যভাগত কালভাৰ্ট একেবাৰে নিম্নমানৰ হোম পাইপ দি বনোৱা বুলি ৰাইজে মত প্ৰকাশ কৰে। বিভাগীয় নিৰ্দেশানুসৰি পাঁচ বছৰ সম্পুৰ্ণ নৌহওঁতেই ভাঙি পৰা কালভাৰ্টটি ভাঙি যোৱাত ৰাইজে সংশ্লিষ্ট কৰ্তৃপক্ষ আৰু ঠিকাদাৰৰ হেমাহি বুলি মত ব্যক্ত কৰে । আৰু অতি শীঘ্ৰে অসম-অৰুণাচল সীমান্তৱৰ্তীৰ যাতায়াতৰ সংযোগী একমাত্ৰ পথটিৰ কালভাৰ্ট মেৰামতিৰ বাবে স্থানীয় বিধায়ক তথা বিভাগীয় বিষয়াক সজোৰে দাবী জনাইছে স্থানীয় ৰাইজে।

হাউলীত বিশ্ব জুনচেচ দিৱস পালন।

কাউনীয়া ভাষা ভাটিপাৰাত দুৰাৰোগ্য ৰোগত আক্ৰান্ত ১১ বছৰীয়া ছাত্ৰী

অগ্ৰদূত বাৰ্তা

চিথিলা, ৭ জুলাই ঃ কোকৰাঝাৰ জিলাৰ চালেকাটি উপ-আৰক্ষী চকীৰ অন্তৰ্গত কালিপুখুৰী অঞ্চলৰ গাঁও কাউনীয়াভাষা ভাটিপাৰাৰ আজাহাৰ আলীৰ পুত্ৰ ছৰ্বত আলী (১১) আজিৰে পৰা প্ৰায় তিনি চাৰি মাহ ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আছে। ইতিমধ্যে দুৰ্ভগীয়া পৰিয়ালটোৱে গাঁঠিৰ ধন ভাঙি অসমৰ লগতে পশ্চিমবংগৰ বিভিন্ন ঠাইত চিকিৎসাৰ বাবে লৈ যায় যদিও এতিয়ালৈকে এই ৰোগৰ পৰা একো পৰিত্ৰাণ পোৱা নাই। আজি গাঁওখনৰ সচেতন ৰাইজে ওলাই আহি দুৰ্ভগীয়া পৰিয়ালটোৰ স'তে থিয় হৈ সংবাদ মাধ্যমৰ যোগেদি অসম চৰকাৰ তথা বিটিআৰ চৰকাৰক অনুৰোধ জনায় যাতে এই দুৰ্ভগীয়া পৰিয়ালটোক আৰ্থিক সাহায্যৰ হাত আগবঢ়াই উন্নত চিকিৎসাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাইছে। যদি কোনো সদাশয় ব্যক্তিয়ে আৰ্থিকভাৱে সহায় কৰে তেনেহ'লে একাউন্ট নম্বৰ ৩৫৯৭৮০৬১৩৪৮/আইএফএছচি-এছবিআইএন ০০০৫৪০০/এছবিআই চালাকাঠি শাখাত দিবলৈও অনুৰোধ জনাইছে।

■ টিংখাঙৰ দীঘলীয়াত অঘটন

বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু শ্ৰমিকৰ, সংকটজনক এক

অগ্ৰদূত বাৰ্তা

ৰাজগড়, ৭ জুলাই ঃ টিংখাং সমষ্টিৰ দীঘলীয়া গাঁৱত সংঘটিত হয় এক অঘটন। এজন যুৱ শ্ৰমিকৰ বিদুৎস্পৃষ্ট হৈ কৰুণভাৱে মৃত্যু ঘটাৰ বিপৰীতে সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ মৃত্যুৰে যুঁজিছে আনজন। দুই নম্বৰ দীঘলীয়া গাঁৱৰ সূৰ্যমণি চৎনামীৰ এক মাত্ৰ পুত্ৰ হেমন্ত চৎনামী নামৰ ২৫ বছৰীয়া যুৱ শ্ৰমিকজনৰ আন্ত্যেষ্টিক্ৰীয়া কাৰ্যসূচীত যোগদান কৰি প্ৰাক্তন মন্ত্ৰী এটোৱা মুণ্ডাই ঘটনাৰ সৰিশেষ জানিব দিয়া মতে পেছাত কাঠমিস্ত্ৰী কামত জড়িত যুৱকজনে বিজুলী পৰিবাহিত ছিঙি থকা তাৰ এডালক সংযোগ কৰিবলৈ যোৱাত বিদ্যুৎস্পৃষ্ট হয়। বিদ্যুৎ বিভাগৰ চৰম অৱহেলাৰ বাবে এই ঘটনা সংঘটিত হয় বুলি মুণ্ডাই অভিহিত কৰি উচ্চ ক্ষমতাসম্পন্ন বিদ্যুৎ পৰিবাহিত তাৰ সংযোগ কৰিবলৈ বাধ্য কৰোৱাত দুৰ্ভাগ্যজনকভাৱে ঘটা ঘটনাটোত মুণ্ডাই গভীৰ শোক প্ৰকাশ কৰে। আনহাতে, একে ঘটনাটোত প্ৰয়াত যুৱ শ্ৰমিকজনক ৰক্ষা কৰিবলৈ যোৱা গাঁওবুঢ়াৰ ঘৰত হালোৱা কামত নিয়োজিত কাৰ্বি আংলং জিলাৰ হাতীদন্দী গাঁৱৰ চন কুমাৰ গড় নামৰ আনজন শ্ৰমিকৰ অৱস্থা বৰ্তমানেও সংকটজনক। ইপিনে, কালি সন্ধিয়া ছয়মান বজাত আঘাতপ্ৰাপ্ত উক্ত শ্ৰমিকজনক কালি আবেলি গাঁওবুঢ়াই ডিব্ৰুগড়স্থিত অসম চিকিৎসা মহাবিদ্যালয়লৈ নি ভৰ্তি কৰায়।

কাজিৰঙাৰ দাঁতিকাষৰীয়া দক্ষিণ চতিয়াত বন্যপ্ৰাণী সংৰক্ষণৰ সজাগতা সভা

অগ্ৰদূত বাৰ্তা

চতিয়া, ৭ জুলাই ঃ দক্ষিণ চতিয়াৰ বিশ্বনাথ-পাণপুৰ মথাউৰিৰ সমীপৰ পৰাই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজন আৰম্ভ হৈছে। বানৰ সময়ত প্ৰায়ে ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰা বন্যজন্তুৰ মথাউৰি পাৰ হৈ জনাঞ্চলত প্ৰৱেশ কৰে। বিগত সময়ছোৱাত এচাম অসাধু লোকে বানৰ কবলত পৰা বন্যজন্তুসমূহৰ অনিষ্ট সাধন কৰি আহিছিল যদিও অঞ্চলটোৰ বহুকেইটা পৰিৱেশ সচেতন স্বেচ্ছাসেৱী সংগঠনৰ উদ্যোগত অঞ্চলটোত বন্যপ্ৰাণী সংৰক্ষণৰ এক সুস্থ পৰিৱেশৰ সৃষ্টি হৈছে। বৰ্তমানৰ বানৰ সময়ৰ লগতে খাদ্যৰ সন্ধানত আন সময়ত ওলাই বন্যপ্ৰাণীসমূহক ৰাইজে নিৰাপত্তা দিয়াৰ লগতে বন বিভাগত গটাই দিয়াৰ ব্যৱস্থা কৰা পৰিলক্ষিত হৈছে। আজি দক্ষিণ চতিয়াৰ কৰৈয়নী আহমেদীয়া ইছলামীয় মাদ্ৰাছা প্ৰাংগণত বন্যপ্ৰাণী সংৰক্ষণৰ এখন সজাগতা সভা অনুষ্ঠিত হয়। উপত্যকা নামৰ পৰিৱেশ সম্পৰ্কীয় স্বেচ্ছাসেৱী সংগঠনটোৰ পৰিচালন সঞ্চালক ছৈদুৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত সভাত উপস্থিত থাকে বিশ্বনাথ বন্যপ্ৰাণী সংমণ্ডলৰ বিষয়া কনক বৈশ্য। বিষয়াজনে বানপানীৰ সময়ছোৱাত কাজিৰঙাৰ পৰা বন্যজন্তু জনাঞ্চললৈ ওলাই আহিলে কেনে ব্যৱস্থা ল'ব লাগে সেই সম্পৰ্কে ৰাইজক অৱগত কৰাৰ লগতে বন্য জন্তুসমূহে সংৰক্ষণত ৰাইজৰ ভূমিকা সম্বন্ধে মন্তব্য আগবঢ়ায়। সজাগতা সভাত উপস্থিত থকা স্বেচ্ছাসেৱী সংগঠন আৰণ্যক আৰু টি এছ আইৰ কৰ্মকৰ্তাসকলে উপস্থিত ৰাইজক বানৰ সময়ত বন্য জন্তুৰ প্ৰতিপালন কৰিব লগা দায়িত্ব আৰু কৰ্তব্য নিষ্ঠা সহকাৰে পালন কৰি মানৱীয়তাৰ পৰিচয় দিবলৈ অনুৰোধ কৰে। সভাত দক্ষিণ চতিয়াৰ বিভিন্ন গাঁৱৰ গাঁওৰক্ষী বাহিনীৰ সদস্যসকল, নেমছুৰ কৰ্মীসকলৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে।

সদৌ জাগীৰোড ব্যৱসায়ী সন্থাৰ উদ্যোগত স্বাস্থ্য শিবিৰ, সাহায্য প্ৰদান

অগ্ৰদূত বাৰ্তা

জাগীৰোড, ৭ জুলাই ঃ সমগ্ৰ ৰাজ্যৰ লগতে জাগীৰোড সমষ্টিৰ বিভিন্ন অঞ্চল বানপানীত ক্ষতিগ্ৰস্ত হয়। ইতিমধ্যে বানপানীত ক্ষতিগ্ৰস্ত লোকসকলক চৰকাৰৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে কিছু পৰিমাণে সকাহ দিয়াৰ লক্ষ্যৰে সাহায্য আগবঢ়াই আহিছে। আজি সদৌ জাগীৰোড ব্যৱসায়ী সন্থা, জাগীৰোড স্প'ৰ্টছ ক্লাব আৰু শুশ্ৰূষা নাৰ্ছিং হোমৰ উদ্যোগত বানপীড়িত লোকৰ মাজত খাদ্যবস্তু বিতৰণৰ লগতে বানপীড়িত লোকসকলক স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে ঔষধ বিতৰণ কৰে। জাগীৰোড সমষ্টিৰ অন্তৰ্গত নৰহতীয়া, শংকৰপুৰ শান্তি সাধনা আশ্ৰমত প্ৰায় তিনিশ পৰিয়ালক খাদ্যবস্তুৰ লগতে ঔষধ বিতৰণ কৰা অনুষ্ঠানত উপস্থিত থাকে জাগীৰোড মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়ৰ অধীক্ষক ডাঃ ধৰ্মেশ্বৰ ৰাংহাঙৰ লগতে চিকিৎসক তথা নাৰ্ছসকলৰ লগতে সদৌ জাগীৰোড ব্যৱসায়ী সন্থাৰ সভাপতি প্ৰবীণ কুমাৰ ডেকা, সম্পাদক দিব্যজিৎ নেওগ, স্প'ৰ্টছ ক্লাবৰ সভাপতি মনোৰঞ্জন তামুলীৰ লগতে ব্যৱসায়ী সন্থাৰ বিষয়ববীয়াসকল।

ধৰ্মপ্ৰাণা মহিলা শান্তিপ্ৰভা শইকীয়াৰ বিয়োগ

ষ্টাফ ৰিপ'ৰ্টাৰ



যোৰহাট, ৭ জুলাই ঃ যোৰহাটৰ তৰাজান কাকতিগাঁও নিবাসী ধৰ্মপ্ৰাণা মহিলা শান্তিপ্ৰভা শইকীয়া (৮৫)ৰ নিজা বাসভৱনত কালি পৰলোকপ্ৰাপ্তি হয়। তেওঁ বিশিষ্ট কৃষি অৰ্থনীতিবিদ, উত্তৰ-পূব ভাৰত কৃষি অৰ্থনীতি গৱেষণা কেন্দ্ৰৰ প্ৰাক্তন সঞ্চালক প্ৰয়াত ড০ পদ্মধৰ শইকীয়াৰ পত্নী আছিল। তেওঁ দুজন পুত্ৰ ক্ৰমে ড০ ৰবি শংকৰ শইকীয়া, ড০ উদয় শংকৰ শইকীয়া আৰু কন্যা বৰ্ণালী শইকীয়া বৰা সহিতে দুই বোৱাৰী, নাতি-নাতিনীসহ পৰিয়াল ইহসংসাৰত এৰি গৈছে। বিশিষ্টা মহিলাগৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

নলবাৰীৰ পাজিপৰত মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

নলবাৰী, ৭ জুলাই ঃ নলবাৰী জিলাৰ খাতা পাজিপৰত কালি বিয়লি এটি অৰ্ধগলিত মৃতদেহ উদ্ধাৰ হয়। পাগলাদিয়া নদীৰ বালিচৰত পোত খাই থকা অৱস্থাত উদ্ধাৰ হোৱা মৃতদেহটো নলবাৰী চহৰৰ সমীপৱৰ্তী গোপাল বজাৰৰ পৰেশ বৰ্মন বুলি চিনাক্ত কৰা হৈছে। উল্লেখ্য যে বলোৱা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ কৰ্মচাৰী পৰেশ বৰ্মন যোৱা ২০ জুনৰ পৰা কৰ্তব্যস্থলীত অহাৰ পাছৰে পৰা নিখোঁজ হৈ আছিল। আৰক্ষীয়ে অৰ্ধগলিত মৃতদেহটো উদ্ধাৰৰ পাছত নিখোঁজ হোৱা পৰিয়ালটোক খবৰ দিয়াত পৰিয়ালৰ লোকে লংপেণ্টৰ পেকেট থকা ম'বাইল ফোন আৰু বেল্টৰ জৰিয়তে চিনাক্ত কৰিবলৈ সক্ষম হয় বুলি আৰক্ষীয়ে প্ৰকাশ কৰে।

জলখানা-ভথুৰাখানাত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ

অগ্ৰদূত বাৰ্তা

টিহু, ৭ জুলাই ঃ টিহু এফআৰইউৰ উদ্যোগত জলখানা-ভথুৰাখানা গ্ৰামোন্নয়ন সমিতি আৰু জলখানা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সহযোগত আজি জলখানা ভথুৰাখানা হাইস্কুল প্ৰাংগণত এটি বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। শিবিৰটোত অঞ্চলটোৰ প্ৰায় ১৫০ গৰাকী পুৰুষ-মহিলাক পৰীক্ষা-নিৰীক্ষা কৰি প্ৰাথমিক চিকিৎসা সেৱা আগবঢ়াই বিভিন্ন ৰোগৰ দৰৱ আদি বিতৰণ কৰে। শিবিৰটোত জলখানা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক ডাঃ অমিত কুমাৰ ডেকা সমন্বিতে টিহু এফআৰইউ আৰু জলখানা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ কে'বাগৰাকী নাৰ্ছ, ফাৰ্মাচিষ্ট, লেব'ৰেটৰীয়ান, এমপিডব্লিউ, মেলেৰিয়া কৰ্মী আদিয়ে অংশ লয়।

আজাৰাত আবৃত্তি কৰ্মশালা



অগ্ৰদূত বাৰ্তা

আজাৰা, ৭ জুলাই ঃ আজাৰাস্থিত ৰাজধৰ বড়া উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত আজাৰা উত্তৰণ একাডেমীৰ উদ্যোগত কালিৰে পৰা সাতদিনীয়া আবৃত্তি কৰ্মশালা অনুষ্ঠিত হৈছে। অঞ্চলটোৰ অৰ্ধশতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা উক্ত কৰ্মশালাখন আন্তঃৰাষ্ট্ৰীয় আবৃত্তিকাৰ উপম শইকীয়াই বন্তি প্ৰজ্বলনৰে উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানৰ আৰম্ভণিতে আবৃত্তিকাৰ গণেশ দাসে আদৰণি ভাষণ দিয়ে। লেখিকা তথা আবৃত্তিকাৰ জোনালী ডেকা বৰুৱাই আঁত ধৰা অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰা আজাৰা সাহিত্য সভাৰ মুখ্য উপদেষ্টা কমল প্ৰসাদ দাস, প্ৰাক্তন সম্পাদিকা বুলু কুমাৰী বড়াৰ লগতে আবৃত্তিকাৰ উপম শইকীয়াই শব্দৰ ব্যৱহাৰ, প্ৰয়োগ, উচ্চাৰণ আদিকে ধৰি আবৃত্তিৰ কৌশলসমূহৰ বিষয়ে আলোকপাত কৰে। উদ্বোধনী অনুষ্ঠানৰ লগত সংগতি ৰাখি অংশগ্ৰহণকাৰী প্ৰশিক্ষাৰ্থীসকলৰ লগত এক ভাব বিনিময় অনুষ্ঠানৰো আয়োজন কৰা হয়।

আত্মা-জিলা কৃষি বিভাগৰ উদ্যোগত প্ৰাকৃতিক কৃষি বিষয়ক সজাগতা সভা

ষ্টাফ ৰিপ'ৰ্টাৰ

যোৰহাট, ৭ জুলাই ঃ যোৰহাট জিলা কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সংস্থা (আত্মা) আৰু যোৰহাট জিলা কৃষি বিভাগৰ উদ্যোগত জিলাৰ উপায়ুক্তৰ সহযোগত হায়দৰাবাদৰ মানাজ আৰু অসমৰ চাবেটৰ আহ্বান ক্ৰমে পাঁচ আৰু ছয় জুলাইত উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত গ্ৰাম্যপ্ৰধানসকলৰ বাবে প্ৰাকৃতিক কৃষি বিষয়ক এখন সজাগতা সভা অনুষ্ঠিত হয়। যোৰহাট জিলাৰ আটাইকেইটা ৰাজহ চক্ৰৰ নিৰ্বাচিত গ্ৰাম্যপ্ৰধানসকলৰ লগতে প্ৰগতিশীল কৃষকসকলৰ উপস্থিতিত অনুষ্ঠিত সভাৰ প্ৰথম দিনৰ কাৰ্যসূচী আৰম্ভণি কৰি আদৰণি ভাষণ প্ৰদান কৰে যোৰহাট জিলা কৃষি বিষয়া বেণী মাধৱ বৰুৱাই। প্ৰথম দিনা সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰে ফাৰ্ম টু ফুড ফাউণ্ডেছনৰ জ্যেষ্ঠ আঁচনি প্ৰবন্ধক পৰাগ মহন্ত, এছ ই এছ টি এৰ কাৰ্যবাহী কৌশাম্বী কাশ্যপ, ৱৰ্ল্ড ভেজৰ কাৰিকৰী বিষয়া অংশুমান বেজবৰুৱা আৰু এপাৰ্ট পৰিৱেশ সমন্বয়ক মিৰাজ হুছেইনে। দ্বিতীয় দিনা সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰে জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া ৰূপম কাকতি, 'ফাৰ্ম টু ফুড ফাউণ্ডেছনৰ জ্যেষ্ঠ প্ৰবন্ধক পৰাগ মহন্ত, ইএছটিএৰ কাৰ্যবাহী কৌশাম্বী কাশ্যপে। সভাত ৰাজ্যিক পৰ্যবেক্ষকৰূপে উপস্থিত থাকে কৃষি সঞ্চালকালয় অসমৰ জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া ইমদাদ হুছেইন ঠাকুৰীয়া আৰু কমলেন্দ্ৰ বৰ্মন। এক বিবৃতিৰ জৰিয়তে এই তথ্য সদৰী কৰিছে কৃষি বিভাগৰ যোৰহাট জিলাৰ মিডিয়া বিশেষজ্ঞ আভা ভৰালীয়ে।

বান সাহায্য বিতৰণ নকৰাৰ অভিযোগ গাঁওবুঢ়াৰ বিৰুদ্ধে

বাঘবৰৰ ভাতনাপাইতিত বান সাহায্যৰ পৰা বঞ্চিত বন্যাৰ্তৰ প্ৰতিবাদ

আলোপতি, ৭ জুলাই ঃ বান সাহায্য বিতৰণৰ নামত ব্যাপক খেলিমেলি সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে বৰপেটা জিলাৰ বাঘবৰ জিলাৰ বাঘবৰ সমষ্টিৰ ভাতনাপাইতি গাঁৱত। ভাতনাপাইতি গাঁৱৰ ১৪ নম্বৰ চাৰ্জৰ গাঁৱৰ গাঁওবুঢ়া আব্দুল ৰছিদৰ বিৰুদ্ধে বানপীড়িত লোকে উত্থাপন কৰিছে এই গুৰুতৰ অভিযোগ। তথ্য মতে, চৰকাৰে যোগান ধৰা বান সাহায্যৰ দ্বিতীয় কোটাৰ চাউল, দাইল প্ৰায় এসপ্তাহ পূৰ্বে বাঘবৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পৰা আনে গাঁওবুঢ়া আব্দুল ৰছিদে। ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পৰা অনা বান সাহায্যৰ চাউল, দাইল আৰু পশুধনৰ খাদ্য বানপীড়িতৰ মাজত বিতৰণ নকৰি গাঁওবুঢ়াজনে অকৰ্তৃত্বশীলভাৱে নিজৰ ঘৰত মজুত কৰি ৰখাৰ অভিযোগ উত্থাপন কৰিছে একাংশ বানপীড়িত লোকে। একাংশ লোকে ব্যক্ত কৰা মতে যি দুই-এটা পৰিয়ালক বান সাহায্য দিয়া হৈছে তাতেও উলংঘা কৰিছে চৰকাৰী নিয়ম। ইয়াৰ উপৰি সম্প্ৰতি ভাতনাপাইতি গাঁৱৰ একাংশ লোক ৰাজ্যৰ বিভিন্ন প্ৰান্তত থকাৰ পাছতো এনে বহু পৰিয়ালৰ নামত বান সাহায্য গাঁওবুঢ়াজনে কৰ্তন কৰি ৰখাৰো অভিযোগ উত্থাপন কৰিছে স্থানীয় একাংশ লোকে। জনসংখ্যাৰ পৰিৱৰ্তে ভোটাৰ হিচাপত বিতৰণ কৰা হৈছে বান সাহায্য। চৰকাৰে যোগান ধৰা বান সাহায্যৰ চাউল, দাইল আৰু পশুধনৰ খাদ্য বানপীড়িতৰ মাজত বিতৰণ নকৰি গাঁওবুঢ়া আব্দুল ৰছিদে নিজৰ ঘৰত মজুত কৰি ৰখা কাৰ্যত ক্ষুণ্ণ হৈ পৰিছে ভাতনাপাইতি গাঁওবাসী। গাঁওবুঢ়াৰ এনে খামখেয়ালিৰ বিৰুদ্ধে আজি প্ৰতিবাদ সাব্যস্ত কৰে একাংশ বানপীড়িত লোকে। 'বান সাহায্যক লৈ চলা অনিয়ম বন্ধ কৰক, গাঁওবুঢ়াৰ খামখেয়ালি নচলিব, আমাক বান সাহায্য প্ৰদান কৰক, গাঁওবুঢ়া আব্দুল ৰছিদৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰক...' আদি শ্ল'গান দি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে একাংশ লোকে। শীঘ্ৰে গাঁওবুঢ়া ৰছিদৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা উপায়ুক্ত, বাঘবৰ ৰাজহ চক্ৰৰ বিষয়াক দাবী জনাইছে ভুক্তভোগী বানপীড়িতই।

গোলাঘাটৰ মাটিখোলা পঞ্চায়ত কাৰ্যালয়ত বিশুদ্ধ খোৱাপানীৰ অভাৱত ৰাইজৰ হাহাকাৰ

অগ্ৰদূত বাৰ্তা

ফৰকাটিং, ৭ জুলাই ঃ গোলাঘাট বিধানসভা সমষ্টিৰ পুব পদুমণি উন্নয়ন খণ্ডৰ অন্তৰ্গত মাটিখোলা পঞ্চায়ত কাৰ্যালয়ত দীৰ্ঘদিন ধৰি এটুপি বিশুদ্ধ খোৱাপানীৰ অভাৱত হাহাকাৰ পৰিস্থিতিৰ উদ্ভৱ হৈ আহিছে। স্মৰ্তব্য যে পঞ্চায়ত কাৰ্যালয়টোৰ চৌহদত পূৰ্বতে এটা হেণ্ড টিউবেল আছিল যদিও সম্প্ৰতি বিকল হৈ পৰাত কাৰ্যালয়ৰ কৰ্মচাৰীসকলৰ উপৰি বিভিন্ন ৱাৰ্ডৰ পৰা অহা হিতাধিকাৰীসকলে খোৱাপানীৰ অভাৱত দোকানৰ পৰা জেপৰ ধন ভৰি পানী কিনি খাবলগীয়া অৱস্থাৰ সৃষ্টি হৈ আহিছে। প্ৰাপ্ত তথ্য মতে, সংশ্লিষ্ট পঞ্চায়ত কাৰ্যালয়টোত এটা পানীৰ ফিল্টাৰ আছে যদিও এটুপি পানীৰ বাবে ফিল্টাৰটো পৰিত্যক্ত অৱস্থাত উপনীত হোৱাৰ অভিযোগ উঠিছে। উল্লেখ্য যে এই উৎকট গৰমত পঞ্চায়ত কাৰ্যালয়ত এটুপি পানী বিচাৰি কৰ্মচাৰী তথা ৰাইজে হাবাথুৰি খাব লগা হৈছে। সেয়েহে স্থানীয় অঞ্চলটোৰ সচেতন ৰাইজে বিভাগীয় কৰ্তৃপক্ষক পঞ্চায়ত কাৰ্যালয়টোত বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰি দিবলৈ দাবী জনাইছে।

শিক্ষক তথা সমাজকৰ্মী কনকেশ্বৰ শইকীয়াৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা

জাঁজী, ৭ জুলাই ঃ যোৰহাট জিলাৰ টীয়ক নন্দনপুৰৰ নিবাসী কনকেশ্বৰ শইকীয়াৰ আজি পুৱা নিজা বাসগৃহ পৰলোকপ্ৰাপ্তি হয়। জটিল ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা শইকীয়াৰ বাতৰি বিয়পি পৰাৰ লগে লগে নন্দনপুৰবাসী, শোকত ম্ৰিয়মাণ অঞ্চলটোৰ শতাধিক লোকৰ লগতে সাংবাদিক ৰূপকজ্যোতি বৰা, সাংৰগপাণি শইকীয়া, শইকীয়াৰ বাসগৃহত উপস্থিত হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। টীয়কজ্যোতি বিদ্যাপীঠৰ শিক্ষক, শিল্পী, নাট্যকাৰ অশোক কুমাৰ বৰাই আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত তেওঁৰ জীৱনপঞ্জী আলোকপাত কৰে শোকসন্তপ্ত ৰাইজে। শিক্ষক তথা সমাজকৰ্মী শইকীয়া ১৬৮ নম্বৰ জখীয়া প্ৰাথমিক বিদ্যালয়ত শিক্ষাৰ পাতনি মেলি, মধ্য টীয়ক এম ই স্কুলত মাধ্যমিক শিক্ষা, মধ্য টীয়ক হাইস্কুলৰ শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ যোৰহাটৰ নৰ্মাল স্কুলৰ পৰা দুবছৰীয়া শিক্ষক প্ৰশিক্ষণ গ্ৰহণ কৰে। পৰৱৰ্তী ১৯৮২ৰ পহিলা মাৰ্চ বনৰীয়া মিচিং গাঁৱত প্ৰাথমিক বিদ্যালয়ত প্ৰথম চাকৰি জীৱনৰ পাতনি মেলে শইকীয়াই। শিক্ষকতাৰ দৰে পৱিত্ৰ বৃত্তিত নিয়োজিত শইকীয়াই টীয়কৰ অনিৰুদ্ধ প্ৰাথমিক বিদ্যালয় শিক্ষকতা, ১৬৩ নম্বৰ মাজকুৰী প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা, হুছেইন চাপৰি, নামচেচু আৰু চিৰাম মিচিং গাঁও প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰি মানুহ বনোৱাৰ কমাৰশালাত মানুহ হিচাপে গঢ় দিলে বহুজনক। ২০১৫ৰ ৩১ মাৰ্চত চিৰাম মিচিং গাঁও প্ৰাথমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে শিক্ষক শইকীয়াই। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ ভাই-ককাই ভগ্নী-ভতিজাসহ বহু আত্মীয়ক ইহসংসাৰত এৰি যায়।

গোৱালপাৰাৰ সিধাবাৰীত কৃতী ছাত্ৰ-ছাত্ৰীক পঞ্চায়ত কৰ্তৃপক্ষৰ সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা

মাটিয়া, ৭ জুলাই ঃ গোৱালপাৰা জিলাৰ সিধাবাৰী গাঁও পঞ্চায়তত কৰ্তৃপক্ষই আজি সদ্যঘোষিত হাইস্কুল আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৩২ গৰাকীকৈ কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনায়। সিধাবাৰী গাঁও পঞ্চায়তৰ সভাপতি হবিবৰ ৰহমানৰ পৌৰোহিত্যত অনুষ্ঠিত সম্বৰ্ধনা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে পঞ্চায়তখনৰ সচিব অক্ষয় দাসে। গাঁও পঞ্চায়তখনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত মাটিয়া উন্নয়ন খণ্ডৰ বিষয়া ৰবেন চন্দ্ৰ বৰ্মন, গোৱালপাৰা পি আৰ চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ ছজিমুদ্দিন আহমেদ, গোৱালপাৰা সৈনিক স্কুলৰ অধ্যাপক হজৰত আলী, অৱসৰপ্ৰাপ্ত শিক্ষক কমল চন্দ্ৰ মেধি, চি আৰ চি চি দিলদাৰউদ্দিন আহমেদ, নয়াপাৰা হাইমাদ্ৰাছাৰ অৱসৰপ্ৰাপ্ত অধীক্ষক মহব্বত আলী মণ্ডল, মাটিয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সমীৰ কোঁৱৰ, সচেতন যুৱক ৰাকেশ চক্ৰৱৰ্তী, কুঞ্জ বিহাৰী নাথ প্ৰমুখ্যে কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে শৈক্ষিক দিশৰ ওপৰত বক্তব্য প্ৰদান কৰে। সভাত সিধাবাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত ৩২ গৰাকীকৈ কৃতী ছাত্ৰ-ছাত্ৰীক একোখনকৈ ফুলাম গামোচা, অভিধান, মানপত্ৰ, কলম আৰু গছপুলিৰে সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকৰ লগতে ভালেসংখ্যক শিক্ষাপ্ৰেমী ৰাইজ উপস্থিত থাকে।

কামপুৰত গৰু চৰাবলৈ গৈ যুৱকৰ সলিল সমাধি

■ কচুৱাতো পানীত পৰি শিশুৰ মৃত্যু

বিশেষ সংবাদদাতা

নগাঁও, ৭ জুলাই ঃ কালি কামপুৰৰ তেলীয়াআটীত এক শোকাবহ ঘটনা সংঘটিত হয়। গৰু চৰাবলৈ গৈ বাঢ়নী পানীত পৰি মৃত্যু হয় এজন যুৱকৰ। মৃত্যু হোৱা যুৱকজনৰ নাম অংকুৰ কাকতি। প্ৰাপ্ত তথ্য মতে, আজি বিয়লি তেলীয়াআটী ৰিজাৰ্ভত গৰু চৰাবলৈ হৈ যুৱকজন এটা দ' গাঁত পাৰ হ'ব বিচাৰোতেই গাঁতটোত সোমাই পৰে। পাছত স্থানীয় লোকে অচেতন অৱস্থাত উদ্ধাৰ কৰি যুৱকজনক ১০৮ যোগে ৰামপুৰ চিকিৎসালয়লৈ আনে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। ইফালে, কচুৱা থানাৰ অন্তৰ্গত ভকচং বাবুৰাআটি গাঁৱত পৰহি বাঢ়নী পানীত পৰি মতিবুৰ ৰহমান নামৰ পাঁচবছৰীয়া এটি শিশুৰ মৃত্যু ঘটে।

গ্ৰন্থ হৈছে মানৱ জীৱনৰ উৎকৰ্ষ সাধনৰ আহিলা

■ সৃষ্টিৰে প্ৰোজ্জ্বল মৃণালিনী গোস্বামীলৈ শিশু মহীয়ান বঁটা

অগ্ৰদূত বাৰ্তা

চিনামৰা, ৭ জুলাই ঃ 'গ্ৰন্থই মানুহৰ বৌদ্ধিক, মানসিক, শৈক্ষিক আৰু আধ্যাত্মিক দিশত উৎকৰ্ষ সাধন কৰে। এক কথাত গ্ৰন্থ মানৱ জীৱনৰ উৎকৰ্ষ সাধনৰ প্ৰধান আহিলা।' এই মন্তব্য ৰাজ্যৰ এগৰাকী বিশিষ্ট লেখিকা তথা সাহিত্যিক যোৰহাট জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য মৃণালিনী গোস্বামীৰ। অলপতে হোৱা এক সাক্ষাৎ কালত লেখিকাগৰাকীয়ে এনেদৰে কয়। কথা প্ৰসংগত তেওঁ গ্ৰন্থ প্ৰকাশকৰ সন্দৰ্ভত কয় যে গ্ৰন্থ প্ৰকাশকসকলে এক মহৎ কাম সম্পাদন কৰে। এগৰাকী লেখক বা লেখিকাৰ লিখিত ৰূপক জনসাধাৰণৰ মাজলৈ উলিয়াই দি চিন্তাৰ বিস্তাৰ সাধে। উল্লেখ্য যে যোৰহাট নলতীয়াল সত্ৰৰ সত্ৰাধিকাৰ, স্বাধীনতা সংগ্ৰামী প্ৰয়াত ইন্দ্ৰেশ্বৰ গোস্বামী আৰু প্ৰয়াত মালা গোস্বামীৰ জীয়াৰী মৃণালিনী গোস্বামীয়ে শিক্ষকতাৰ সমান্তৰালভাৱে ১৯৯৩ৰ পৰাই বিভিন্ন কাকত, আলোচনীত শিশু সাহিত্যৰ লগতে প্ৰৱন্ধ, ভ্ৰমণ কাহিনী লিখি পাঠকৰ সমাদৰ লাভ কৰি আহিছে। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কমিটীৰ সদস্য পদ অলংকৃত কৰা গোস্বামীৰ কাপৰ পৰা ইতিমধ্যে নিগৰিছে ৩০ খনৰো অধিক বিভিন্ন গ্ৰন্থ। সৃষ্টিৰাজিৰ অন্তৰাগত জীৱনী সাহিত্য ৰেঙণি, পুৰস্কাৰপ্ৰাপ্ত গ্ৰন্থ গুজৰাট ভ্ৰমণ, দেশ-বিদেশৰ সাধু, উপন্যাস অমৃত কথা, প্ৰৱন্ধপুঞ্জ, বিমূৰ্ত ভ্ৰমণ, শিশুৰ গীত-মাত, মহীয়সী নাৰীৰ জীৱনত এভুমুকি, শিশু গল্প, কবিতা মঞ্জুৰা, বৃত্তি পৰীক্ষাৰ সহায়িকা, নাটক স্বৰ্গালৈ যাত্ৰা, ক্ৰিয়াকলাপৰ যোগেদি ২৭খন জিলা শিকো আহা, হৃদয়ানুভূতি, মৌ-কোঁহ, মৌ কাহিনী, মৌ-গল্প, উদ্ভিদৰ পৰা ঔষধি, অকণিহঁতৰ সাধু আৰু মইনাহঁতৰ সাধু আদি বিভিন্ন গ্ৰন্থৰাজিৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। ইতিমধ্যে গোস্বামীৰ দুশৰো অধিক প্ৰবন্ধ বিভিন্ন কাকত, আলোচনীত প্ৰকাশ হোৱা বুলি তেওঁ জানিবলৈ দিছে। তদুপৰি তেওঁৰ সম্পাদনাত সদৌ অসম মইনা পাৰিজাতৰ মইনা, মহিলা আলোচনী আকাশ, জেউতি ইত্যাদি প্ৰকাশ পাইছে। সাহিত্যানুষ্ঠানৰ উপৰি মৃণালিনী গোস্বামী বিভিন্ন অনুষ্ঠানৰ পৰিচালক-পৰিচালিকা, অসম কাব্য কানন যোৰহাট সমিতিৰ সভাপতি, ২০১৮-২০ বৰ্ষৰ জিলা সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভাপতিৰ পদ অলংকৃত কৰা লেখিকাগৰাকীয়ে অসম ভিত্তিত কে'বাটাও বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। শেহতীয়াকৈ যোৱা ১১ জুনত যোৰহাট প্ৰেছ ক্লাবত উন্মোচিত বিশ্ব সাহিত্যত অকণি সাধু আৰু মইনাহঁতৰ সাধু নামৰ অনুবাদ গল্প সংকলনৰ বাবে তেওঁলৈ আন্তৰ্জাতিক মহিলা মঞ্চই 'শিশু মহীয়ান বঁটা আগবঢ়াইছে।

সুতাৰপাৰা পশু হাট আবণ্টনৰ নামত দুৰ্নীতি

গোৱালপাৰা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াৰ বিৰুদ্ধে উপায়ুক্তক সৰ্বোচ্চ নিবিদাদাতাৰ অভিযোগ

অগ্ৰদূত বাৰ্তা
মাটিয়া, ৭ জুলাই ঃ হাট বজাৰ, মীন মহল আবণ্টনৰ নামত সম্প্ৰতি গোৱালপাৰা জিলা পৰিষদ কৰ্তৃপক্ষই ব্যাপক দুৰ্নীতিত লিপ্ত হোৱা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। ইফালে, বিভাগীয় নিয়ম উলংঘাৰে নিবিদা প্ৰক্ৰিয়াত জড়িত নথকা তৃতীয় পক্ষক মাটিয়া আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত সুতাৰপাৰা পশু হাটৰ কৰ সংগ্ৰহৰ দায়িত্ব অৰ্পণ কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত আজি চলিত বৰ্ষৰ সৰ্বোচ্চ নিবিদাদাতা তথা বিগত বৰ্ষৰ লেচী মিজাৰ ৰহমানে গোৱালপাৰাৰ উপায়ুক্তক এখন লিখিত অভিযোগ দাখিল কৰে। উল্লেখ্য যে যোৱা ১৬ জুনত মাটিয়া আঞ্চলিক পঞ্চায়ত কৰ্তৃপক্ষই আহ্বান কৰা নিবিদা প্ৰক্ৰিয়াত সুতাৰপাৰা গৰু-ম'হ-হাটৰ বাবে ২০গৰাকীয়ে আৰু ছাগলী-ভেৰা হাটৰ বাবে ২০গৰাকীয়ে সুকীয়া সুকীয়াকৈ নিবিদা দাখিল কৰে। ইয়াৰে ভেৰভেৰীৰ ফয়জুদ্দিনৰ পুত্ৰ মিজাৰ ৰহমানে সুতাৰপাৰা গৰু-ম'হ হাটৰ বিপৰীতে সৰ্বোচ্চ ২৪ লাখ ৪৪ হেজাৰ নশ এক টকা আৰু ছাগলী-ভেৰা হাটৰ বাবে আফাজুদ্দিনৰ পুত্ৰ তোফাজ্জল হকে সৰ্বোচ্চ চাৰি লাখ ৬৫ হেজাৰ ৯৯৯ টকাৰ নিবিদা দাখিল কৰে। ইফালে, মাটিয়া আঞ্চলিক পঞ্চায়ত কৰ্তৃপক্ষই ইতিমধ্যে তুলনামূলক প্ৰতিবেদন প্ৰস্তুত কৰি দুয়োটা হাটৰ লগতে অন্যান্য হাট বজাৰ মীন মহল আবণ্টনৰ বাবে গোৱালপাৰা জিলা পৰিষদত যাৱতীয় নথিপত্ৰ প্ৰেৰণ কৰিছে। কিন্তু স্থায়ী আবণ্টন দিয়াৰ বিপৰীতে গোৱালপাৰা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই সম্পূৰ্ণ নিয়ম বহিৰ্ভূতভাৱে জহিৰুল ইছলাম মোল্লা নামৰ এজন লোকক আজি অনুষ্ঠিত সুতাৰপাৰা পশু হাটৰ কৰ সংগ্ৰহৰ দায়িত্ব অৰ্পণ কৰিছে। উল্লেখ্য যে নিয়ম অনুসৰি আবণ্টন দিয়াত পলম হ'লে বিগত বৰ্ষৰ নিবিদা মূল্যৰ ১০ শতাংশ অধিক ধন লৈ অস্থায়ীভাৱে বিগত বৰ্ষৰ লেচীকেই দায়িত্ব অৰ্পণ কৰিব লাগে অথবা সংশ্লিষ্ট আঞ্চলিক পঞ্চায়তক খাজনা সংগ্ৰহৰ দায়িত্ব অৰ্পণ কৰা তথা বজাৰত গৈ মুকলি ডাকত অস্থায়ীভাৱে খাজনা আদায়ৰ দায়িত্ব অৰ্পণ কৰিব লাগে। ইফালে, ২০২২-২৩ৰ বাবে সুতাৰপাৰা গৰু-ম'হ হাট আৰু ছাগলী-ভেৰা হাটৰ বাবে দাখিল কৰা দুয়োগৰাকী সৰ্বোচ্চ নিবিদাদাতাৰ মুঠ টকাৰ পৰিমাণ হ'ল ২৯ লাখ ১০ হেজাৰ নশ টকা। সেই মতে, প্ৰতি সপ্তাহত চৰকাৰী ৰাজহৰ পৰিমাণ হ'ল ৫৫ হেজাৰ নশ ৭৯ টকা। কিন্তু জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই যোৱা ছয় জুলাইত জি জেড পি জি-৮২৫/হাট-ঘাট/ফিচাৰিছ কোৱেচ/২০২১-২২/iii নম্বৰযোগে মাত্ৰ ন হেজাৰ ৫০ টকাৰ বিনিময়ত জহিৰুল ইছলাম মোল্লাক এদিনৰ বাবে কৰ সংগ্ৰহৰ দায়িত্ব অৰ্পণ কৰিছে। যি সময়ত গোৱালপাৰা জিলা পৰিষদ কৰ্তৃপক্ষই জিলাখনৰ কৃষ্ণাই, কালজানী আদি বজাৰ অস্থায়ী পট্টনৰ বাবে মুকলি ডাকত দিয়াৰ বিপৰীতে সুতাৰপাৰা পশু হাটৰ অস্থায়ী খাজনা সংগ্ৰহৰ বাবে তৃতীয় পক্ষক দায়িত্ব অৰ্পণ কৰা বুলি অভিযোগপত্ৰত প্ৰকাশ। সেয়েহে এই ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ তদন্তৰ জৰিয়তে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে চলিত বৰ্ষৰ সৰ্বোচ্চ নিবিদাদাতা মিজাৰ ৰহমানে।

অসম চিকিৎসা মহাবিদ্যালয়ত অগ্নিনিৰ্বাপণৰ প্ৰশিক্ষণ

বিশেষ সংবাদদাতা
ডিব্ৰুগড়, ৭ জুলাই ঃ ডিব্ৰুগড় অগ্নি আৰু আপদকালীন সেৱা আস্থানৰ দ্বাৰা অসম চিকিৎসা মহাবিদ্যালয়ৰ ছুপাৰ স্পেচিয়েলিটি ভৱনত এখন অগ্নি সজাগতা সভা অনুষ্ঠিত কৰে। ডিব্ৰুগড় অগ্নি আৰু আপদকালীন সেৱা আস্থানৰ পৰিদৰ্শক সঞ্জীৱ কুমাৰ দেউৰীয়ে মুখ্য প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰি হঠাতে সংঘটিত অগ্নিকাণ্ডৰ ক্ষেত্ৰত ল'ব লগা সাৱধানতা সম্পৰ্কত বিৱৰি কয়। লগতে তেওঁৰ লগত অহা দলটোৱে অগ্নি নিৰ্বাপণৰ সময়ত ব্যৱহৃত সামগ্ৰীসমূহৰ প্ৰয়োগ সম্পৰ্কত এক প্ৰশিক্ষণ প্ৰদান কৰে। সভাত অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতি, অধীক্ষক ডাঃ প্ৰশান্ত দিহিঙীয়া, উপ-অধীক্ষক ডাঃ সৌমেন্দ্ৰ নাথ ভাগৱতীৰ লগতে চিকিৎসালয়খনৰ বহুসংখ্যক চিকিৎসক, নাৰ্ছ, কৰ্মচাৰী আদি উপস্থিত থাকে।

দেশী জনগোষ্ঠীয় মঞ্চ, অসমৰ আদৰণি

পাঁচ ইছলাম ধৰ্মীয় জনগোষ্ঠীক খিলঞ্জীয়া অসমীয়াৰ স্বীকৃতি

অগ্ৰদূত বাৰ্তা
চাপৰ, ৭ জুলাই ঃ কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ মিত্ৰজোঁটৰ চৰকাৰৰ কেবিনেট বৈঠকত দেশী, গৰিয়া, মৰিয়া, জলহা আৰু চৈয়দ এই ইছলামধৰ্মী থলগিৰি জনগোষ্ঠীকেইটাক খিলঞ্জীয়া অসমীয়া বুলি চৰকাৰীভাৱে কৰা ঘোষণাক দেশী জনগোষ্ঠীয় মঞ্চ, অসমে আদৰণি জনাইছে। এই উপলক্ষে আজি বিয়লি প্ৰায় এক বজাত চাপৰ চহৰৰ পৰিদৰ্শন বঙলাত দেশী জনগোষ্ঠীয় মঞ্চ, অসমৰ সভাপতি শ্বেখ হেদায়েতুল্লাহে এখন সংবাদ মেলৰ আয়োজন কৰে। সংবাদ মেলযোগে সংগঠনটোৰ সভাপতিজনে ৰাজ্য চৰকাৰৰ উক্ত সিদ্ধান্তৰ বাবে প্ৰথমতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে বিজেপি আৰু অগপ মিত্ৰজোঁটৰ চৰকাৰখনক ধন্যবাদ জনায়। লগতে তেওঁ কয় যে পশ্চিম অসমত বসবাস কৰা দেশীসকলৰ বাবে ই এটা ঐতিহাসিক সিদ্ধান্ত। অস্তিত্ব আৰু পৰিচয় সংকটত নিমজ্জিত ক্ষুদ্ৰ জনগোষ্ঠী এটাৰ জনগোষ্ঠীয় পৰিচয় উদ্ধাৰ কৰি প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত জনগোষ্ঠীয় সংগঠন আৰু সাংস্কৃতিক আন্দোলনৰ ভূমিকা অপৰিসীম। কিন্তু চৰকাৰী স্বীকৃতি অবিহনে সকলোবোৰ ফুটুকাৰ ফেন হৈ থাকে। কেৱল চৰকাৰী স্বীকৃতিৰ দ্বাৰাইহে এই জনগোষ্ঠীৰ লোকসকলে অন্যান্য ইছলামধৰ্মী লোকসকলে ভুগি থকা সমস্যাবোৰৰ পৰা নিজকে আঁতৰাই ৰাখিব পাৰে। ড° হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰখনে খিলঞ্জীয়াৰ পৰিচয় উদ্ধাৰ আৰু অধিকাৰ প্ৰতিষ্ঠাৰ কাৰণে লোৱা পদক্ষেপ প্ৰশংসাৰ যোগ্য বুলি উল্লেখ কৰি তেওঁ কয় যে দেশীসকলৰ সুকীয়া পৰিচয় প্ৰতিষ্ঠা কৰা আৰু সুকীয়া গণনাৰ ক্ষেত্ৰত এইটো প্ৰথম পদক্ষেপ হিচাপে আমি গণ্য কৰিছো। এতিয়া দেশী জনগোষ্ঠীৰ অন্যান্য সমস্যাসমূহ নিশ্চয় পৰৱৰ্তী সময়ত চৰকাৰখনে গুৰুত্ব সহকাৰে বিবেচনা কৰিব বুলি আমি আশাবাদী বুলিও শ্বেখ হেদায়েতুল্লাহে কয়। দেশী জনগোষ্ঠীৰ একাংশই সন্মুখীন হোৱা ডি ভোটাৰৰ সমস্যা, বিদেশী ন্যায়াধিকৰণত চলি থকা মোকৰ্দমা, এন আৰ চিৰ পৰা বাদ পৰি যোৱা সমস্যাসমূহো চৰকাৰখনে অতি শীঘ্ৰে সমাধান কৰিব বুলিও তেওঁ আশাবাদ প্ৰকাশ কৰে। দেশী মানুহৰ সমস্যাসমূহ শীঘ্ৰে সমাধা কৰাৰ বাবে চৰকাৰখনে সুকীয়া জৰীপৰ ব্যৱস্থা কৰাৰ লগতে দেশী জনগোষ্ঠীৰ লোকৰ উন্নয়ন ত্বৰান্বিত কৰাৰ বাবে উন্নয়ন পৰিষদ গঠন কৰাৰ দাবীসমূহ পৰৱৰ্তী সময়ত নিশ্চয় পূৰণ কৰিব বুলিও তেওঁ আশাবাদ প্ৰকাশ কৰে। এইখন চৰকাৰৰ ওপৰত আমাৰ গভীৰ বিশ্বাস আৰু আস্থা আছে বুলিও দেশী জনগোষ্ঠীয় মঞ্চ, অসমৰ সভাপতিজনে দোহাৰে।

চতিয়াত পুনৰ ড্ৰাগছসহ যুৱক আটক



অগ্ৰদূত বাৰ্তা
চতিয়া, ৭ জুলাই ঃ বিশ্বনাথ জিলাৰ চতিয়াত চতিয়া আৰক্ষীৰ ধাৰাবাহিক অভিযানত পুনৰ ড্ৰাগছসহ যুৱকক আটক কৰিবলৈ সক্ষম। এক বিশেষ সূত্ৰৰ পমখেদি আজি পুৱতি নিশা চতিয়া আৰক্ষীৰ বিষয়া শ্যামলজ্যোতি শইকীয়াৰ নেতৃত্বত ইটাখোলা আৰক্ষী চকীৰ বিষয়া ভাস্কৰজ্যোতি শইকীয়াৰ সহযোগত ইটাখোলাৰ বালিডোঙাৰ ফজৰ আলীৰ বাসগৃহত ড্ৰাগছৰ কন্টেইনাৰ জব্দ কৰিবলৈ সক্ষম হয়। চতিয়া আৰক্ষীয়ে অভিযান কালত ফজৰ আলীৰ বাসগৃহত ১৬ টা হেৰ'ইন ভৰ্তি কন্টেইনাৰ আৰু ১৩টা খালী কন্টেইনাৰ জব্দ কৰিবলৈ সক্ষম হয়। সম্প্ৰতি ফজৰক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হৈছে।

পুথিভঁৰাল সেৱা সঞ্চালকৰ পুথিভঁৰাল পৰিদৰ্শন

গুৱাহাটী, ৭ জুলাই ঃ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত সতপুৰ প্ৰগতিশীল সংঘৰ পুথিভঁৰালী ধৰ্মেশ্বৰ ডাকুৱাই জনায় যে অসম চৰকাৰৰ পুথিভঁৰাল সেৱা সঞ্চালক (ভাঃ প্ৰাঃ) তথা অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ যুটীয়া সচিব দিনমণি দাস আৰু জিলা পুথিভঁৰাল ড° মেহতাব হুছেইনে সতপুৰ প্ৰগতিশীল সংঘৰ পুথিভঁৰাল পৰিদৰ্শন কৰে। তেওঁ স্থানীয় ৰাইজৰ উপস্থিতিত এক আলোচনা সভাত অংশগ্ৰহণ কৰি অঞ্চলটোত কিতাপ পঢ়াৰ আন্দোলন গঢ়ি তুলিবলৈ পুথিভঁৰাল কৰ্তৃপক্ষক আহ্বান জনায়। কিতাপ পঢ়ি জ্ঞান অৰ্জন কৰাৰ জৰিয়তে সমাজখনক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সঞ্চালকজনে গুৰুত্ব আৰোপ কৰে। অঞ্চলটোৰ ঠাই বিশেষে স্থানীয় ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত গ্ৰন্থ সজাগতা সভা অনুষ্ঠিত কৰিবলৈ আৰু পুথিভঁড়ালত পঢ়ুৱৈৰ সংখ্যা বৃদ্ধি কৰিবলৈও পৰামৰ্শ দিয়ে। আলোচনা সভাত সতপুৰ আঞ্চলিক হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক (ভাঃ প্ৰাঃ) দীপক দাস, লোহাৰঘাট হাইস্কুলৰ শিক্ষক নিবাৰণ ঠাকুৰীয়া, লেখক প্ৰাঞ্জল দলৈ, সংঘৰ সভাপতি বিপুল দলৈৰ লগতে গাঁৱৰ কে'বাজনো ব্যক্তি উপস্থিত থাকে।

বৰপেটাৰ মৈৰাদিয়াত পানীত পৰি শিশুৰ মৃত্যু

আলোপতি, ৭ জুলাই ঃ বৰপেটা জিলাৰ চেঙা সমষ্টিৰ কাছুমাৰা আৰক্ষী থানাৰ অন্তৰ্গত মৈৰাদিয়া গাঁৱত আজি সংঘটিত হয় এক শোকাৱহ ঘটনা। গাঁওখনৰ ৰবিউল হকৰ পাঁচ বছৰীয়া পুত্ৰ জিয়াউল হকৰ পানীত পৰি মৃত্যু হয়। সমনীয়াৰ স'তে খেলি থাকোতে হঠাৎ শিশুটি ঘৰৰ নিচেই কাষতে থকা ব্ৰহ্মপুত্ৰৰ সুঁতি নদীত পৰি নিৰুদ্দেশ হয়। পৰিয়ালৰ লোকে বিচাৰ-খোচাৰ কৰে যদিও শিশুটিক উদ্ধাৰ কৰিবলৈ সক্ষম নহয়। পাছত মাছমৰীয়াৰ জালত উঠি আহে শিশুটিৰ মৃতদেহটো। ঘটনা সন্দৰ্ভত কাছুমাৰা আৰক্ষী থানাত খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষীৰ লোক উপস্থিত হৈ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে বৰপেটাৰ ফখৰুদ্দিন আলি আহমেদ চিকিৎসালয় হাস্পতাললৈ প্ৰেৰণ কৰে। এই ঘটনাই শোকাকুল পৰিৱেশৰ সৃষ্টি কৰে অঞ্চলটোত।

ডিমৌত পৌৰসভাৰ একক ব্যৱহাৰযোগ্য প্লাষ্টিকৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে বন্ধ ঘোষণা

অগ্ৰদূত বাৰ্তা
ডিমৌ, ৭ জুলাই ঃ ডিমৌ পৌৰসভাই আজি ভাৰত চৰকাৰৰ পৰিৱেশ, বন আৰু বতৰ পৰিৱৰ্তন মন্ত্ৰণালয়ৰ বিজ্ঞপ্তি অনুযায়ী ডিমৌ চহৰত সকলো ধৰণৰ ৭৫ মাইক্ৰনৰ তলৰ একক ব্যৱহাৰযোগ্য প্লাষ্টিকৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে নিষিদ্ধ ঘোষণা কৰিছে। সম্পূৰ্ণ ৰূপে বিক্ৰয় বা ব্যৱহাৰ নিষিদ্ধ কৰা প্লাষ্টিক সামগ্ৰীসমূহ হৈছে খাদ্য সামগ্ৰী মেৰিওৱা প্লাষ্টিক, থাৰ্মʼকলৰ প্লেট, কাপ আদি প্লাষ্টিক কাপ-প্লেট, সকলো ধৰণৰ প্লাষ্টিক কেৰি বেগ বা মোনা, প্লাষ্টিক পতাকা, সকলো ধৰণৰ একক ব্যৱহাৰ জাতীয় প্লাষ্টিক, সৰু প্লাষ্টিকৰ বটল, কাণ খজুৱা প্লাষ্টিকৰ সামগ্ৰী, বেলুনত ব্যৱহাৰ কৰা প্লাষ্টিকৰ পাইপ, মৰ্টনত ব্যৱহাৰ কৰা প্লাষ্টিকৰ লাঠি, সৌন্দৰ্যবৰ্ধনৰ বাবে ব্যৱহাৰ কৰা প্লাষ্টিকৰ সামগ্ৰী, চিগাৰেটৰ পেকেটৰ প্লাষ্টিক, ১০০ মাইক্ৰনৰ তলৰ বেনাৰ আদি। ইয়াৰ বিপৰীতে বা এই সামগ্ৰীসমূহৰ বিকল্প হিচাপে জনসাধাৰণক কাগজ, কাপোৰ, ষ্টিল, মাটি আদিৰে নিৰ্মাণ কৰা সামগ্ৰী ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে ডিমৌ পৌৰসভাই। লগতে ডিমৌ পৌৰসভা অঞ্চলৰ সকলো ব্যৱসায়ী তথা জনসাধাৰণক এনেবোৰ সামগ্ৰী বিক্ৰী আৰু ব্যৱহাৰৰ পৰা বিৰত থাকিবলৈ নিৰ্দেশ ডিমৌ পৌৰসভাৰ। আনহাতে, এই বিধি অমান্য কৰা সকলো ক্ৰেতা-বিক্ৰেতা আদিৰ ওপৰত ভাৰত চৰকাৰৰ পৰিৱেশ, বন আৰু বতৰ পৰিৱৰ্তন মন্ত্ৰণালয়ৰ অধীনত জৰিমনা, অনুজ্ঞাপত্ৰ বাতিল আৰু অন্যান্য বিহিত ব্যৱস্থা ল'বলৈ দায়বদ্ধ থাকিব ডিমৌ পৌৰসভা।

কমলাবাৰীৰ মাজুলী মিলন সংঘত গায়ন-বায়ন প্ৰশিক্ষণ কৰ্মশালা

অগ্ৰদূত বাৰ্তা
কমলাবাৰী, ৭ জুলাই ঃ ১৯৩৮ত প্ৰতিষ্ঠিত মাজুলীৰ প্ৰাচীনতম সাংস্কৃতিক অনুষ্ঠান মাজুলী মিলন সংঘত আজিৰে পৰা ২১ জুলাইলৈ অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনৰ মাজুলী সাংস্কৃতিক কেন্দ্ৰৰ সৌজন্যত গুৰুজনাৰ সৃষ্ট গায়ন-বায়ন প্ৰশিক্ষণ কৰ্মশালা আৰম্ভ হৈছে। প্ৰশিক্ষণ দান কৰিছে মাজুলী সাংস্কৃতিক কেন্দ্ৰৰ সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষক গোলাপ বৰুৱা বৰবায়নে। এই উদ্দেশ্যে আয়োজিত এখন সভাত সভাপতিত্ব কৰে মাজুলী মিলন সংঘৰ সভাপতি ড° আনন্দ হাজৰিকাই। সভাৰ আৰম্ভণিতে প্ৰশিক্ষক গোলাপ বৰুৱা বৰবায়নক মিলন সংঘৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰে। আনহাতে, সভাত মিলন সংঘৰ বৰ্ষজোৰা কাৰ্যসূচীৰ ওপৰত আলোকপাত কৰি গুৰুজনাৰ অনুপম সৃষ্টিসমূহৰ প্ৰতি নবপ্ৰজন্মক আকৰ্ষিত কৰাৰ এনে ধৰণৰ পদক্ষেপৰ প্ৰয়োজনীয়তাৰ ওপৰত ড° হাজৰিকা, কৃষ্ণ কমল শইকীয়া, গোলাপ বৰুৱা বৰবায়নকে ধৰি আদি কে'বাজো গণ্যমান্য ব্যক্তিয়ে বক্তব্য ৰাখে। সম্পাদক অমৰ বৰুৱাই আঁত ধৰা অনুষ্ঠানটোত প্ৰশিক্ষণৰ নিয়মাৱলী প্ৰশিক্ষাৰ্থীক অবগত কৰে মিলন সংঘৰ জ্যেষ্ঠ শিল্পী প্ৰবীণ শইকীয়াই। সভাই প্ৰশিক্ষণটো পৰ্যবেক্ষণ কৰিবলৈ মিলন সংঘৰ বৰবায়ন দ্বীজেন দত্ত, সাংস্কৃতিক সম্পাদক ভৰত শইকীয়া প্ৰমূখ্যে বিষয়ববীয়াসকলক দায়িত্ব দিয়ে। সভাত উপ-সভাপতি লোহিত বৰা, জ্যেষ্ঠ সদস্য ডিম্বেশ্বৰ শইকীয়া, ৰাম বৰুৱা, প্ৰফুল্ল বৰুৱা, প্ৰবীণ ভুএগ্ৰা, প্ৰভাত ভুএগ্ৰা, বিনোদ গাম, বিশিষ্ট শিল্পী ৰঞ্জিৎ কুমাৰ ভুএগ্ৰা, প্ৰশান্ত ভুএগ্ৰা, মহেন্দ্ৰ বৰা আদি বহু কেইগৰাকী উপস্থিত থাকে। প্ৰশিক্ষণৰ আৰম্ভণিতে পৰম্পৰাগত সত্ৰীয়া নিয়মানুসাৰে এখন শৰাই আগবঢ়ায় আশিস প্ৰদান কৰা হয়। প্ৰশিক্ষণত প্ৰায় অৰ্ধশতাধিক শিশুৱে ভাগ লয়। বিয়লি দুই বজাৰ পৰা এপষেক এই প্ৰশিক্ষণ চলিব আৰু প্ৰশিক্ষণৰ অন্তত প্ৰশিক্ষাৰ্থীসকলক অসম সাংস্কৃতিক সঞ্চালকালয়ৰ তৰফৰ পৰা মানপত্ৰ প্ৰদান কৰিব বুলি সদৰী কৰে।

মুক্তিযুঁজাৰু-শিক্ষাবিদ ভাৰত চন্দ্ৰ বৈশ্যৰ দেহাৱসান



অগ্ৰদূত বাৰ্তা
শুৱালকুছি, ৭ জুলাই ঃ শুৱালকুছি এক নম্বৰ বাপুজী পথৰ মুক্তিযুঁজাৰু তথা বংশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক ভাৰত চন্দ্ৰ, বৈশ্য (৯৪)ৰ আজি পুৱা নিজ বাসগৃহত মৃত্যু ঘটে। দীৰ্ঘদিন ধৰি তেওঁ বাৰ্ধক্যজনিত কাৰণত শয্যাগত হৈ আছিল। আজি তেওঁৰ মৃত্যুৰ খবৰ বিয়পি পৰাত গুণমুগ্ধ আৰু অনুগামীসকল ঘৰত ভিৰ কৰি শ্ৰদ্ধা জ্ঞাপন কৰে। ছাত্ৰাৱস্থাৰ পৰাই বৈশ্যই মহাত্মা গান্ধীৰ আদৰ্শত বাট বুলি স্বাধীনতা আন্দোলনত জঁপিয়াই পৰিছিল। দীৰ্ঘদিনীয়া স্বাধীনতা আন্দোলনতো ইংৰাজৰ বিৰুদ্ধে আন্দোলন কৰা অপৰাধত কে'বাবাৰো জেল খাটিব লগা হৈছিল। ১৯৪৬ৰ ন জানুৱাৰীত মহাত্মা গান্ধী শুৱালকুছিলৈ আহোতে মুক্তিযুঁজাৰু প্ৰয়াত বৈশ্যই স্বেচ্ছাসেৱক বাহিনীৰ অধিনায়ক আছিল। স্বাধীনতা আন্দোলনৰ সমান্তৰালভাৱে বস্ত্ৰ আন্দোলনত আগভাগ লৈছিল। সমবায় আন্দোলনৰ জৰিয়তে শুৱালকুছিৰ পাট-মুগাক বিশ্ব বজাৰত স্বকীয়তাৰ মৰ্যাদা প্ৰদানত উঠি পৰি লাগিছিল। জীৱনৰ শেষ মুহূৰ্তলৈ তেওঁ গান্ধীবাদী আদৰ্শৰে জীৱন অতিবাহিত কৰিছিল। যাৰ বাবে স্বাধীনতা দিৱসত কামৰূপ জিলা প্ৰশাসনে তেওঁক ৰাজহুৱাকৈ সম্বৰ্ধনা জনায়। অসম সমবায় ৰেছম প্ৰতিষ্ঠান লিমিটেডৰ প্ৰাক্তন সভাপতিৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। তেওঁ জড়িত থকা অনুষ্ঠান-প্ৰতিষ্ঠানে শ্ৰদ্ধা জনায়। পাছত ব্ৰহ্মপুত্ৰৰ বালিচৰত শেষকৃত্য সম্পন্ন কৰে। মৃত্যুৰ সময়ত পত্নীসহ এজন পুত্ৰ আৰু তিনিজনী কন্যাৰ লগতে নাতি-নাতিনীক ইহসংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰে। আনহাতে, কামৰূপ জিলাৰ বস্ত্ৰনগৰী শুৱালকুছি গাঁও নিবাসী মুক্তিযুঁজাৰু অৱসৰপ্ৰাপ্ত শিক্ষক বৈশ্যৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে মহাপুৰুষ শ্ৰীমন্ত দেৱদামোদৰ সংঘৰ শুৱালকুছি আঞ্চলিক সমিতিয়ে। কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত সংঘৰ আঞ্চলিক সংঘাধিকাৰ চিন্তামণি দাস আৰু সংঘাধিকৰ্তা ভৰকান্ত বৈশ্যই মুক্তিযুঁজাৰু তথা শিক্ষাগুৰু বৈশ্যৰ মহাপ্ৰয়াণত বৃহত্তৰ শুৱালকুছি অঞ্চলে এগৰাকী অভিভাৱক হেৰুৱাৰ লগতে এক যুগৰ সামৰণি পেলোৱা বুলি মন্তব্য কৰিছে।

বিহপুৰীয়াত প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ পথ নিৰ্মাণৰ অনিয়ম

আছুৰ উপায়ুক্তলৈ স্মাৰকপত্ৰ প্ৰেৰণ

অগ্ৰদূত বাৰ্তা
বিহপুৰীয়া, ৭ জুলাই ঃ প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত নিৰ্মাণ কাৰ্য চলি থকা বিহপুৰীয়া-দুই নম্বৰ দহঘৰীয়া সংযোগী গড়কাপ্তানী পথৰ নিৰ্মাণ কাৰ্যত ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। লখিমপুৰ, নাওবৈছা, বিহপুৰীয়া টেৰিটৰিয়েল গড়কাপ্তানী পথ সংমণ্ডলৰ অধীনত বিহপুৰীয়া, বদতিৰ পৰা দহঘৰীয়ালৈকে প্ৰায় আঠ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাৰ নিৰ্মাণ কাৰ্য অত্যন্ত লেহেমীয়া গতিৰে চলি থকাত ক্ষুব্ধ হৈ পৰিছে বিহপুৰীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ লগতে স্থানীয় ৰাইজ। বিগত ২০২০ৰ ২৫ মে'ত নিৰ্মাণ কাৰ্য আৰম্ভ কৰা পথছোৱাৰ নিৰ্মাণ দুবছৰেও বিশেষ অগ্ৰগতি লাভ নকৰাত পথছোৱাৰে যাতায়াত কৰা লোকসকল যথেষ্ট হাৰাশাস্তিৰ সন্মুখীন হ'ব লগাত পৰিছে। ঠিকাদাৰী প্ৰতিষ্ঠান 'মেচাৰ্চ কৃষাণে' তিনি কোটি ৬১ লাখ ২৫,৯০০ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিব লগা পথছোৱা ন মাহত নিৰ্মাণ সম্পূৰ্ণ কৰিব লাগিছিল যদিও দুবছৰেও পথছোৱাৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ নুঠিল। আজি বিহপুৰীয়া আঞ্চলিক ছাত্ৰ সন্থাই পথছোৱা নিৰ্মাণত সংঘটিত দুৰ্নীতি-অনিয়মৰ তদন্ত বিচাৰি বিহপুৰীয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়া জয়প্ৰকাশ মহন্তৰ জৰিয়তে লখিমপুৰ জিলা উপায়ুক্তলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। সন্থাৰ সভাপতি প্ৰফুন্ন দেউৰী আৰু সম্পাদক হীৰকজ্যোতি বৰুৱাৰ স্বাক্ষৰিত পত্ৰৰ জৰিয়তে প্ৰাক্কলন অনুসৰি পথছোৱা নিৰ্মাণৰ দাবী জনায়। সন্থাই পথ নিৰ্মাণত জড়িত ঠিকাদাৰী প্ৰতিষ্ঠানৰ লগতে লোকনিৰ্মাণ বিভাগৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা উপায়ুক্তক দাবী জনোৱাৰ লগতে প্ৰাক্কলন অনুসৰি পথ নিৰ্মাণ নকৰিলে আগন্তুক সময়ত তীব্ৰ আন্দোলন গঢ়ি তোলাৰ ভাবুকি দিয়ে।

প্ৰলোভনেৰে মধ্য প্ৰাচ্যত নি নিৰ্যাতন চলোৱাৰ অভিযোগ হোজাইৰ যুৱকৰ

অগ্ৰদূত বাৰ্তা
হোজাই, ৭ জুলাই ঃ হোজাইৰ মোৱাঝাৰৰ যুৱকক ধনৰ বিনিময়ত মধ্য প্ৰাচ্যত নি নিৰ্যাতন চলোৱাৰ অভিযোগ উঠিছে। ভুক্তভোগীয়ে ন্যায় বিচাৰি আৰক্ষীৰ কাষ চাপিছে। এই সন্দৰ্ভত ইতিমধ্যে হোজাই আৰক্ষী অধীক্ষকক লিখিত অভিযোগ দাখিল কৰিছে ভুক্তভোগীয়ে। তথ্য মতে, মধ্য প্ৰাচ্যৰ দেশ কুৱেইটত কাম দিয়াৰ প্ৰলোভনেৰে চাৰিং পথাৰৰ জাকাৰিয়া আহমেদ নামৰ যুৱকজনৰ পৰা প্ৰায় দুই লাখ ২০ হেজাৰ টকা সংগ্ৰহ কৰে। তেওঁক প্ৰলোভনেৰে কোম্পানীৰ বাহন চলোৱাৰ কাম দিম বুলি নি জনশূন্য মৰুভূমিত কাম কৰিবলৈ দিয়ে। উৎকট গৰমত কাম কৰিব নোৱাৰাৰ বাবে মাৰপিট কৰাৰো অভিযোগ তুলিছে যুৱকজনে। প্ৰতিশ্ৰুতি মতে, কাম দিয়াৰ পৰিৱৰ্তে আন কাম দিয়াৰ বিৰোধিতা কৰাত ভয়-ভাবুকিৰে বশ কৰাৰ চেষ্টা চলায় একাংশ লোকে। অৱশেষত প্ৰাণৰক্ষাৰ বাবে নিজৰ পকেটৰ ধন খৰচ কৰি হোজাইলৈ উভতি আহে। হোজাইৰ মোৱাজাৰৰ চাৰিংপথাৰৰ জামাল উদ্দিনৰ পুত্ৰ জাকাৰিয়া আহমেদক প্ৰবঞ্চনা আৰু নিৰ্যাতন চলায়। জাকাৰিয়াই নিৰ্যাতন চলোৱা মোৱাঝাৰ থানাৰ মৌডঙা পথাৰৰ যুৱক কেইজনক অভিযুক্ত কৰি আৰক্ষী অধীক্ষকক লিখিত অভিযোগ দাখিল কৰিছে। এনে ঘটনা পূৰ্বতে হোজাইত বহুকেইটা সংঘটিত হৈছিল।

বেকাজানত সুগৰী পহু উদ্ধাৰ

বিশেষ সংবাদদাতা
নগাবাট, ৭ জুলাই ঃ বৰহোলাৰ বেকাজানত আজি উদ্ধাৰ হয় এটা সুগৰী পহু। নগালেণ্ডৰ পাহাৰৰ পৰা ভৈয়ামলৈ নামি অহা পহুটো বেকাজানৰ এঘৰৰ কুঁৱাত সোমাই পৰে। স্থানীয় ৰাইজে পহুটোক উদ্ধাৰ কৰিবলৈ সক্ষম হয় যদিও গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় সুগৰী পহুটো। পাছত ঘটনা সন্দৰ্ভত স্থানীয় ৰাইজে বন বিভাগক অৱগত কৰি পহুটো গতাই দিয়াৰ যো-জা কৰাৰ সময়তে পহুটোৰ মৃত্যু হয়।

বিজনীত আমছুৰ বিশেষ অভিনন্দন অনুষ্ঠান

অগ্ৰদূত ব্যুৰ'
বঙাইগাঁও, ৭ জুলাই ঃ সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ কেন্দ্ৰীয় কমিটীৰ আহ্বান মৰ্মে চিৰাং জিলাৰ বিজনী জিলা আমছুৰ উদ্যোগত বুধবাৰে বিজনী মহাবিদ্যালয়ৰ বীৰেন্দ্ৰগিৰি বসুমতাৰী প্ৰেক্ষাগৃহত সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বিজনী মহকুমাৰ পৰা বিশেষ সফলতা অৰ্জন কৰা মুঠ ৯৫ গৰাকী ছাত্ৰ ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। ছাত্ৰ-ছাত্ৰীসকলক একোখনকৈ মানপত্ৰ, বিহুৱান, কিতাপ, কলম আৰু গছপুলিৰে সম্বৰ্ধনা জনায়। অনুষ্ঠানত আমছুৰ কেন্দ্ৰীয় সভাপতি ৰেজাউল কৰিম সৰকাৰ মুখ্য অতিথিৰূপে উপস্থিত থাকি সম্বৰ্ধনা জ্ঞাপন কৰা ছাত্ৰ-ছাত্ৰীসকলক অনাগত দিনত অধ্যয়নশীল হোৱাৰ লগতে সুনাগৰিক হোৱাৰ আশা ব্যক্ত কৰে। অনুষ্ঠানত সন্মানীয় অতিথিৰূপে উপস্থিত থকা বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়ে বিজনীৰ শিক্ষাৰ দিশত মান উন্নতকৰণত সকলোৰে সমান ভূমিকা আছে বুলি মত ব্যক্ত কৰে। অনুষ্ঠানত চিৰাং জিলাৰ অতিৰিক্ত উপায়ুক্ত ৰিংখাং মুছাহাৰী, বিজনীৰ ৰাজহ চক্ৰ বিষয়া মাৰিয়া তামিম, বিটিচিৰ পৰিষদীয় সদস্য প্ৰদীপ কুমাৰ বায়ন, আমছুৰ কেন্দ্ৰীয় শিক্ষা সম্পাদক আবুল কালাম আজাদ, বিজনীৰ কে'বাগৰাকীও বিশিষ্ট ব্যক্তি, বিদ্যালয়ৰ সমূহৰ প্ৰধান শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক অংশগ্ৰহণ কৰাৰ লগতে বিজনী জিলা আমছুৰ সভাপতি সম্পাদক ক্ৰমে ৰছুল খান আৰু জাৱেদ আলীসহ আমছুৰ কৰ্মকৰ্তা উপস্থিত থাকে।

উজনি অসম ভিত্তিত প্ৰাইজমানি আধুনিক গীতৰ প্ৰতিযোগিতাৰ আয়োজন

বিশেষ সংবাদদাতা
ডিব্ৰুগড়, ৭ জুলাই ঃ ডিব্ৰুগড়ৰ শিল্পীসকলৰ অন্যতম সাংস্কৃতিক অনুষ্ঠান অভীপ্সা কয়েৰ গোষ্ঠীৰ উদ্যোগত আৰু প্ৰয়াত সুলেখা হাতীমূৰীয়াৰ পবিত্ৰ সোঁৱৰণত ডিব্ৰুগড় তথা অসমৰ দুগৰাকী বিশিষ্ট সংগীতজ্ঞ হীৰেন গোহাঁই আৰু ৰাজেন গোহাঁইৰ গীত আৰু সুৰৰ সৃষ্টিৰাজিৰ আলমত উজনি অসম ভিত্তিত অহা ৩০ জুলাইত ডিব্ৰুগড় চৌকিডিঙিস্থিত লক্ষ্মীনাথ বেজবৰুৱা ভৱন কক্ষত দিনজোৰাকৈ প্ৰাইজমানি আধুনিক গীতৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। বিশেষকৈ আকাশবাণী ডিব্ৰুগড়যোগে বিগত প্ৰায় তিনি দশকত বহুগৰাকী নামী-দামী শিল্পীয়ে কণ্ঠদান কৰা হীৰেন গোহাঁইৰ ৰচিত আৰু সুৰাৰোপিত নিৰ্বাচিত ১৫ টা গীত আৰু ৰাজেন গোহাঁয়ে কণ্ঠদান কৰা আৰু সুৰাৰোপ কৰা ১৯ টা গীতৰ ওপৰত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আয়োজক অনুষ্ঠানৰ সভাপতি সুৰেশ হাতীমূৰীয়া আৰু সম্পাদক দীপ কুমাৰ দত্তই জনোৱা মতে, ১২ বছৰৰ উৰ্ধ্বৰ সকলো লোকে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগীসকলে তিনিজনকৈ বেছি বাদ্যযন্ত্ৰী ল'ব নোৱাৰিব আৰু প্ৰয়োজনবোধে নিজাকৈও বাদ্যযন্ত্ৰী লগত আনিব পাৰিব। প্ৰতিযোগিতাত বিজয়ী তিনি প্ৰতিযোগীক ক্ৰমে আঠ হেজাৰ, পাঁচ হেজাৰ আৰু তিনি হেজাৰ টকাৰ লগতে মানপত্ৰৰে পুৰস্কৃত কৰা হ'ব। প্ৰতিযোগীসকলক অহা ২৫ জুলাইৰ ভিতৰত যোগদান নিশ্চিত কৰাৰ আহ্বান জনোৱাৰ লগতে প্ৰতিযোগিতাৰ সবিশেষ জানিবৰ বাবে ইচ্ছুক সকলে ৯৪৩৫৫৮০৫৩৬, ৯৪৩৫৪৭৬২০১, ৯৯৫৭০১৯২৮৮ ম'বাইল নম্বৰত যোগাযোগ কৰিব পাৰিব। উল্লেখ্য যে প্ৰতিযোগিতাৰ সামৰণিৰ অন্তত উক্তদিনাই সন্ধিয়া ডিব্ৰুগড়ৰ ন পুৰণি শিল্পীৰ অংশগ্ৰহণেৰে এক সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে বুলি উদ্যোক্তাসকলে জনাইছে।

বৰাক উপত্যকা নগাঁৱৰ বানপীড়িতক সাহায্য ব্লেক টাইগাৰ চিমেন্টৰ

গুৱাহাটী, ৭ জুলাই ঃ টাইগাৰ চিমেন্টে শেহতীয়াকৈ বৰাক উপত্যকা আৰু নগাঁও জিলাৰ আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত অঞ্চলসমূহত বান সাহায্য শিবিৰ আৰম্ভ কৰিছে। উল্লেখ্য যে অসমৰ বান পৰিস্থিতি এতিয়াও ভয়াৱহ হৈ আছে আৰু ৩৫খন জিলাৰ ভিতৰত ২২ খন জিলাই এতিয়াও বানাক্ৰান্ত হৈ আছে আৰু বানপানীৰ ফলত ১৪ লাখতকৈও অধিক লোক ভুক্তভোগী হৈছে। মানুহৰ ক্ষতিৰ বাহিৰেও ১৪ খন জিলাৰ ৪০,০০০ হেক্টৰো অধিক শস্যভূমি প্লাৱিত হৈছে। এই বানাক্ৰান্ত জিলাসমূহত মৌলিক প্ৰয়োজনীয়তাৰ পৰা বঞ্চিত হোৱা বানপীড়িত লোকসকলৰ মাজত বিতৰণৰ বাবে ব্লেক টাইগাৰ চিমেন্টে বিভিন্ন খাদ্যসামগ্ৰী আৰু অন্যান্য অত্যাৱশ্যকীয় সামগ্ৰী লৈ সাহায্যৰ বাবে আগবাঢ়ি আহিছে। দুয়োখন জিলাৰ স্থানীয় প্ৰশাসনৰ স'তে ব্লেক টাইগাৰ চিমেন্টৰ দলটোৱে ব্যক্তিগতভাৱে বান সাহায্য বিতৰণ অভিযানত নামি পৰিছে। দুয়োখন জিলা বেছিভাগ অঞ্চলতে যোগাযোগৰ সমস্যা আছিল ফলত অঞ্চলবোৰত উপস্থিত হোৱাটো অতি কঠিন হৈ পৰিছিল। তৎসত্বেও ব্লেক টাইগাৰ চিমেন্টৰ দলটোৱে জনসাধাৰণৰ ওচৰলৈ গৈ তেওঁলোকৰ সাহায্য বিতৰণ অভিযানত কোনো ক্ৰটি কৰা নাই। এই প্ৰচেষ্টা সন্দৰ্ভত মন্তব্য কৰি ব্লেক টাইগাৰ চিমেন্টৰ পৰিচালনা সঞ্চালক সঞ্জয় কে আৰ গুপ্তাই কয়, 'বৰাক উপত্যকা আৰু নগাঁৱত বান সাহায্য শিবিৰ আয়োজন কৰি আমি আমাৰ নিজৰ সৰল উপায়েৰে অসমৰ বানপীড়িতসকলক আমাৰ সমৰ্থন আগবঢ়োৱাৰ চেষ্টা কৰিছো।' ব্লেক টাইগাৰ চিমেন্ট পৰিয়ালে প্ৰলয়ংকৰী বানপানীৰ ফলত ক্ষতিগ্ৰস্ত লোকসকলৰ প্ৰতি দুখ প্ৰকাশ কৰাৰ লগতে প্ৰতিটো ক্ষতিগ্ৰস্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছো।

অসম দাপোন
দৈনিক অগ্ৰদূত
গুৱাহাটী, ৮ জুলাই, শুকুৰবাৰ, ২০২২ পৃষ্ঠা ১৪

পথৰ পুখুৰী সদৃশ প্ৰকাণ্ড গাঁতৰ বাবে সঘনাই হৈছে দুৰ্ঘটনা

বৰমা-কৈঠালকুছি পথৰ নিৰ্মাণকাৰ্য লেহেমীয়া

অগ্ৰদূত বাৰ্তা

টিহু, ৭ জুলাই ঃ টিহু মহকুমা আৰু বৰমা বিধানসভা সমষ্টিৰ অন্তৰ্গত এটি জৰাজীৰ্ণ পথে জ্বলা-কলা খুৱাইছে স্থানীয় ৰাইজক। সমষ্টিটোৰ নলবাৰী আৰু বাগ্‌সা জিলাৰ অন্তৰ্গত কে.বি.এছ (কৈঠালকুছি-বৰমা-সুৰণখাটা) গড়কাপ্টানী পথৰ বৰমা-গোৰবাদল-কৈঠালকুছি অংশৰ পথছোৱা কে'বাবছৰ ধৰি যাতায়াতৰ অনুপযোগী হৈ পৰাত পথচাৰীসকলে সমস্যাৰ সন্মুখীন হৈ আহিছে। বৰমা বিধানসভা সমষ্টি আৰু ধৰ্মপুৰ বিধানসভা সমষ্টিক প্ৰত্যক্ষভাৱে সংযোগ কৰা অতিকে গুৰুত্বপূৰ্ণ আৰু ব্যস্ততাপূৰ্ণ গড়কাপ্টানী পথছোৱা ভাঙি জৰাজীৰ্ণ হৈ পৰাত এক বিপদসংকুলভাৱে বছৰৰ পাছত বছৰ ধৰি যাতায়াত কৰি আহিছে সৰ্বসাধাৰণ ৰাইজে। তদুপৰি দৈনিক হেজাৰ হেজাৰ যানবাহন চলাচল কৰে এই পথেৰে। দীৰ্ঘদিন ধৰি মেৰামতিৰ অভাৱত পথছোৱা ভাঙি গড়কাপ্টানী পথৰ মাজত সৃষ্টি হৈছে পুখুৰী সদৃশ দ' বিশাল গাঁতৰ। প্ৰকাণ্ড প্ৰকাণ্ড দ' গাঁতৰ বাবে অতি ব্যস্ত এই পথছোৱাৰে দিনে-নিশাই যাতায়াত কৰা সৰ্বসাধাৰণ ৰাইজে প্ৰাণৰ শংকাত ভুগিবলগীয়া হৈছে। এই বিষয়ে বিভিন্ন সময়ত সংবাদ মাধ্যমত বিস্তৃতভাৱে বাতৰি প্ৰকাশ পোৱাৰ লগতে সময়ে সময়ে বিভিন্ন দল-সংগঠনে পথটো নতুনকৈ নিৰ্মাণ কৰি যাতায়াত সুচল কৰি দিবলৈ দাবী জনোৱাৰ পাছত শেহতীয়াভাৱে জনৈক পাছা উপাধিৰ ঠিকাদাৰ এজনক পথছোৱা নিৰ্মাণৰ দায়িত্ব দিয়ে লোকনিৰ্মাণ বিভাগৰ মুছলপুৰ কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয়ে। ১০ কোটি টকা ব্যয় সাপেক্ষে বৰমাৰ পৰা কামপীঠ জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ সমুখলৈ প্ৰায় ছয় কিলোমিটাৰ পথ নিৰ্মাণ কৰিবলগীয়া পথছোৱাৰ নিৰ্মাণৰ কাম যোৱা মাৰ্চতে আৰম্ভ কৰিছিল যদিও আজি পৰ্যন্ত পথ নিৰ্মাণৰ কাম সম্পূৰ্ণ হোৱা নাই আৰু বিভিন্ন অংশত একেবাৰে পালমৰা ধৰণৰ কাম কৰাও পৰিলক্ষিত হৈছে। ফলত পথটোৰে যাতায়াত বন্ধ হৈ পৰিছে। উপায়হীন দুই- একে এই পথৰে আহিলেই প্ৰায়ে দুৰ্ঘটনাৰ সন্মুখীন হয়। কাৰণ পথৰ মাজত থকা গাঁতবোৰ ডাম্পাৰ অহা-যোৱা কৰোতে প্ৰকাণ্ড পুখুৰী সদৃশ হৈ পৰিছে। ইফালে, ঠিকাদাৰক পথটো নিৰ্মাণৰ দায়িত্ব দিয়ে লোকনিৰ্মাণ বিভাগ সুখনিদ্ৰাত পৰিছে বুলি ৰাইজে অভিযোগ তুলিছে। কাৰণ পথছোৱাৰ একেবাৰে ওচৰতে বৰমাত লোকনিৰ্মাণ বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয় আছে। অথচ পথছোৱাৰ নিৰ্মাণ কাৰ্য অতি নিম্নমানৰ হোৱা আৰু যাতায়াতৰ বাবে অতি দুৰ্গম হৈ পৰা সত্বেও বিভাগীয়ভাৱে উক্ত কামৰ পৰিদৰ্শন কৰিবলৈ আজিলৈ অহা নাই । এনে ক্ষেত্ৰত একাংশ ৰাইজে ঠিকাদাৰ আৰু লোকনিৰ্মাণ বিভাগৰ আমোলা- বিষয়াৰ মাজত বৃহৎ অংকৰ ধনৰ লেনদেন হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে।

কমাৰগাঁৱত ভয়ংকৰ অগ্নিকাণ্ড, নিমিষতে জুইত জাহ গ'ল এখন ধাবা

খুমটাই, ৭ জুলাই ঃ গোলাঘাট জিলাৰ খুমটাই ৰাজহ চক্ৰৰ অন্তৰ্গত কমাৰগাঁৱত আজি এক ভয়ংকৰ অগ্নিকাণ্ড ঘটনা সংঘটিত হয়। কমাৰগাঁৱৰ ৩৭ নম্বৰ ঘাইপথৰ কাষৰ 'চাংঘৰ ধাবা'ত আজি দিনৰ প্ৰায় ১০.৩০ বজাত অসাৱধানবশতঃ গেছ চিলিণ্ডাৰৰ পৰা গেছ নিৰ্গত হৈ অগ্নিকাণ্ড সূত্ৰপাত হৈ কমাৰগাঁৱৰ সোণোৱাল গাঁৱৰ নিবাসী বিষ্ণু জ্যোতি সোণোৱাল নামৰ লোকজনৰ 'চাংঘৰ ধাবা' খন নিমিষতে ছাৰখাৰ হয়। চিলিণ্ডাৰ বিস্ফোৰণ ঘটাৰ ফলত সমগ্ৰ অঞ্চলটোত এক আতংকময় পৰিৱেশৰ সৃষ্টি হয়। ঘটনাস্থলীত কমাৰগাঁও আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে অগ্নিনিৰ্বাপক বাহিনীয়ে জুই নিৰ্বাপিত কৰিবলৈ সক্ষম হয় যদিও বাঁহ আৰু খেৰৰ নিৰ্মাণ কৰা ধাবাখনৰ সকলো সামগ্ৰী জ্বলি ছাৰখাৰ হয়। অগ্নিকাণ্ডৰ ফলত প্ৰায় দুই লক্ষাধিক টকাৰ ক্ষয়-ক্ষতি হৈছে। অগ্নিকাণ্ডত কোনো লোক হতাহত হোৱা নাই বুলি আৰক্ষী সূত্ৰই সদৰী কৰিছে।

অ'এনজিচিক থলুৱা বিৰোধী নীতি বাতিল আৰু তৈলক্ষেত্ৰ অঞ্চলৰ উন্নয়নৰ দাবী

আছুৰ উত্তাল প্ৰতিবাদত কঁপিল বৰহোলা জিজি এছ চৌহদ

বিশেষ সংবাদদাতা

নগাবাট, ৭ জুলাই ঃ অ'এনজিচিৰ শোষণ-বঞ্চনাৰ বিৰুদ্ধে আজি দুপৰীয়া বৰহোলাৰ শিলডুবিত আছুৱে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। আছুৰ তিতাবৰ মহকুমা আৰু বৰহোলা আঞ্চলিক সমিতিৰ যৌথ উদ্যোগত ৰূপায়িত হোৱা প্ৰতিবাদী কাৰ্যসূচীত প্ৰতিবাদকাৰীসকলে অ' এন জি চিৰ দাদাগিৰি নচলিব, অ'এনজিচিৰ দপদপনি নচলিব, ভাৰত চৰকাৰ হায় হায়, অসম চৰকাৰ হায় হায়' আদি শ্লʼগানেৰে প্ৰায় দুঘণ্টাৰ বাবে কঁপাই তোলে অ'এনজিচিৰ জি জি এছ চৌহদ। প্ৰতিবাদস্থলীৰ পৰাই আছু কৰ্মীসকলে অ'এনজিচিক থলুৱা বিৰোধী নীতি বাতিল কৰিবলৈ দাবী উত্থাপন কৰাৰ লগতে তৈলক্ষেত্ৰ অঞ্চলসমূহৰ সামগ্ৰিক উন্নয়নৰ বাবে বিশেষভাৱে গুৰুত্ব প্ৰদান কৰিবলৈ সজোৰে দাবী উত্থাপন কৰাৰ লগতে তৈলক্ষেত্ৰ অঞ্চলসমূহৰ সামগ্ৰিক উন্নয়নৰ বাবে বিশেষভাৱে গুৰুত্ব প্ৰদান কৰিবলৈ সাজোৰে দাবী উত্থাপন কৰে। অন্যথা অ'এনজিচিৰ বিৰুদ্ধে আছুৰ প্ৰতিবাদ ইয়াতকৈয়ো অধিক জংগী কৰি তোলাৰ সকীয়নি প্ৰদান কৰে। প্ৰতিবাদী আছু নেতৃত্বই সংবাদ মাধ্যমৰ আগত কয় যে সামগ্ৰিকভাৱে এটা অঞ্চল যেনেদৰে উন্নয়ন হ'ব লাগিছিল, অ'এনজিচিৰ চি এছ আৰ ফাণ্ডৰ জৰিয়তে যেনেদৰে কাম হ'ব লাগিছিল। তাত কিন্তু অ'এনজিচিৰ কোনো ধৰণৰ গুৰুত্ব নাই। অসমৰ সম্পদ লুটপাট কৰি তেওঁলোকে কেনেদৰে ব্যক্তিগত স্বাৰ্থ সিদ্ধি কৰিব পাৰিব অথবা বহিৰাগত বণিক গোষ্ঠীক কেনেদৰে অসমখনৰ চমজাই দিব, সেই ধৰণৰ কথাতহে তেওঁলোক অধিক ব্যস্ত হৈ আছে। আছু নেতৃত্বই আৰু কয় যে অসমৰ থলুৱা লোক তথা ব্যৱসায়ীসকলক অ'এনজিচিয়ে চৰম বঞ্চনাৰে এনে কিছুমান নিবিদা জাননী দিছে যিবিলাকৰ জৰিয়তে থলুৱা ব্যৱসায়ীসকলৰ ভৱিষ্যৎ সম্পূৰ্ণৰূপে মাৰ গৈছে। অস্তিত্বৰ প্ৰতি সংকট আহিছে। অ'এনজিচিয়ে পুঁজিপতি বণিক গোষ্ঠীক সমগ্ৰ ব্যৱসায়টো চমজাই দিবৰ বাবে যি কুটিল ষড়যন্ত্ৰ ৰচিছে তাক আছুৱে কঠোৰ ভাষাৰে গৰিহণা দিছে বুলি প্ৰকাশ কৰে। উল্লেখ্য যে প্ৰায় চাৰি দশক ধৰি বৰহোলাৰ শিলডুবিৰ ভূ-গৰ্ভৰ পৰা খাৰুৱা তেল আহৰণ কৰিছে অ'এনজিচিয়ে। শিলডুবিতে আছে জি জি এছ, জি চি পিকে ধৰি বহুকেইটা তেল খাদ। কিন্তু উন্নয়নৰ ক্ষেত্ৰত আজিও অতি দুখজনক অৱস্থাতে ৰ'ল বৃহত্তৰ বৰহোলা অঞ্চলটো। সেয়ে অ'এনজিচিৰ শোষণ-বঞ্চনাৰ বিৰুদ্ধে বিভিন্ন সময়ত বিভিন্ন দল-সংগঠনে অলেখবাৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হৈ পৰাৰ উদাহৰণৰ আছে। তিতাবৰ মহকুমা সমিতিৰ সভাপতি মাধুৰ্য পাঠক, সাধাৰণ সম্পাদক অবিনাশ ফুকন, বৰহোলা আঞ্চলিকৰ সভাপতি ভাস্কৰ নেওগ আদি কে'বাগৰাকী বিষয়ববীয়া উপস্থিত থকা কাৰ্যসূচীৰ অন্তত প্ৰায় ১৫টা দাবী সম্বলিত এখন স্মাৰকপত্ৰ অ'এনজিচিৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক আৰু চিনামৰাৰ বেছিন মেনেজাৰলৈ প্ৰেৰণ কৰে।

নগাঁৱৰ নৈনে নদীত ছাত্ৰৰ সলিল সমাধি

বিশেষ সংবাদদাতা

নগাঁও, ৭ জুলাই ঃ আজি নগাঁৱৰ নৈনেত এজন ছাত্ৰৰ পানীত ডুবি মৃত্যু হোৱা ঘটনাই শোকাকুল পৰিৱেশৰ সৃষ্টি কৰিছে। নৈনে পানীগাঁৱৰ পাঁচজন ছাত্ৰ নৈনে নদীত মাছ মাৰিবলৈ যাওতেই এই অঘটন ঘটে। স্থানীয় সূত্ৰই জনোৱা মতে, পাঁচজন ছাত্ৰৰ ভিতৰৰ তিনিজনে মাছ মৰাৰ বাবে জাল পতা কামত ব্যস্ত থকাৰ সময়তে দুজন ভুৰত উঠে। ভুৰত উঠি কিছুদূৰ যোৱা পাছতে ভুৰখন পাল্টি মৰাত ছাত্ৰ দুজন পানীত পৰি যায়। এই দৃশ্য প্ৰত্যক্ষ কৰি আন তিনিজন ছাত্ৰই তেওঁলোকক উদ্ধাৰৰ চেষ্টা কৰে যদিও এজনকহে উদ্ধাৰ কৰিবলৈ সক্ষম হয় আৰু আনজনক উদ্ধাৰ কৰিব নোৱাৰিলে। আজি দিনৰ প্ৰায় ১১ বজাত এই অঘটন হয়। এই খবৰ বিয়পি পৰাৰ লগে লগে নৈনেৰ নৈৰ পাৰত বহু লোক সমবেত হয় আৰু হুৱাদুৱাৰ সৃষ্টি হয়। পাছত স্থানীয় লোকৰ খবৰৰ ভিত্তিত নৈনে আৰক্ষী আৰু এছডিআৰএফ বাহিনী ঘটনাস্থলীত উপস্থিত হৈ ছাত্ৰজনক উদ্ধাৰৰ বাবে অভিযান চলায়। আজি বিয়লি তিনি বজাত ছাত্ৰজনৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ আৰক্ষী আৰু এছডিআৰএফ বাহিনী সক্ষম হয়। পানীত ডুবি সলিল সমাধি ঘটা ছাত্ৰজনৰ নাম প্ৰাচুৰ্য প্ৰাণ শইকীয়া (১৪)। ছাত্ৰজনে অষ্টম শ্ৰেণীত পঢ়ি আছিল। ছাত্ৰজনৰ অকাল মৃত্যুত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

বৰভাগত লুৰীণজ্যোতি গগৈৰ অভিযোগ

বান নিয়ন্ত্ৰণৰ উপৰি বন্যাৰ্তক পৰ্যাপ্ত পৰিমাণৰ সাহায্য দিয়াত চৰকাৰ ব্যৰ্থ

অগ্ৰদূত বাৰ্তা

বাহাৰঘাট, ৭ জুলাই ঃ 'বান নিয়ন্ত্ৰণ আৰু বন্যাৰ্তক পৰ্যাপ্ত সাহায্য দিয়াত চৰকাৰ ব্যৰ্থ হৈছে। ৰাজ্যৰ মৰ্থাউৰিসমূহৰ ম্যাদ উকলিছে। সেইবোৰ মজবুত কৰিব লাগে। তাকে নকৰি চৰকাৰ ব্যস্ত আছে ঘোঁৰা বেচা কিনা ৰাজনীতিত। ইফালে, বন্যাৰ্তৰ হাহাকাৰ।' এই মন্তব্য অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈৰ। আজি বৰভাগৰ বন্যাৰ্তৰ খবৰ ল'বলৈ আহি সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত এইদৰে কয় জাতীয় পৰিষদৰ সভাপতিজনে। তেওঁ কয় যে প্ৰকৃততে বৰভাগৰ দুসুঁতিৰ মুখৰ শ্লুইছ গেটখন আজি পৰ্যন্ত সম্পূৰ্ণ কৰিব নোৱাৰাটো চৰকাৰৰ দুৰ্বলতা। দুটাকৈ নিৰ্মাণকাৰী সংস্থাই কাম কৰিবলৈ আহি উভতি গৈছে। এইটোও পৰিতাপৰ বিষয়। তেওঁ শ্লুইছগেটৰ ১২ কোটি টকা কি হ'ল তাৰো প্ৰশ্ন অৱতাৰণা কৰে। আজি বৰক্ষেত্ৰী সমষ্টিৰ বৰভাগৰ বিভিন্ন গাঁৱৰ বন্যাৰ্তৰ খবৰ লোৱাৰ উপৰি দোকোঁহা গাঁৱৰ দুসুঁতি মুখৰ উন্মুক্ত শ্লুইছ গেটখন প্ৰত্যক্ষ কৰি চৰকাৰী অৱহেলাক ধিক্কাৰ দিয়ে। ইয়াৰ পাছতে নেতাজনে সদলবলে আহি সানেকুছি গাঁও পঞ্চায়তৰ অন্তৰ্গত উত্তৰকুছি শংকৰ নামঘৰত ৰাইজক উদ্দেশি বক্তব্য দিয়াৰ উপৰি কিছুপৰিমাণে সাহায্য বিতৰণ কৰে। কাৰ্যসূচীত নেতাজনৰ লগত অসম জাতীয় পৰিষদৰ নলবাৰী জিলা সভাপতি নগেন ডেকা, বৰক্ষেত্ৰীৰ যুৱনেতা শান্তনু কলিতা, বৰভাগৰ যুৱনেতা চন্দন কলিতাৰ লগতে কিছুসংখ্যক দলীয় কৰ্মীয়ে সহযোগ কৰে।

প্ৰলোভনেৰে মধ্য প্ৰাচ্যত নি নিৰ্যাতন চলোৱাৰ অভিযোগ হোজাইৰ যুৱকৰ

অগ্ৰদূত বাৰ্তা

হোজাই, ৭ জুলাই ঃ হোজাইৰ মোৱাঝাৰৰ যুৱকক ধনৰ বিনিময়ত মধ্য প্ৰাচ্যত নি নিৰ্যাতন চলোৱাৰ অভিযোগ উঠিছে। ভুক্তভোগীয়ে ন্যায় বিচাৰি আৰক্ষীৰ কাষ চাপিছে। এই সন্দৰ্ভত ইতিমধ্যে হোজাই আৰক্ষী অধীক্ষকক লিখিত অভিযোগ দাখিল কৰিছে ভুক্তভোগীয়ে। তথ্য মতে, মধ্য প্ৰাচ্যৰ দেশ কুৱেইটত কাম দিয়াৰ প্ৰলোভনেৰে চাৰিং পথাৰৰ জাকাৰিয়া আহমেদ নামৰ যুৱকজনৰ পৰা প্ৰায় দুই লাখ ২০ হেজাৰ টকা সংগ্ৰহ কৰে। তেওঁক প্ৰলোভনেৰে কোম্পানীৰ বাহন চলোৱাৰ কাম দিম বুলি নি জনশূন্য মৰুভূমিত কাম কৰিবলৈ দিয়ে। উৎকট গৰমত কাম কৰিব নোৱাৰাৰ বাবে মাৰপিট কৰাৰো অভিযোগ তুলিছে যুৱকজনে। প্ৰতিশ্ৰুতি মতে, কাম দিয়াৰ পৰিৱৰ্তে আন কাম দিয়াৰ বিৰোধিতা কৰাত ভয়-ভাবুকিৰে বশ কৰাৰ চেষ্টা চলায় একাংশ লোকে। অৱশেষত প্ৰাণৰক্ষাৰ বাবে নিজৰ পকেটৰ ধন খৰচ কৰি হোজাইলৈ উভতি আহে। হোজাইৰ মোৱাজাৰৰ চাৰিংপথাৰৰ জামাল উদ্দিনৰ পুত্ৰ জাকাৰিয়া আহমেদক প্ৰবঞ্চনা আৰু নিৰ্যাতন চলায়। জাকাৰিয়াই নিৰ্যাতন চলোৱা মোৱাঝাৰ থানাৰ মৌডঙা পথাৰৰ যুৱক কেইজনক অভিযুক্ত কৰি আৰক্ষী অধীক্ষকক লিখিত অভিযোগ দাখিল কৰিছে। এনে ঘটনা পূৰ্বতে হোজাইত বহুকেইটা সংঘটিত হৈছিল।

মুখ্য পাঠক কমলাকান্ত দাসৰ পৰলোক

বিশেষ সংবাদদাতা

বৰপেটা, ৭ জুলাই ঃ বৰপেটা চহৰৰ নিকটৱৰ্তী মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ১৮ বছৰ নিবাসস্থান শ্ৰীমন্ত শংকৰদেৱৰ থান সত্ৰৰ মুখ্য পাঠক, একশৰণ হৰিনাম ধৰ্মৰ সেৱক-প্ৰচাৰক, বাউসী-বৰপেটাৰ ভাগৱত চৰ্চাৰ ভাষ্যকাৰ কমলাকান্ত দাস (৮৭)ৰ বাৰ্ধক্যজনিত কাৰণত কালি সন্ধিয়া নিজ বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। ১৯৬২ৰ প্ৰতিষ্ঠা কালৰে পৰা পাটবাউসী হাইস্কুলত শিক্ষকৰূপে নিষ্ঠাৰে সেৱা আগবঢ়াই অৱসৰ গ্ৰহণ কৰা দাসে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ থান সত্ৰৰ মুখ্য পাঠাকৰূপে কাৰ্যনিৰ্বাহ কৰাৰ লগতে প্ৰায় ২২ বছৰ কাল সত্ৰ পৰিচালনা সমিতিৰ সম্পাদক আৰু সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। থানৰ পৰা অখণ্ড পালনাম আৰু ভাগৱত পাঠৰ অংশগ্ৰহণকাৰী প্ৰতিনিধিৰূপে বৰপেটাকে ধৰি অসমৰ বিভিন্ন স্থানলৈ গৈ ভাগৱত পাঠৰ জৰিয়তে গুৰু দুজনাৰ পদাংক অনুসৰণ কৰি 'একশৰণ হৰিনাম ধৰ্ম'ৰ প্ৰতি আনক আকৰ্ষিত কৰিছিল। মৃত্যুৰ সময়ত তেওঁৰ পুত্ৰ-নাতি সমন্বিতে আত্মীয়-স্বজনক এৰি যায়। তেওঁৰ বিয়োগত অঞ্চলটোতে শোকৰ ছাঁ পৰিছে।

পূৰ্বাঞ্চলৰ উদ্যোগত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ

অগ্ৰদূত বাৰ্তা

ছিপাঝাৰ, ৭ জুলাই ঃ সেৱা ভাৰতী, পূৰ্বাঞ্চলৰ উদ্যোগত সহকাৰ ভাৰতী, অসম প্ৰদেশ আৰু অসম স্বাস্থ্য সেৱা সমবায় সমিতিৰ উদ্যোগত ভেৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। স্বাস্থ্য শিবিৰত প্ৰায় আঢ়ৈশ ৰোগীৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে বিনামূলীয়াকৈ ঔষধ বিতৰণ কৰা হয়। উল্লেখ্য যে কেইদিনমান আগত হোৱা বানপানীত ছিপাঝাৰ সমষ্টিৰ অন্তৰ্গত ভেৰুৱা অঞ্চলত ব্যাপকভাৱে ক্ষতিগ্ৰস্ত হয়। অসম স্বাস্থ্য সেৱা সমবায় সমিতিৰ আমন্ত্ৰিত সঞ্চালক ৰাণা বশিষ্ঠৰ বিশেষ তৎপৰতাত বিনামূলীয়া স্বাস্থ্য শিবিৰটো অনুষ্ঠিত হয়। শিবিৰত চিকিৎসা প্ৰদান কৰা চিকিৎসকসকল হৈছে জ্যেষ্ঠ মেডিচিন বিশেষজ্ঞ ডাঃ ধৰ্মেন্দ্ৰ চহৰীয়া, শিশু ৰোগ বিশেষজ্ঞ ডাঃ আছিক ইকবাল, শৈল্য চিকিৎসক ডাঃ জেনিছ জয়াধৰন, চকু ৰোগ বিশেষজ্ঞ ডাঃ গুণীন শৰ্মা, আয়ুৰ্বেদিক চিকিৎসক ডাঃ মুকুল শৰ্মা, ডাঃ নিলয় দাস উপস্থিত থাকে।

কামপুৰত বানাক্ৰান্ত অঞ্চলত পশু চিকিৎসা শিবিৰ

অগ্ৰদূত বাৰ্তা

কামপুৰ, ৭ জুলাই ঃ বানাক্ৰান্ত অঞ্চলৰ পশুধনৰ বাবে কৃষি বিজ্ঞান কেন্দ্ৰ নগাঁৱৰ উদ্যোগত আৰু কামপুৰ কি ভিজেল চেণ্টাৰ, পশুপালন বিভাগ, নগাঁও আৰু এনডিআৰএফ, এক নম্বৰ বেটেলিয়নৰ সহযোগত কাৰৈমাৰী, বিষ্ণুপুৰী, গাৰোখুন্দা আৰু কামপুৰত চাৰিটা পশু স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰা হয়। মুঠ ছশ গৰু-ছাগলীৰ গৰাকীক বিভিন্ন ধৰণৰ ঔষধ বিতৰণ কৰা হয়। শিবিৰত উপস্থিত থাকে কৃষি বিজ্ঞান কেন্দ্ৰ, নগাঁৱৰ পশু বিজ্ঞান বিশেষজ্ঞ ড° অনিমেষ ডেকা, উদ্যান শস্য বিশেষজ্ঞা জুলী শৰ্মা, কামপুৰ কি ভিজেল চেণ্টাৰৰ পশু চিকিৎসা বিষয়া উৎপল তালুকদাৰ, এক নম্বৰ বেটেলিয়নৰ ডেপুটি কমাণ্ডেণ্ট ত্যাগ বাহাদুৰ সিঙৰ লগতে বিষয়ববীয়া আৰু কামপুৰ পৌৰসভাৰ সভানেত্ৰী ধৰিত্ৰী বৰুৱা উপস্থিত থাকে।

বেঁকী নৈত সন্ধানহীন হোৱা কিশোৰৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

শালবাৰী, ৭ জুলাই ঃ বাগ্‌সাৰ শালবাৰীৰ ওদালগুৰি গাঁৱত তিনিদিন পাছত উদ্ধাৰ হ'ল ককাকৰ পিণ্ডদান দিবলৈ আহি নৈত সন্ধানহীন হোৱা কিশোৰৰ মৃতদেহ। যোৱা মঙলবাৰে বাগ্‌সা জিলাৰ লাৱদাংগুৰি উপ-আৰক্ষী চকীৰ অন্তৰ্গত ওদালগুৰিৰ বেঁকী নৈত সন্ধানহীন হৈছিল মুকেশ শৰ্মা (১৬) নামৰ কিশোৰজন। ককাকৰ বছৰেকীয়া পিণ্ডদান কাৰ্যসূচীৰ বাবে আত্মীয়ৰ স'তে নৈৰ পাৰলৈ আহিছিল মুকেশ। সেই উদ্দেশ্যে নৈত গা ধুবলৈ নমাৰ পাছতেই প্ৰবল সোঁতে উটুৱাই লৈ গৈছিল কিশোৰজনক। এই খবৰ লাভ কৰি স্থানীয় লাৱদংগুৰি আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ এছডিআৰএফৰ সহযোগত উদ্ধাৰ অভিযান আৰম্ভ কৰিছিল। আজি তিনিদিনৰ অন্তত স্থানীয় ৰাইজে উক্ত স্থানতে ওপঙি থকা অৱস্থাত প্ৰত্যক্ষ কৰে মৃতদেহটো। তাৰ পাছতেই লাৱদাংগুৰি আৰক্ষীৰ সহযোগত এছডিআৰএফ বাহিনীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে মুছলপুৰলৈ প্ৰেৰণ কৰে। মৃতদেহটো উদ্ধাৰৰ পাছতেই পৰিয়ালৰ লোকসকলৰ মাজত অৱৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি হয়।

বৰপথাৰত দৈয়াং নদীত গা ধুবলৈ গৈ কৰুণ মৃত্যু ছাত্ৰৰ

বৰপথাৰ, ৭ জুলাই ঃ গোলাঘাট জিলাৰ বৰপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত গেলাবিলত সংঘটিত হৈছে শোকাবহ ঘটনা। কালি বিয়লি প্ৰায় ৫.২০ বজাত চাৰি সমনীয়াৰ স'তে দৈয়াং নদীত গা ধুবলৈ গৈছিল ১৫ বছৰীয়া এজন ছাত্ৰ। কিন্তু গা ধুই থকা অৱস্থাত নগীৰ দ' অংশত সোঁতে উটুৱাই লৈ যায় ছাত্ৰজনক। ঘটনাৰ খবৰ বিয়পি পৰাৰ লগে লগে হৈ-চৈ লাগে সমগ্ৰ অঞ্চলজুৰি। ভৰ বাৰিষা নদীত গা ধুবলৈ গৈ সন্ধানহীন হোৱা ১৫ বছৰীয়া কিশোৰজন নিতিন চাহু। গেলাবিলৰ ৰেংমাগ্ৰান্তৰ বাসিন্দা শম্ভু চাহুৰ পুত্ৰ নিতিন গেলাবিলৰে সাৰথি একাডেমীৰ দশম শ্ৰেণীত অধ্যয়নৰত আছিল। কিশোজনৰ পিতৃয়ে জনোৱা অনুসৰি, পুত্ৰই সাঁতুৰিবও নাজানে। আনহাতে, ঘটনাস্থলীত বৰপথাৰ আৰক্ষী আৰু দণ্ডাধীশ উপস্থিত হৈ ঘটনাৰ তদন্ত কৰে। উল্লেখ্য যে প্ৰায় সন্ধিয়া হোৱাৰ কিছু সময় পূৰ্বে ঘটনা সংঘটিত হোৱাত এছডিআৰএফৰ বাহিনীয়ে উদ্ধাৰ অভিযান চলাব নোৱাৰিলে। কিন্তু আজি পুৱাৰে পৰা এছডিআৰএফ বাহিনীয়ে উদ্ধাৰ অভিযান চলাই বিয়লি প্ৰায় চাৰি বজাত ঘটনাস্থলীৰ পৰা প্ৰায় ২.৫ কিলোমিটাৰ আঁতৰৰ ন বিল অঞ্চলৰ পৰা ছাত্ৰজনৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। এই ঘটনাই এতিয়া সমগ্ৰ গেলাবিল অঞ্চলতে শোকৰ ছাঁ পেলাইছে। ইপিনে, দণ্ডাধীশ হেমাংগ নবিছ আৰু বৰপথাৰ আৰক্ষীয়ে এই ভৰ বাৰিষাৰ সময়ত নদীত গা ধোৱা বা মাছ মৰা তেনেধৰণৰ কামৰ পৰা বিৰত থাকিবলৈ গেলাবিল অঞ্চলৰ ৰাইজৰ লগতে মহকুমাটোৰ জনসাধাৰণক আহ্বান জনাইছে। লগতে এনে কাৰ্য দেখিলে লগে লগে প্ৰশাসনক খবৰ দিবলৈ অনুৰোধ জনায়।

ম'বাইল চোৰ আটক হোজাইত

অগ্ৰদূত বাৰ্তা

হোজাই, ৭ জুলাই ঃ হোজাইৰ ৰেল আৰক্ষীয়ে আজি আটক কৰে এজন ম'বাইল চোৰ। হোজাই ৰেল ষ্টেছনত পুৱা উজনিমুৱা এখন ৰেলৰ যাত্ৰীৰ পৰা ম'বাইল চুৰি কৰোতেই হাতে লোটে ধৰা পৰে চোৰজন। ধৃত ম'বাইল চোৰজনৰ নাম লানচান ইছলাম। চোৰজনৰ ঘৰ জাগীৰোডত বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ। তেওঁক ৰেল আৰক্ষীয়ে এটা গোচৰ ৰুজু কৰি জিলা সদৰ শংকৰদেৱ নগৰৰ ন্যায়িক আদালতত হাজিৰ কৰাত আদালতে জেললৈ প্ৰেৰণ কৰে।

লুলুম জলপ্ৰপাত চাবলৈ সমাগত হেজাৰ হেজাৰ লোক



অগ্ৰদূত বাৰ্তা

নদুৱাৰ, ৭ জুলাই ঃ অৰুণাচল প্ৰদেশৰ 'লুলুম' জলপ্ৰপাতত এতিয়া দৈনিক সমাগত ঘটিছে শ শ লোকৰ। কামেং নদীৰ পাৰত অৱস্থিত এই জলপ্ৰপাতৰ সৌন্দৰ্য উপভোগ কৰিছে সকলোৱে। গৰমৰ বন্ধত পৰিয়াল স্বজনৰ লগতে কামেং নদীৰ পাৰত অৱস্থিত জলপ্ৰপাত চাবলৈ ঢাপলি মেলিছে সকলো। ভালুপুংকৰ পৰা ২০ কিলোমিটাৰ নাতিদূৰত্বত অৱস্থিত 'লুলুম' জলপ্ৰপাত সকলোৰে বাবে এতিয়া আকৰ্ষণৰ কেন্দ্ৰ বিন্দু। অৰুণাচল প্ৰদেশৰ ৱেষ্ট কামেং জিলাত অৱস্থিত লুলুম জলপ্ৰপাতলৈ বালিপৰা হৈ চাৰিদুৱাৰৰ মাজেদি আহোতে নামেৰীৰ সৌন্দৰ্যটো হাতা বাউলি মাতে পৰ্যটকক। গৰমৰ সময়ছোৱাত 'লুলুম' জলপ্ৰপাতলৈ শ শ লোকৰ আগমন ঘটিছে। উল্লেখ্য যে 'লুলুম' জলপ্ৰপাতৰ সৌন্দৰ্যই অৰুণাচলক অন্যান্য মাত্ৰ প্ৰদান কৰিছে।

মৰাণত বানত ক্ষতিগ্ৰস্ত কৃষকৰ বাবে পাঁচ হেক্টৰ কৃষিভূমিক ধানৰ বীজ সিঁচিলে বিধায়কে

অগ্ৰদূত বাৰ্তা

মৰাণ, ৭ জুলাই ঃ ডিব্ৰুগড় জিলাৰ মৰাণ বিধানসভা সমষ্টিৰ অন্তৰ্গত তৰাজান গাঁৱত আজি বানত ক্ষতিগ্ৰস্ত কৃষকৰ বাবে কৃষি বিভাগৰ আৰকেভিৱাই-২০২২-২৩ আঁচনিৰ অধীনত প্ৰায় পাঁচ হেক্টৰ কৃষিভূমিত ধানৰ বীজ সিঁচে মৰাণ সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈয়ে। উল্লেখ্য যে মৰাণ সমষ্টিত এইবাৰ বানৰ প্ৰকোপ কম যদিও খেতিয়কৰ পথাৰত বাঢ়নীপানীয়ে ধানৰ কঠীয়া মৰাত কৃষক একপ্ৰকাৰ চিন্তিত হৈ পৰিছে। কৃষকৰ এই চিন্তা দূৰ কৰাৰ লক্ষ্য আগত লৈ ডিব্ৰুগড় জিলা কৃষি বিভাগৰ উদ্যোগত আজি বাহাদুৰ ধানৰ বীজ সিঁচে বিধায়ক গগৈৰ লগতে কৃষি বিভাগৰ লোকসকলে।

সংগ্ৰামী যুৱ-ছাত্ৰ পৰিষদ নেতা দিব্যজ্যোতি বৰুৱাৰ আপত যোগদান

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ৭ জুলাই ঃ আম আদমী পাৰ্টিৰ বিশ্বনাথ জিলাৰ সমন্বয়ক প্ৰভাত কুমাৰ বৰাৰ নেতৃত্বত আপ অসমৰ ৰাজ্যিক কাৰ্যালয়ত ৰাজ্যিক সমন্বয়ক ভৱেন চৌধুৰী আৰু যুটীয়া সমন্বয়ক লক্ষ্মীকান্ত ডুবেৰ উপস্থিতিত সংগ্ৰামী যুৱ-ছাত্ৰ পৰিষদ, অসমৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা বিশ্বনাথৰ ছাত্ৰ নেতা দিব্যজ্যোতি বৰুৱাই কালি দলটোত যোগদান কৰে। সুদীৰ্ঘ বছৰ ৰাজ্যৰ অৰাজনৈতিক সংগঠনত প্ৰত্যক্ষভাৱে জড়িত হৈ আপোচবিহীনভাৱে ৰাইজৰ স্বাৰ্থত সংগ্ৰাম চলাই অৱশেষত কিছুদিন পূৰ্বে সংগ্ৰামী যুৱ-ছাত্ৰ পৰিষদ অসমৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদকৰ গুৰু দায়িত্বৰ পৰা অৱসৰ গ্ৰহণ কৰি আপত যোগদান কৰে।

দৈনিক
অগ্রদূত

ক্রীড়াভূমি/ক্রীড়াভূমি

গুৱাহাটী, ৮ জুলাই ২০২২
শুকুৱাৰ, পৃষ্ঠা ১৫

মণ্টু শর্মা আন্তঃক্লাব ফুটবলত মৰাণ টাউন পুনৰ জয়ী

অগ্রদূত বার্তা

মৰাণ, ৭ জুলাই ঃ মৰাণ জিলা ক্রীড়া সস্থাৰ উদ্যোগত মৰাণ মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত মণ্টু শর্মা 'এ' ডিভিজন মৰাণ আন্তঃক্লাব ফুটবল লীগৰ আজি অনুষ্ঠিত খেলত মৰাণ টাউন ক্লাব ক্রীড়া প্রকল্প ধমনক একমাত্র গ'লত পৰাজিত কৰি সম্পূর্ণ পইণ্ট অর্জন কৰিছে। খেলৰ ৩৫ মিনিটত ধর্মৰ খেলু�ৰেৰে ফাউল কৰাত টাউন ক্লাবে পেনাল্টীৰ সুযোগ লাভ কৰে। পেনাল্টী কিকটো টাউন ক্লাবৰ ধীৰাজ বদ্রাই গ'ললৈ ৰূপান্তৰ কৰি দলক জয়ী কৰায়। খেলখন পৰিচালনা কৰে পৰিমল বৰগোহাঁই, বিতোপন গগৈ, ভাস্কৰজ্যোতি গগৈ আৰু শিক্ষাৰ চাংমায়ে।

ইতিহাস গঢ়ি উইম্বলডনৰ ফাইনেলত জাবেউৰ

আঘাতকো নেওচি কো�ৰার্টাৰ ফাইনেলত দুর্দান্ত জয় সত্ত্বেও ছেমিফাইনেলত অনিশ্চিত নাডাল

নিউজ ব্যুৰ'

লণ্ডন, ৭ জুলাই ঃ ইতিহাস সৃষ্টি কৰি উইম্বলডনৰ মহিলা ছিংগল্ছৰ ফাইনেলত প্ৰৱেশ কৰিলে টিউনিছিয়াৰ খেলুৰৈ অ'ন্স জাবেউৰে। আজিৰ ছেমিফাইনেলত জাবেউৰে টাটিয়ানা মাৰিয়াক ৬-২, ৩-৬, ৬-১ ছেটত পৰাজিত কৰে। এই জয়ৰ সূত্রে প্রতিযোগিতাৰ তৃতীয় বাছনিপ্রাপ্ত জাবেউৰে আৰৱ দেশসমূহৰ প্রথম মহিলা টেনিছ খেলুৰৈৰূপে কোনো গ্রেণ্ড শ্লাম প্রতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিলে। ফাইনেলত তেওঁ প্রাক্তন চেম্পিয়ন ছিম'না হালেপ আৰু এলেনা ৰেবাকিনাৰ মাজৰ বিজয়ী খেলুৰৈগৰাকীৰ বিপক্ষে খেলিব। আজিৰ পৰৱর্তী সময়ত দ্বিতীয়খন ছেমিফাইনেল অনুষ্ঠিত হ'ব।

উল্লেখ্য যে ২০১৯ৰ চেম্পিয়ন ৰোমানিয়াৰ তাৰকা হালেপে কালিৰ কোৰার্টাৰ ফাইনেলত আমাণ্ডা এনিছিম'ভাক ৬-২, ৬-৪ ছেটত পৰাজিত কৰে। সেইদৰে ৰেবাকিনাই আলা টমলান'ভিচক ৪-৬, ৬-২, ৬-৩ ছেটত হৰুৱায়। এই জয়েৰে ৰেবাকিনা কোনো গ্রেণ্ড শ্লামৰ ছেমিফাইনেলত প্ৰৱেশ কৰা কাজাখস্তানৰ প্রথম খেলুৰৈত পৰিগণিত হয়। ইপিনে, ছেমিফাইনেলত স্থান দখল কৰিও ফাইনেলত প্ৰৱেশৰ যুঁজত অৱতীর্ণ হোৱাৰ ক্ষেত্রত অনিশ্চিত হৈ পৰিছে ৰাফেল নাডাল। সর্বাধিক ২২টা গ্রেণ্ড শ্লাম বিজয়ী স্পেনিছ তাৰকাজনে কালি টেইলৰ ফ্রিৎজক প্ৰৱল সংগ্রামৰ অন্তত ৩-৬, ৭-৫, ৩-৬, ৭-৫, ৭-৬ (১০/৪) ছেটত পৰাজিত কৰে। উল্লেখ্য যে আঘাতৰ বাবে নাডালে একাধিকবাৰ খেলৰ মাজতে চিকিৎসা গ্রহণ কৰিবলগীয়া হয়। কাইলৈ তেওঁ ছেমিফাইনেলত নিক কির্গিয়জৰ বিপক্ষে খেলাৰ কথা। যদিও খেলৰ অন্তত চিকিৎসকে জনাইছে যে নাডালৰ তলপেটৰ সাত মিলি মিটাৰ দীঘল মাংসপেশী ছিঙিছে। অৱশ্যে নাডালে খেলত অংশ ল'ব পাৰিব বুলিয়ে আশা ৰাখিছে। তেওঁৰ ছেমিফাইনেলৰ প্রতিদ্বন্দ্বী কির্গিয়জে চিলিৰ ক্রিষ্টিয়ান গেৰিনক ৬-৪, ৬-৩, ৭-৬ (১০/৫) ছেটত পৰাজিত কৰে।



অর্শদীপৰ অভিষেক

নিউজ ব্যুৰ'

ছাউদাম্পটন, ৭ জুলাই ঃ আজি নিশাৰে পৰা ভাৰত আৰু ইংলণ্ডৰ প্রথমখন টি-২০ মেচ আৰম্ভ হৈছে। ভাৰতে টছত জয়ী হৈ পোনতে বেটিং কৰি দুই অভা�ৰত ২০ ৰাণ সংগ্রহ কৰিছে। আজি টি-২০ত অভিষেক ঘটিল ভাৰতৰ তৰুণ পেচবলাৰ অর্শদীপ সিঙৰ। তেওঁ ভাৰতৰ হৈ টি-২০ মেচ খেলা ৯৯সংখ্যক ক্রিকেটাৰত পৰিগণিত হৈছে। অধিনায়ক ৰোহিত শর্মাৰো দলৰে প্রত্যাৱর্তন ঘটিছে।

তেজপু�ৰৰ প্রবীণ খেলু�ৰৈ অনু লহকৰ ডেকাৰ মৃত্যু

ষ্টাফ ৰিপর্টাৰ

তেজপুৰ, ৭ জুলাই ঃ তেজপুৰ জিলা ভলীবল দলৰ এগৰাকী সদস্যাৰূপে দুবাৰকৈ আন্তঃজিলা ভলীবল প্রতিযোগিতাত অংশ লোৱা সুদক্ষ মহিলা ভলীবল খেলুৰৈ আৰু এথলীট অনু লহকৰ ডেকা (৬৩)ৰ যোৱা নিশা পৰলোকপ্রাপ্তি ঘটে। তেজপুৰৰ মিছন চাৰিআলিৰ সমীপৱর্তী শুক্লেশ্বৰ নগৰ নিবাসী তথা ১৯৫৯ত জন্মগ্রহণ কৰা এইগৰাকী প্রাক্তন ভলীবল খেলুৰেয়ে ১৯৭৬ত শিৱসাগৰত আৰু ১৯৭৭ত তেতিয়াৰ অবিভক্ত শোণিতপুৰৰ হাৰাজানত অনুষ্ঠিত হোৱা আন্তঃজিলা ভলীবল প্রতিযোগিতাত তেজপুৰৰ জিলা মহিলা ভলীবল দলৰ এগৰাকী গুৰুত্বপূর্ণ সদস্যাৰূপে অংশ লৈ দক্ষতাৰ পৰিচয় দিছিল। তদুপৰি এথলীটৰূপে দৌৰতো প্রতিভা প্রদর্শন কৰা এইগৰাকী খেলুৰেয়ে ৰাষ্ট্রীয় পর্যায়ত প্রবীণ ক্রীড়াত অংশ লৈ সফলতা অর্জন কৰিবলৈ সক্ষম হৈছিল। সামাজিকভাৱেও যথেষ্ট সক্রিয়তা প্রদর্শন কৰা ডেকা স্থানীয় শুক্লেশ্বৰ নগৰ মহিলা মহিলা সমিতিৰ সভানেত্রী পদত মৃত্যু পর্যন্ত কার্যনির্বাহ কৰিছিল। তেওঁৰ আকস্মিক বিয়োগত তেজপুৰ জিলা ক্রীড়া সস্থা, তেজপুৰ জিলা ভলীবল সস্থা, তেজপুৰ জিলা ক্রীড়া সস্থাৰ সভাপতি জিতেন বৰঠাকুৰ, ক্রীড়া সংগঠক মৃদুল শর্মা, শুক্লেশ্বৰ মহিলা সমিতি, শোণিতপুৰ জার্ণেলিষ্ট ইউনিয়ন আদি বিভিন্ন অনুষ্ঠানে শোকপ্রকাশ কৰিছে।

শ্রীলংকাক 'হোৱাইট ৱাশ্ব' কৰিলে ভাৰতে

মহিলা ক্রিকেটৰ তৃতীয় এদিনীয়াতো ৩৯ ৰাণৰ জয় ঃ শ্রেষ্ঠ হৰমনপ্রীত

নিউজ ব্যুৰ'

পালেকেলে, ৭ জুলাই ঃ মহিলা এদিনীয়া আন্তর্জাতিক মেচৰ শৃংখলাত ঘৰুৱা দল শ্রীলংকাক 'হোৱাইট ৱাশ্ব' কৰিলে ভাৰতে। হৰমনপ্রীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলে আজিৰ তৃতীয় তথা অন্তিম এদিনীয়া মেচতো শ্রীলংকাক ৩৯ ৰাণৰ ব্যৱধানত পৰাজিত কৰে। ইয়াৰ জৰিয়তে ভাৰতে শৃংখলাটোত ৩-০ৰ নিৰংকুশ জয় সাব্যস্ত কৰে। আজিৰ খেলৰ লগতে শৃংখলাৰ শ্রেষ্ঠ খেলুৰৈ বিবেচিত হয় হৰমনপ্রীত।

প্রথমে বেটিং কৰি ভাৰতে আজি নির্ধাৰিত ৫০ অভা�ৰত ন উইকেট হেৰুৱাই ২৫৫ ৰাণ সংগ্রহ কৰে। প্রত্যুত্তৰত ঘৰুৱা দলটোৰ ইনিংছ ৪৭.৩ অভা�ৰত ২১৬ ৰাণত সমাপ্ত হয়। শ্রীলংকাৰ হৈ অধিনায়ক চামাৰি আথাপাট্টুৰে ৪৪, হাছিনি পেৰেৱাই ৩৯ আৰু নীলাক্ষি ডি ছিলভাই অপৰাজিত ৪৮ ৰাণৰ বৰঙণি যোগাই যদিও নিয়মিত ব্যৱধানত উইকেটৰ পতন ঘটাত জয়ৰ লক্ষ্যৰ বহু দূৰতে থমকি ৰয়। ভাৰতৰ ৰাজেশ্বৰী গায়কো�ৰাড়ে তিনিটা উইকেট দখল কৰে। সেইদৰে মেঘনা সিং আৰু পূজা বস্ত্রকাৰে দুটাকৈ তথা দীপ্তি শর্মা, হৰমনপ্রীত আৰু হাৰলিন দেউলে এটাকৈ উইকেট পায়।

ইয়াৰ পূর্বে ভাৰতৰ সুন্দৰভাৰে আৰম্ভ কৰিও এটা সময়ত ১২৪ ৰাণতে ছয় উইকেট হেৰুৱাই বিপদত পৰিছিল। তাৰ পাছৰ পৰাই দলৰ দায়িত্ব লয় হৰমনপ্রীত আৰু বস্ত্রকাৰে। দুয়ো সপ্তম উইকেটৰ যুটিত মূল্যবান ৯১ ৰাণ যোগ দিয়ে। হৰমনপ্রীতে ৮৮টা বলত সাতটা বাউণ্ডেৰী আৰু দুটা ছিক্সাৰৰ সহায়ত ৭৫ ৰাণ কৰে। আনহাতে, বস্ত্রকাৰে ৬৫টা বলত তিনিটা ছিক্সাৰৰ সহায়ত ৫৬ ৰাণ কৰি অপৰাজিত হৈ ৰয়।

সন্মুখত অগ্নিপৰীক্ষা ঃ আসন্ন টি-২০ বিশ্বকাপৰ ভাগ্য দুদোল্যমান কোহলিৰ

ৰেষ্টইণ্ডিজৰ বিপক্ষে শৃংখলাৰ পৰাও বিশ্রামৰ আবেদন

নিউজ ব্যুৰ'

মুম্বাই, ৭ জুলাই ঃ ইংলণ্ডৰ বিপক্ষে আজিৰে পৰা টি-২০ শৃংখলাত অৱতীর্ণ হৈছে ভাৰতীয় দল। তিনিখনীয়া মেচৰ এই শৃংখলাতে নির্ভৰ কৰিছে বি�ৰাট কোহলিৰ টি-২০ মেচৰ ভৱিষ্যৎ। শৃংখলাৰ অন্তিম দুখন মেচত কোহলিয়ে খেলাৰ সুযোগ পাব। সেই দুখন মেচত ৰাণ নাপালে আসন্ন টি-২০ বিশ্বকাপৰ দলত কোহলিয়ে স্থান নোপোৱাটো একপ্রকাৰ নিশ্চিত। ভাৰতীয় ক্রিকেট নিয়ন্ত্রণ ব'ৰ্ড (বিচিচিআই)ৰ এক সূত্রই এই কথা সদৰী কৰিছে।

জাতীয় দলত কোহলি ধাৰাবাহিকভাৱে ব্যর্থ। অন্তিম আইপিএলতো তেওঁ আশাপ্রদ প্রদর্শন আগবঢ়াব পৰা নাছিল। যি কেইখন মেচত ৰাণ পাইছিল, তাতো তেওঁৰ ষ্ট্রাইক ৰেট কোহলি-সুলভ নাছিল। ইয়াৰ ফলতে বিশ্বৰ অন্যতম শ্রেষ্ঠ বেটাৰজনৰ টি-২০ ভৱিষ্যতক লৈ প্রশ্ন উঠিছে। কোহলিক টি-২০ বিশ্বকাপৰ দলত ৰখা হ'ব নে নাই, সেয়া ইংলণ্ডৰ বিপক্ষে শৃংখলাতে নির্বাচকে ঠিক কৰিব বুলি সূত্রই জনাইছে। উল্লেখ্য যে ২০২১ৰ টি-২০ বিশ্বকাপত কোহলিৰ নেতৃত্বত ভাৰত চূড়ান্তভাৱে ব্যর্থ হৈছিল। তেওঁ নিজেও ব্যর্থ হয়। ইয়াৰ পাছৰে পৰা সীমিত অভাৰৰ ক্রিকেটত কোহলিয়ে ধাৰাবাহিকভাৱে খেলা নাই অথচ কোহলিৰ পৰিৱর্তে সুযোগ পোৱা সূর্যকুমাৰ যাদৱ, দীপক হুডা আদিয়ে সুন্দৰ প্রদর্শন আগবঢ়াইছে। সূত্রই দাবী কৰিছে যে ইংলণ্ডৰ বিপক্ষে ৰাণ কৰিব নোৱাৰিলে নির্বাচকে কোহলিক বিশ্বকাপৰ দলৰ পৰা বাদ দিব। একমাত্র কোহলিয়েই নহয়। বৰঞ্চ নির্বাচকৰ দৃষ্টিত ৰোহিত শর্মা, যশপ্রীত বুমৰাহ আদিৰ দৰে জ্যেষ্ঠ খেলুৰেও আছে। উল্লেখ্য যে ৰেষ্টইণ্ডিজৰ বিপক্ষে পৰৱর্তী এদিনীয়া শৃংখলাৰ বাবে ভাৰতীয় দলত অধিকাংশ জ্যেষ্ঠ খেলুৰৈ নাই। আনহাতে, ৰেষ্টইণ্ডিজৰ বিপক্ষে পাঁচখনীয়া মেচৰ টি-২০ শৃংখলাৰ বাবে এতিয়াও ভাৰতীয় দল ঘোষণা কৰা নাই। সূত্রই কয় যে ইংলণ্ডৰ বিপক্ষে প্রদর্শন চোৱাৰ পাছতহে ৰেষ্টইণ্ডিজত কোনে কোনে সুযোগ পাব, সেয়া ঠিক কৰিব নির্বাচকে। সূত্রই লগতে কয় যে জ্যেষ্ঠা ক্রিকেটাৰসকলে সম্প্রতি অধিকাংশ সময় বিশ্রাম পোৱাৰ বাবে ব'ৰ্ডৰ এটা অংশ ক্ষুণ্ণ। তেওঁলোকৰ মতে, প্রতিটো শৃংখলাৰ দল নির্বাচনৰ সময়তে একাংশ খেলুৰৈৰ বিশ্রামৰ প্রসংগ আহে। তেওঁলোকে নিয়মিতৰূপে নেখেলিলে দলে কিদৰে ছন্দ ঘু�ৰাই পাব বুলিও অসন্তুষ্ট ব'ৰ্ড কর্মকর্তাসকলে প্রশ্ন কৰিছে। সূত্রই জনায় যে ইংলণ্ডৰ বিপক্ষে শৃংখলাৰ পাছতে যিসকল জ্যেষ্ঠ খেলুৰৈক ৰখা হ'ব পাৰে, তেওঁলোকক বিশ্বকাপ পর্যন্ত নিয়মিতৰূপে খেলোৱা হ'ব। ইপিনে, ৰেষ্টইণ্ডিজৰ বিপক্ষে টি-২০ শৃংখলাৰ পৰাও বিশ্রাম বিচাৰিছে কোহলিয়ে। ইয়াৰ বাবে তেওঁ বিচিচিআইক আবেদন জনোৱা বুলি আজি ব'ৰ্ডৰ এক সূত্রই কয়। সেয়া হ'লে আগন্তুক বিশ্বকাপত কোহলিয়ে নেখেলাটো একপ্রকাৰ নিশ্চিত হোৱা বুলিয়ে সূত্রই জনাইছে।

প্রথম দৰা অলিম্পিয়াড শিখা ৰীলে আয়োজন সন্দর্ভত সদৌ অসম দৰা সস্থাৰ সংবাদমেল সম্বোধন কৰিছে ক্রীড়া আৰু যুৱ কল্যাণ বিভাগৰ সঞ্চালক নিবেদন দাস পাটোৱাৰীয়ে।

যোৰহাট 'এ' ডিভিজন ফুটবলত টাউন ক্লাবৰ জয়

ষ্টাফ ৰিপর্টাৰ

যোৰহাট, ৭ জুলাই ঃ যোৰহাট টাউন ক্লাবে মিলনজ্যোতি সংঘক ১-০ গ'লত পৰাভূত কৰি যোৰহাট 'এ' ডিভিজন ফুটবলত সুন্দৰ আৰম্ভণি ঘটাবলৈ সক্ষম হৈছে। যোৰহাট জিলা ক্রীড়া সস্থাৰ উদ্যোগত যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা 'এ' ডিভিজন ফুটবল লীগৰ আজিৰ খেলৰ ৯০ মিনিটত বিবেক গুৰুঙৰ গ'লেৰে যোৰহাট টাউন ক্লাব জয়ী হৈ সম্পূর্ণ পইণ্ট লাভ কৰিবলৈ সক্ষম হয়। তাৰ মাজতে কে'বাটাও সুন্দৰ সুযোগ নষ্ট কৰে দলটোৱে। খেল পৰিচালনা কৰে ৰেফাৰী বিমান বুঢ়াগোহাঁয়ে। লাইনত সহায় কৰে সুমন্ত দত্ত আৰু ৰাজদ্বীপ বড়াই। চতুর্থ ৰেফাৰী পৰন পাঠক। কাইলৈৰ খেল ৰৱভেটা স্পা'টছ ক্লাব বনাম ৰমাকান্ত ফুটবল ক্লাব। সময় বিয়লি ৩-০০ বজাত।

হাৰিয়ানাত অনুষ্ঠিত হ'বলগীয়া ৬৯সংখ্যক ছিনিয়ৰ ৰাষ্ট্রীয় কাবাদী চেম্পিয়নশ্বিপত অংশগ্রহণ কৰিবলগীয়া অসমৰ পুৰুষ দলটো।

১৬ বছৰ অনূর্ধ্বৰ ফাইনেলত মনন নাথ

অইল-আইটা টেনিছৰ ডাবল্ছত খিতাপ জয়ৰ সুযোগ অসমৰ সাত খেলুৰৈৰ



গুৱাহাটী,৭ জুলাই ঃ অসমৰ প্রতিভাৱান টেনিছ খেলুৰৈ মনন নাথে চচলত চলি থকা অইল-আইটা ছুপাৰ ছি�ৰিজ টেনিছৰ ল'ৰাৰ ১৬ বছৰ অনূর্ধ্বৰ ছিংগল্ছৰ ফাইনেলত প্ৰৱেশ কৰিছে। যদিও তেওঁ ১৮ বছৰ অনূর্ধ্বৰ ছেমিফাইনেলৰ পৰা বিদায় ল'বলগীয়া হয়। সেইদৰে ছিংগল্ছৰ ছেমিফাইনেল খেলা অসমৰ আন এগৰাকী খেলুৰৈ বিষ্ণুপ্রিয়া ৱৰগোহাঁয়ো আজি ছোৱালীৰ ১৮ বছৰ অনূর্ধ্বৰ খেলত পৰাজিত হয়। ইফালে, অসমৰ সাত খেলুৰৈয়ে ডাবল্ছৰ বিভিন্ন শাখাৰ ফাইনেলত প্ৰৱেশ কৰি খিতাপৰ সম্ভাৱনা সজীৱ কৰি ৰাখিছে। এই বাতৰি লিখাৰ পৰলৈকে আজিৰ খেলসমূহ সম্পূর্ণ হোৱা নাই।

আজি অনুষ্ঠিত ল'ৰাৰ ১৬ বছৰ অনূর্ধ্বৰ ছেমিফাইনেলত মননে পশ্চিমবংগৰ কেশৰ গোৱেলক ৭-৬ (৭/৪), ৬-৪ ছেটত পৰাজিত কৰে। ফাইনেলত তেওঁ কর্ণাটকৰ তানুছ খিলডিয়ালৰ বিপক্ষে খেলিব। লক্ষ্মণীয়ভাৱে ১৮ বছৰ অনূর্ধ্বৰ ছেমিফাইনেলত মনন কর্ণাটকৰ খেলুৰৈজনৰ বিপক্ষেই পৰাজিত হয়। খেলখনত তানুছে অসমৰ খেলুৰৈজনক ৬-১, ৫-৭, ৬-২ ছেটত হৰুৱায়। আনহাতে, ছোৱালীৰ ১৮ বছৰ অনূর্ধ্বৰ ছেমিফাইনেলত অসমৰ খেলুৰৈ বিষ্ণুপ্রিয়া পশ্চিমবংগৰ ছৈজানী বেনার্জীৰ বিপক্ষে ৬-১, ৬-১ ছেটত পৰাজিত হয়।

ইপিনে, ল'ৰাৰ ১৬ বছৰ অনূর্ধ্বৰ ডাবল্ছৰ ফাইনেলত প্ৰৱেশ কৰিছে অসমৰ যুটি আলমাছ ইৰন আহমেদ আৰু চাণ্ডোগ্য টি পাঠকে। তেওঁলোকে আজিৰ ছেমিফাইনেলত অসমৰে নমন বৰা আৰু সন্দিদ বৰাক ৬-২, ৬-১ ছেটত হৰুৱায়। সেইদৰে অসমৰ চাৰিগৰাকী খেলুৰৈ ছোৱালীৰ ১৬ বছৰ অনূর্ধ্বৰ ডাবল্ছৰ ফাইনেলত উপনীত হৈছে। প্রথমখন ছেমিফাইনেলত ছনী প্রজাপতি-নাবিহা মৰিয়মৰ যুটিয়ে অসমৰ নয়ীম হুছেইন আৰু বিহাৰৰ অংশু গৌৰীক ৬-৩, ৪-৬, ১০-৮ ছেটত পৰাজিত কৰে। দ্বিতীয়খন ছেমিফাইনেলত নিকিতা কান্দ-অর্ণৰি দেৱনাথৰ যুটিয়ে অসমৰে ৰোছনি ভৰদ্বাজ আৰু আড্রিকা ৰাজকুমাৰীক ৭-৫, ২-৬, ১২-১০ ছেটত পৰাজিত কৰে। অসমৰ আন এজন খেলুৰৈ ৰৌণক কাশ্যপে মণিপুৰৰ শংকৰ হেইছনামৰ স'তে যুটি বান্ধি ল'ৰাৰ ১৮ বছৰ অনূর্ধ্বৰ ফাইনেলত উপনীত হৈছে। অৱশ্যে দ্বিতীয় বাছনিপ্রাপ্ত ব্রিটেইন-আমেৰিকাৰ যুটিটোৱে দুর্দান্ত প্রত্যাৱর্তন ঘটাই ছানিয়াৰ আশাত চেঁচাপানী ঢালে। উল্লেখ্য যে মহিলাৰ ডাবল্ছত ছানিয়া প্রথম ৰাউণ্ডতে পৰাজিত হৈছিল। উইম্বলডনত ছানিয়াই এবাৰেই ফাইনেল খেলিছে। ২০১৫ত মার্টিনা হিংগিজৰ স'তে যুটি বান্ধি সেইবাৰ ছানিয়াই মহিলা ডাবল্ছৰ খিতাপ জয় কৰিছিল। টেনিছ কেৰিয়াৰত ভাৰতীয় তাৰকাগৰাকীয়ে পাঁচটা গ্রেণ্ড শ্লাম খিতাপ জয় কৰিছে। এইবাৰ তেওঁ ষষ্ঠ গ্রেণ্ড শ্লামৰ পৰা বঞ্চিত হ'ল। অৱসৰৰ পূর্বে ছানিয়াই ইউ এছ অপেনত অন্তিম সুযোগ লাভ কৰিব।

মালয়েছিয়া অপেনৰ কোৰার্টাৰত সিন্ধু-প্রণয়

নিউজ ব্যুৰ'

কুৱালা লামপুৰ, ৭ জুলাই ঃ চলিত মালয়েছিয়া মাষ্টার্ছ বেডমিণ্টনৰ ছিংগল্ছৰ কোৰার্টাৰ ফাইনেলত প্ৰৱেশ কৰিলে ভাৰতীয় তাৰকা পি ভি সিন্ধু আৰু এইছ এছ প্রণয়ে। আজিৰ মহিলা ছিংগল্ছৰ দ্বিতীয় ৰাউণ্ডৰ খেলত সপ্তম বাছনিপ্রাপ্ত সিন্ধুৰে চীনৰ ঝেং উইই মানক ২১-১২, ২১-১০ পইণ্টত পৰাজিত কৰে। আনহাতে, পুৰুষ ছিংগল্ছৰ দ্বিতীয় ৰাউণ্ডৰ খেলত প্রণয়ে চাইনিজ টাইপেইৰ ৰাং ছু ৰেইক ২১-১৯, ২১-১৬ পইণ্টৰ ব্যৱধানত পৰাজিত কৰে। অৱশ্যে ভাৰতৰ আন দুজন পুৰুষ খেলুৰৈ পাৰুপাল্লি কাশ্যপ আৰু বি ছাই প্রণীথে দ্বিতীয় ৰাউণ্ডৰ পৰাই বিদায় লয়। চীনৰ লি শ্বে ফেঙে প্রণীথক ২১-১৪, ২১-১৭ আৰু ইণ্ডোনেছিয়াৰ এছনী ছিনিছুকা জিণ্টিঙে কাশ্যপক ২১-১০, ২১-১৫ পইণ্টৰ ব্যৱধানত পৰাজিত কৰে।

প্রাইমজমানি ফুটবল আগিয়াত

অগ্রদূত বার্তা

আগিয়া,৭ জুলাই ঃ গোৱালপাৰা জিলাৰ আগিয়া যোগেন্দ্র নাথ মেম'ৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বর্ষজোৰা মহাৰজত জয়ন্তী উদ্যাপনৰ লগত সংগতি ৰাখি অহা ১৯ জুলাইৰ পৰা চিনাৰাম ৰাভা আৰু পৰমেশ্বৰ সূত্রধৰ সোঁৱৰণী প্রাইজমানি গ্রাম্য ফুটবল প্রতিযোগিতাৰ আয়োজন কৰা হৈছে। উক্ত বিদ্যালয় খেলপথাৰত বালিজানা উন্নয়ন খণ্ডৰ অন্তর্গত গাঁওসমূহৰ মাজত অনুষ্ঠিত হ'বলগীয়া ফুটবল প্রতিযোগিতাখনিত অংশগ্রহণ কৰিবলৈ ইচ্ছুক ফুটবল দলক অহা ১৪ জুলাইৰ ভিতৰত যোগদান কৰিবলৈ আহ্বান জনাইছে মহাৰজত জয়ন্তী বর্ষ উদ্যাপন সমিতিয়ে। উক্ত প্রতিযোগিতাত চেম্পিয়ন দলে লাভ কৰিব চিনাৰাম ৰাভা সোঁৱৰণী ট্রফীসহ নগদ ১০ হেজাৰ টকা। আনহাতে, ৰাণার্ছআপ দলে লাভ কৰিব পৰমেশ্বৰ সূত্রধৰ সোঁৱৰণী বঁটাসহ নগদ সাত হেজাৰ টকা।

অন্তিম উইম্বলডন জয়ৰ সপোন অসম্পূর্ণ ছানিয়াৰ

মিক্সড্ ডাবল্ছৰ ছেমিফাইনেলত পৰাস্ত



নিউজ ব্যুৰ'

লণ্ডন, ৭ জুলাই ঃ কেৰিয়াৰত অন্তিমবাৰলৈ উইম্বলডনত অংশ লৈ নিঃশব্দে খিতাপ জয়ৰ দিশে অগ্রসৰ হৈছিল ছানিয়া মির্জা। অৱশ্যে অন্তিম উইম্বলডন জয়ৰ সপোন সার্থক নহ'ল ভাৰতীয় তাৰকাগৰাকীৰ। কালি প্রতিযোগিতাৰ মিক্সড্ ডাবল্ছৰ ছেমিফাইনেলৰ পৰাই বিদায় ল'লে ছানিয়া আৰু তেওঁৰ চেক সংগী মেট পেভিচে। যোৱাবাৰৰ চেম্পিয়ন যুটি ব্রিটেইনৰ নেইল স্কুপস্কী আৰু আমেৰিকাৰ ডিছাৰী ক্র'চিকে ষষ্ঠ বাছনিপ্রাপ্ত ছানিয়া-পেভিচক ৪-৬, ৭-৫, ৬-৪ ছেটত পৰাজিত কৰে। প্রথম ছেটত সহজে জয়ী হৈ ছানিয়া-পেভিচে ফাইনেলৰ সম্ভাৱনা সজীৱ কৰি তুলিছিল। অৱশ্যে দ্বিতীয় বাছনিপ্রাপ্ত ব্রিটেইন-আমেৰিকাৰ যুটিটোৱে দুর্দান্ত প্রত্যাৱর্তন ঘটাই ছানিয়াৰ আশাত চেঁচাপানী ঢালে। উল্লেখ্য যে মহিলাৰ ডাবল্ছত ছানিয়া প্রথম ৰাউণ্ডতে পৰাজিত হৈছিল। উইম্বলডনত ছানিয়াই এবাৰেই ফাইনেল খেলিছে। ২০১৫ত মার্টিনা হিংগিজৰ স'তে যুটি বান্ধি সেইবাৰ ছানিয়াই মহিলা ডাবল্ছৰ খিতাপ জয় কৰিছিল। টেনিছ কেৰিয়াৰত ভাৰতীয় তাৰকাগৰাকীয়ে পাঁচটা গ্রেণ্ড শ্লাম খিতাপ জয় কৰিছে। এইবাৰ তেওঁ ষষ্ঠ গ্রেণ্ড শ্লামৰ পৰা বঞ্চিত হ'ল। অৱসৰৰ পূর্বে ছানিয়াই ইউ এছ অপেনত অন্তিম সুযোগ লাভ কৰিব।

নুৰুল আমিন নগাঁও প্রথম ডিভিজন আন্তঃক্লাব ফুটবল

ষ্টাৰ স্প'র্টিং-উদয় সংঘৰ খেল ড্র

অগ্রদূত বার্তা

বেৰেজীয়া, ৭ জুলাই ঃ নগাঁও ক্রীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূর্ণগতিত চলি থকা নুৰুল আমিন প্রাইজমানি প্রথম ডিভিজন আন্তঃক্লাব ফুটবল লীগৰ আজি অনুষ্ঠিত ষ্টাৰ স্প'র্টিং ক্লাব বনাম উদয় সংঘৰ মাজৰ খেলখন ১-১ গ'লত ড্র হয়। তুমুল প্রতিদ্বন্দ্বিতামূলক খেলখনত উদয় সংঘৰ হৈ লক্ষ্যজিত কোঁৱৰে (১০ মিঃ) প্রথমে গ'ল কৰাৰ বিপৰীতে ষ্টাৰ স্প'র্টিং ক্লাবৰ হৈ বিভানজ্যোতি লস্কৰে (১৬ মিঃ)ত সমতাসূচক গ'লটো দিয়ে। নগাঁও ক্রীড়া সংস্থাৰ স্বীকৃত প্রথম ডিভিজনৰ মুঠ আঠটা ক্লাবৰ মাজত ৰাউণ্ড ৰবিন লীগ পদ্ধতিত আয়োজিত এই লীগৰ আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী ঘনশ্যাম দাসক সহায় কৰে পার্শ্বজ্যোতি দাস, শৈলেন ভূঞা আৰু নয়ন হোকা (চতুর্থ)ই। উল্লেখ্য যে ষ্টাৰ স্প'র্টিং ক্লাবৰ ৰূপমজ্যোতি পাটৰ আজি শ্রেষ্ঠ খেলুৰৈৰূপে নির্বাচিত হয়।

দৈনিক
অগ্রদূত

Regn No. RNP/GH-085/2021-2023

গুৱাহাটী, ৮ জুলাই, ২০২২ শুকুৱাৰ পৃষ্ঠা ১৬

বিলাসসন্দন চ'ৰা

আদিম ভাৰত

ঃ হেৱা, মূৰ-চুৰ গৰম হৈ গ'লহে?
ঃ বস্তাটো কান্ধত লৈ ফুৰিছা যে! কি আছেনো তাত?
ঃ কাঠৰ টুকুৰা, গছৰ শুকান ডাল, কাঠৰ গুড়ি...
ঃ ক'ত পালা এইবোৰ?
ঃ পুৱাৰে পৰা বুটলি ফুৰিছো।
ঃ কিয়?
ঃ ভৱিষ্যতৰ কাৰণে।
ঃ কিহৰ ভৱিষ্যৎ?
ঃ পাকঘৰৰ ভৱিষ্যৎ।
ঃ কি হৈছে পাকঘৰত?
ঃ পাকঘৰটোতো বন্ধ হ'ব দিব নোৱাৰি। ভৱিষ্যতলৈও সি খোল খাই থাকিব লাগিব।
ঃ পাকঘৰ আকৌ কিয় বন্ধ হ'বহে?
ঃ বন্ধ হোৱাৰ লক্ষণে দেখা দিছে।
ঃ কেনেকৈ?
ঃ তুমি গম নোপোৱা নেকি?
ঃ নাপাওঁ।
ঃ আৰু বাঢ়িল।
ঃ কি বাঢ়িল?
ঃ দাম বাঢ়িল।
ঃ কিহৰ?
ঃ চিলিণ্ডাৰৰ।
ঃ সৌ সিদিনাখন বাঢ়িছিলহে!
ঃ সেই বঢ়াটো পুৰণি হ'ল।
ঃ তাৰ মানে নতুনকৈ আকৌ বাঢ়িল?
ঃ বাঢ়িল।
ঃ দুদিনমান পাছত আকৌ বাঢ়িব?
ঃ বাঢ়িবই।
ঃ এনেকৈ বাঢ়ি গৈ থাকিলে আমি চিলিণ্ডাৰ কেনেকৈ কিনিমহে?
ঃ সেই কাৰণে পুৱাৰে পৰা কাঠ খৰি, কাঠৰ গুড়ি, কয়লাৰ টুকুৰা বুটলি ফুৰিছো।

ঃ কি কৰিবা সেইবোৰ?
ঃ জমা কৰি ৰাখিম।
ঃ তাৰ পাছত?
ঃ যেতিয়ালৈকে চিলিণ্ডাৰ কিনি থাকিব পাৰো, কিনিম। নোৱৰা হোৱাৰ লগে লগে জমা কৰাবোৰ আনি জ্বলাই দিম আৰু তিৰীক ক'ম— আজিৰে পৰা ইয়াতে ভাত ৰান্ধিবি।
ঃ সেইবোৰত ভাত ৰান্ধিলে ধোঁৱাই বৰকৈ চকুত ধৰে।
ঃ ধৰিবই?
ঃ ভাত ৰান্ধোতে গৃহিণীসকলৰ বৰ কষ্ট হয়।
ঃ কষ্টতো হ'বই।
ঃ সেই কষ্ট সহিব নোৱাৰিয়ে দিল্লীৰ বাদশাহে উজালা ঘোষণা কৰি ফ্রীতে গেছ কানেকছন দিছিল। এতিয়া কি দিব?
ঃ নতুন আঁচনি এখন দিব।
ঃ কি আঁচনি?
ঃ উস্ জ্বালা আঁচনি।
ঃ কি হ'ব এই আঁচনিৰ?
ঃ এই আঁচনিৰ অধীনত খালী চিলিণ্ডাৰটোলৈ চাই চাই খৰিৰ জুইত ভাত ৰান্ধি থকা গৃহিণীসকলে আওৰাই থাকিব লাগিব— উস্ জ্বালা!
ঃ ভাল কৈছাহে!
ঃ আৰু এটা কথা নহয়।
ঃ কি?
ঃ আটাৰো দাম বাঢ়িল।
ঃ আৰু?
ঃ কাপোৰৰ চিলাইতো জিএছটি বাঢ়িল।
ঃ তাৰ মানে?
ঃ কাপোৰৰ দামো বাঢ়িল।
ঃ এনেকৈ সৰ বস্তুৰে দাম বাঢ়ি গৈ আছে।
ঃ আৰু?
ঃ আৰু বাঢ়িব।
ঃ এনেকৈ বাঢ়ি বাঢ়ি গৈ থাকিলে কি হ'ব?
ঃ আমি আদিম যুগলৈ ঘুৰি যাব লাগিব।
ঃ মানে?
ঃ গছৰ বাকলি পিন্ধিব লাগিব, যাৰ দাম কেতিয়াও নাবাঢ়ে।
ঃ আৰু?
ঃ গছৰ শুকান ডাল-পাত জ্বলাই ৰন্ধা-বঢ়া কৰিব লাগিব। চিকাৰ কৰি খাব লাগিব, কিনা-বেচাৰ কোনো কথা নাই।
ঃ এই আঁচনিৰ নাম কি হ'ব?
ঃ আদিম ভাৰত অভিযান!

উজনি মাজুলী-ঢকুৱাখনাৰ সীমামুৰীয়া তাকাৰচুকৰ পৰা নামনি মাজুলীৰ বান্দৰ বাৰীলৈকে মাজুলীৰ বিভিন্ন ঠাইত খহনীয়াৰ তাণ্ডৱ

খেৰকটীয়া নৈৰ ভয়াবহ খহনীয়া

অগ্রদূত বার্তা
কমলাবাৰী, ৭ জুলাই ঃ মাজুলীৰ সীমামুৰীয়া ঢকুৱাখনা মহকুমাৰ খেৰকটা পঞ্চায়তৰ অন্তর্গত তাকাৰচুকত ব্রহ্মপুত্রৰ খহনীয়াই ভয়াবহ ৰূপ ধাৰণ কৰিছে। যাৰ বাবে অশনি সংকেত আহি পৰিছে ঢকুৱাখনা আৰু মাজুলীবাসীৰ বাবে। খহনীয়াৰ কবলত পৰা অঞ্চলটোৰ পৰা ঢকুৱাখনা-মাজুলী জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাৰ প্রধান ৰক্ষাকৰচ স্বৰূপ চিচি-টেকেলিফুটা মথাউৰি স্পর্শ কৰিবলৈ বাকী ৰৈছেগৈ প্রায় ৫০ মিটাৰহে। যোৱা দুই জুলাইত অসম চৰকাৰৰ জলসম্পদ বিভাগৰ মুখ্য অভিযন্তা বৰছিং ৰংপিয়ে উক্ত খহনীয়া অঞ্চল পৰিদর্শন কৰি ঢকুৱাখনা সংমণ্ডলক ক্ষিপ্রতাৰে খহনীয়া প্রতিৰোধৰ ব্যৱস্থা গ্রহণ কৰিবলৈ নির্দেশ দিয়ে। পৰৱর্তী সময়ত বিভাগে খহনীয়া প্রতিৰোধৰ ব্যৱস্থা কৰিও ব্যর্থ হোৱা বুলি জানিব পৰা গৈছে। ইফালে, অঞ্চলটোক ভয়াবহ খহনীয়াৰ পৰা ৰক্ষা কৰাৰ বাবে মিচিং জাতীয় সংগঠন তত্ত্বাৰধানত স্থানীয় ৰাইজে অশেষ কষ্ট কৰি প্রতিৰোধ ব্যৱস্থা গ্রহণ কৰিছে যদিও কোনোপধ্যেই ৰোধিব পৰা নাই খহনীয়া।

বিগত ১৯৯৮ ত মিচিং বালি আৰু আৰ্কেপ গাঁৱৰ মাজত ব্রহ্মপুত্রৰ বানে মথাউৰি ছিঙাৰ ফলত সমগ্র ঢকুৱাখনা, মাজুলী, উত্তৰ লক্ষীমপুৰ মহকুমাৰ অন্তর্গত পূৱ তেলাহী আৰু লুইত খাবলু গাঁও পঞ্চায়তৰ জনসাধাৰণৰ পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছিল। পুনৰ যাতে তেনেধৰণৰ ভয়াবহ পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে জলসম্পদ বিভাগক অতি সোনকালে খহনীয়া প্রতিৰোধৰ বিজ্ঞানসম্মত ব্যৱস্থা গ্রহণ কৰিবলৈ স্থানীয় জনসাধাৰণে আহ্বান জনাইছে।

ইফালে, জেংৰাইমুখত খেৰটীয়া নৈৰ প্রবল খহনীয়াই জেংৰাইমুখ বজাৰ আৰু মূল পথটো লৈ ভাবুকিৰ সৃষ্টি কৰিছে। ইতিমধ্যে অস্থায়ীভাৱে প্রতিৰোধৰ ব্যবস্থা কৰিছে যদিও পূর্বতে দিয়া শৈল্যবান্ধটোৰ একাংশ নৈৰ বুকুত জাহ যায়। আজি খহনীয়া অঞ্চল পৰিদর্শন কৰি জলসম্পদ বিভাগৰ কার্যবাহী অভিযন্তাগৰাকীয়ে জিঅ'বেগ সংস্থাপনৰ আশ্বাস দিয়ে।

শালমৰাৰ কামজান এলেঙীত হৈ থকা খহনীয়া এতিয়াও অব্যাহত আছে। বর্তমান প্রায় ৪১ টা পৰিয়ালক স্থানান্তৰ কৰাটো নিশ্চিত হৈছে। বাৰিষাৰ আ�ৰম্ভণি পৰা হৈ থকা খহনীয়া প্রতিৰোধৰ বাস্তৰ পদক্ষেপ নোলোৱাত সমগ্র অঞ্চলটো আতংকিত হৈছে।

নামনি মাজুলী কনিষ্ঠ মহাবিদ্যালয়ৰ খহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰি মহাবিদ্যালয়ৰ দিশে চোঁচা লৈছে নদীয়ে। মহৰি চুক অঞ্চলৰ ৰাইজৰ বিস্তৰ কৃষি ভূমি খহনীয়াত জাহ যোৱাৰ উপৰি মূল পথটো লৈ ভাবুকি কঢ়িয়াই আনিছে। খহনীয়া অব্যাহত থাকিলে মাজুলীৰ মূল ভুখণ্ডৰ লগত বিচ্ছিন্ন হোৱাটো নুই কৰিব নোৱাৰি।

ইফালে, বিগত পাঁচ বছৰৰ পৰা ভকত চাপৰিৰ চলি থকা খহনীয়াৰ প্রতিৰোধৰ নামত ব্রহ্মপুত্র ব'র্ডে চৰকাৰী টকাৰ শৰাধ পাতিলেও কোনো ফলপ্রসূ হোৱা নাই। বর্তমান ভকত চাপৰি গৰুখুঁটি অঞ্চলত চলি থকা খহনীয়াই ১৭ খন গাঁৱৰ ৰাইজৰ বিপদ ঘণ্টা বজাইছে।

তদুপৰি নামনি মাজুলীৰ বান্দৰ বাৰীকে ধৰি বিভিন্ন ঠাইত খহনীয়া চলি আছে যদিও এতিয়াও কোনো ধৰণৰ স্থায়ী প্রতিৰোধৰ ব্যৱস্থা কৰা নাই বুলি স্থানীয় ৰাইজৰ অভিযোগ। মৰণোত্তৰ পৰীক্ষাৰ বাবে কোকৰাঝাৰলৈ প্রেৰণ কৰিব।

নুমলীগড় শোধনাগাৰৰ প্রগতি দুৱাৰত প্রতিবাদত বহিল কাৰিকৰী প্রশিক্ষণপ্রাপ্ত যুৱক

নুমলীগড় শোধনাগাৰলৈ কোম্পানীসমূহে বহি�ৰাগত শ্রমিকক আনি থলুৱা নিবনুৱা যুৱকক বঞ্চিত কৰাৰ অভিযোগ

অগ্রদূত বার্তা
নুমলীগড়, ৭ জুলাই ঃ কোনো সংগঠনৰ বেনাৰৰ তলত নহয়, এনআৰএলৰ 'প্রগতি দুৱাৰ'ত প্রতিবাদ সাব্যস্ত কৰে বহুকেইজন নিবনুৱা যুৱকে। কাৰিকৰী প্রশিক্ষণপ্রাপ্ত উক্ত যুৱকসকলে অভিযোগ কৰি কয় যে এনআৰএলত বর্তমান যিসকল নিবনুৱা যুৱকে অস্থায়ীভাৱে হ'লেও সংস্থাপন লাভ কৰিছে, তাৰে বেছিসংখ্যককে কোম্পানীসমূহে আন ঠাইৰ পৰা আমদানি কৰিছে। এনআৰএলৰ শোধন ক্ষমতা তিনি মিলিয়ন মেট্রিক টনৰ পৰা ন মিলিয়নলৈ বৃদ্ধি কৰাৰ বাবে সম্প্রসাৰণৰ কাম চলি আছে তাৰ পৰা যদিও আশা কৰা ধৰণে স্থানীয় নিবনুৱা যুৱক-যুৱতীসকল লাভান্বিত হোৱা নাই। কাৰিকৰী প্রশিক্ষণপ্রাপ্ত স্থানীয় বহুতো নিবনুৱা যুৱক আছে যদিও তেওঁলোকো সেইক্ষেত্রত সম্পূর্ণৰূপে উপেক্ষিত হৈ আছে। স্থানীয় বহুতো কাৰিকৰী প্রশিক্ষণপ্রাপ্ত নিবনুৱা যুৱকে কোম্পানীৰ অধীনত সংস্থাপন বিচাৰি ছয়-সাত মাহৰ পূর্বেই আবেদন জনাইছিল যদিও কোনোৱেই নিযুক্তি লাভ কৰিবলৈ সক্ষম হোৱা নাই। ইফালে, নিজস্ব মইমতালিৰে কোম্পানীসমূহে আন ঠাইৰ পৰাহে কাৰিকৰী প্রশিক্ষণপ্রাপ্ত যুৱকক আমদানি কৰি নিযুক্তি দিয়া পৰিলক্ষিত হৈছে। উপায়ান্তৰ হৈহে তেওঁলোকে ন্যায়প্রাপ্তিৰ বাবে তেনে প্রতিবাদ সাব্যস্ত কৰিবলৈ বাধ্য হৈছে। উল্লেখ্য যে প্রতিবাদী যুৱকসকলে এনআৰএল-ৰ 'প্রগতি দুৱাৰ'ত' বিজয় টেংকছ এণ্ড ৰেছেলছ্ প্রাঃ লিঃ নামৰ কোম্পানীটোৰ অধীনৰ শ্রমিকসকলকে 'প্রগতি দুৱাৰ'ত ৰখাই লৈ প্রতিবাদ সাব্যস্ত কৰে। এইখিনিতে উল্লেখ কৰিব পাৰি যে এনআৰএলৰ সম্প্রসাৰণে স্থানীয় অলেখ নিবনুৱা যুৱকৰ বাবে কর্মসংস্থাপনৰ সৃষ্টি কৰিব বুলি আশা কৰা হৈছিল যদিও কার্যক্ষেত্রত তাৰ বিপৰীত ছবি এখনহে দেখা পোৱা গৈছে। কোম্পানীসমূহে নিজস্ব প্রতিষ্ঠানত বিষয়াৰ পৰা শ্রমিকলৈকে সকলোতে বহিৰাগতসকলকহে যেন অগ্রাধিকাৰ দিছে। ইফালে, স্থানীয় নিবনুৱাক কৰা বঞ্চনা, স্থানীয় লোকক ঠিকা প্রদান, কর্মসংস্থাপনৰ বেলিকা স্থানীয় শিক্ষিত নিবনুৱা আৰু কাৰিকৰী প্রশিক্ষণপ্রাপ্ত নিবনুৱাক অগ্রাধিকাৰ প্রদান আদিবোৰ ইছুকে লৈ যোৱা সময়ছোৱাত বিভিন্ন দল-সংগঠনে প্রতিবাদ সাব্যস্ত কৰি আহিছে যদিও ঠিকা আদি লাভৰ যোগেদি উক্ত সংগঠনসমূহৰ নেতাসকলে নিজ স্বার্থ সিদ্ধি কৰাৰ পথহে বাছি লোৱা পৰিলক্ষিত হৈছে। সেয়ে উক্ত সংগঠনসমূহৰ প্রতি আস্থা ক্রমশঃ হ্রাস পাইছে কর্মসংস্থাপনৰ আশাত থকা নিবনুৱা যুৱক-যুৱতীসকলৰ। সেয়েহে আজি কোনো সংগঠনৰ বেনাৰত নহয়, বঞ্চিত নিবনুৱা যুৱকসকল ওলাই আহিছে স্বতঃস্ফূর্তভাৱেই। স্থানীয় নিবনুৱাৰ এনে স্বতঃস্ফূর্ত প্রতিবাদ অনাগত দিনত ৰাইজৰ প্রতিনিধি বুলি দাবী কৰি অহা সংগঠনবোৰৰ সান্দহ খোৱা বালি তল যোৱাৰ সময় সমাগত বুলি মত প্রকাশ কৰিছে সচেতন ৰাইজে। প্রকৃত অর্থতে বঞ্চিত যুৱকসকলে আজি এনআৰএলৰ 'প্রগতি দুৱাৰ'ত এনআৰএল আৰু ইয়াত কর্মৰত কোম্পানীসমূহৰ বিৰুদ্ধে একে স্বৰত ক্ষোভ উজাৰি কয় যে অনাগত দিনতো যদি বঞ্চনাৰ এই ধাৰা অব্যাহত থাকে, তেনে স্থানীয় যুৱকসকলে ইয়াতকৈ ব্যাপক ৰূপত প্রতিবাদ সাব্যস্ত কৰিবলৈ বাধ্য হ'ব।

কলিয়াবৰত বিদ্যুৎ বিভাগৰ দায়িত্বজ্ঞানহীন কর্ম ঃ পথৰ কাষতে উন্মুক্ত ট্রেন্সফর্মাৰ



অগ্রদূত বার্তা
কলিয়াবৰ, ৭ জুলাই ঃ কলিয়াবৰত শক্তি বিভাগৰ দায়িত্বজ্ঞানহীন কাণ্ডই সকলোৰে চকু কপালত তুলিছে। কলিয়াবৰত ঠায়ে ঠায়ে শক্তি বিভাগে পাতিছে মৰণফান্দ। পথৰ কাষতে উন্মুক্তভাৱে স্থাপন হৈছে বৈদ্যুতিক ট্রেন্সফর্মাৰ। কলিয়াবৰৰ মিলন নগৰত বিপজ্জনকভাৱে জংঘলেৰে আ�বৰি ধৰা এটা বৈদ্যুতিক ট্রেন্সফর্মাৰে এতিয়া সকলোৰে নিদ্রা হৰিছে। বিগত এবছৰে হাবি-জংঘলেৰে আবৰি ধৰা বৈদ্যুতিক ট্রেন্সফর্মাৰটো চাফ-চিকুণ কৰিবলৈ সময় নাই এপিডিচিএলৰ কলিয়াবৰ বৈদ্যুতিক উপ-সংমণ্ডলৰ কর্মচাৰীৰ। উন্মুক্ত বৈদ্যুতিক ট্রেন্সফর্মাৰটোৰ বাবে যিকোনো মুহূর্ততে অঘটন সংঘটিত হোৱাৰ আশংকা এতিয়া ঘনীভূত হৈছে অঞ্চলটোত। মানুহৰ লগতে পোহনীয়া জীৱ-জন্তুৰ বিপদ আহিব পাৰে এই উন্মুক্ত ট্রেন্সফর্মাৰটোৰ লগতে সংলগ্ন হৈ থকা বৈদ্যুতিক তাঁৰৰ পৰা। এনেদৰেই ঠায়ে ঠায়ে মৰণফান্দ পাতিছে শক্তি বিভাগে। ইয়াক লৈ কলিয়াবৰত হৈছে সৰৰ চর্চা।

ডুমডুমাত নৈত সন্ধানহীন কিশোৰী

ডুমডুমা, ৭ জুলাই ঃ তিনিচুকীয়া জিলাৰ ডুমডুমা আৰক্ষী থানাৰ অধীনৰ বাদলাভেটা চাহ বাগিচাৰ ১০ নম্বৰ লাইনৰ এগৰাকী কিশোৰী ডুমডুমা মৈলাজান নৈত পৰি সন্ধানহীন হয়। কিশোৰীগৰাকী বিলো চবৰৰ কন্যা ৰাধা চবৰ ওৰফে চনু (১০)। আজি দুপৰীয়া লগৰ লগত চনুৰে গা ধুবলৈ গৈ সন্ধানহীন হয়। ঘটনাস্থলীত এছডিআৰএফৰ দল উপস্থিত হৈ উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। ডুমডুমা আৰক্ষী থানাৰ ভাৰপ্রাপ্ত বিষয়া দিব্যজ্যোতি দত্ত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। চনুৰে মণিৰাম দেৱান প্রাথমিক বিদ্যালয়ত তৃতীয় শ্রেণীত অধ্যয়ন কৰিছিল।

অসম-মেঘালয় সীমান্তৱর্তী বকোৰ আপাৰ তাৰাবাৰীত অসমীয়াৰ কান্দোন

অগ্রদূত বার্তা
বকো, ৭ জুলাই ঃ অসমৰ ভূমিত অসমীয়াই ভৰিত ধন। অসমীয়া হৈছে এঘৰীয়া। দৰাচলতে দোষ কাৰ এইটো এটা লাখটকীয়া প্রশ্ন সচেতন মহলত। এই ক্ষেত্রত ৰাজ্য চৰকাৰখনক পোনচাটেই জগৰীয়া কৰা হৈছে। বিবাদমান অঞ্চলৰ অন্তর্ভুক্ত নোহোৱা অসমৰ গাঁওসমূহ চলে-বলে কৌশলে একাংশ অসম বিদ্বেষীয়ে মেঘালয় অধীনৰ বুলি ঢোল পিটিছে। অসম মেঘালয় সীমান্তৱর্তী বকোৰ সীমান্তৰ বিশেষভাৱে গাৰো গাঁওসমূহ মেঘালয়ৰ অধীনৰ বুলি অসমীয়াৰ মাজত বিভাজন আনিছে এইসকল অসম বিদ্বেষী মেঘালয়ৰ সমর্থনকাৰীয়ে। ফলত বকোৰ সীমান্তত চেপা উত্তেজনাই বিৰাজ কৰি আছে। সমান্তৰালভাৱে বকোৰ সীমান্ত গাৰো জনগোষ্ঠীৰ লোকে বসবাস কৰা আপাৰ তাৰাবাৰীত উত্তেজনাই বিৰাজ কৰি থকা পৰিলক্ষিত হৈছে। ঘটনা সন্দর্ভত আপাৰ তাৰাবাৰীৰ গাঁওবুঢ়া পিটদন চাংমাই জনোৱা মর্মে গাঁওখনৰ ৯৫ টা পৰিয়ালৰ একাংশ পৰিয়াল অনিদ্রা আৰু ভয় সংকটত জীৱন যাপন কৰিবলগীয়া হৈছে। গাঁওখনত অসম বিদ্বেষকাৰীয়ে ভাইৰ ভাইৰ মাজত বিভাজন আনি এক আতংকময় পৰিবেশৰ সৃষ্টি কৰিছে। ইয়াৰ মাজতে অসমৰ ভূমিত মেঘালয়ৰ সমর্থনকাৰীসকলে অসম চৰকাৰক প্রত্যাহ্বান জনাই বকোৰ আপাৰ তাৰাবাৰী সমীপৰ Sriginde ত এখন ৰাজহুৱা সভা পাতে। ৰাজহুৱা সভাত অসম বিদ্বেষকাৰীসকলে অসম চৰকাৰৰ খাদ্য সুৰক্ষা অধীনৰ চাউল গ্রহণ কৰা আৰু আধাৰ কার্ড বনোৱা অসমীয়াসকলৰ ওপৰত জোৰ জবৰদস্তি শাস্তিমূলক ব্যৱস্থা হাতত লয়। সভাখনত অসমৰ চাউল খোৱা আৰু আধাৰ কার্ড বনোৱা ৬-৭ পৰিয়ালৰ পৰা পাঁচ হেজাৰ টকাকৈ জৰিমনা আদায় কৰে। একেদৰে টকা আদায় নিদিয়া ১৫-১৬ টা পৰিয়ালক গাঁওখনৰ পৰা এঘৰীয়া কৰি থয়। সম্প্রতি গাঁওখনত অসমৰ সমর্থনকাৰীসকল চৰম হতাশাৰ মাজত আছে। কান্দোনত ভাগি পৰিছে গাঁওবাসী। অশ্রুসিক্ত নয়নেৰে অনিদ্রাত পাৰ কৰিছে সময়। অসমীয়া হৈ অসমত মৰিব বিচৰা একাংশ দৰিদ্র গাঁওবাসী উপায়বিহীন হৈ মেঘালয়ক সমর্থন কৰিবলৈ মন মেলিলে। দৰিদ্র এইসকল গাঁওবাসীৰ হাতত নাই ধন।

অসমৰ চাউল অসমীয়াই খোৱা বাবে ভৰিলে পাঁচ হেজাৰ টকা একাংশ অসমীয়া অসমতে হ'ল এঘৰীয়া

কাষত নাই ৰাজ্য চৰকাৰৰ যোগাত্মক সঁহাৰি। একেদৰে গাঁওবুঢ়া Pitdon Sangm ৰ জীৱনলৈ আহিছে ভাবুকি। ভয় ভাবুকিৰে গাঁওবুঢ়াকো নিদ্রা হৰণ কৰিছে মেঘালয়ৰ সমর্থনকাৰীয়ে। অসমৰ গাঁৱত অসমীয়াই নিৰাপত্তাহীনতাত ভুগিবলগীয়া হৈছে। অসমৰ বাবে অতিকে লজ্জাজনক বিষয় হিচাপে পৰিগণিত হৈছে সীমা সমস্যা।

আধাতে সপোন ভাঙিল ক্ষেত্রী ধর্মপুৰৰ অশ্বিনী দাসৰ

আঢ়ৈ কোটিৰ লোকচান মৎস্য পালকৰ, প্রকৃত ক্ষতিগ্রস্তক সহায়ৰ আহ্বান ঃ বানত হেৰুৱালে চৰকাৰী আৱাস

বিশেষ সংবাদদাতা
নলবাৰী, ৭ জুলাই ঃ মানুহজনৰ নাম অশ্বিনী দাস। ঘৰ নলবাৰী জিলাৰ ২২ নম্বৰ ক্ষেত্রী ধর্মপুৰ পঞ্চায়তৰ অন্তর্গত বৰীত। খাল-বিলত মাছ মাৰি বিক্রী কৰাৰ লগতে দিন হাজিৰা কৰি পত্নী আৰু দুই পুত্রসহ চাবিজনীয়া পৰিয়ালটো কোনোমতে পোহপাল দি আহিছে। বছৰ বছৰ ধৰি ঘৰ এটাৰ সপোন দেখি থকা অশ্বিনী দাসৰ পৰিয়ালটোৰে অৱশেষত এইবাৰ প্রধানমন্ত্রী আৱাস যোজনাৰ অধীনত এটা ঘৰৰ অনুমোদন লাভ কৰে। সেইমর্মে ঘৰটোৰ ভালেখিনি নির্মাণ কার্যও আগবঢ়াইছিল দাসে। সাধাৰণকৈ হ'লেও নাম-সকাম এভাগৰ ব্যয়স্থা কৰি দুর্গাপূজাৰ আগে আগে ঘৰটোত থাকিবলৈ লোৱাৰো পৰিকল্পনা কৰিছিল। পিছে দুর্ভাগ্যই সংগ নেৰিলে অশ্বিনী দাসৰ। ৰাজ্যৰ শেহতীয়া সংহাৰী বানে আন এনে বহু ঘৰ-মাটি উটুৱাই নিয়াৰ দৰে অশ্বিনী দাসৰ আধা বন্ধা ঘৰটোও খহাই নিলে। ফলত এটা ভাল ঘৰত থকাৰ সপোন ভাঙি চুৰমাৰ হৈ গ'ল দাসৰ। কেৱল সেয়াই নহয়, এবাৰ আবণ্টন পোৱা হিতাধিকাৰীক দ্বিতীয়বাৰলৈ প্রধানমন্ত্রী আৱাস যোজনাৰ ঘৰ আবণ্টনত থকা নিষেধাজ্ঞা নীতিৰ মাজত অশ্বিনী দাসৰ দৰে লোকসকলৰ ভাগ্যত আন এক বিপদ নামি আহিছে। অৱশ্যে চৰকাৰৰ সংশ্লিষ্ট বিভাগে এই ক্ষেত্রত কি ভূমিকা লয়, সেয়া লক্ষ্যণীয় হ'ব। ইপিনে দুর্ভগীয়া অশ্বিনী দাসে তেওঁৰ দৰে লোকসকলৰ ক্ষেত্রত বিশেষ ব্যৱস্থা গ্রহণ কৰাৰ অনুৰোধ জনাইছে। সংশ্লিষ্ট গাঁও পঞ্চায়ত সভাপতি আনন্দি মেধিয়েও দাসক বিশেষ সাহায্য প্রদান কৰি হ'লেও তেওঁৰ ঘৰটো নির্মাণৰ আহ্বান জনাইছে সংশ্লিষ্ট বিভাগক। আনহাতে, শেহতীয়া বানত পঞ্চায়তখনৰ, মৎস্যপালকসকলৰ দুই কোটিৰো অধিক টকাৰ লোকচান হোৱা বুলি মেধিয়ে 'দৈনিক অগ্রদূত'ক সদৰী কৰিছে। পঞ্চায়ত সভাপতি মেধিয়ে সদৰী কৰা মতে তেওঁৰ নিজৰ ৬৫ বিঘাৰ এটা পুখুৰীসহ বৰীৰ জ্যোতিষ দাসৰ ৬০ বিঘাৰ, খৰ্গেশ্বৰ দাসৰ ৮০ বিঘাৰ, ভাৰত দাসৰ ৬০ বিঘাৰ, নাৰায়ণ বর্মনৰ ৪০ বিঘাৰ, দ্বীপেন মেধিৰ ৩৫ বিঘাৰ, ৰাজপ্রসাদ মেধিৰ ৩০ বিঘাৰ, অৰূপ বর্মনৰ ৩২ বিঘাৰ, দাদ্দীৰ দিলীপ হালৈৰ ৯৫ বিঘাৰ, টাপাৰ মন্টু দাসৰ ৭০ বিঘাৰ, নৰহৰি দাসৰ ৪০ বিঘাৰ, শিৰ দাসৰ ৭০ বিঘাৰ, ভগৰান হলৈৰ ৭০ বিঘা, প্রাহৰি দাসৰ ২৯ বিঘা, ৰমেন দাসৰ ৮২ বিঘা, মিলন দাসৰ ১১০ বিঘা, ৰঞ্জন দাসৰ ৭০ বিঘা আৰু বিচিত্র দাসৰ ২৫ বিঘাৰ মৎস্য পালন পুখুৰী শেহতীয়া বানত উটি গৈছে। ফলত উক্ত মৎস্য পালকসকলৰ প্রায় আঢ়ৈ কোটি টকা লোকচান হোৱা বুলি সভাপতি মেধিকে ধৰি কেইজনমান মৎস্য পালকে প্রকাশ কৰিছে। আত্মসংস্থাপনে আমুৰাইছে 'আমি চৰকাৰী সংস্থাপনলৈ বাট নাচাই, ঋণত ধন লৈ হ'লেও মৎস্য পালনকে নিজৰ জীৰিকাৰ পথ কৰাৰ লক্ষ্য লৈ স্বনির্ভৰশীল হোৱাৰ চেষ্টা কৰিছিলো। দুই-তিনি বছৰৰ মুৰত আমি মাছসমূহ মাৰি বিক্রী কৰি তাৰে পৰিয়াল চলাই আহিছো। কিন্তু এতিয়া আমাক আত্মসংগস্থাপনে আমুৰাইছে। দুবাৰ মান যদি কিছু ধন উপার্জন হয় তাৰ পাছতে বান আহি সকলো উটুৱাই লৈ যায়। আমি যিসকল ক্ষতিগ্রস্ত হওঁ সেইসকলে চৰকাৰী ক্ষতি পূৰণ বা সাহায্যও নাপাওঁ। কিছুমান ভুৱা মৎস্য পালকে নিজস্ব ক্ষমতাৰ বলত চৰকাৰী ক্ষতিপূৰণ লাভ কৰে। গতিকে আমাৰ উপায় নাই।' এই মন্তব্য নাৰায়ণ বর্মন, দ্বীপেন মেধিকে ধৰি আন কেইজনমান মৎস্য পালকৰ। লক্ষ্যণীয় যে কেৱল মাত্র এই অঞ্চলটোৰেই নহয়, জিলাখনৰ গংগাপুৰ, কালাকুছি, মহবেনি, চাউলখোৱা, কেকান, বর্ণিবাৰী, ৰামপুৰ আদি আন কে'বাটাও অঞ্চলত মৎস্য পালনেৰে আত্মসংস্থাপিত বহু সংখ্যক লোক আছে। ইয়াৰ প্রায় সকলোকেইজন মৎস্য পালকৰে পুখুৰীসমূহ শেহতীয়া বানে উটুৱাই নি তেওঁলোকক সর্বহাৰা কৰি তুলিছে। উক্ত মৎস্য পালকসকলৰ এতিয়া এটাই আশা— চৰকাৰে সঠিক ক্ষেত্র অধ্যয়নেৰে প্রকৃত ক্ষতিগ্রস্তক সহায় কৰক।

PHYSIOTHERAPY CENTRE
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

অগ্রদূত পাব্লিচার্ছ প্রাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্রদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্রিত আৰু প্রকাশিত। **সম্পাদক ঃ প্রাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চার্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, **আৰু বিজ্ঞাপন** - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্রুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com